# কৰণি

প্ৰথম বছৰ প্ৰথম সংখ্যা

অক্টোবৰ, ২০২১ আহিন ১৯৪৩ শক


**সম্পাদনা সমিতি ঃ**

উপদেষ্টা
ডাঃ বিৰাজজ্যোতি গোস্বামী
শৰৎ বৰকাকতি

মুখ্য সম্পাদক
মদন চন্দ্ৰ ডেকা

সহকাৰী সম্পাদক
পংকজ কুমাৰ নেওগ
ৰাতুল বৰুৱা
কৃষ্ণা শৰ্মা
পংকজ কুমাৰ বৰুৱা
ড° পবন কুমাৰ চহৰীয়া

প্ৰকাশক ঃ
*আস্থা* (Alumni Association for Social Transformation and Harmony Assam Cottonion PU)

পঞ্জীয়ন নং ঃ RS/KAM(M)/263/5/29

মূল্য ঃ ৫০.০০ টকা

মুদ্ৰণ ঃ
শ্ৰীগণেশ প্ৰিণ্টাৰ্চ্, নুনমাটি, গুৱাহাটী-২০

বেটুপাত ঃ তৃণাভ বৰকাকতি
স্কেচ্চ ঃ ইণ্টাৰনেট


**এই সংখ্যাৰ অৰ্ঘ্য**


*বিশেষ ৰচনা*
- ভুল বিশ্বাস আৰু ভুল প্ৰভাৱৰ ৰাজত্ব/৪
  ড° দীনেশ চন্দ্ৰ গোস্বামী

*সোঁৱৰণী অতীতৰ*
- গানৰ নিচিনা দিন/৯
  নিৰুপমা বৰগোহাঞি

*প্ৰবন্ধ*
- কৃষ্ণ-গহ্বৰৰ মায়াজাল/১৩
  ড° পবন কুমাৰ চহৰীয়া
- বড়ো ভাষাৰ বিকাশৰ বুৰঞ্জী ঃ এটি অৱলোকন/২০
  ডাঃ জগদীশ বসুমতাৰী
- দেওপাহাৰৰ ইতিহাসৰ সন্ধানত /২৬
  পংকজ কুমাৰ বৰুৱা
- ড° ধ্ৰুৱজ্যোতি বৰাৰ উপন্যাস "আজাৰ" আৰু অতিমাৰী কৰ'না/৩৩
  মদন চন্দ্ৰ ডেকা
- গ্লক'মা ঃ দৃষ্টিৰ সংগোপন চোৰ/৪৬
  ডাঃ বিৰাজ জ্যোতি গোস্বামী
- ইথানল মিশ্ৰিত পেট্ৰ'ল আৰু ভাৰতবৰ্ষত ইয়াৰ উপযোগিতা/৬৩
  পংকজ কুমাৰ নেওগ

*স্মৃতিচাৰণ*
- আতা ৰঘুনাথ চৌধাৰী ঃ সান্নিধ্যৰ সোঁৱৰণ/৫১
  ডাঃ জয়ন্ত চৌধুৰী

*ভ্ৰমণ কাহিনী*

- ভল্লাৰ পাৰে পাৰে/৭৫
  জোনা মহন্ত

*গল্প*

- বিলম্বিত ৰাগিণী/৯১
  ৰাতুল বৰুৱা
- উত্তৰণ/৯৭
  হৰিচন্দ্ৰ ডেকা
- ক'লা সাপ/১০১
  শৰৎ বৰকাকতি
- এনিশাৰ কাহিনী/১০৫
  বিপুল কুমাৰ খাটনিয়াৰ

*অনুবাদ গল্প*

- প্ৰেম (Amur)/১০৮
  মূল ঃ মোপাচাঁ
  অনুবাদ ঃ কৃষ্ণা শৰ্মা

*ক্ৰীড়া জগত*

- বৰ্তমান অতিমাৰীৰ সময়ত শাৰীৰিক শিক্ষাৰ প্ৰয়োজনীয়তা/১১১
  সন্ধ্যা বৰুৱা

*চলচ্চিত্ৰ সমালোচনা*

- বিশ্বশ্ৰেষ্ঠ চলচ্চিত্ৰখন আৰু ইয়াৰ নিৰ্মাতা ইয়াছুজিৰো অ'জু/১১৩
  বিনয় মোহন শইকীয়া

*মুখৰোচক*

- ৰেভিনিউ ষ্টাম্প বিচাৰি মহৰুদ্দিনৰ হাহাকাৰ/৬১
  ছাহ আলম





*কবিতা*

- সূৰুযমুখীৰ ঘৰ/৭১
  মীনাক্ষি ৰায় ডাকুৱা
- সুদিন/৭১
  পূৰ্ণেন্দু শৰ্মা
- ঠিকনা /৭২
  ডাঃ অগস্ত্য বৰুৱা
- সময় /৭২
  কস্তুৰী নিভা গগৈ
- ৰঙীন ফাগুন /৭৩
  ৰত্ন কান্ত শৰ্মা
- চিধা কথা /৭৪
  ডাঃ কঙ্কন শৰ্মা

*শিহৰণকাৰী ঘটনা*

- আকাশৰ বুকুৰপৰা হেৰাই যোৱা উৰুগুৱেৰ ফ্লাইট ৫৭১(মিৰাক্‌ল অফ দা এণ্ডিজ) ঃ শিহৰণকাৰী ঘটনাটো/৫৬
  ৰঞ্জনা দত্ত

*অণুগল্প*

- প্ৰজ্বলিত মমবাতি /৬৯
  ডাঃ অমল শইকীয়া
- দুখ /৭০
  দীপালি ডেকা
- অনুশোচনা /৭০
  ডাঃ হৰ কুমাৰ দাস

# সম্পাদকীয়

**প্ৰাক্‌কথন ঃ**

আমি ১৯৭৫-৭৭ চনত কটন কলেজ(বৰ্তমান বিশ্ববিদ্যালয়)ত প্ৰি-ইউনিভাৰ্চিটি পঢ়া দলটিয়ে ২০১৭ চনত হোৱাট্‌চএপ গ্ৰুপ এটাৰ জৰিয়তে এখন উমৈহতীয়া মঞ্চত পুনৰ্মিলিত হওঁ। পৰস্পৰৰ সাধাৰণ খা-খবৰ লোৱাৰ উপৰিও এই মঞ্চত আৰম্ভ হয় সাহিত্য চৰ্চাৰ বিশেষকৈ কবিতাৰ। যেতিয়া গোটৰ মঞ্চ কবিতাৰ মেটমৰা ভাৰেৰে সগৰ্ভা হৈ উঠিল, তেতিয়া "কাব্য ভাবনা" নামেৰে কবিতাৰ সংকলন এখন উলিওৱা হ'ল ছপা কৰি ২০১৯ চনত। "কাব্য ভাবনা"ৰ দ্বিতীয় খণ্ড ছপা হ'ল ২০২০ চনত। আনহাতে কবিতাৰ উপৰিও গল্প, প্ৰবন্ধ, ভ্ৰমণ কাহিনী, বিজ্ঞান সম্পৰ্কীয় প্ৰবন্ধ, স্মৃতিচাৰণ, মুখৰোচক কাহিনী আদিৰে ২০২০ চনত ছপা কৰি উলিওৱা হয় "এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ" শীৰ্ষক আলোচনীৰ ঋতুৰাজ সংখ্যা আৰু ঋতুৰাণী সংখ্যা। এই কাব্য সংকলন আৰু আলোচনী আছিল কেৱল আমাৰ গোটৰ বাবে ছপা কৰি উলিওৱা হোৱাট্‌চএপত কৰা সাহিত্য চৰ্চাৰ ফচল। "কৰণি" আমাৰ গোটৰ কটনিয়ানসকলৰ উপৰিও সকলো পাঠকে পঢ়িব পৰাকৈ ছপাই উলিওৱাৰ সিদ্ধান্তও ২০২০ চনতে লোৱা হৈছিল। প্ৰাক্তন কটনিয়ান নিৰুপমা বৰগোহাঞি আৰু ড° দীনেশ চন্দ্ৰ গোস্বামীৰ লেখা দুটাৰ বাহিৰে আন সকলো লেখা হোৱাট্‌চএপ মঞ্চৰ।

**১৯৩২ চনৰপৰা ২০২১ চনলৈ উনানব্বৈ বছৰ ঃ**

যদিও সময় বালিত চিন ৰাখি যাবলৈ ইমান দীঘলীয়া আয়ুসৰেখাৰ প্ৰয়োজন নাই, তেওঁলোক উনানব্বৈটা বছৰ জীলে আৰু জীলে কাৰণেই সমাজলৈ বহু অৱদানো আগবঢ়ালে। হয়, ভাৰতীয় সাহিত্যৰ তিনি মহীৰূহৰ কথাই কৈছোঁ-- জ্ঞানপীঠ বঁটা বিজয়ী শঙ্খ ঘোষ, জীৱন-বোধৰ অজেয় সৈনিক হোমেন বৰগোহাঞি আৰু সৰস্বতী সন্মান প্ৰাপক লক্ষ্মীনন্দন বৰাৰ কথা। তেওঁলোক তিনিওৰে জন্ম ১৯৩২ চনত আৰু মৃত্যু এই বছৰ ২০২১ চনত।

জীৱনশিল্পী শঙ্খ ঘোষ একাধাৰে কবি, গদ্যকাৰ, প্ৰাবন্ধিক, অনুবাদক, চিন্তক, গৱেষক আৰু শিক্ষক। পাঠকৰ চিন্তন-মননক আলোড়িত কৰিব পৰা কবিতাৰ লাস্যময়তাৰ লগতে প্ৰতিবাদৰ কাঠিন্যৰে সংপৃক্ত এইগৰাকী সাহিত্যিকৰ সাহিত্য সম্ভাৰ। বংগীয় সাহিত্য ক্ষেত্ৰখনৰ সীমাৰ পৰিধি ভাঙি শঙ্খ ঘোষ ভাৰতীয় সাহিত্যৰ লগতে বিশ্বসাহিত্যৰো এক অবিস্মৰণীয় নাম হৈ জিলিকি থাকিব।

জীৱনৰ জয়গান গাই ভাল পোৱা তথা আনকো জীৱন উদ্‌যাপনৰ অসীম প্ৰেৰণা যোগোৱা হোমেন বৰগোহাঞি, চাৰিকড়ীয়াৰ পাৰৰ সেই সাউদৰ পুতেকজন, অসমীয়া বৌদ্ধিক চেতনাত প্ৰোথিত এক অনন্য অনুৰণন। প্ৰজন্ম নিৰ্মাণৰ স্বয়ম্ভু দায়িত্ববাহী, যুগস্ৰষ্টা, যুগদ্ৰষ্টা, হোমেন বৰগোহাঞি প্ৰতিটো ৰাজনৈতিক সমস্যা, প্ৰতিটো সামাজিক সমস্যাৰ প্ৰতি আছিল সদাসতৰ্ক; অসমীয়া জাতিসত্তাৰ অতন্দ্ৰ প্ৰহৰী। অসমীয়া সাংবাদিকতাক এক অনন্য মাত্ৰা প্ৰদান কৰোঁতা, বিশ্বকোষ আন্দোলনৰ গুৰি ধৰোঁতা বৰগোহাঞি অসমীয়া মননত অন্তহীন প্ৰেৰণাৰ উৎস হৈ থাকিব।

সোণাইৰ পাৰৰ লক্ষ্মীনন্দন বৰাই আন একো গল্প-উপন্যাস নিলিখিলেও কেৱল "গঙা চিলনীৰ পাখি"ৰেই অসমীয়া সাহিত্য জগতত অমৰ হৈ ৰ'লহেঁতেন, কিন্তু তেওঁ "যাকেৰি নাহিকে উপাম", "সেহি গুণনিধি", "পাতাল ভৈৰৱী"ৰ দৰে উপন্যাসো লিখিলে। অসমৰ গ্ৰাম্য জীৱনক মূল উপজীব্য কৰি লিখা ড° বৰাৰ লেখাবোৰত তেখেতৰ অসম হিতৈষী প্ৰাণৰ উমান পোৱা যায়। নিৰহ-নিপানী এক জীৱনৰ অধিকাৰী অজাতশত্ৰু ড° বৰাই "কাল বলুকাত খোজ"ৰ মাজত নিজক উদঙাই দেখুৱাইছে।

পলমকৈ হ'লেও সাহিত্যৰ এই তিনিগৰাকী মহীৰূহলৈ আমাৰ শ্ৰদ্ধাৰ্ঘ্য আগবঢ়ালোঁ।

**টকিঅ' অলিম্পিক ভাৰতীয় ক্ৰীড়াংগনত মাইলৰ খুঁটি হ'ব পাৰেনে ঃ**

ভাৰতৰ অলিম্পিক যাত্ৰাত টকিঅ' ২০২০ আছিল সকলোতকৈ সফলকাম যাত্ৰা। এইবাৰ একেলগে ৭ টা পদক লাভ কৰিলে ভাৰতে – ১টা সোণ, ২টা ৰূপ আৰু ৪টা ব্ৰঞ্জ। সুদীৰ্ঘ ৪১ বছৰৰ মূৰত হকিত পদক লাভ কৰাটো আছিল আটাইতকৈ উল্লেখযোগ্য কথা। এই ঐতিহাসিক সাফল্যই ভাৰতীয় হকিক পুনৰ্জীৱন দিয়া বুলি বহুতো ক্ৰীড়া বিশেষজ্ঞই মন্তব্য কৰিছে। আমাৰো আশা– এই পুনৰুত্থান যেন ভাৰতীয় হকিৰ ভৱিষ্যতৰ অভ্যাস হয়। আমাৰ অসমৰ বৰপথাৰৰ জীয়ৰী লাভলিনা বৰগোহাঁয়ে টকিঅ' অলিম্পিকত বক্সিঙত ব্ৰঞ্জৰ পদক লাভ কৰি অসমক অলিম্পিকৰ মানচিত্ৰত খোদিত কৰিলে। আমি তেওঁক অভিনন্দন জনোৱাৰ লগতে আশা কৰিম যে, ২০২৪ চনৰ পেৰিছ অলিম্পিকত স্বৰ্ণ পদক অৰ্জন কৰাৰ বাবে তেওঁ অনুশীলন অব্যাহত ৰাখিব। সস্তীয়া জনপ্ৰিয়তা লাভ বা লোভনীয় বিজ্ঞাপনৰ জগতখনৰপৰা নিজকে কৌশলেৰে আঁতৰাই ৰাখি অনুশীলনত একাগ্ৰচিত্তে মনোনিৱেশ কৰক – এয়াই লাভলিনাৰ প্ৰতি আমাৰ পৰামৰ্শ। আমাৰ আহ্বান চৰকাৰেও লাভলিনাক এতিয়াই চাকৰি এটা দি সংস্থাপিত নকৰি খেলি যাবলৈ প্ৰোৎসাহিত কৰক, অতি বেছিতে প্ৰশিক্ষকৰ চাকৰি এটা তেওঁৰ বাবে ভৱিষ্যতলৈ সুৰক্ষিত কৰি ৰাখক।

ইতিমধ্যে আকাশত শুকুলা ডাৱৰৰ লগতে ধৰাত কঁহুৱাৰ নাচোন আৰম্ভ হৈছে। শেৱালি ফুলিছে, নিয়ৰ সৰিছে। শাৰদীয় উৎসৱৰ বতৰ আৰম্ভ হৈছে। এই শুভক্ষণত **কৰণি**ক আন্তৰিকতাৰে আদৰি ল'বলৈ অনুৰোধ জনোৱাৰ লগতে সমূহ ৰাইজলৈ শাৰদীয় সম্ভাষণ যাচিলোঁ।

৩ অক্টোবৰ, ২০২১

কেতিয়াবা কিছুমান প্ৰভাৱশালী ব্যক্তি বা সমূহে কথা একোটা কৈ দিয়ে। তেওঁলোকৰ কথা কোনো প্ৰশ্ন নোতোলাকৈ, কোনো আপত্তি নকৰাকৈ মানি লোৱা অনুগামীসকলে সেই মতামত অধিক দৃঢ় বা সবল কৰি তোলে। কিছুমানে পোনপটীয়া প্ৰচাৰেৰে, আন কিছুমানে অতি বুদ্ধিৰে পৰোক্ষভাৱে সেই মতৰ প্ৰচাৰ-প্ৰসাৰ কৰে। ফলত তেনে মত, একেবাৰে ভুল হ'লেও, সমাজত প্ৰতিষ্ঠিত হৈ পৰে।

# ভুল বিশ্বাস আৰু ভুল প্ৰভাৱৰ ৰাজত্ব

**ড° দীনেশ চন্দ্ৰ গোস্বামী**

আপুনি সাংস্কৃতিক অনুষ্ঠান এখন চাবলৈ গৈ আছে। চাৰিআলিটো পাই দেখিলে যে তাত মানুহবোৰ ৰৈ আকাশলৈ চাই আছে। ক'ব নোৱৰাকৈয়ে আপুনিও আকাশলৈ চাই ৰৈ নাযাবনে? আমি বহুতেই হয়তো তেনেকৈ চাই ৰৈ যাম, কোনো প্ৰশ্নও নকৰোঁ।

সাংস্কৃতিক অনুষ্ঠানতো দৃশ্য এটাৰ মাজত কিবা এষাৰ সংলাপ শুনি দৰ্শকৰ মাজৰ কোনোবাই হাত-তালি দিলে। তাকে শুনি আৰু চাৰি-পাঁচজনে, তাৰ পাছত কেইবাজনেও হাত-তালি দিলে। আপুনিও হয়তো, সংলাপটোনো কি আছিল ভালদৰে নুশুনিলেও বা নুবুজিলেও হাত-তালি দিব পাৰে।

মন্দিৰ বা পৌৰাণিক নিৰ্মাণ এটাৰ জোতা থোৱা ঠাইত জোতা থৈ, পাছত জোতাযোৰ পিন্ধি তাৰপৰা যাব খোজোঁতে আপুনি দেখিলে যে যদিও বেৰত 'বিনামূলীয়া সেৱা' বুলি ৰখীয়াজনৰ পিছফালে ডাঙৰকৈ লিখা আছে, তেওঁৰ সমুখত থকা ডাঙৰ থালখনত মানুহে দুটকা-এটকা দি গৈছে। আপুনিও বাৰু যান্ত্ৰিকভাৱে তাত টকা দুটা দি নাযাবনে?

এইবোৰ কাম আমি 'বহুজন মানসিকতা' (mass psychology) বা "বহু মানুহে কৰিছে যেতিয়া ভুল হ'ব নোৱাৰে" বুলি কৰোঁ। তেনেদৰেই, কোনোৱে চিন্তা কৰি নোচোৱা বাবে, বা প্ৰশ্ন সোধাৰ তাড়না অনুভৱ নকৰা বাবে কথা কিছুমান চলি যায়। বহুতে এনে কৰিছে, গতিকে কথাটো বা আচৰণটো ঠিক হ'বই, আমিও তাকেই কৰোঁ। ইয়াক 'সামাজিক প্ৰমাণো' (social proof) বুলিব পাৰি।

কেতিয়াবা কিছুমান প্ৰভাৱশালী ব্যক্তি বা সমূহে কথা একোটা কৈ দিয়ে। তেওঁলোকৰ কথা কোনো প্ৰশ্ন নোতোলাকৈ, কোনো আপত্তি নকৰাকৈ মানি লোৱা অনুগামীসকলে সেই মতামত অধিক দৃঢ় বা সবল কৰি তোলে। কিছুমানে পোনপটীয়া প্ৰচাৰেৰে, আন কিছুমানে অতি বুদ্ধিৰে পৰোক্ষভাৱে সেই মতৰ প্ৰচাৰ-প্ৰসাৰ কৰে। ফলত

তেনে মত, একেবাৰে ভুল হ'লেও, সমাজত প্ৰতিষ্ঠিত হৈ পৰে।

তেনেকৈ ঐতিহ্য, পৰম্পৰা, সংস্কৃতি, জাতিগত বৈশিষ্ট্য, ধৰ্ম, ধৰ্ম-আচৰণ আদিৰ নামত কথা কিছুমান, আচৰণ কিছুমান, বিশ্বাস কিছুমান চলি গৈ থাকে আৰু ক্ৰমে প্ৰসাৰিত হৈ যায়।

কেতিয়াবা দেখা যায় 'উচ্চ ক্ষমতাসম্পন্ন' বা 'জ্ঞানী-গুণী ব্যক্তিৰ' সমিতি একোখনে একো একোটা সিদ্ধান্ত বা মত গ্ৰহণ কৰে। এনে, বিশেষকৈ বহুকেইজন বিজ্ঞ লোকৰ এনে সমাজে কেতিয়াও ভুল মত দিব নোৱাৰে বুলি মানি লোৱা  হয়, বা ক্ষমতাশালীজনে এনে মত গ্ৰহণ কৰিবলৈ সৰ্বসাধাৰণক বাধ্য কৰে। কাকো এনে মতত সন্দেহ প্ৰকাশ কৰিবলৈ বা ইয়াৰ বিৰুদ্ধে মাত মাতিবলৈ দিয়া নহয়।

গেলিলিঅ'ই কপাৰনিকাছৰ মত সমৰ্থন কৰি সূৰ্য্য স্থিৰ আৰু পৃথিৱীয়ে ইয়াৰ চাৰিওফালে ঘূৰে বুলি বিশ্বাস আৰু প্ৰচাৰ কৰাত অতিষ্ঠ হৈ খ্ৰীষ্টান প্ৰধান ধৰ্মগুৰু পোপ ৫ম পলে ১৬১৬ চনত ৰোমত তেওঁৰ পৱিত্ৰ কাৰ্য্যালয়ৰ এঘাৰগৰাকী উচ্চস্থানীয় ধৰ্মগুৰুৰ এখন সমিতিক সকলো কথা চালি-জাৰি চাই সিদ্ধান্ত দিয়াৰ ভাৰ দিলে। সমিতিৰ সকলো সদস্যই একমত হৈ ঘোষণা কৰিলে যে–

* সূৰ্য্য জগতৰ কেন্দ্ৰ বোলা কথাটো আৰু সি স্থিৰ বোলা কথাটো কেৱল ধৰ্মগ্ৰন্থ বিৰোধী আৰু ধৰ্মদ্ৰোহীয়েই নহয়, ই ''মূৰ্খামি-ভৰা আৰু আশ্চৰ্য্যজনকো''। (কপাৰনিকাছৰ জগত সূৰ্য্য আৰু গ্ৰহবোৰতে সীমাবদ্ধ আছিল।)

* কপাৰনিকাছ-গেলিলিঅ'ই পৃথিৱীক জগতৰ কেন্দ্ৰ নহয় বুলি কোৱা কথাটো আৰু ই গোট হিচাপেও গতি কৰে আৰু ইয়াৰ দৈনিক গতিও আছে বুলি কোৱা কথাটো "বিশ্বাসৰ ভুল"; ই দৰ্শকৰ দৃষ্টিৰপৰাও বিভ্ৰান্তিকাৰী।

গেলিলিঅ'ই পাছত কৈছিল যে যুক্তিৰ কথাটো বহুতো ঘোঁৰাই টানি নিয়া বোজাৰ দৰে নহয় যে বহু ঘোঁৰা হ'লেহে ভাল হ'ব– বেছি বোজা টানিব পাৰিব। ই হ'ল ঘোঁৰাদৌৰৰ দৰেহে– ইয়াত এটা ঘোঁৰায়ো আন আটাইবোৰ ঘোঁৰাক পিছ পেলাই যাব পাৰে।

বিখ্যাত ইংৰাজ ঔপন্যাসিক ছমাৰছেট মমে কৈছিল, "যদি পাঁচ কোটি মানুহেও কিবা এটা মূৰ্খামি-ভৰা কথা কয়, তথাপিও সি মূৰ্খামি-ভৰা কথায়েই।"

**বৈজ্ঞানিকৰ সাক্ষ্যই শেষ কথা হোৱা উচিত**

আমাৰ দেশৰ সন্মানিত সংবিধানত ভাৰতীয় নাগৰিকৰ কৰ্তব্যৰ ভিতৰত বৈজ্ঞানিক মানসিকতাও অন্তৰ্ভুক্ত কৰা হৈছে।  ১৯৭৬ চনত গৃহীত সংবিধানৰ ৫১ (ক)৮ অনুচ্ছেদত ঘোষণা কৰা হৈছে যে বৈজ্ঞানিক মানসিকতা, মানৱীয়তা আৰু প্ৰশ্ন সোধা আৰু সংস্কাৰ কৰাৰ স্পৃহা আয়ত্ত কৰাটো প্ৰত্যেকজন ভাৰতীয় নাগৰিকৰ কৰ্তব্য হ'ব। কিন্তু বাস্তৱত আমি সেই দৃশ্যপটৰপৰা বহু দূৰত থাকি গৈছোঁ।

বৈজ্ঞানিক মানসিকতা শব্দ দুটাৰ প্ৰথম ব্যৱহাৰ কৰিছিল জৱাহৰলাল নেহৰুৱে তেওঁৰ 'ভাৰত আৱিষ্কাৰ' (Discovery of India) নামৰ গ্ৰন্থত ১৯৪৬ চনত। তাত তেওঁ লিখিছিল ঃ

"আজি সকলো দেশ আৰু সমাজৰ বাবে বিজ্ঞানৰ প্ৰয়োগ অৱশ্যম্ভাৱী আৰু অপৰিহাৰ্য্য। কিন্তু ইয়াৰ প্ৰয়োগতকৈ অন্য এক কথাৰহে অধিক প্ৰয়োজন আহি পৰিছে। বৈজ্ঞানিক পদ্ধতি, বিজ্ঞানৰ অভিযানমূলক হৈও সমালোচনামূলক মনোভাব, সত্য আৰু জ্ঞানৰ অনুসন্ধান, পৰীক্ষা-নিৰীক্ষা নকৰাকৈ একোৱে গ্ৰহণ নকৰাৰ নিয়ম, নতুন সাক্ষ্যৰ ভিত্তিত আগৰ সিদ্ধান্ত সলনি কৰিব পৰাৰ দক্ষতা, আগতে ভবা তথ্যৰ ওপৰত নিৰ্ভৰ কৰাতকৈ নতুন তথ্যৰ ওপৰত নিৰ্ভৰ কৰাৰ ব্যৱস্থা এই সকলো কেৱল বিজ্ঞানৰ প্ৰয়োগৰ বাবেই নহয়, জীৱনৰ বাবে আৰু জীৱনৰ বহুতো সমস্যা সমাধানৰ বাবেও প্ৰয়োজনীয়। বিজ্ঞানৰ নামত শপত খোৱা বহুতো বিজ্ঞানীয়ে আজি নিজৰ নিৰ্দিষ্ট কাৰ্য্যক্ষেত্ৰৰ বাহিৰত এই সকলো কথা পাহৰি থাকে। বৈজ্ঞানিক পদ্ধতি আৰু মানসিকতা হৈছে আমাৰ জীৱনৰ প্ৰক্ৰম, চিন্তাৰ প্ৰক্ৰিয়া, কাৰ্য্যকৰণৰ পদ্ধতি আৰু আনৰ লগত সাহচৰ্য্য কৰাৰ উপায়।... বৈজ্ঞানিক মানসিকতাই মানুহক তেওঁ কোন বাটে যোৱা উচিত সেইটো আঙুলিয়াই দিয়ে। ই হ'ল মুক্ত মানৱৰ মানসিকতা। আজি আমি এক বৈজ্ঞানিক যুগত আছোঁ বুলি কোৱা হয়, কিন্তু তাৰ পৰিচয় জনসাধাৰণ বা তেওঁলোকৰ নেতৃবৃন্দৰ গাত মুঠেই পোৱা নাযায়।"

ভাৰতৰ আগশাৰীৰ বিজ্ঞানী আৰু বৈজ্ঞানিক মানসিকতা আৰু যুক্তিযুক্ত চিন্তাৰ এগৰাকী মহানায়ক পুষ্প মিত্ৰ ভাৰ্গভে (১৯২৮-২০১৭) তেওঁৰ চন্দনা চক্ৰৱৰ্তীৰ লগত যুটীয়াভাৱে সংকলন কৰা বৈজ্ঞানিক মানসিকতা বিষয়ক প্ৰবন্ধৰ সংকলন 'Angels, Devil and Science'- অত (নেছনেল বুক ট্ৰাষ্টৰদ্বাৰা প্ৰকাশিত, অসমীয়া অনুবাদ দীনেশ চন্দ্ৰ গোস্বামীৰ 'দেৱদূত, চয়তান আৰু বিজ্ঞান') জৱাহৰলাল নেহৰুৰ এই উচ্চ চিন্তা আৰু দূৰদৃষ্টিৰ পূৰ্ণ স্বীকৃতি দিছে।

দি হিন্দু' কাকতত (১৭ ফেব্ৰুৱাৰি, ২০১৮) প্ৰকাশ কৰা 'শেষ কথা বিজ্ঞানীৰেই হোৱা উচিত' নামৰ অতি মূল্যৱান প্ৰবন্ধত বৈজ্ঞানিক মানসিকতাৰ আন এগৰাকী বলিষ্ঠ পৃষ্ঠপোষক আৰু নেতা, আন্তৰ্জাতিক খ্যাতিসম্পন্ন ভাৰতীয় জ্যোতিৰ্বিজ্ঞানী আৰু মহাজগত বিজ্ঞানী, কল্পবিজ্ঞান লেখক, লেখক আৰু চিন্তানেতা জয়ন্ত বিষ্ণু নাৰ্লিকাৰে (১৯৩৮-) বৈজ্ঞানিক মানসিকতাৰ বৰ্তমানৰ অৱস্থাৰ কথা আলোচনা কৰোঁতেও জৱাহৰলাল নেহৰুৰ সেই উদ্ধৃতিৰে কিয়দংশ উদ্ধৃত কৰিছে।

**চালি-জাৰি চোৱাৰ ক্ষমতা**

পুষ্প এম. ভাৰ্গভৰ কিতাপখনত উদ্ধৃত জৱাহৰলাল নেহৰুৰ উক্তিৰ যি উদ্ধৃতি এই লেখাৰ আৰম্ভণিতে দিয়া হৈছে, সেই একে উদ্ধৃতিৰে একাংশ উদ্ধৃতি দিয়াৰ পাছত 'দি হিন্দু'ৰ লেখাটোত নাৰ্লিকাৰে নেহৰুৰ 'ডিস্ক'ভাৰি অৱ ইণ্ডিয়া'ৰপৰা আৰু দুটা সৰু অংশৰ উদ্ধৃতি দিছে ঃ

"কিন্তু, আনকি এতিয়াও, আমি হঠাতে কেনেদৰে পৰম্পৰাৰদ্বাৰা ভাৰাক্ৰান্ত হৈ পৰোঁ, আৰু কেনেদৰে বুদ্ধিমান মানুহবিলাকৰো চালি-জাৰি চোৱাৰ ক্ষমতাই কাম নকৰা হয়, সেইটোহে আচৰিত কথা।"

নাৰ্লিকাৰে দিয়া নেহৰুৰ আন এষাৰ উদ্ধৃতি হ'ল ঃ

"আমি যেতিয়া ৰাজনৈতিকভাৱে আৰু অৰ্থনৈতিকভাৱে মুক্ত হ'ম, মাত্ৰ তেতিয়াহে মনটোৱে স্বাভাৱিকভাৱে আৰু বিচাৰবুদ্ধি খটুৱাই কাম কৰিব।"

তাৰ পাছত নিজ মন্তব্য দি আক্ষেপৰ সুৰত নাৰ্লিকাৰে কৈছে, "হায়, ফলাফল কি হৈছে? নেহৰুৰ ভাৰতৰ স্বাধীনতাৰ লক্ষ্যসীমাৰপৰা সাত দশকৰো ওপৰ পাৰ হৈ গ'ল, কিন্তু বৈজ্ঞানিক মানসিকতাৰ ক্ষেত্ৰত আমি ক'ত আছোঁ? আমি পৰম্পৰাৰ লগত অধিক সাঙোৰ খাই পৰিছোঁ, আমাৰ মূল্যৱান সময় আৰু ধন আচাৰ-বিধি পালনত অপব্যয় কৰিছোঁ। এনে আচাৰ-বিধি আগৰ দিনত হয়তো প্ৰাসংগিক আছিল, কিন্তু আধুনিক জীৱনযাত্ৰাৰ লগত সেইবোৰৰ কোনো প্ৰাসংগিকতাই নাই।"

প্ৰসংগক্ৰমে নাৰ্লিকাৰে বিখ্যাত জেক জ্যোতিৰ্বিজ্ঞানী, কলিংগ বঁটাবিজয়ী, বিজ্ঞান জনপ্ৰিয়কৰণৰ বিশিষ্ট কৰ্মী, জিৰি গ্ৰাইগাৰৰ (Jiri Grygar, ১৯৩৬-) কথা এষাৰ উল্লেখ কৰিছে। তেওঁ কৈছে যে আগতে, ছোভিয়েট আধিপত্যৰ কালছোৱা কোনো অন্ধবিশ্বাসমূলক কথা বা ধাৰণা ৰাজহুৱাকৈ ব্যক্ত কৰা হোৱা নাছিল। কাৰণ, তেতিয়া সেইবোৰ ৰাষ্ট্ৰৰ নিজা বিশ্বাসৰ পৰিপন্থী বুলি ভয় কৰা হৈছিল। কিন্তু ছোভিয়েট সংঘৰ পতনৰ পাছত অহা মুক্ত চিন্তাৰ সময়ছোৱাত গাপ দি ৰখা সমস্ত অন্ধবিশ্বাস মুকলি হৈ পৰিল।

**নতুন বৈজ্ঞানিক অন্ধবিশ্বাস**

নাৰ্লিকাৰে কোনো উচ্চ বাচ্য নকৰাকৈ মন্তব্য কৰিছে যে এতিয়া বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ যুগটোত নতুন নতুন

... উত্তৰ আটলাণ্টিক মহাসাগৰৰ পশ্চিম অঞ্চলত, এটা কল্পিত ত্ৰিভুজ হ'ল বাৰ্মুদা ত্ৰিভুজ। ইয়াৰ এটা শীৰ্যত বামুৰ্দা দ্বীপ, পশ্চিমে ফ্ল'ৰিডা আৰু দক্ষিণে পুৱেৰ্টো ৰিকো। এই ত্ৰিভুজৰ সীমা অৱশ্যে পৰিষ্কাৰ নহয়। বহুতো মানুহে বিশ্বাস কৰে যে এই ত্ৰিভুজে আগুৰা সাগৰীয় অঞ্চলটো বৰ ৰহস্যময় আৰু বৰ ভয়াবহ। কোৱা হয় তাত জাহাজতো ডুবিয়েই থাকে, তাৰ ওপৰেৰে উৰি যোৱা বিমানো পথভ্ৰষ্ট আৰু ধ্বংস হয়। ...

অন্ধবিশ্বাসৰ জন্মও হ'ব লাগিছে। তেওঁ বাৰ্মুদা ত্ৰিভুজৰ বিষয়ে বিতংকৈ বৰ্ণনা দিছে। উত্তৰ আটলাণ্টিক মহাসাগৰৰ পশ্চিম অঞ্চলত, এটা কল্পিত ত্ৰিভুজ হ'ল বাৰ্মুদা ত্ৰিভুজ। ইয়াৰ এটা শীৰ্ষত বামুৰ্দা দ্বীপ, পশ্চিমে ফ্ল'ৰিডা আৰু দক্ষিণে পুৰেৰ্টো ৰিকো। এই ত্ৰিভুজৰ সীমা অৱশ্যে পৰিষ্কাৰ নহয়। বহুতো মানুহে বিশ্বাস কৰে যে এই ত্ৰিভুজে আগুৱা সাগৰীয় অঞ্চলটো বৰ ৰহস্যময় আৰু বৰ ভয়াবহ। কোৱা হয় তাত জাহাজতো ডুবিয়েই থাকে, তাৰ ওপৰেৰে উৰি যোৱা বিমানো পথভ্ৰষ্ট আৰু ধ্বংস হয়। সেই অঞ্চল পালে ঘড়ী বন্ধ হৈ যায়। এনে বহুতো কথা কোৱা হয় যিবোৰৰ যুক্তিযুক্ত বৈজ্ঞানিক ব্যাখ্যা দিয়া সম্ভৱ নহয়। চাৰ্লছ্ বাৰ্লিট্জ (Charles Berlitz) নামৰ এজন লেখকে বাৰ্মুদা ত্ৰিভুজৰ বিষয়ে লিখা কিতাপ এখনে এই ৰহস্যময় আৰু ভয়াৰহ অঞ্চলটোৰ নানা ঘটনাৰ বৰ্ণনাৰে ৰহস্য ৰহস্য লগা কথাবোৰ সৰ্বসাধাৰণৰ মনলৈ সোমাই যোৱাত অৰিহণা যোগাইছে।

তাৰ কেইবছৰমান পাছত বাৰ্মুদা ত্ৰিভুজৰ বিষয়ে প্ৰচলিত ঘটনাবোৰৰ সত্যাসত্য নিৰূপণ কৰিবলৈ কেইবাটাও বৈজ্ঞানিক প্ৰচেষ্টা চলোৱা হ'ল। এই কাহিনীবোৰৰ ৰহস্যৰ আৱৰণ খোলাৰ প্ৰচেষ্টাৰে লৰেন্স ডেভিদ কুছ্চ্ (Lawrence David Kusche) নামৰ এজন আমেৰিকান লেখক আৰু পাইলটে উল্লেখনীয় অনুসন্ধান চলায়। ১৯৭৫ চনত তেওঁ 'বাৰ্মুদা ত্ৰিভুজৰ ৰহস্য-সমাধান ওলাল' (The Bermuda Triangle Mistery-Solved) আৰু ১৯৮০ চনত '১৯ নম্বৰ উৰণ অদৃশ্য হোৱা ঘটনা' (The Disappearance of Flight 19) নামৰ দুখন কিতাপ প্ৰকাশ কৰে। তেওঁ যুক্তিযুক্ত বিশ্লেষণেৰে দেখুৱায় যে এই ভয়াৰহ কাহিনীবোৰ আচলতে মিছা বা বঢ়াই কোৱা বিধৰ। বাৰ্মুদা ত্ৰিভুজৰ কোনো প্ৰকৃত ৰহস্য বা ভয়াৰহতা নাই বুলিও তেওঁ সিদ্ধান্ত ঘোষণা কৰে।

**গোবৰেৰে ৰশ্মি বিতাড়ন**

সূৰ্য্যৰ পূৰ্ণগ্ৰাসৰ সময়ত অনিষ্টকাৰী ৰশ্মিৰে চাৰিওফাল ভৰি পৰে বুলি বিশ্বাস কৰি বহুতো মানুহে দুৱাৰ-ঘৰ বন্ধ কৰি সোমাই থাকে। নাৰ্লিকাৰ এবাৰ পূৰ্ণ সূৰ্য্যগ্ৰহণৰ সময়ত জিম্বাবোৱেত আছিল। "আগতে ভাৰতত গ্ৰহণ দেখাৰ অভিজ্ঞতাৰপৰা তাতো মই ৰাস্তাবোৰ খালী হৈ পৰিব বুলি আৰু মানুহবিলাক ঘৰৰ ভিতৰত সোমাই থাকিব বুলিয়ে ভাবি লৈছিলোঁ। তাত তেনে একো নহ'ল। হয়তো জিম্বাবোৱেৰ মানুহে অনিষ্টকাৰী ৰশ্মিৰ কথাই নাজানে।"

তেওঁ গম্ভীৰ সুৰতেই কৈছে, "ভাৰতত আমি প্ৰতিব্যৱস্থাৰ কথা ভাবি উলিওৱাটো ভাল। উচ্চশিক্ষিত পৰিয়ালৰ এগৰাকী মহিলাই এবাৰ মোক কৈছিল যে গ্ৰহণৰ পাছত ফ্ৰিজৰ খোৱা বস্তুবোৰ নষ্ট কৰি পেলাব লাগে, কাৰণ গ্ৰহণৰ সময়ত অমংগলীয়া ৰশ্মিয়ে সেইবোৰ দূষিত কৰে। কিন্তু স্থানীয় পুৰোহিতজনে তেনেদৰে খোৱাবস্তু নষ্ট নহ'বৰ বাবে এটা উপায় দিছে। মহিলাগৰাকীয়ে মোক গৌৰৱ সহকাৰে ক'লে যে পুৰোহিতজনে কৈছে যে ফ্ৰিজটোত চাৰিওফালে গোবৰৰ লেপ দি থ'লে সেই ৰশ্মিয়ে খাদ্য বস্তুবোৰ নষ্ট নকৰে।"

কোম্পানি এটাৰ কাৰ্য্যবাহী এগৰাকীয়ে, তেওঁ বিমান যাত্ৰা কৰিব লগা দিনটো অশুভ হোৱা বাবে, আৰু আগদিনাও কাম থকা কাৰণে যাব নোৱাৰে বাবে, কিদৰে আগদিনা ছুটকেছটো চুবুৰীয়াৰ ঘৰত থৈ আহি পাছদিনা (অশুভ দিনৰ দিনা) বিমান ধৰিবলৈ যাওঁতে তাৰপৰা লৈ গৈছিল সেই ঘটনা বৰ্ণাই নাৰ্লিকাৰে কৈছে যে এইদৰে আগদিনা (শুভ দিনত) যোৱা দেখুওৱাটো অমংগলীয়া দেও-ভূতক ঠগিবলৈ যথেষ্ট আছিল।

**উপাখ্যানৰ বিজ্ঞান**

তেওঁ মন্তব্য কৰিছে ঃ "কিন্তু আমাৰ উপাখ্যানবোৰৰ ভিত্তিত অধিক গুৰুত্বপূৰ্ণ কথা

কিছুমানৰ সৃষ্টি হোৱা যেন দেখা গৈছে। আমাৰ বৈদিক যুগৰ পিতৃপুৰুষসকলৰ আজি আধুনিক বিজ্ঞানে আয়ত্ত কৰাতকৈ অধিক বৈজ্ঞানিক জ্ঞান আছিল নেকি? আমাৰ পুৰাণবোৰত উল্লেখ থকা পুষ্পক বিমান, বিশ্বামিত্ৰৰ মধ্য আকাশত থকা স্বৰ্গ, ব্ৰহ্মাস্ত্ৰ আৰু ইন্দ্ৰৰ শক্তি আদি বিশ্বাসযোগ্য যেন লাগে, কিন্তু সেইবোৰৰ বৈজ্ঞানিক বিশ্লেষণৰ আগত তিষ্ঠি থাকিবপৰা কোনো বিতং বৰ্ণনা নাই। এইবোৰৰ দাবী তিষ্ঠি থাকিব লাগিলে বিশদ কাৰিকৰী তথ্য আমাক দিব পাৰিব লাগিব। উদাহৰণস্বৰূপে, পুষ্পকৰ নিচিনা বিমান এখনৰ উত্তোলন আৰু পৰিচালনৰ ব্যাখ্যা দিব পৰা মৌলিক গাণিতিক নীতি কি আছিল? আৰু, ব্ৰহ্মাস্ত্ৰ যদি নিউক্লীয় যতন আছিল, সি নিউক্লীয় পদাৰ্থবিজ্ঞানৰ জ্ঞান সূচাব। তেনেহ'লে বিদুৎ আৰু চুম্বক বলৰ কোনো উল্লেখ ক'তো নাই কিয়? নিউক্লীয় পদাৰ্থবিজ্ঞানৰ বোধৰ বাবে এই দুই বলৰ জ্ঞানতো থাকিবই লাগিব।"

বিদ্যুৎ আৰু পানী যোগান থকাটো আধুনিক উন্নত জীৱনৰ ন্যূনতম স্বাক্ষৰ বুলি অভিহিত কৰি অধ্যাপকগৰাকীয়ে মন্তব্য কৰিছে যে মহাভাৰতৰ মতে কিন্তু দুৰ্য্যোধনৰ হস্তিনাপুৰ প্ৰাসাদ বা পাণ্ডৱৰ ইন্দ্ৰপ্ৰস্থত জীৱনৰ এই সাধাৰণ সা-সুবিধাখিনিও নাছিল।

...বিজ্ঞানত তত্ত্ব এটা তিষ্ঠি থকাৰ একমাত্ৰ চৰ্তটো হ'ল এয়ে যে সি তাৰ বিষয়-ক্ষেত্ৰত সকলো পৰ্য্যৱেক্ষিত পৰিঘটনাৰ ব্যাখ্যা দিব পাৰিব লাগিব। বৰ্তমান, এনে তত্ত্বৰ ভিতৰত ডাৰউইনৰ তত্ত্বটোৱে সৰ্বোৎকৃষ্ট...

ডাৰউইনৰ ক্ৰমবিকাশৰ তত্ত্ব ভুল আৰু তাক স্কুলত শিকাব নালাগে বুলি অহা অভিমতৰ সন্দৰ্ভত নাৰ্লিকাৰে মন্তব্য কৰিছে যে বিজ্ঞানত তত্ত্ব এটা তিষ্ঠি থকাৰ একমাত্ৰ চৰ্তটো হ'ল এয়ে যে সি তাৰ বিষয়-ক্ষেত্ৰত সকলো পৰ্য্যৱেক্ষিত পৰিঘটনাৰ ব্যাখ্যা দিব পাৰিব লাগিব। বৰ্তমান, এনে তত্ত্বৰ ভিতৰত ডাৰউইনৰ তত্ত্বটোৱে সৰ্বোৎকৃষ্ট; কিন্তু ই নিখুঁত নহয় আৰু ই বহুতো প্ৰশ্নৰ উত্তৰো দিব নোৱাৰে। তাৰ কাৰণ হ'ল পৃথিৱীত জীৱৰ উৎপত্তিৰ প্ৰশ্নটো এতিয়াও অমীমাংসিত হৈ আছে। "গতিকে এই ক্ষেত্ৰত বিশেষ কিবা এটা আৱিষ্কাৰ নোহোৱালৈকে আৰু বা অন্য কিবা ধাৰণাই বৈজ্ঞানিক সমৰ্থন লাভ নকৰালৈকে ডাৰউইনৰ তত্ত্বয়েই একমাত্ৰ তত্ত্ব যিটো স্কুলত শিকোৱাটো চলি থকা উচিত।"

শেষত নাৰ্লিকাৰে আত্মপ্ৰত্যয়েৰে কৈছে, "চূড়ান্ত বিশ্লেষণত, বৈজ্ঞানিক সাক্ষ্যৰ সিদ্ধান্তই শেষ সিদ্ধান্ত হোৱা উচিত।"

কিন্তু, একপ্ৰকাৰ আশ্চৰ্য্যৰ কথা যে আমি বেছিভাগেই বৈজ্ঞানিক মানসিকতা গঠন কৰি, প্ৰশ্ন কৰি, পৰীক্ষা কৰি, পৰীক্ষালব্ধ প্ৰতিষ্ঠিত জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰি, পূৰ্বৰ মত প্ৰয়োজনত সলনি কৰি মানৱীয় দৰ্শনেৰে আগবাঢ়ি যোৱাতকৈ 'সামাজিক প্ৰমাণ' বা 'বহুজন মানসিকতা'হে আপোন কৰি লওঁ।

আমি মনত ৰাখিব লাগিব যে বৈজ্ঞানিক মানসিকতা আয়ত্ত কৰি আমি ভাৰতীয়সকলে আমাৰ দেশপ্ৰেমৰো পৰিচয় দিব পাৰোঁ, কাৰণ আমাৰ সংবিধানৰ মতেও বৈজ্ঞানিক মানসিকতা আয়ত্ত কৰাটো প্ৰতিজন ভাৰতীয় নাগৰিকৰে কৰ্তব্য।

●

পুনৰ্মুদ্ৰিত

তেনেতে হঠাৎ এটা অভাৱনীয় ঘটনা ঘটিল, ক'ৰবাৰ পৰা অতি 'un-impressive' চেহেৰাৰ ল'ৰা এটা ওলাই আহি দেখোন ক'লে– "আপোনালোকে চহী দিয়ে দিয়ক, মই কিন্তু নিদিওঁ, মই এটা নীতিক লৈ যিটো সংকল্প লৈছোঁ, তাক ভংগ কৰিব নোৱাৰোঁ।"

# গানৰ নিচিনা দিন

(কটন কলেজৰ এছোৱা লেখত লবলগীয়া কালৰ স্মৃতিচাৰণ)

**নিৰুপমা বৰগোহাঞি**

আমাৰ বয়সত মানুহৰ এতিয়া সন্মুখলৈ চাবলৈ বা আশা কৰিবলৈ একো নেথাকে, মনটো কেৱল অতীতমুখীহে হয়। ময়ো প্ৰায়ে অতীতমুখী হওঁ, আজি সেই অতীতমুখিতাক কাগজে-কলমে ৰূপ দিবলৈ মন গ'ল বাবে সাজু হৈছোঁ কটন কলেজত পঢ়া এটা বিখ্যাত অধ্যায়ৰ স্মৃতিচাৰণ কৰিবলৈ।

সেইটো আছিল পঞ্চাশ-একাৱন্ন চনমানৰ কথা। ১৯৪৮ চনত মেট্ৰিক পাছ কৰি কটনত আই এছ চি ক্লাছত ভৰ্তি হৈছোঁ। তেতিয়া কটন কলেজৰ অধ্যক্ষ আছিল কঠোৰ ব্যক্তিত্বৰ অধিকাৰী প্ৰয়াত শ্ৰীনাথ চক্ৰবৰ্তী। তেখেতৰ দিনতে কলেজৰ মাছুল বৃদ্ধি কৰাৰ সিদ্ধান্ত ল'লে কৰ্তৃপক্ষই। প্ৰথম বাৰ্ষিকৰ ছাত্ৰ-ছাত্ৰীসকলে তাৰ বিৰুদ্ধে আপত্তি কৰি আন্দোলন আৰম্ভ কৰিলে, শ্ৰেণী বৰ্জন কৰিলে আৰু শেষত অনশন ধৰ্মঘট কৰিলে। মেৰাছ হুছেইন নামৰ ছাত্ৰ এজনে (ছৈয়দ আব্দুল মালিকৰ ভাগিনীয়েক) অনশনৰ মাজতে কটনৰ বাৰাণ্ডাত শুই শুই জ্বালাময়ী কবিতাও লিখিলে। সেই আন্দোলনটোৰ নেতৃত্ব দিছিল ড° মহেন্দ্ৰ বৰা, অবনী বৰঠাকুৰ, দুলাল খাউণ্ডৰ দৰে কটনৰ সেই সময়ৰ নেতৃস্থানীয় ওপৰৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী কেইজনমানে-- মই তেওঁলোকতকৈ তলৰ শ্ৰেণীৰ ছাত্ৰী আছিলোঁ যদিও ময়ো একপ্ৰকাৰ তেওঁলোকৰ দৰে লেখত ল'বলগীয়া ছাত্ৰীয়ে আছিলোঁ, গতিকে ময়ো তেওঁলোকৰ দৰে একপ্ৰকাৰ নেতাই হৈ পৰিছিলোঁ। কিন্তু আমোদজনক কথাটো আছিল এই যে আমাৰ কেউজনেই বৃত্তি লাভ কৰিছিলোঁ আৰু এতিয়াৰ কি নিয়ম নেজানো-- কিন্তু তেতিয়াৰ নিয়ম অনুযায়ী বৃত্তি পোৱা ছাত্ৰ-ছাত্ৰীয়ে মাছুল দিব নেলাগিছিল। গতিকে মাছুল বঢ়া-নবঢ়া কথাটোৱে আমাক স্পৰ্শ কৰা নাছিল, তথাপি আমি মাছুল বঢ়া ছাত্ৰ-ছাত্ৰীসকলৰ নেতৃত্ব দি আন্দোলন কৰিছিলোঁ!

পিছে প্ৰয়াত শ্ৰীনাথ চক্ৰবৰ্তী আছিল এগৰাকী অদমনীয় মনৰ কঢ়া অধ্যক্ষ। তেখেতে সেই আন্দোলনত নতি স্বীকাৰ নকৰিলেতো নকৰিলেই, ছাত্ৰ-ছাত্ৰীসকলক এনেকৈ লেখা কাগজ এখনত চহী দিবলৈহে ক'লে বোলে– "We very much regret for the gross

indiscipline we have committed by biginning this agitation." লগতে ভাবুকি দিলে যে সেই কাগজত চহী নকৰিলে সকলোকে কলেজৰ পৰা বহিষ্কাৰ কৰিব। সেই ভাবুকিৰ লগে লগে কাম দিলে, প্ৰায় সকলো আন্দোলনকাৰী ছাত্ৰ-ছাত্ৰীয়েই চহী দিলে। তেতিয়া আমি নেতৃত্ব দিয়া কেউজন বৰ বিমোৰত পৰিলোঁ– আমি এতিয়া কি কৰোঁ, চহী দিওঁ নে নিদিওঁ। নিজৰ ভিতৰতে আলোচনাত বহিলোঁ, শেষত এই সিদ্ধান্ত ল'লো যে যাৰ বাবে আমি নিজৰ দৰ্কাৰ নথকাতো এই আন্দোলনটো কৰিলোঁ, তেওঁলোকেই যেতিয়া নতি স্বীকাৰ কৰিলে আমি কিয় কলেজৰ পৰা বহিষ্কৃত হ'বলৈ যাওঁ, আমিও সেই 'অপমানজনক' লেখাটোত কিয় চহী নিদিওঁ? সেই আলোচনা কৰি আমি বেজাৰ মনেৰে চহী দিবলৈ ওলালোঁ। মই তেতিয়া ছাত্ৰীবাৰীৰ হোৱাইট্ মেম'ৰিয়েল হোষ্টেলত থাকি পঢ়ি আছোঁ। তেতিয়া ডিব্ৰুগড়লৈ বদলি হৈ যোৱা 'অতি সাধু' পিতৃয়ে ভেটি খোৱাৰ অজস্ৰ সুযোগ থকা চাকৰিতো ভেটি নেখাই মোক অতি হিচাপ কৰি টকা পঠাইছিল (ভাগ্য যেনিবা বৃত্তি পাইছিলোঁ আৰু মাছুলো দিব লগা নহৈছিল), তথাপিও চহীটো দিব ওলাই নাটকীয় ভংগীৰে ক'লো– 'মোৰ এই মহাৰ্ঘ কলম ডালেৰে চহী কৰি তাক অস্পৃশ্য কৰিম, কিন্তু মহাৰ্ঘ হ'লেও তাক আৰু নোছোওঁ, দলিয়াই পেলাই দিম!'

তেনেতে হঠাৎ এটা অভাৱনীয় ঘটনা ঘটিল, ক'ৰবাৰ পৰা অতি 'un-impressive' চেহেৰাৰ ল'ৰা এটা ওলাই আহি দেখোন ক'লে-- "আপোনালোকে চহী দিয়ে দিয়ক, মই কিন্তু নিদিওঁ, মই এটা নীতিক লৈ যিটো সংকল্প লৈছোঁ, তাক ভংগ কৰিব নোৱাৰোঁ।"

আমিতো অবাক! কিন্তু তাৰ পিছততো আমি তাক অকলশৰীয়া কৰিব নোৱাৰোঁ, গতিকে কলেজৰ পৰা বহিষ্কাৰ কৰিলেও কৰক, আমিও চহী নিদিয়াৰে ঠিক কৰিলোঁ।

মই পিছত নৱকান্ত বৰুৱাৰ 'গানৰ নিচিনা দিন' নামৰ কবিতা এটাৰ পংক্তি এটা শিৰোনাম কৰি সেই ল'ৰাটোৰ জীৱনক কল্পনাৰ ৰহন সানি গল্প এটাও লিখিছিলোঁ।

সামৰণিত কওঁ– শেষত আমি চহী নিদিয়াতো আমাক কলেজৰ পৰা বহিষ্কাৰ নকৰি অধ্যক্ষ মহোদয়ে ক্ষমা কৰি দিলে। (হয়তো ভাবিলে-- এই মেধাবী ছাত্ৰ-ছাত্ৰীসকলক বহিষ্কাৰ কৰিলে কলেজৰ পৰীক্ষাৰ ফলাফলৰ সুনামত মাটি পৰিব !)

## ডিব্ৰুগড়ৰ কানৈ কলেজ আৰু পুনৰ কটন কলেজত পঢ়াৰ স্মৃতিচাৰণ

কটন কলেজলৈ পঢ়িবলৈ নাহি (পিতাৰ ডিব্ৰুগড়লৈ বদলি হোৱাত তালৈ পৰিয়ালটোক লৈ যোৱাত) ডিব্ৰুগড়ৰে কানৈ কলেজত নাম লগালোঁ। কলা শাখাতে লগালোঁ, কাৰণ মেট্ৰিকত মই সংস্কৃত আৰু বুৰঞ্জীত লেটাৰ পাই প্ৰথম শ্ৰেণীৰ কুৰি টকীয়া বৃত্তি পাইছিলোঁ (দ্বিতীয় শ্ৰেণীৰ পোন্ধৰ টকীয়া আছিল)।

তাত পঢ়া দিনৰ স্মৰণীয় কথাটো আছিল এই যে আমাক যতীন্দ্ৰনাথ দুৱৰাই পঢ়ুৱাইছিল, কবিতা পঢ়ুৱাইছিল, গাটো লৰাই লৰাই যেন বৰ উপভোগ কৰিছে তেনেকৈ আনন্দ মনেৰে পঢ়ুৱাইছিল।

পিছে কিছুদিন যোৱাৰ পাছতে মই ঘৰত হুলস্থূল লগালো যে মই কটনত পঢ়িম আৰু বিজ্ঞান শাখাত পঢ়িম-- কাৰণ মেধাবী ছাত্ৰ-ছাত্ৰীয়ে কটনত পঢ়ে আৰু বিজ্ঞান পঢ়ে (বিজ্ঞানৰো আকৌ অংক, পদাৰ্থ বিজ্ঞান আৰু কেমিষ্ট্ৰিৰ দৰে টান বিষয়বোৰ লৈহে পঢ়ে)।

উপায় নেপাই পিতাই দিন উকলি যোৱাৰ পাছতো কটনত পঢ়িবলৈ পঠিয়াই দিলে-- এটা সকাহ যে মাছুল দিব নেলাগে আৰু বৃত্তিৰ কুৰি টকা পাওঁ। তেওঁ মোক পোন্ধৰ টকা পঠিয়াইছিল, তাৰে

হোষ্টেলত কষ্টকৈ চলিছিলোঁ।

মই প্ৰথমতে মোৰ স্কুলৰ দিনৰ বন্ধু সহপাঠী ললিতাৰ দেউতাক গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ফণী দত্ত ডাঙৰীয়াৰ ঘৰত গৈ উঠিছিলোঁ। কাৰণ দেৰিকৈ নাম ভৰ্তি কৰা ছাত্ৰীয়ে ক'ৰ হোষ্টেলত ছীট পাম। জীৱনৰ সেই মধুৰ দিনবোৰৰ স্মৃতি পাহৰিব নোৱাৰোঁ, সদায় কৃতজ্ঞতাৰে স্মৰণ কৰিম। ললিতাৰ মাক মাহীদেৱে মোক নিজৰ জীয়েকৰ দৰে মৰমেৰেই ৰান্ধি বাঢ়ি খুৱাই কলেজলৈ পঠাইছিল। পাছত ছাত্ৰীবাৰীৰ হোৱাইট মেমৰিয়েল হোষ্টেলত ছীট পাই তালৈ গলোঁ (তাত থকা অভিজ্ঞতাৰে মই মোৰ অলপ জনপ্ৰিয় হোৱা 'কেকটাছৰ ফুল' নামৰ উপন্যাসখন লিখিছিলোঁ)।

মই এতিয়াৰ হায়াৰ ছেকেণ্ডাৰিৰ সমগোত্ৰীয় তেতিয়াৰ আই.এছ. চি.(ইণ্টাৰমিডিয়েট অৱ ছায়েঞ্চ)ত নাম ভৰ্তি কৰিলোঁ। কলাৰ যোগ্যতা থকা ছাত্ৰীজনীয়ে ফুটনিতে অংক, ফিজিক্স, কেমিষ্ট্ৰি আৰু বোটানি লৈ পঢ়িলোঁ। ফিজিক্স আৰু অংকৰ পৰীক্ষা কান্দি কান্দি দিলোঁ– ইমানেই টান পালোঁ। মই বোলে নিৰ্ঘাত ফেইল কৰিম। তেতিয়া জ্বলা জুইত ঘিউ ঢালি হোষ্টেলত মোৰ লগত একেলগে থকা মোতকৈ দুই ক্লাছ ওপৰত ফিজিক্সত অনাৰ্ছ লৈ পঢ়া মেধাবী ছাত্ৰী ডিব্ৰুগড়ৰ অঞ্জলি গগৈয়ে মোৰ লগত বাজী মাৰিলে যে মই প্ৰথম বিভাগ পাম, নেপালে তেওঁ মোক দহ টকা দিব আৰু পালে মই তেওঁক ৰবীন্দ্ৰনাথৰ 'সঞ্চয়িতা'খন দিব লাগিব (সেইখনৰো দাম দহ টকা), অসমীয়া ছোৱালী এজনীয়ে সেই দিনত সঞ্চয়িতাখন বিচৰাটো সঁচায়ে অভিনৱ নহয়নে? (অঞ্জলি বাইদেউৰ কথাত প্ৰসংগান্তৰ হ'লেও এইখিনিতে তেওঁৰ জীৱনৰ ডাঙৰ ট্ৰেজেডি এটাৰ কথাও নকৈ নোৱাৰোঁ– পিছৰ জীৱনত তেওঁৰ পুত্ৰ এজন নেভীৰ লেফ্‌টেনেণ্ট হৈছিল আৰু আৰব সাগৰত প্লেনৰ কিবা প্ৰেক্টিছ কৰি থকাৰ সময়তে বোধহয় তাত ডুবি মৰিছিল।)

মই আই. এছ. চি পৰীক্ষাত প্ৰথম বিভাগেই পালোঁ-- আচলতে বোটানিত ৮৮% নম্বৰ পাইছিলোঁ, সাহিত্য আৰু ইংৰাজীত ভাল নম্বৰ পাইছিলোঁ বাবেই প্ৰথম বিভাগ পাইছিলোঁ-- কিন্তু বিজ্ঞানক অৱশেষত নমস্কাৰ জনাই কলা লৈ বি.এ পাছ কৰিলোঁ, অনাৰ্ছ ল'লো নতুনকৈ প্ৰচলন হোৱা 'শিক্ষা' বিষয়ত। কিন্তু অংক বিষয়টোত ভালকৈ পাছ কৰিও মোৰ দাদা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অংকৰ অধ্যাপক প্ৰয়াত ড° বিনয় কুমাৰ তামূলীয়ে মোক কলকাতা বিশ্ববিদ্যালয়লৈ ইংৰাজী বিষয়ত এম.এ পঢ়িবলৈ পঠোৱাত তালৈ গ'লো। তাত টানি মানিহে পাছ কৰিলোঁ যদিও কলকাতাই মোক নানা দিশত মনৰ দিগন্ত খুলি দিলে। তদুপৰি তেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ত ইংৰাজী বিষয়টো খোলা হোৱা নাছিল বাবে অসমৰ কলেজবোৰত ইংৰাজীৰ অধ্যাপক পাবলৈ টান হোৱাই মই বিয়াৰ আগতে আৰু বিয়াৰ পিছতো স্বামী বদলি হৈ ফুৰা ঠাইবোৰত সকলোবোৰ কলেজতে ইংৰাজীৰ অধ্যাপকৰ চাকৰি পাইছিলোঁ-- সেই ঠাইবোৰ হ'ল নলবাৰী, গোৱালপাৰা, উত্তৰ লক্ষীমপুৰ আৰু যোৰহাট। পিছে পাৰত আহিহে মোৰ নাও ডুবিল, কাৰণ জীৱনত এটা বৰ দুঃসময় অহাত ক'তো চাকৰি নোপোৱা হ'লো (তেতিয়া গুৱাহাটীত

> ... মই সাহিত্য অকাডেমিৰ পুৰস্কাৰটো পালোঁ -- চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱন-ভিত্তিত লেখা 'অভিযাত্ৰী' উপন্যাসৰ বাবে। তেতিয়া ললিত ভৰালী কলেজৰ অধ্যক্ষ নিযুক্ত হৈছিল গংগাপদ চৌধুৰী। আচৰিত কথা যে তেৰেঁ সেই কলেজলৈ প্ৰথম আমন্ত্ৰণ কৰিলে মোক অভিনন্দিত কৰিবলৈ! সেই কথা গম পাই কবি সনন্ত তাঁতীয়ে মোক হাঁহি হাঁহি কৈছিল যে এদিন মোক সেই কলেজে পঞ্চাশ টকীয়া চাকৰিটো নিদিয়াৰ প্ৰতিশোধ লোৱা হৈ গ'ল !

থিতাপি লৈছোঁ)। ইতিমধ্যে মই অসমীয়াতো প্ৰাইভেটকৈ এক প্ৰকাৰ সুখ্যাতিৰেই এম.এ. পাছ কৰিছোঁ। কিন্তু গুৱাহাটীৰ কোনো এখন কলেজতে ভেকেঞ্চি থকাতো চাকৰি নেপালোঁ; অৱশেষত গম পালোঁ যে নতুনকৈ খোলা মালিগাঁৱৰ ললিত ভৰালী নামৰ কলেজখনত (ইংৰাজীত নে অসমীয়াত পাহৰিলোঁ) চাকৰি ওলাইছে, তাৰ অধ্যক্ষ হৈছে কটনৰ একালৰ অৰ্থনীতিৰ অধ্যাপক ইক্ৰামুদ্দিন শইকীয়া আৰু বি.এ. পঢ়োঁতে মোৰ সেই বিষয়টো 'পাছ ছাবজেক্ট' আছিল বাবে মই ছাৰৰ ছাত্ৰী আছিলোঁ। কটনত মই কলেজ 'উইকবোৰ'ত নানা ধৰণে সুনাম আৰ্জিছিলোঁ, সেয়ে তেওঁ মোক দেখি চিনি পালে আৰু সাদৰ আহ্বান জনালে এই বুলি– "আহা আহা নিৰুপমা, You were a famous girl of Cotton College। পিছে কি কাৰণে আহিছা?" মই চাকৰি বিচৰা বুলি কোৱাত তেওঁ ক'লে যে সেইখন ভেঞ্চাৰ কলেজ হৈ আছে আৰু এতিয়া মাত্ৰ পঞ্চাশ টকাকৈ দৰ্মহাহে দিয়ে বুলি জানো নে নেজানো। মই জানো বুলি ক'লোঁ আৰু এদিন চৰকাৰীকৰণ হ'ব বুলি আশা কৰিয়েই কামটো অতি প্ৰয়োজনীয় বুলি বিচাৰি আহিছোঁ। তেতিয়া ছাৰে দৰ্খাস্ত এখন লিখি থৈ যাবলৈ ক'লে– তাত এই কথাও লিখিবলৈ ক'লে যে দৰ্কাৰ হ'লে মই অসমীয়া, ইংৰাজী দুয়োটা বিষয়তে পঢ়ুৱাব পাৰিম। দৰ্খাস্তখন লিখিবলৈ ক'লে মালিগাঁৱৰ ৰেলৱেৰ কেৰাণী এজনৰ নামত, কাৰণ তেওঁৰ প্ৰধান উদ্যোগতে ললিত ভৰালী মহাবিদ্যালয়খন স্থাপিত হৈছিল বাবে তেওঁকে তাৰ ছেক্ৰেটাৰি পতা হৈছিল। মই দৰ্খাস্ত লৈ গ'লোঁ– কথাতে আছে হলা গছক বাগী কুঠাৰ মাৰেই; মোৰো তেনে হ'ল, তেওঁ মোক বাৰাণ্ডাতে থিয় কৰাই থৈ দৰ্খাস্তখন পঢ়িলে (তাত মই অসমীয়া বিষয়ৰ অধ্যাপকৰ পদ বাবে কিমান কিতাপ লিখিছোঁ– তেতিয়ালৈ অজস্ৰই হ'ব– তাৰো উল্লেখ কৰিলোঁ মোৰ 'দাম' বঢ়াবলৈ !) আৰু লাহে ধীৰে পঢ়ি গহীনাই ক'লে– চাকৰিটো মোক দিয়া হ'বনে নহয় পিছত জনোৱা হ'ব।

কিছুদিন বাট চাই পুনৰ ইক্ৰামুদ্দিন শইকীয়া ছাৰৰ ওচৰলৈ গ'লোঁ, তেখেতে আন্তৰিক ভাৱেই দুখ প্ৰকাশ কৰি ক'লে যে মোৰ অসমীয়াত যে অনাৰ্ছ নাছিল সেই বাবেই মই সেই পঞ্চাশ টকীয়া চাকৰিটোৰ বাবে অযোগ্য বিবেচিত হ'লোঁ!

... অঞ্জলি গগৈয়ে মোৰ লগত বাজী মাৰিলে যে মই প্ৰথম বিভাগ পাম, নেপালে তেওঁ মোক দহ টকা দিব আৰু পালে মই তেওঁক ৰবীন্দ্ৰনাথৰ 'সঞ্চয়িতা'খন দিব লাগিব (সেইখনৰো দাম দহ টকা), অসমীয়া ছোৱালী এজনীয়ে সেই দিনত সঞ্চয়িতাখন বিচৰাটো সঁচায়ে অভিনৱ নহয়নে?...

**পুচ্ছখণ্ড ঃ**

সেই ঘটনাৰ কিমান দিনৰ পাছত মোৰ সঠিককৈ মনত নাই মই সাহিত্য অকাডেমিৰ পুৰস্কাৰটো পালোঁ– চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱন-ভিত্তিত লেখা 'অভিযাত্ৰী' উপন্যাসৰ বাবে। তেতিয়া ললিত ভৰালী কলেজৰ অধ্যক্ষ নিযুক্ত হৈছিল গংগাপদ চৌধুৰী। আচৰিত কথা যে তেৱেঁ সেই কলেজলৈ প্ৰথম আমন্ত্ৰণ কৰিলে মোক অভিনন্দিত কৰিবলৈ! সেই কথা গম পাই কবি সনন্ত তাঁতীয়ে মোক হাঁহি হাঁহি কৈছিল যে এদিন মোক সেই কলেজে পঞ্চাশ টকীয়া চাকৰিটো নিদিয়াৰ প্ৰতিশোধ লোৱা হৈ গ'ল !

●

... কুৰি শতিকাৰ দ্বিতীয় দশকত আইনষ্টাইনে সাধাৰণ আপেক্ষিকতাবাদ আগবঢ়োৱাৰ পাছৰেপৰাই 'কৃষ্ণ-গহ্বৰে' নতুন পোহৰ আৰু অন্ধকাৰ দুয়োটাকে আমাক অফুৰন্ত পৰিমাণে যোগাব ধৰিব ধৰিলে।

আকাশৰ তৰাৰ জন্মৰপৰা মৃত্যুলৈকে জীৱন পৰিক্ৰমাৰ মাজতে কৃষ্ণ-গহ্বৰৰ ৰহস্য লুকাই থাকে। ...



# কৃষ্ণ-গহ্বৰৰ মায়াজাল

**ড° পবন কুমাৰ চহৰীয়া**

বিজ্ঞানৰ যিবোৰ শব্দই সৰুৰপৰা আৰম্ভ কৰি বৃদ্ধলৈকে, বিজ্ঞান কি সেই বিষয়ে জনা নজনা সকলোৰে মনত এক অন্তহীন কৌতুহল আৰু ৰহস্যৰ মায়াজাল ৰচনা কৰে, সেইবোৰ শব্দৰ ভিতৰত নিশ্চয় এটা শব্দ হৈছে 'কৃষ্ণ-গহ্বৰ'। ষ্টিফেন হ'কিঙৰ নাম এই 'কৃষ্ণ-গহ্বৰ'ৰ লগত ওতপ্ৰোতভাৱে সাঙোৰ খাই থকাটোও অৱশ্যে 'কৃষ্ণ-গহ্বৰ' বিষয়টোৰ ইমান জনপ্ৰিয়তাৰ এটা অন্যতম কাৰণ। আকাশত যে কিছুমান 'অন্ধকাৰ তৰা' থাকিব পাৰে তাৰ কল্পনা কিন্তু ওঠৰশ শতিকাৰ শেষভাগৰপৰাই বিজ্ঞানীয়ে কৰিব ধৰিছিল। বৃটিছ দাৰ্শনিক আৰু গণিতজ্ঞ জন মিছেল আৰু বিখ্যাত ফৰাচী বিজ্ঞানী তথা গণিতজ্ঞ প্যাৰে ডে' লেপলাচে যুক্তি আগবঢ়াইছিল যে আকাশৰ কিছুমান তৰাৰ ঘনত্ব ইমান বেছি হ'ব পাৰে যে তাৰ মহাকৰ্ষণিক বলৰ প্ৰাবল্যৰ কাৰণে তাৰ পৰা পোহৰো ওলাই আহিব নোৱাৰে; গতিকে সেইবোৰ দেখা সম্ভৱ নহয়। তাতকৈ আৰু বেছিদূৰ আগনাবাঢ়িল সেই বিষয়ে আমাৰ জ্ঞান। কিন্তু কুৰি শতিকাৰ দ্বিতীয় দশকত আইনষ্টাইনে সাধাৰণ

আপেক্ষিকতাবাদ আগবঢ়োৱাৰ পাছৰেপৰাই 'কৃষ্ণ-গহ্বৰে' নতুন পোহৰ আৰু অন্ধকাৰ দুয়োটাকে আমাক অফুৰন্ত পৰিমাণে যোগাব ধৰিব ধৰিলে।

আকাশৰ তৰাৰ জন্মৰপৰা মৃত্যুলৈকে জীৱন পৰিক্ৰমাৰ মাজতে কৃষ্ণ-গহ্বৰৰ ৰহস্য লুকাই থাকে। এটা তৰাৰ জীৱন পৰিক্ৰমা নিৰ্ভৰ কৰে তৰাটোৰ সমুদায় ভৰৰ ওপৰত। যিমানেই ভৰ বেছি হয় সিমানেই তৰাটোৰ আয়ুসকাল কমি যায়, যিদৰে অতি শকত পেটুৱাৰ আয়ুসকাল সাধাৰণতে কম। মানুহৰ ক্ষেত্ৰত অৱশ্যে ব্যতিক্ৰম আছে যে অতি শকত হ'লেও কোনোবা বহু বেছি বছৰ জীয়াই থাকিব পাৰে আৰু ক্ষীণ হ'লেও সোনকালে মৃত্যুবৰণ কৰিব পাৰে। তৰাৰ ক্ষেত্ৰত পাছে এই ব্যতিক্ৰম নাই, বেছি ডাঙৰ তৰাই তাৰ শক্তি সোনকালে শেষ কৰি সৰু তৰাতকৈ সোনকালেই মৃত্যুক আকোৱালি ল'ব। তৰা এটাৰ ভৰ কিমান হয় সেইটো নিৰ্ভৰ কৰে যি বৃহৎ মহাজাগতিক গেছ আৰু ধূলিকণাৰ সমষ্টিৰপৰা, যাক আমি নেবুলা বুলি কওঁ, ইয়াৰ সৃষ্টি হৈছে সেই নেবুলাৰ ভৰৰ ওপৰত। মহাজাগতিক গেছ আৰু ধূলিকণাৰপৰাই মহাকৰ্ষণিক আকৰ্ষণৰ কাৰণে থুপ লাগি লাগি এটা সময়ত তৰাৰ সৃষ্টি হয়। মহাজাগতিক গেছ আৰু ধূলিকণা মূলতঃ হাইড্ৰ'জেন গেছ। এই গেছ ওচৰ চাপি অহাৰ লগে লগে ই ঘূৰ্ণন গতি এটাও লাভ কৰে, ফলত ইয়াৰ উষ্ণতাও বাঢ়িবলৈ ধৰে। এই থুপ খোৱা হাইড্ৰ'জেন গেছৰ উষ্ণতা যেতিয়া বাঢ়ি গৈ প্ৰায় ১৫ মিলিয়ন ডিগ্ৰী চেণ্টিগ্ৰেডমান পায় তেতিয়াই হাইড্ৰ'জেনৰ পৰমাণু অৰ্থাৎ প্ৰট'ন কণিকাবোৰ লগ হৈ নিউক্লীয় সংশ্লেষণ আৰম্ভ হয় আৰু শক্তি উৎপন্ন হ'বলৈ ধৰে। এই শক্তি উৎপন্ন হ'বলৈ ধৰিলেই এইটোক আমি তৰা বুলি কওঁ। জ্যোতিৰ্বিজ্ঞানৰ ভাষাত এই শক্তি উৎপন্ন কৰা তৰাবোৰক মেইন চিকুৱেন্স নক্ষত্ৰ (main sequence star) বুলি কোৱা হয়। আমাৰ সূৰ্য্যটোও বৰ্তমান এটা মেইন চিকুৱেন্স নক্ষত্ৰই। তৰাটোৰ ভিতৰৰপৰা ওলাই অহা তাপ আৰু পোহৰে বাহিৰৰ দিশত এক চাপ প্ৰয়োগ কৰে আৰু আনহাতে মহাকৰ্ষণিক আকৰ্ষণে তৰাটোক আৰু সংকুচিত কৰিবলৈ চেষ্টা কৰে। এই দুয়োটা চাপে ইটোৱে সিটোক প্ৰশমিত কৰি জীৱনকালৰ এছোৱা সময়ত তৰাটোক এটা সুস্থিৰ অৱস্থা প্ৰদান কৰিব পাৰে। বৰ্তমান আমাৰ সূৰ্য্যটোও এটা সুস্থিৰ তৰা।

পাছে এই সুস্থিৰ অৱস্থা চিৰস্থায়ী নহয়, যিটো কথাই আমাক আচলতে এক আনন্দই দিব লাগে। তৰাটোৰ ভৰ যিমানেই বেছি হয় সিমান সোনকালেই এই সুস্থিৰ অৱস্থাৰ অৱসান ঘটে। উদ্দীপ্ত তৰা এটাৰ ভিতৰত অনবৰতে হাইড্ৰ'জেন গেছ লগ হৈ হিলিয়ামলৈ পৰিৱৰ্তন হৈ থাকে। এটা সময়ত ভিতৰভাগত থকা হাইড্ৰ'জেন প্ৰায় একেবাৰেই শেষ হৈ গৈ হিলিয়ামলৈ ৰূপান্তৰিত হয়। গতিকে তাপ আৰু পোহৰৰ উৎপাদনৰ পৰিমাণো কমি যায় আৰু তেতিয়া ভিতৰৰপৰা দিয়া চাপৰ পৰিমাণো কমি যোৱাৰ কাৰণে আগৰ সুস্থিৰ অৱস্থাত ব্যাঘাত জন্মে। এনে অৱস্থাত মহাকৰ্ষণে তৰাটোক আৰু সংকুচিত কৰি দিয়ে। অৱশ্যে তৰাটোৰ বাহিৰৰ খোলাটো এই সময়তো হাইড্ৰ'জেনেৰেই পৰিপূৰ্ণ হৈ থাকে আৰু খোলাটোৰ সম্প্ৰসাৰণ হ'বলৈ ধৰে। সম্প্ৰসাৰণ হোৱাৰ লগে লগে খোলাটোৰ উষ্ণতা কমি যায়। উষ্ণতা যিহেতু কমি যায় গতিকে ইয়াৰ পৰা নিৰ্গত পোহৰ প্ৰধানতঃ ৰঙা ৰঙৰ হয় (উষ্ণতা আৰু তৰংগ দৈৰ্ঘ্যৰ সম্পৰ্ক আছে, উষ্ণতা কমিলে তৰংগ দৈৰ্ঘ্য বাঢ়ে)। এই অৱস্থাপ্ৰাপ্ত তৰাটোক কোৱা হয় লোহিত-দৈত্য (red giant star)। দৈত্য বুলি এইকাৰণেই কোৱা হয় যে ইয়াৰ আকাৰ বিশাল, প্ৰসাৰিত হাইড্ৰ'জেনৰ বাহিৰৰ তৰপে ইয়াক এক বিশাল আকাৰ প্ৰদান কৰে। সকলোৰে চিনাকি ৰোহিনী নক্ষত্ৰ এটা লোহিত-দৈত্য তৰাই। সকলোবিলাক মেইন চিকুৱেন্স তৰাই এদিন এই স্তৰ পায়গৈ, অৰ্থাৎ সকলো নক্ষত্ৰই এদিন লোহিত-দৈত্যলৈ পৰিৱৰ্তিত হ'ব। আমাৰ সূৰ্য্যইও ইয়াৰ সকলোবিলাক হাইড্ৰ'জেন ইন্ধন শেষ কৰি এদিন লোহিত-দৈত্যত পৰিণত হ'ব। লোহিত-দৈত্যৰ পাছত নক্ষত্ৰটো কিহলৈ ৰূপান্তৰিত হ'ব সেইটো নিৰ্ভৰ কৰে আকৌ ইয়াৰ ভৰৰ ওপৰত। তুলনামূলকভাৱে যদি ভৰ কম হয় (এইবোৰক মধ্যমীয়া ভৰৰ তৰা বুলি কোৱা হয়, ভৰ প্ৰায় আঠটা সূৰ্য্যৰ ভৰতকৈ কম কিন্তু সূৰ্য্যৰ ভৰৰ সমান বা তাতোকৈ বেছি) তেনেহ'লে এটা লোহিত-দৈত্য বগা-বাওনালৈ (white dwarf star) আৰু তাতোকৈ বেছি হ'লে লোহিত-দৈত্য তৰাটো এটা নিউট্ৰন তৰা অথবা কৃষ্ণ-গহ্বৰলৈ ৰূপান্তৰিত হ'ব পাৰে।

লোহিত-দৈত্য অৱস্থা পোৱাৰ পাছতো তৰাটোৰ

অন্তৰ্ভাগত নিউক্লীয় সংশ্লেষণ ঘটিয়ে থাকে। এই সংশ্লেষণত হিলিয়াম লগ লাগি কাৰ্বনৰ পৰমাণু গঠন হয়। আনহাতে মহাকৰ্ষণিক আকৰ্ষণৰ কাৰণে তৰাটো সংকুচিত হৈয়েই থাকে আৰু ইয়াৰ অন্তৰ্ভাগৰ উষ্ণতাও বাঢ়িয়েই থাকে। যদি তৰাটোৰ ভৰ মধ্যমীয়া হয় তেনেহ'লে কাৰ্বনৰ পাছত আৰু নিউক্লীয় সংশ্লেষণ নহয়। কিন্তু বৃহৎ আকাৰৰ তৰাৰ ক্ষেত্ৰত (এইবোৰ তৰাৰ ভৰ দহটা বা ততোধিক সূৰ্য্যৰ ভৰৰ সমান) এই নিউক্লীয় সংশ্লেষণ ঘটিয়েই থাকে আৰু কাৰ্বনৰ পৰা ক্ৰমান্বয়ে ডাঙৰ পৰমাণু যেনে অক্সিজেন, নাইট্ৰ'জেন ইত্যাদি গঠন হয় আৰু এই সংশ্লেষণৰ কাৰণে বৃহৎ পৰিমাণৰ শক্তিও উৎপাদন হয়। আমি জানো যে দুটা সৰু নিউক্লিয়াচ লগ লাগি এটা ডাঙৰ নিউক্লিয়াচ হ'লে ডাঙৰ নিউক্লিয়াচটোৰ ভৰ সৰু নিউক্লিয়াচ দুটাৰ মুঠ ভৰতকৈ কমি যায় আৰু এই কমি যোৱা ভৰখিনিয়েই আইনষ্টাইনৰ সমীকৰণ (E=mc2) অনুসৰি শক্তিলৈ ৰূপান্তৰিত হয়। কিন্তু এই ডাঙৰ ডাঙৰ নিউক্লিয়াচ গঠনৰ প্ৰক্ৰিয়া অবিৰতভাৱে চলিব নোৱাৰে, একেবাৰে শেষ পৰ্য্যায়ত লোৰ পৰমাণু গঠনৰ পাছত এই প্ৰক্ৰিয়া বন্ধ হৈ যায়। গতিকে বৃহৎ তৰাৰ অন্তৰ্ভাগত লো আৰু নিকেল ধাতুৰ পৰমাণু গঠনৰ পাছত আৰু নিউক্লীয় সংশ্লেষণ নহয়, নিউক্লীয় সংশ্লেষণৰপৰা শক্তি উৎপাদনো বন্ধ হৈ যায়। এনেকুৱা অৱস্থাত তৰাটোৰ বহিৰ্ভাগৰপৰা ভিতৰলৈ ক্ৰমান্বয়ে গধুৰ মৌলৰ বিভিন্ন তৰপৰ সৃষ্টি হয়, একেবাৰে বাহিৰৰ খোলাটোত হাইড্ৰ'জেন, হিলিয়াম আৰু ক্ৰমান্বয়ে ভিতৰলৈ গধুৰ মৌল আৰু একেবাৰে অন্তৰ্ভাগত নিকেল আৰু লোৰ এক শাঁহ থাকে। যদিও ইয়াত বিভিন্ন মৌল বুলিয়েই কোৱা হৈছে, এই উষ্ণতাত এইবোৰ কিন্তু মৌল হিচাপে নাথাকে, সেই মৌলবোৰৰ পৰমাণুগৰ্ভ আৰু ইলেক্ট্ৰনবোৰ বেলেগ বেলেগ হৈ আয়ন হিচাপেহে থাকে। অৱশ্যে যিমান সংখ্যক প্ৰট'ন থাকে সিমান সংখ্যক ইলেক্ট্ৰনো মুক্তভাৱে বিচৰণ কৰি থাকে। এই ইলেক্ট্ৰনবোৰে এক বিশেষ কোৱাণ্টাম পৰিঘটনাৰ আলমত বাহিৰৰ ফালে এক চাপ দিয়ে আৰু এই চাপে সংকুচিত কৰিব খোজা মহাকৰ্ষণিক চাপক প্ৰশমিত কৰি ৰাখে। কিন্তু যদি তৰাটোৰ ভৰ খুব বেছি হয় (প্ৰায় আঠটা সূৰ্য্যৰ ভৰতকৈ বেছি কিন্তু ২০-২৫ টা সূৰ্য্যৰ ভৰতকৈ কম) তেতিয়া আৰু এই ইলেক্ট্ৰনৰ চাপেও এটা সময়ত মহাকৰ্ষণিক চাপক প্ৰশমিত কৰিব নোৱৰা এটা অৱস্থাৰ সৃষ্টি হয়। ফলত তৰাটোৰ হঠাৎ এক বৃহৎ সংকোচন ঘটে, ইয়াৰ আকাৰ অভাৱনীয় ধৰণে কমি যায় আৰু সেই হিচাপে উষ্ণতাও বৃদ্ধি পায়। এই সংকোচনত ভিতৰৰ শাঁহভাগত থকা প্ৰট'ন আৰু ইলেক্ট্ৰন লগ লাগি নিউট্ৰন আৰু নিউট্ৰিন' নামৰ এবিধ কণিকাৰ সৃষ্টি কৰে (p+e ->n+V+নিউট্ৰিন', প্ৰট'ন+ইলেক্ট্ৰন->নিউট্ৰন')। নিউট্ৰিন'বোৰ আধানবিহীন আৰু অতি নগণ্য ভৰবিশিষ্ট কণিকা। কিন্তু এই নিউট্ৰিন'ৰ সংখ্যা ইমান বেছি আৰু ই কঢ়িওৱা শক্তিও ইমান বেছি যে ভিতৰৰপৰা ওলাই অহা নিউট্ৰিন'ৰ প্ৰবাহে তৰাটোৰ বহিৰ্ভাগক প্ৰচণ্ডভাৱে বাহিৰলৈ ঠেলি পঠিয়াই এক বৃহৎ বিস্ফোৰণৰ সৃষ্টি কৰে। বৃহৎ তৰাৰ এই অৱস্থাটোকে কোৱা হয় চুপাৰন'ভা। চুপাৰন'ভা বিস্ফোৰণৰ ফলত মূল তৰাটোৰ শাঁহটোত যি অৱশিষ্ট ৰৈ যায় সেইটোৱেই এটা নিউট্ৰন তৰা। নিউট্ৰন তৰা কেৱল নিউট্ৰনেৰে গঠিত। ইয়াৰ ব্যাস ১০ৰপৰা ২০ কি.মি.। ইয়াৰ ঘনত্ব ভাবিব নোৱৰা ধৰণে বেছি। পৃথিৱীখনৰ ঘনত্ব যদি এটা নিউট্ৰন তৰাৰ ঘনত্বৰ সমান হয়, তেনেহ'লে পৃথিৱীখন ৪৫০ ফুট ব্যাসাৰ্ধৰ এটা ফুটবলৰ সমান হ'ব। এক চাহ চামুচ পৰিমাণৰ (প্ৰায় ৫ মিলিমিটাৰ) নিউট্ৰন তৰাৰ পদাৰ্থৰ ভৰ হ'ব প্ৰায় ১০১২ কিলোগ্ৰাম, অৰ্থাৎ একহাজাৰ বিলিয়ন কিলোগ্ৰাম। অৱশ্যে ওপৰত উল্লেখ কৰা ভৰতকৈও (২০-২৫ টা সূৰ্য্যতকৈও ডাঙৰ) যদি মূল তৰাটোৰ ভৰ বেছি হয় তেনেহ'লে নিউট্ৰন তৰাৰ সলনি অৱশিষ্ট অংশ এটা কৃষ্ণ-গহ্বৰলৈ ৰূপান্তৰিত হ'ব পাৰে। সূৰ্য্য বা সূৰ্য্যৰ সমতুল্য ভৰৰ তৰা এটাই প্ৰায় দহ বিলিয়ন বৰ্ষ জীয়াই থাকি সক্ৰিয়ভাৱে পোহৰ আৰু তাপ উৎপন্ন কৰিব পাৰে, কিন্তু অতি বৃহৎ তৰা এটা মাত্ৰ কেইটামান মিলিয়ন বছৰ পাছতেই মৃত্যুমুখত পৰে।

**নিউট্ৰন তৰা নে কৃষ্ণ-গহ্বৰ?**


এক বৃহৎ নক্ষত্ৰৰ শক্তি উৎপাদনৰ সকলো উৎস শেষ হোৱাৰ পাছত তাৰ চুপাৰন'ভা বিস্ফোৰণৰ ফলত ৰৈ যোৱা অৱশিষ্ট তৰাটোৱেই সংকুচিত হৈ নিউট্ৰন তৰা গঠন কৰে। নিউট্ৰন তৰা এটাৰ ভিতৰত সকলোবিলাক কেৱল নিউট্ৰন, তাত বেলেগ আৰু কোনো কণিকা নাথাকে। কিন্তু প্ৰশ্ন হৈছেঃ সকলোবোৰ চুপাৰন'ভা বিস্ফোৰণৰ ফলত শেষত সদায় নিউট্ৰন তৰাৰেই সৃষ্টি হ'ব নেকি? নহয়। চুপাৰন'ভা বিস্ফোৰণৰ ফলত

নক্ষত্ৰটোৰপৰা এক বৃহৎ পৰিমাণৰ ভৰ বাহিৰলৈ প্ৰচণ্ড বেগত ওলাই গৈ ভিতৰত এটা শাঁহ ৰৈ যায়। আদি নক্ষত্ৰটোৰ ভৰ যদি বহু বেছি হয় তেনেহ'লে চুপাৰন'ভা বিস্ফোৰণৰ ফলত বহু ভৰ অন্তৰীক্ষলৈ ছিটিকি গ'লেও ভিতৰত থাকি যোৱা শাঁহটোৰ ভৰো এনেকুৱা বেছি হৈয়ে থাকিব পাৰে যে নিউট্ৰনৰ চাপেও আৰু মহাকৰ্ষণিক সংকোচনক বাধা দিব নোৱৰা অৱস্থা এটাৰ সৃষ্টি হয়। নিউট্ৰনে দিয়া বহিৰ্মুখী চাপক (এক বিশেষ কোৱাণ্টাম ঘটনা) অতিক্ৰম কৰি মহাকৰ্ষণিক চাপে যেতিয়া অৱশিষ্ট তৰাটো আৰু সংকুচিত কৰিব ধৰে তেতিয়া আৰু এই সংকোচন বলক বাধা দিয়াৰ আন কোনো উৎস নোহোৱা হয়। বাকী সকলোবোৰ বহিৰ্মুখী বলৰ ওপৰত মহাকৰ্ষণীয় বলৰ যেন এয়া চূড়ান্ত বিজয়। এতিয়া আৰু কোনো বাধা নোপোৱাকৈ মহাকৰ্ষণৰ কাৰণে তৰাটো অবিৰাম আৰু আগতকৈও তীব্ৰ গতিত সংকুচিত হ'বলৈ ধৰে আৰু শেষত এনেকুৱা এটা অৱস্থা পায় যে ইয়াৰ আয়তন শূন্য হয়গৈ, ঘনত্ব হয় অসীম। গণিতৰ ভাষাত এই অৱস্থাটোকেই কোৱা হয় এক "স্পেচ-টাইম ছিংগুলাৰিটি"।

এই সকলোবোৰ হিচাপ-নিকাচ কৰা হয় আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদৰ সমীকৰণ ব্যৱহাৰ কৰি। হিচাপ কৰি এইটো দেখা গৈছে যে চুপাৰন'ভা বিস্ফোৰণৰ পাছত ৰৈ যোৱা অৱশিষ্ট তৰাটোৰ (এই অৱশিষ্ট তৰাই শক্তি উৎপাদনৰ সকলো উৎস ইতিমধ্যে শেষ কৰি পেলাইছে, সেইকাৰণে ইয়াক মৃত তৰা বুলিও কোৱা হয়) ভৰ যদি সূৰ্য্যৰ ভৰৰ ৩.২ গুণ বা তাতোকৈ বেছি হয় তেনেহ'লে এই সংকোচনশীল তৰাটোক আৰু কোনো বলেই সংকোচন হোৱাৰপৰা বাধা দিব নোৱাৰে। নিউট্ৰন তৰা এটাৰ ভৰ সূৰ্য্যৰ ভৰৰ ৩.২ গুণতকৈ বেছি হ'লে সেইটো আৰু নিউট্ৰন তৰা হৈ থাকিব নোৱাৰে। ইয়াৰ সংকোচন অবিৰাম গতিত চলি থাকিলে ই আকাৰত সৰু হৈ গৈ থাকিব। আনহাতে এইটোও দেখা গৈছে যে 'মেইন-চিকুৱেন্স' তৰা অৰ্থাৎ শক্তি উৎপাদন কৰি থকা তৰা এটাৰ ভৰ যেতিয়া সূৰ্য্যৰ ভৰৰ বিশ গুণ মানতকৈ বেছি হয় তেতিয়া চুপাৰন'ভা বিস্ফোৰণৰ ফলত তাৰ যিটো অৱশিষ্ট অংশ ৰয়গৈ তাৰ ভৰ সূৰ্য্যৰ ভৰৰ ৩.২ গুণ বা ততোধিক হয়। গতিকে সূৰ্য্যৰ ভৰৰ বিশ গুণ বা ততোধিক ভৰৰ তৰা এটাই জীৱন-বৃত্তৰ শেষ পৰ্য্যায়ত চুপাৰন'ভা বিস্ফোৰণেৰে মহাকাশলৈ তাৰ বেছিভাগ ভৰ দলিয়াই দিয়াৰ পাছতো তৰাটোৰ কেন্দ্ৰীয় ভাগত সূৰ্য্যৰ ভৰৰ ৩.২ গুণতকৈ বেছি ভৰ থাকি যায়, ফলত তেনেকুৱা তৰা এটাৰ সংকোচন নিউট্ৰন তৰাৰ অৱস্থা পোৱাৰ পাছতো বন্ধ নহয়। নিজৰ মাধ্যাকৰ্ষণৰ কাৰণে সংকুচিত হোৱা বলক বাধা দিবলৈ তাৰ সকলো অস্ত্ৰ শেষ হৈ যায়। এনেকুৱা অৱশিষ্ট তৰাৰ অবিৰতভাৱে আৰু ক্ৰমবৰ্ধমান গতিত সংকোচন হৈ তাৰ আকাৰ সৰু হৈ গৈয়েই থাকে।

তৰাই হওক বা কোনো গ্ৰহই হওক সকলোৰে নিজা নিজা এটা পলায়ন বেগ থাকে। পলায়ন বেগ মানে হৈছে, যি বেগেৰে বস্তু এটা ওপৰলৈ প্ৰক্ষেপ কৰিলে বস্তুটো সেই নক্ষত্ৰ বা গ্ৰহটোৰ পৃষ্ঠলৈ পুনৰ ঘূৰি নাহে, অৰ্থাৎ সেই গ্ৰহ অথবা নক্ষত্ৰটোৰ মাধ্যাকৰ্ষণিক ক্ষেত্ৰৰপৰা বস্তুটো আঁতৰি যাবলৈ সক্ষম হয়। পৃথিৱীৰ ক্ষেত্ৰত এই বেগ প্ৰতি ছেকেণ্ডত ১১ কিলোমিটাৰ। এই পলায়ন বেগৰ মান পৃথিৱীৰ ভৰ আৰু ব্যাসাৰ্ধৰ ওপৰত নিৰ্ভৰ কৰে। বেলেগ নক্ষত্ৰৰ ক্ষেত্ৰতো একেই কথা, নক্ষত্ৰটোৰ ভৰ আৰু ব্যাসাৰ্ধৰ ওপৰত এই বেগ নিৰ্ভৰ কৰে। গতিকে চুপাৰন'ভা বিস্ফোৰণৰ পাছত ৰৈ যোৱা অৱশিষ্ট নক্ষত্ৰ এটাৰ যদি সংকোচন নিউট্ৰন তৰাৰ অৱস্থাপ্ৰাপ্তিৰ পাছলৈকো হৈয়েই থাকে তেনেহ'লে এই পলায়ন বেগৰ মান বাঢ়ি গৈ এটা অৱস্থাত পোহৰৰ বেগৰ সমান হয়গৈ। অৰ্থাৎ তেনেকুৱা অৱস্থাপ্ৰাপ্ত নক্ষত্ৰ এটাৰপৰা কোনো বস্তু ওলাই আহিব লাগিলে তাৰ বেগ পোহৰৰ বেগতকৈ বেছি হ'ব লাগিব। কিন্তু আইনষ্টাইনৰ বিশেষ আপেক্ষিকতাবাদে আমাক কৈ থৈছে যে কোনো বস্তুৰেই বেগ শূন্যত কেতিয়াও পোহৰৰ বেগৰ সমান বা তাতকৈ বেছি হ'ব নোৱাৰে। যিকোনো বস্তুৰ কাৰণেই বেগৰ ঊৰ্ধতম সীমা হৈছে শূন্য ঠাইত পোহৰৰ বেগ। গতিকে তাৰপৰা কোনো বস্তু বা কণিকাই কেতিয়াও ওলাই আহিব নোৱাৰে; আনকি পোহৰো ওলাই আহিব নোৱাৰে। মৃত নক্ষত্ৰ এটা এনেকুৱা অৱস্থাপ্ৰাপ্ত হ'লেই আমি কওঁ যে এটা কৃষ্ণ-গহ্বৰৰ সৃষ্টি হ'ল। যি ব্যাসাৰ্ধ পালে পলায়ন বেগ পোহৰৰ বেগৰ সমান হয় সেই ব্যাসাৰ্ধক কোৱা হয় তৰাটোৰ ছোৱাৰ্জচাইল্ড ব্যাসাৰ্ধ (Schwarzschild radius), কাৰণ এই হিচাপ প্ৰথমতে কাৰ্ল ছোৱাৰ্জচাইল্ড নামৰ জাৰ্মান জ্যোতিৰ্বিজ্ঞানী

এজনে কৰি উলিয়াইছিল। গতিকে সূৰ্য্যতকৈ কেবাগুণো বেছি ভৰৰ মৃত তৰা এটা নিজৰ মহাকৰ্ষণৰ কাৰণে সংকুচিত হৈ হৈ ব্যাসাৰ্ধ যেতিয়া এই ছোৱাৰ্জচাইল্ড ব্যাসাৰ্ধৰ সমান বা তাতকৈ কম হয়গৈ তেতিয়াই সেইটো এটা কৃষ্ণ-গহ্বৰলৈ ৰূপান্তৰিত হয়। আইনষ্টাইনে তেওঁৰ সাধাৰণ আপেক্ষিকতাৰ তত্ব প্ৰকাশ কৰাৰ (১৯১৫ চন, ডিচেম্বৰ) মাত্ৰ কিছুদিন পাছতেই ছোৱাৰ্জচাইল্ডে তেওঁৰ সমীকৰণ সমাধান কৰি এই ব্যাসাৰ্ধৰ হিচাপ কৰিছিল। প্ৰথম মহাযুদ্ধত এক দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ মৃত্যুশয্যাত পৰি থাকোঁতেই হেনো তেওঁ এই সমীকৰণ সমাধান কৰিছিল। অৱশ্যে তেতিয়া তেওঁ কৃষ্ণ-গহ্বৰ শব্দটো ব্যৱহাৰ কৰা নাছিল আৰু তাৰ বহু বছৰ পিছলৈও কৃষ্ণ-গহ্বৰৰ তাৎপৰ্য্য আৰু ইয়াৰ ধৰ্মৰ বিষয়েও কাৰো সঠিক উপলব্ধি নাছিল। আইনষ্টাইনে নিজেও এনে সম্ভাৱনীয়তাৰ কথা মানি লোৱা নাছিল।



কৃষ্ণ-গহ্বৰ নামটো প্ৰথমতে ব্যৱহাৰ কৰিছিল ১৯৬৭ চনত আমেৰিকান পদাৰ্থবিদ জন আৰ্কিবেল্ড হুইলাৰে আৰু তেতিয়াৰপৰাই এই নামটো বিজ্ঞানী সমাজত জনপ্ৰিয় হৈ পৰিছিল আৰু নামটোৰ কাৰণেই এই বিষয়টোৰে জনসাধাৰণৰ মনোযোগ আকৰ্ষণ কৰিবলৈও সক্ষম হৈছিল। সূৰ্য্যৰ ভৰতকৈ মাথোঁ কেইগুণমান ডাঙৰ এনেকুৱা কৃষ্ণ-গহ্বৰক জ্যোতিৰ্বিজ্ঞানীয়ে নাম দিছে 'নক্ষত্ৰীয় কৃষ্ণ-গহ্বৰ' (Stellar Black-holes)।

**সূৰ্য্যটোও এদিন কৃষ্ণ-গহ্বৰ হৈ যাব নেকি?**

বহুতৰে মনত উদয় হোৱা এটা প্ৰশ্ন হৈছে যে আমাৰ সূৰ্য্যটোও এদিন কৃষ্ণ-গহ্বৰ হৈ যাব নেকি? সূৰ্য্যটো কেতিয়াও কৃষ্ণ-গহ্বৰলৈ পৰিৱৰ্তন নহয়, কাৰণ কৃষ্ণ-গহ্বৰ হ'বৰ কাৰণে ওপৰত আলোচনা কৰা ভৰৰ যি চৰ্ত সেই চৰ্ত সূৰ্য্যই পূৰণ নকৰে। তথাপিও মনোৰঞ্জনৰ কাৰণে আমি হিচাপ কৰি চাব পাৰোঁ– সূৰ্য্যৰ ব্যাসাৰ্ধ কমি কমি গৈ (ইয়াৰ ভৰৰ কোনো সলনি নোহোৱাকৈ) কিমান হ'লে ইয়াৰ পলায়ন বেগ পোহৰৰ বেগৰ সমান হ'ব। অৰ্থাৎ সূৰ্য্যৰ কাৰণে ছোৱাৰ্জচাইল্ড ব্যাসাৰ্ধৰ মান কিমান? সূৰ্য্যৰ সমান ভৰবিশিষ্ট তৰাৰ কাৰণে এই ছোৱাৰ্জচাইল্ড ব্যাসাৰ্ধৰ মান মাত্ৰ তিনি কিলোমিটাৰ। অৰ্থাৎ মাত্ৰ তিনি কিলোমিটাৰ ব্যাসাৰ্ধৰ এটা গোলকত সূৰ্য্যৰ সমুদায় ভৰ থুপ খাই থাকিলে সূৰ্য্যটো এটা কৃষ্ণ-গহ্বৰলৈ ৰূপান্তৰিত হ'ব। আকৌ পৃথিৱীৰ কাৰণে এই ব্যাসাৰ্ধ আধা চেণ্টিমিটাৰতকৈও কম। অৰ্থাৎ আমি যদি কল্পনা কৰোঁ যে গোটেই পৃথিৱীৰ ভৰখিনি সংকুচিত হৈ পৃথিৱীৰ আকাৰ এটা মটৰমাহৰ সমান হৈ গৈছে, তেতিয়া পৃথিৱীখনেই এটা কৃষ্ণ-গহ্বৰ হৈ যাব, ইয়াৰপৰা পোহৰো ওলাই যাব নোৱাৰিব।

**ইভেণ্ট-হৰাইজ'ন কি?**

কৃষ্ণ-গহ্বৰৰ আলোচনাত সাধাৰণতে পোৱা এটা শব্দ হৈছে ইভেণ্ট-হৰাইজ'ন। এটা কৃষ্ণ-গহ্বৰৰ ছোৱাৰ্জচাইল্ড ব্যাসাৰ্ধৰ সমান কাল্পনিক পৃষ্ঠৰ যি আৱৰণ তাক কোৱা হয় কৃষ্ণ-গহ্বৰটোৰ 'ইভেণ্ট-হৰাইজ'ন' (Event Horizon)। এই 'ইভেণ্ট-হৰাইজ'ন'ৰ ভিতৰত কি হৈছে আমাৰ জনাৰ কোনো উপায় নাই, কাৰণ তাৰ ভিতৰৰপৰা কণিকাৰ কথাতো বাদেই, পোহৰো ওলাই আহিব নোৱাৰে। সাধাৰণতে দিগন্ত বুলিলে আমি বুজো যে চকুৰে মনিব পৰা দূৰত্বৰ এক সীমাৰেখা, দিগন্তত আকাশ আৰু পৃথিৱী লগ লাগি যোৱা যেন লাগে, দিগন্তৰ সিপাৰৰ বস্তু আমাৰ দৃষ্টিৰ বাহিৰত। পৃথিৱীখন ঘূৰণীয়া কাৰণেই এই কৃত্ৰিম সীমাৰেখাৰ সৃষ্টি হৈছে আৰু পোহৰ যিহেতু পৃথিৱীৰ কাষত প্ৰায় (?) সৰলৰেখাত গতি কৰে সেই কাৰণেই দিগন্তৰ সিপাৰৰ বস্তু আমি একো দেখা নাপাওঁ। ঠিক একেদৰেই এই 'ইভেণ্ট হৰাইজ'নৰ' সিপাৰে অৰ্থাৎ কৃষ্ণ-গহ্বৰৰ ভিতৰত কি হৈছে, কি আছে আমাৰ কাৰণে সম্পূৰ্ণ অজ্ঞেয়, কাৰণ তাৰ ভিতৰৰ লগত যোগাযোগৰ সকলো পথ আমাৰ কাৰণে বিচ্ছিন্ন। ইয়াত পিছে কিছু কিন্তু


আছে।

**ইভেণ্ট-হৰাইজ'নৰ ভিতৰখন কেনেকুৱা?**

ইভেণ্ট-হৰাইজ'নেই হ'ল এটা কৃষ্ণ-গহ্বৰ আৰু বাহিৰৰ জগতখনৰ মাজৰ সীমা। ছোৱাৰ্জচাইল্ড ব্যাসাৰ্ধৰ সমান ব্যাসাৰ্ধৰ এক কাল্পনিক গোলকৰ পৃষ্ঠই হ'ল এই ইভেণ্ট-হৰাইজ'ন। ইভেণ্ট-হৰাইজ'নৰ কাল্পনিক পৃষ্ঠখনে আগুৰা ভিতৰৰ জগতখনেই হ'ল কৃষ্ণ-গহ্বৰৰ জগতখন আৰু তাৰ বাহিৰৰ জগতখন হ'ল আমাৰ দৃশ্যমান জগত। কি আছে এই কৃষ্ণ-গহ্বৰৰ ভিতৰত? পোহৰো যিহেতু তাৰপৰা ওলাই আহিব নোৱাৰে গতিকে ভিতৰত কি আছে জনাৰ আমাৰ কোনো উপায় নাই। কিন্তু তাত্ত্বিকভাৱে ভিতৰখন কেনেকুৱা, ইয়াৰ ভিতৰলৈ সোমাই আমাৰ কেনেকুৱা লাগিব সেইবোৰ কথা নিশ্চয় আমি আলোচনা কৰিব পাৰোঁ। কৃষ্ণ-গহ্বৰৰ তত্ত্বৰ মূল উপাদান হ'ল আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদ। আপেক্ষিকতাবাদৰ সমীকৰণৰপৰাই কৃষ্ণ-গহ্বৰ সম্পৰ্কে সকলোবিলাক ধ্যান-ধাৰণাৰ জন্ম হৈছে।

কৃষ্ণ-গহ্বৰৰ ভিতৰখন একেবাৰে খালী। কৃষ্ণ-গহ্বৰটোৱে টানি অনা বাহিৰৰ কোনো ভৰৰ কথা বাদ দিলে ইয়াৰ ভিতৰখন সম্পূৰ্ণৰূপে শূন্য, কোনো পদাৰ্থ তাত নাই। স্ব-মহাকৰ্ষণৰ কাৰণে সংকুচিত তৰাটো সংকুচিত হৈ ছোৱাৰ্জচাইল্ড ব্যাসাৰ্ধ অতিক্ৰম কৰি কেন্দ্ৰত গৈ এটা বিন্দুত তাৰ সমস্ত ভৰ থুপ খাই যায়। এই বিন্দুত ঘনত্ব হয় অসীম। অৱশ্যে এইখিনিতে এটা কথা আহি পৰে। আমি ঘনত্ব উলিয়াওঁ কোনো বস্তুৰ ভৰক আয়তনৰে হৰণ কৰি। সমুদায় ভৰ যিহেতু এটা বিন্দুত থুপ খায়, গতিকে বিন্দুটোৰ আয়তন শূন্য আৰু সেইকাৰণে ঘনত্ব অসীম হৈ যায়। এইটোকেই কোৱা হয় 'স্পেচ-টাইম ছিংগুলাৰিটি' বা 'অপ্ৰতিম বিন্দু'। অসীম ঘনত্ব (?) এটা সঁচাকৈয়ে ভাবিব নোৱাৰা কথা, অসীমৰ আমাৰ কোনো ধাৰণা নাই। পিছে কোৱাণ্টাম বলবিদ্যাই এই অদ্ভূৎ বস্তুটোক অলপ হ'লেও স্বাভাৱিকতা প্ৰদান কৰে, কাৰণ কোৱাণ্টাম বলবিদ্যাৰ নিয়ম মতে কোনো বস্তুৰেই আকাৰ শূন্য হ'ব নোৱাৰে, একেবাৰে ক্ষুদ্ৰতম কণাটোৰ আকাৰো শূন্য নহয়। অৱশ্যে এতিয়াও বিজ্ঞানী সফল হোৱা নাই কিদৰে ইমান বেছি ভৰৰ থকা ঠাইত অৰ্থাৎ য'ত মহাকৰ্ষণৰ কাৰণে অন্তৰীক্ষ অতি বেছি ভাঁজখোৱা তেনেকুৱা ঠাইত কোৱাণ্টাম বলবিদ্যা ব্যৱহাৰ কৰিব পাৰিব। মুঠতে এইখিনিলৈকে আমি এটা কথা ক'ব পাৰোঁ যে কৃষ্ণ-গহ্বৰক এখন ইভেণ্ট-হৰাইজ'নে আৱৰি থাকে, ইয়াৰ কেন্দ্ৰত এটা অসীম ঘনত্বৰ বিন্দুসম ভৰ আৰু বাকী কেৱল খালী— শূন্য, কেৱল মাথোঁ শূন্য। পিছে এই শূন্যৰো আছে ভাবিব নোৱৰা ধৰণৰ শক্তি, কাৰণ এই শূন্যত আছে অতি শক্তিশালী এক মহাকৰ্ষণিক ক্ষেত্ৰ, এই শূন্যতা মহাকৰ্ষণিক শক্তিৰে ভৰপূৰ শূন্যতা। বিজ্ঞান বাদ দি কোনো দাৰ্শনিক তত্ত্বৰ মাজত সোমাই পৰা যেন নালাগেনে?

এইটো সকলোৱেই জানে যে, আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাত মহাকৰ্ষণ মানে অন্তৰীক্ষ– সময়ৰ বক্ৰতা মাথোন। ডাঙৰ ভৰৰ বস্তুৰ ওচৰত অন্তৰীক্ষৰ বক্ৰতা বেছি, সৰু ভৰৰ ওচৰত বক্ৰতা কম। সূৰ্য্যৰ আশে-পাশে অন্তৰীক্ষ যিমান ভাঁজখোৱা, পৃথিৱীৰ ওচৰত তাতকৈ কম। এইটো বুজাবলৈ সাধাৰণতে এখন ৰবৰৰ পাতৰ ওপৰত গধুৰ বস্তু এটা ৰখাৰ উদাহৰণ দিয়া হয়। কল্পনা কৰক যে টানি ৰখা ৰবৰৰ সমতল পাত এচটাৰ ওপৰত গধুৰ বস্তু এটা ৰখা হৈছে। বস্তুটো ৰখা ঠাইখিনিত পাতচটা তললৈ বহি যাব। বস্তুটো যিমানে বেছি ভৰৰ হয় সিমানে ৰবৰৰ পাতচটা তললৈ বহি যাব। তলত দিয়া চিত্ৰ দ্ৰষ্টব্য।




যিহেতু ভৰৰ ওপৰত মহাকৰ্ষণিক ক্ষেত্ৰৰ প্ৰাৱল্য নিৰ্ভৰ কৰে অৰ্থাৎ যিমানে ভৰ বেছি হয় সিমানে প্ৰাৱল্য বেছি হয়, গতিকে ওপৰৰ কথাষাৰ আমি এনেকৈও ক'ব পাৰো যে য'ত মহাকৰ্ষণিক ক্ষেত্ৰ প্ৰাৱল্য বেছি তাত অন্তৰীক্ষৰ বক্ৰতাও বেছি। কৃষ্ণ-গহ্বৰৰ ওচৰত তাৰ মহাকৰ্ষণিক ক্ষেত্ৰ প্ৰাৱল্য ইমান বেছি যে তাৰ ওচৰত অন্তৰীক্ষৰ বক্ৰতাও অতি বেছি। ইয়াৰ কেন্দ্ৰত থকা

ছিংগুলাৰিটি যিহেতু অসীম ঘনত্বৰ আৰু ইয়াৰ আকাৰ বিন্দুসম, গতিকে তাত অন্তৰীক্ষ এনেভাৱে ভাঁজ খোৱা যে সেই ঠাইৰ অন্তৰীক্ষত এটা অসীম গভীৰতাৰ কুপৰ সৃষ্টি হয়। সেই অসীম গভীৰতাৰ কুঁপটো কেতিয়াও পুতি বন্ধ কৰিব নোৱাৰি, যিমানেই ভৰ দিয়া যায় সকলো অসীমত হেৰাই যায়। সকলো সীমা হেৰাই যায় সেই বিন্দুসম অসীমত! ভাষাবোৰেই দেখোন কিবা বুজিব নোৱৰা ধৰণৰ হৈ যায়! প্ৰকৃতিয়েনো তাত দৰাচলতে কি নিয়ম মানি চলে, পদাৰ্থ বিজ্ঞানৰ আমি জনা নীতি-নিয়মবোৰ দৰাচলতে তাত খাটে নে নাখাটে সেই বিষয়েও বিজ্ঞানী নিশ্চিত নহয়।

ইভেণ্ট-হৰাইজ'নৰ ভিতৰত অন্তৰীক্ষৰ বক্ৰতাই এনেকুৱা বিৰূপ আকাৰ লয় যে তাত স্থান আৰু সময়ে নিজৰ মোটেই সলাই দিয়ে। সময় হৈ যায় দূৰত্ব আৰু দূৰত্ব হৈ যায় সময়। গতিকে ইভেণ্ট-হৰাইজ'নৰ পৃষ্ঠৰপৰা কেন্দ্ৰলৈ যি দূৰত্ব সেই দূৰত্ব এতিয়া আৰু দূৰত্বৰ এককত জুখিব পৰা বস্তু নহয়, সেয়া হৈছে সময়ৰ অগ্ৰগতিৰ দিশ। গতিকে এবাৰ ইভেণ্ট-হৰাইজ'ন পাৰ হোৱাৰ লগে লগে তাৰ কেন্দ্ৰলৈ গতি কোনোপধ্যে ৰোধ কৰিব নোৱাৰি, যিদৰে আমি সময়ৰ গতি কেতিয়াও ৰোধ কৰিব নোৱাৰোঁ। আজি যদি দেওবাৰ তেনেহ'লে কাইলৈ যিদৰে সোমবাৰ হ'বই– আমি তাক বাধা দিব নোৱাৰোঁ, ঠিক তেনেকৈ এবাৰ ইভেণ্ট-হৰাইজ'নৰ ভিতৰত সোমালে তাৰ কেন্দ্ৰলৈ গতিক আমি কোনোপধ্যে বাধা দিব নোৱাৰোঁ। কল্পনা কৰক যে এখন অদ্ভুৎ আকাশীযানেৰে আপুনি ইভেণ্ট-হৰাইজ'নৰ ভিতৰত সোমাই গ'ল, ধৰি ল'লো যে আপুনি আৰু আকাশীযানখন কোনো বিঘিনি নোহোৱাকৈ অক্ষত অৱস্থাতেই আছে। ধৰি ল'লো যে ইঞ্জিন বন্ধ কৰি মুক্তভাৱে তললৈ পৰি আছে, যিদৰে পৃথিৱীত তললৈ মুক্তভাৱে বস্তু এটা পৰে। কেন্দ্ৰলৈ পৰি থাকোঁতেই আপোনাৰ মন গ'ল পুনৰ ইভেণ্ট-হৰাইজ'নলৈ উভতি আহিবলৈ। গতিকে আপুনি তলৰফালে ৰকেট ফায়াৰ কৰি ওপৰলৈ আহিব খুজিছে, যিদৰে পৃথিৱীত তললৈ ৰকেট ফায়াৰ কৰি আমি ওপৰলৈ যান উৰুৱাওঁ। কিন্তু কৃষ্ণ-গহ্বৰৰ ভিতৰৰপৰা যিমানেই ইভেণ্ট-হৰাইজ'নলৈ আহিবলৈ চেষ্টা কৰিব সিমানেই সোনকালেহে গৈ তাৰ কেন্দ্ৰ পাব। এইটো বুজিব পাৰি আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদত থকা এক গভীৰ প্ৰমেয়ৰ দ্বাৰা। এই প্ৰমেয়ৰ সাৰাংশ হ'ল যে ঃ ত্বৰণ আৰু মহাকৰ্ষণ একে। গৈ গৈ যেতিয়া কৃষ্ণ-গহ্বৰৰ কেন্দ্ৰ পাব তাৰ পাছত আৰু ক'লৈ যাব? ইভেণ্ট-হৰাইজ'নৰ পৃষ্ঠৰপৰা কেন্দ্ৰলৈ যিহেতু সময়ৰ অগ্ৰগতিৰ দিশ, গতিকে কেন্দ্ৰৰ পাছত সময়ৰ আৰু আগুৱাবলৈ বাট নাই। ক'লৈ যাব সময় ইয়াৰ পাছত? সময়ৰ সেয়া শেষ সীমনা, সময় তাত স্থবিৰ, ভূপেন হাজৰিকাই তাত নিশ্চয় গাই দিলেহেঁতেন "ৰওকচোন সময় থমকি আমাকেই সাক্ষী কৰি"।

... আমিও ইয়াতেই থমকি ৰ'লোঁ।




**সেই অসীম গভীৰতাৰ কুঁপটো কেতিয়াও পুতি বন্ধ কৰিব নোৱাৰি, যিমানেই ভৰ দিয়া যায় সকলো অসীমত হেৰাই যায়। সকলো সীমা হেৰাই যায় সেই বিন্দুসম অসীমত!**

●

সংগঠিত ৰূপত বড়ো সাহিত্য সাধনাৰ প্ৰথম প্ৰচেষ্টা আৰম্ভ হৈছিল আজিৰ পৰা প্ৰায় ১০৬ বছৰ পূৰ্বে এতিয়াৰ কাৰ্বি আংলং জিলাত অৱস্থিত হাওৰাঘাট নামৰ সৰু ঠাইখনত। ইয়াতেই ১৯১৫ চনত অনুষ্ঠিত হৈছিল "হাওৰাঘাট বৰো সন্মিলন" নামেৰে প্ৰথম বড়ো সাহিত্য অধিৱেশনখন। এই অধিৱেশনখনতেই প্ৰথমখন বড়ো ভাষাৰ ছপা পুথি "বৰণি ফিসা অ' আয়েন" প্ৰকাশ কৰা হৈছিল। বড়ো সাহিত্যৰ বুৰঞ্জীৰ ই এটি চিৰস্মৰণীয় ঘটনা!

# বড়ো ভাষাৰ বিকাশৰ বুৰঞ্জী ঃ এটি অৱলোকন

**ডাঃ জগদীশ বসুমতাৰী**

বড়ো ভাষাৰ উৎপত্তিৰ বিষয়ে জানিবলৈ কোনো লিখিত বুৰঞ্জী পাবলৈ নাই। পণ্ডিতসকলে ঠাৰৰ কৰিলে যে বড়োসকল মংগোলীয় গোষ্ঠীৰ লোক আৰু তেওঁলোকৰ ভাষাও চীন তিব্বতৰ ভাষাৰেই ঠাল-ঠেঙুলি। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° উপেন ৰাভা হাকাচাম ডাঙৰীয়াই তেখেতৰ 'বড়ো ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিশ্বাস' নামৰ প্ৰবন্ধ এটাৰ আৰম্ভণিত এই বুলি লিখিছে– "পৃথিৱীৰ বৃহত্তম ভাষাগোষ্ঠীসমূহৰ ভিতৰত চীন-তীব্বতীয় (Sino-Tibetan) ভাষা-পৰিয়ালো অন্যতম। এই ভাষাগোষ্ঠীৰ অন্তৰ্গত চীনা ভাষাৰ ইতিহাস অতি পুৰণি আৰু ইয়াৰ সাহিত্যও অতি চহকী। পণ্ডিতসকলে এই ভাষা গোষ্ঠীৰ পৰাই চীনা, থাই আৰু তীব্বত-বৰ্মীয় (Tibeto-Burman) নামৰ তিনিটা প্ৰধান ঠালৰপৰা বিকশিত হৈ, পুনৰাই তৃতীয়টো ঠাল তিব্বত-বৰ্মীয়ৰপৰা তিব্বত-হিমালয়ী, উত্তৰ অসম আৰু অসম-বৰ্মা (Assam-Burma) উপ-ঠালৰ মাজেদি বৰ্তমান উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত জনজাতীয়সকলৰ কথিত ভাষাসমূহৰ উৎপত্তি হোৱা বুলি ঠাৰৰ কৰিছে। অৱশ্যে এইসমূহ ভাষা কেতিয়া, ক'ত আৰু কেনেকৈ বিকশিত হ'বলৈ পালে এই সম্বন্ধে পণ্ডিতসকল নিমাত"। এই জনজাতীয় ভাষাসমূহৰে অন্যতম হ'ল বড়ো ভাষা।

বড়ো ভাষাৰ ক্ৰমবিকাশৰ ধাৰাটো কুৰি শতিকাৰ আগছোৱাৰ পৰাহে আৰম্ভ হৈছিল বুলি ক'ব পাৰি। ইয়াৰ আগলৈকে বড়োসকলৰ মাজত ভাষাৰ ব্যৱহাৰ মুখে মুখেহে চলি আহিছিল। সমাজৰ আইন-কানুন, নীতি কথা, সাধু কথা, ফকৰা-যোজনা, তন্ত্ৰ-মন্ত্ৰ, বৈশাগু গীত ইত্যাদিবোৰ এটা চামৰপৰা পৰৱৰ্তী চামলৈ মুখে মুখে বাগৰি আহিছিল। শিক্ষাৰ অভাৱত বড়ো সমাজত সেই সময়ত প্ৰচলিত নানান ধৰণৰ অন্ধবিশ্বাস, কুসংস্কাৰ, ধৰ্মীয় নীতি নিয়মত উগ্ৰ বলি বিধান, মদৰ অপৰিমিত ব্যৱহাৰ ইত্যাদিয়ে বড়ো সমাজক ৰুগ্ন

আৰু নিশকতীয়া কৰি তুলিছিল।

বড়ো জাতিৰ দুৰ্দশাৰ এনে সন্ধিক্ষণতেই ১৮৬০ চনৰ ১৮ এপ্ৰিল তাৰিখে কোকৰাঝাৰৰ ওচৰৰ কাজিগাঁৱত এজন মহান বড়ো মনীষীৰ জন্ম হৈছিল। তেৱেঁই আছিল গুৰু কালীচৰণ ব্ৰহ্মদেৱ। অতি আঢ্যৱন্ত আৰু চহকী পিতৃৰ সন্তান আছিল কালীচৰণ ব্ৰহ্ম। সেই সময়ৰ শিক্ষাৰ প্ৰতিকূল অৱস্থা নেওচি তেওঁ চতুৰ্থ শ্ৰেণীলৈকে শিক্ষা গ্ৰহণ কৰিছিল। পাছলৈ তেওঁ ব্ৰহ্ম ধৰ্মৰ বিষয়ে অধ্যয়ন কৰিবলৈ লয় আৰু ১৯০৩ চনত তেওঁ পৰমহংসৰ সান্নিধ্যত ব্ৰহ্ম ধৰ্মৰ জ্ঞান লাভ কৰিবলৈ কলিকতা গমন কৰে। কলিকতাত তিনিবছৰ কাল পৰমহংসৰ সান্নিধ্যত থাকি বহ্ম ধৰ্মৰ গূঢ় তত্ব আহৰণ কৰি ঘৰলৈ প্ৰত্যাৱৰ্তন কৰে। ঘূৰি অহাৰ পাছত কালীচৰণ ব্ৰহ্মদেৱে বড়োসকলৰ মাজত ব্ৰহ্ম ধৰ্ম প্ৰচাৰ কৰিবলৈ ধৰে। ধৰ্ম প্ৰচাৰৰ লগে লগে তেওঁ এজন সমাজ সংস্কাৰক হিচাপে বড়ো জাতিক অন্ধবিশ্বাস আৰু কুসংস্কাৰ মুক্ত কৰি শিক্ষাৰ পোহৰ বিলাবলৈ দেহেকেহে চেষ্টা কৰিছিল। তেওঁ কেবাখনো প্ৰাইমেৰি স্কুলো প্ৰতিষ্ঠা কৰিছিল। লগে লগে তেওঁ বড়োসকলক নিজৰ ভাষা, সাহিত্য আৰু সংস্কৃতি পুনৰুদ্ধাৰ কৰি তাক টনকিয়াল কৰি তুলিবলৈও আহ্বান জনালে। ১৯২৮ চনত বৃটিছ চৰকাৰৰ “Simon Commission" ছিলঙলৈ আহিছিল। এই কমিছনে অসমৰ বিভিন্ন ঠাইৰ পৰা অহা প্ৰতিনিধিৰপৰা মেমোৰেণ্ডাম গ্ৰহণ কৰিছিল। গুৰু কালীচৰণ ব্ৰহ্মদেৱেও গোৱালপাৰাৰ (অবিভক্ত গোৱালপাৰা জিলা, য'ৰ পৰা এতিয়া পাঁচখন জিলাৰ জন্ম হৈছে) এটা সঁজাতী দলক নেতৃত্ব দি ছাইমন কমিছনক সাক্ষাৎ কৰি বড়োবিলাকৰ বাবে ৰাজনৈতিক অধিকাৰ আৰু প্ৰাইমেৰি স্কুললৈকে বিনামূলীয়া শিক্ষাৰ দাবী কৰি এখন memorandum প্ৰদান কৰিছিল। এইদৰেই গুৰুদেৱ কালীচৰণ ব্ৰহ্মৰ আপ্ৰাণ চেষ্টাত বড়োসকলৰ মাজত পঢ়া-শুনাৰ প্ৰতি ধাউতি বৃদ্ধি পাইছিল।

বড়ো ভাষা আৰু সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত খ্ৰীষ্টিয়ান মিছনেৰিসকলৰ অৱদানো চিৰস্মৰণীয় হৈ ৰ'ব। দৰঙৰ (অবিভক্ত দৰং জিলা, য'ৰ পৰা এতিয়া দৰং, ওদালগুৰি, শোণিতপুৰ আৰু বিশ্বনাথ জিলা হ'ল) বড়োসকলৰ মাজত থাকি ধৰ্ম প্ৰচাৰ চলোৱা ৰেভাৰেণ্ড চিডনী এণ্ডেলে ১৮৮৪ চনত বড়ো ভাষাৰ ওপৰত কেইবাখনো মূল্যৱান গ্ৰন্থ লিখি থৈ যায়। তাৰ মাজৰে উল্লেখযোগ্য কেইখন হ'ল ঃ

(১) An Outline Grammer of Kachari or Mech Language (As spoken in the District of Darrang)

(২) A short List of Words of Hills Tippara Language (এইখন ১৮৮৫ চনত প্ৰকাশ পায়)

(৩) A collection of Kachari Folk Tales and Rhyme (এইখনো ১৮৮৫ চনত প্ৰকাশ পায়)

(৪) The Kacharis (গ্ৰন্থখনত বড়োসকলৰ সমাজ ব্যৱস্থা, কলা সংস্কৃতি, ধৰ্মীয় ৰীতি-নীতিৰ বিৱৰণৰ উপৰিও বৈশাগুৰ গীত আৰু ছুটি গল্পৰ সংগ্ৰহ সন্নিৱিষ্ট কৰিছিল)।

Dr. George Abraham Grienson নামৰ মিছনেৰিজনেও Grammer and Dictionary of Kachari Language গ্ৰন্থখন প্ৰণয়ন কৰি বড়ো ভাষালৈ অমূল্য অৱদান আগবঢ়াই থৈ গৈছিল। তেনেদৰেই ডেনিচ মিছনেৰি ৰেভাৰেণ্ড এ খ্ৰীষ্টিনিয়ানে ১৯৩০ চনত “ফৰাই জেন্নাই বিজাব” (কুঁহিপাঠ) আৰু “বড়ো সান্নায় বিজাব (বড়ো গণিত) পাঠ্যপুথি আকাৰে প্ৰকাশ কৰি ১৯৩১ চনত দৰং জিলাৰ বড়োসকলৰ মাজত পাঠদানৰ ব্যৱস্থা কৰি দিছিল।

সংগঠিত ৰূপত বড়ো সাহিত্য সাধনাৰ প্ৰথম প্ৰচেষ্টা আৰম্ভ হৈছিল আজিৰ পৰা প্ৰায় ১০৬ বছৰ পূৰ্বে এতিয়াৰ কাৰ্বি আংলং জিলাত অৱস্থিত হাওৰাঘাট নামৰ সৰু ঠাইখনত। ইয়াতেই ১৯১৫ চনত অনুষ্ঠিত হৈছিল “হাওৰাঘাট বৰো সন্মিলন” নামেৰে প্ৰথম বড়ো সাহিত্য অধিৱেশনখন। এই অধিৱেশনখনতেই প্ৰথমখন বড়ো ভাষাৰ ছপা পুথি “বৰণি ফিসা অ' আয়েন” প্ৰকাশ কৰা হৈছিল। বড়ো সাহিত্যৰ বুৰঞ্জীৰ ই এটি চিৰস্মৰণীয় ঘটনা! এই পুথিখনত অতীজৰেপৰা মুখে মুখে চলি অহা বড়ো কছাৰীৰ ইতিহাসৰ লগতে দ্বিতীয় পাণ্ডৱ ভীমে পাণি গ্ৰহণ কৰা ৰাজকুমাৰী হিড়িম্বাৰ কাহিনীৰ উল্লেখ আছে। (বড়ো সাহিত্য সভাই ২০১৫ চনৰ ২২ নৱেম্বৰত দুধনৈত অনুষ্ঠিত এখন সভাত শতবৰ্ষ গৰকা এই পুথিখনৰ শতবাৰ্ষিকী উদ্‌যাপন কৰিছিল।) সেইখিনি সময়তেই এই অসমৰে অইন এঠাইত কিছু সংখ্যক হাইস্কুলীয়া শিক্ষাৰে শিক্ষিত বড়ো ছাত্ৰই মাতৃভাষাৰ উন্নতিৰ বাবে লিখা-মেলা কৰিবলৈ সংকল্পবদ্ধ হৈছিল। মাতৃভাষাৰ চৰ্চাত নিয়োজিত হোৱা এওঁলোকৰ মাজত আছিল (প্ৰয়াত) সতীশ চন্দ্ৰ বসুমতাৰী, দাৰেন্দ্ৰনাথ বসুমতাৰী, ৰূপনাথ ব্ৰহ্ম

(পিছলৈ অসম চৰকাৰৰ মন্ত্রী হৈছিল), মদাৰাম ব্ৰহ্ম, প্ৰমোদ চন্দ্ৰ ব্ৰহ্ম, ডাঃ খগেন্দ্ৰনাথ ব্ৰহ্ম, ঈশান মুছাহাৰী, আনন্দ ব্ৰহ্ম, কালী কুমাৰ লাহাৰী আৰু কিছু সংখ্যক ভাষাপ্ৰেমী যুৱক। এইসকলৰ আশাশুধীয়া চেষ্টাৰ ফলস্বৰূপেই ১৯২৪ চনত প্ৰথম বড়ো আলোচনী 'বিবাৰ' আৰু পাছলৈ পৰ্য্যায়ক্ৰমে 'জেন্থখা', 'খণ্ঠাই মেথায়', অলংবাৰ সানশ্ৰি', 'হাথৰ্খি হালা' আৰু 'নায়ক'ৰ নিচিনা আলোচনীৰ জন্ম হৈছিল। এই আলোচনীবোৰ বড়ো সাহিত্যৰ বুৰঞ্জীৰ অমূল্য সম্পদ হৈ ৰ'ল। দূৰদৃষ্টি সম্পন্ন ভাষাপ্ৰেমী এই যুৱকসকলে এই প্ৰচেষ্টা হাতত নোলোৱা হ'লে বুৰঞ্জীবিদ Edward Gait চাহাবে আশংকা কৰাৰ দৰে হয়তো অসমীয়া আৰু বঙলা ভাষাৰ প্ৰভাৱত পৰি বড়ো ভাষা চিৰদিনৰ বাবেই লুপ্ত হৈ গ'লহেঁতেন।

বিংশ শতিকাৰ মাজভাগৰ কথা। ১৯৫২ চনৰ মে'-জুন। অবিভক্ত বৃহত্তৰ গোৱালপাৰা জিলাৰ সদৰ চহৰ ধুবুৰীত বিভিন্ন বিভাগত কিছু সংখ্যক বড়ো যুৱকে চাকৰি কৰিছিল। তেওঁলোকেই সন্মিলিতভাৱে আৰু বহল ভিত্তিত বড়ো ভাষাৰ চৰ্চা আৰু প্ৰসাৰৰ বাবে এক শক্তিশালী মঞ্চ গঠন কৰাৰ প্ৰয়োজনীয়তাৰ কথা চিন্তা কৰিব ধৰিলে। এওঁলোকৰ চিন্তাক ফলপ্ৰসূ ৰূপ দিয়াত সহায় কৰিবলৈ আগবাঢ়ি আহিছিল ধুবুৰীৰ আৰু কিছু সংখ্যক বিশিষ্ট বড়ো নাগৰিক! এখেতসকলৰ ভিতৰত এজন বৰেণ্য ব্যক্তি আছিল প্ৰয়াত মদাৰাম ব্ৰহ্ম; যাক পাছৰ কালত তেখেতৰ কবিতাৰ জৰিয়তে বড়ো ভাষালৈ অৱদানৰ বাবে ভাৰত চৰকাৰে "পদ্মশ্ৰী" সন্মান প্ৰদান কৰিছিল। ইয়াৰ উপৰিও আছিল ধুবুৰী লোকেল বোৰ্ডৰ চেয়াৰমেন বীৰেন্দ্ৰ নাৰায়ণ ব্ৰহ্ম পাটগিৰি। মাতৃভাষাৰ উন্নতিৰ বাবে কিবা এটা কৰিবলৈ ব্যাকুল হোৱা এই ব্যক্তিসকলেই ১৯৫২ চনৰ ২৭ জুলাই তাৰিখে "বড়ো লিটাৰেৰী ক্লাব, ধুবুৰী" নামৰ এটি সাহিত্যসেৱী অনুষ্ঠানৰ জন্ম দিয়ে। সৃজনীমূলক সাহিত্য সৃষ্টিৰ উপৰিও বড়োসকলে যাতে নিজৰ মাতৃভাষাত পঢ়া-শুনা কৰিব পাৰে তাৰ বাবে অহোপুৰুষাৰ্থ কৰিবলৈ তেওঁলোক দৃঢ় সংকল্পবদ্ধ হ'ল। প্ৰণিধানযোগ্য যে তেতিয়াও বড়ো ভাষাই শিক্ষাৰ মাধ্যম হিচাপে চৰকাৰৰ স্বীকৃতি পোৱা নাছিল।

১৯৫২ চনটো প্ৰকৃতাৰ্থত বড়ো ভাষাপ্ৰেমীসকলৰ ভাষা প্ৰেমৰ উকমুকনিৰ বছৰ আছিল। কিয়নো এই বছৰটোৰ আৰম্ভণিতেই কোকৰাঝাৰ চহৰতো উদীয়মান লিখক নীলেশ্বৰ ব্ৰহ্মৰ নেতৃত্বত কোকৰাঝাৰ হাইস্কুল আৰু কলেজৰ ছাত্ৰসকলে "বৰ'ণি অনসায় আফাদ" নামৰ এটা সাহিত্য অনুষ্ঠান গঠন কৰি বড়ো ভাষা সাহিত্যৰ সেৱা কৰিবলৈ আৰম্ভ কৰিছিল। লাহে লাহে বড়ো সাহিত্যসেৱীসকলৰ মাজত ভাষাপ্ৰেমৰ চেতনা প্ৰবল হৈ উঠিছিল। এইবাৰ সকলো মিলিত হ'ল কোকৰাঝাৰত! তাৰেই পৰিণতি স্বৰূপে ১৯৫২ চনৰ ২৬ ছেপ্টেম্বৰত ধুবুৰী লিটাৰেৰি ক্লাব আৰু কোকৰাঝাৰ অনসায় আফাদৰ আহ্বানত কোকৰাঝাৰ হাইস্কুলত এখন সভা অনুষ্ঠিত কৰা হ'ল। এই সভাত ধুবুৰী আৰু কোকৰাঝাৰৰ উপৰিও বিজনী, চিদলী, গোসাইগাঁও ইত্যাদি বিভিন্ন অঞ্চলৰ পৰা প্ৰতিনিধি অংশ গ্ৰহণ কৰিবলৈ আহিছিল। কোকৰাঝাৰৰ প্ৰতিনিধিসকলৰ ভিতৰত মোহিনী মোহন ব্ৰহ্ম (পদ্মশ্ৰী), কালীচৰণ ব্ৰহ্ম, স্বনামধন্য শিল্পী শোভা ব্ৰহ্ম, নীলেশ্বৰ ব্ৰহ্ম, প্ৰসেনজিৎ ব্ৰহ্ম, সমৰ ব্ৰহ্ম চৌধুৰী আদিয়েই প্ৰধান আছিল। সেইদৰে ধুবুৰীক প্ৰতিনিধিত্ব কৰিছিল বীৰেন্দ্ৰ নাৰায়ণ ব্ৰহ্ম পাটগিৰি, বন্ধুৰাম কছাৰী, মদাৰাম ব্ৰহ্ম (পদ্মশ্ৰী), ৰাজেন্দ্ৰ নাথ ব্ৰহ্ম আদিয়ে। উল্লেখযোগ্য যে গোৱালপাৰা জিলাৰ তদানীন্তন স্কুল ইন্স্পেক্টৰ বন্ধুৰাম কছাৰী ডাঙৰীয়াই এই মিটিংখন সভাপতি হিচাপে পৰিচালনা কৰিছিল। এই সভাখনতেই এক ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। সকলোৱে উপলব্ধি কৰিছিল যে বড়ো ভাষা সাহিত্যৰ সৰ্বাংগীন উন্নতিৰ কাৰণে অসমৰ বড়োসকলৰ লগতে নৰ্থ বেংগলৰ বড়োভাষী ৰাইজেও সন্মিলিতভাৱে একেটা সংগঠনৰ পৰিচালনাত কাম কৰি যাব লাগিব। তেনে এটা উমৈহতীয়া সংগঠন গঠন কৰাৰ উদ্দেশ্য আগত ৰাখিয়ে এই সভাখনে "নিখিল বড়ো ভাষা ও সাহিত্য সন্মিলন" নামেৰে অনুষ্ঠানৰ গঢ় দিয়ে। লগতে সভাই যোগেন্দ্ৰ কুমাৰ মুছাহাৰী (মুখ্য আহ্বায়ক), শৈলেন্দ্ৰ নাথ ব্ৰহ্ম (বড়ো লিটাৰেৰি ক্লাব, ধুবুৰী), প্ৰসেনজিৎ ব্ৰহ্ম (বৰ' অনসায় আফাদ), গৌৰী কান্ত ব্ৰহ্মক (বড়ো লিটাৰেৰি ক্লাব, ধুবুৰী) এই নৱগঠিত অনুষ্ঠানখনৰ প্ৰথম অধিৱেশনৰ আয়োজন কৰিবলৈ দায়িত্ব দিয়ে। সকলো দিশ চালি জাৰি চাই কোকৰাঝাৰৰ এই মিটিংখনতেই "নিখিল বড়ো ভাষা ও সাহিত্য সন্মিলন"ৰ প্ৰথম অধিৱেশনখন তলত উল্লেখ কৰা ঠাই আৰু তাৰিখত আয়োজন কৰাৰ ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰে—

অধিৱেশন স্থল ঃ বাসুগাঁও হাইস্কুল। জিলা ঃ গোৱালপাৰা (অসম)। তাৰিখ ঃ ১৫ আৰু ১৬ নৱেম্বৰ, শনিবাৰ-দেওবাৰ, ১৯৫২ চন।

বড়ো ভাষা সাহিত্যৰ লগত জড়িত এই ঐতিহাসিক অনুষ্ঠানৰ প্ৰথম অধিৱেশনখন বাসুগাঁৱত অনুষ্ঠিত হ'ব বুলি জানি বাসুগাঁও আৰু সমীপৱৰ্তী অঞ্চলৰ ৰাইজৰ মনবোৰ উলাহত ৰাইজাই কৰিব ধৰিলে। তেওঁলোকৰ বাবে এইয়া কম ডাঙৰ গৌৰৱ আৰু সন্মানৰ কথা!! অৱশ্যে আয়োজক কমিটি অধিৱেশনৰ তাৰিখটো লৈ বেছ চিন্তাতো নপৰা নহয়। সকলো আয়োজন সম্পূৰ্ণ কৰি তুলিবলৈ হাতত মাথোঁ ৪৫ দিন আছে। তদুপৰি এই সময়খিনি সচৰাচৰ ধান চাউল, শাক-পাচলিৰ নাটনিৰ বতৰ। গতিকে প্ৰতিনিধিসকলক তেওঁলোকে কেনেকৈ কি খুৱাব? কিন্তু ৰাইজে নখ জোকাৰিলে নৈ বয়– এই আপ্ত বাক্যশাৰী বাসুগাঁৱৰ ৰাইজে প্ৰমাণ কৰি দেখুৱাই দিলে। ধনী দুখীয়া সকলোৱে নিজৰ সামৰ্থ্য অনুসৰি সাঁচতীয়াখিনিৰ পৰাই ধান চাউল, কোমোৰা ৰঙালাউ আদি শাক-পাচলি দান কৰি আয়োজক কমিটিৰ ভঁড়াল পূৰ কৰি দিলে। স্থানীয় দোকানীসকলেও সম্পূৰ্ণ বিনামূল্যে দাইল, নিমখ, মিঠাতেল, চাহপাত, চেনিৰ যোগান ধৰিলে। ৰভাঘৰ আৰু প্ৰতিনিধিসকলক ৰাখিবলৈ কেম্প সাজিবলৈকো ৰাইজেই নিজৰপৰাই বাঁহ খেৰৰ যোগান ধৰিছিল। অৱশেষত ৰাইজৰ সহায় সহযোগত বাসুগাঁও হাইস্কুল প্ৰাংগনত সময়মতেই অধিৱেশনথলী প্ৰস্তুত হৈ উঠিছিল।

১৫ নৱেম্বৰ, ১৯৫২ চন। ৰাতিপুৱাৰপৰাই প্ৰতিনিধিসকলক আদৰিবলৈ বাসুগাঁৱৰ আকাশ বতাহ খাম, চিফুং, চেৰজাৰ তালে তালে পৰিৱেশন কৰা বড়ো ডেকা-গাভৰুৰ ছন্দোময় নৃত্যৰে মুখৰিত। প্ৰতিনিধিসকলৰ মাজত উল্লেখযোগ্য আছিল হাফলঙৰপৰা অহা ডিমাচা (বড়ো) জয়ভদ্ৰ হাগজেৰ (অসম চৰকাৰৰ মন্ত্ৰী হৈছিল), নিত্যলাল দাউলাগুফু, দেৱব্ৰত থাউচেন, নৰ্থ বেংগলৰ জলপাইগুৰিৰ পৰা অহা মাইকেল বসুমতা, বলিচান্দ দেবকাৰ্জি, মতিলাল নাৰ্জাৰী আৰু বহুতো। সেইদৰে দৰঙৰপৰা যোগদান কৰিছিল ডেভিদচন ভবৰা (এম এল এ) আৰু সদানন্দ বসুমতাৰী। অসমৰ বিভিন্ন প্ৰান্তৰ উপৰিও নেপাল আৰু ভূটানৰ পৰাও অহা প্ৰায় ৪৪০ জন প্ৰতিনিধিয়ে এই সভাত অংশ গ্ৰহণ কৰিছিল।

দুদিন ধৰি চলা এই অধিৱেশনত কেবালানিও আলোচনা হয়। আলোচনাত অংশগ্ৰহণ কৰিছিল মদাৰাম ব্ৰহ্ম, মোহিনী মোহন ব্ৰহ্ম, সতীশ বসুমতাৰী, প্ৰসেনজিৎ ব্ৰহ্ম, তদানীন্তন অসম চৰকাৰৰ মন্ত্ৰী ৰূপনাথ ব্ৰহ্ম, বিধায়ক ধৰণীধৰ বসুমতাৰী, স্কুল পৰিদৰ্শক বন্ধুৰাম কছাৰী, জয়ভদ্ৰ হাগজেৰ, পশ্চিমবংগৰপৰা অহা মাইকেল বসুমতা সমন্বিতে অন্যান্য বিশিষ্ট ব্যক্তিসকলে। বড়ো জাতি আৰু বড়ো ভাষাক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰাৰ হকে এই অধিৱেশনত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। প্ৰথমটো আছিল বৃহত্তৰ বড়ো জাতি তেতিয়াৰপৰা বড়' (Bodo) বুলি অভিহিত হ'ব। বড়' শব্দৰ অৰ্থ হ'ল জ্ঞান, চেতনা। দ্বিতীয় সিদ্ধান্ত মৰ্মে বড়ো ভাষা সাহিত্যৰ এই প্ৰথম অধিৱেশনখন পৰৱৰ্তী পৰ্য্যায়ত "বড়ো সাহিত্য সভা" নামেৰে নামকৰণ হ'ব। সিদ্ধান্ত মৰ্মে বাসুগাঁৱৰ এই জাতীয় অভিৱৰ্তনতেই জয়ভদ্ৰ হাগজেৰক সভাপতি আৰু সোণাৰাম থাউসেনক সাধাৰণ সম্পাদক হিচাপে লৈ আনুষ্ঠানিকভাৱে "বড়ো সাহিত্য সভা"ক জন্ম দিয়া হয়। তৃতীয় গুৰুত্বপূৰ্ণ সিদ্ধান্ত আছিল যে বড়ো মাধ্যমক শিক্ষাৰ মাধ্যম হিচাপে স্বীকৃতি দিবলৈ চৰকাৰক দাবী জনোৱা। সভাত বড়ো ভাষাৰ সকলোৱে গ্ৰহণযোগ্য লিপি এটা নিৰ্ধাৰণ কৰাৰ বিষয়েও আলোচনা কৰা হয়। এই অধিৱেশনতেই জাতীয়তাবাদৰ বীজো প্ৰথম ৰোপণ কৰা হয়। সকলো দিশতেই সফলতাৰ স্বাক্ষৰ ৰাখিবলৈ সক্ষম হোৱা বাসুগাঁৱৰ এই অধিৱেশনখন বড়ো ভাষা সাহিত্যৰ বিকাশৰ বুৰঞ্জীৰ এক মাইলৰ খুঁটি হিচাপে সদায় জিলিকি থাকিব।

এই অধিৱেশনৰ ঠিক পাছতেই ১৯৫৩ চনৰ জানুৱাৰি মাহত হাফলঙত ডিমাচা বড়োসকলক লৈ বড়ো সাহিত্য সভাক পূৰ্ণ পৰ্য্যায়ত ৰূপ দি এখনি কাৰ্য্যকৰী সমিতি গঠন কৰা হয়। সভাৰ সাধাৰণ সম্পাদক আৰু যুটীয়া সম্পাদক হিচাপে যথাক্ৰমে সোণাৰাম থাউচেন আৰু যোগেন্দ্ৰ কুমাৰ বসুমতাৰীক মনোনীত কৰা হয়।

বড়ো সাহিত্য সভাৰ দ্বিতীয়খন অধিৱেশন পশ্চিমবংগৰ জলপাইগুৰি জিলাৰ অন্তৰ্গত মহাকালগুৰি গাঁৱত প্ৰয়াত মাইকেল বসুমতা আৰু তেখেতৰ সতীৰ্থ কেইজনমান ভাষাপ্ৰেমীৰ পৃষ্ঠপোষকতাত ১৯৫৩ চনৰ ২০

আৰু ২১ অক্টোবৰ তাৰিখে অনুষ্ঠিত হৈছিল। এই অধিৱেশনতেই বড়ো সাহিত্য সভাৰ সংবিধানখন গৃহীত হয়। এই সংবিধানখনৰ লক্ষ্য আৰু উদ্দেশ্য তিনিটা আছিল- (১) অসম আৰু অসমৰ বাহিৰৰ ৰাজ্যত বাস কৰা বড়'মূলীয় ভাষা যেনে ডিমাচা, ককবৰক (ত্ৰিপুৰা), পশ্চিমবংগৰ বড়োসকলৰ ভাষা সাহিত্য ইত্যাদিক উন্নতিৰ দিশত সমানে আগবঢ়াই নিয়া, (২) বড়ো অধ্যুষিত অঞ্চল সমূহত বড়ো মাধ্যম প্ৰতিষ্ঠা কৰা, (৩) মাতৃভাষাৰ বিদ্যালয়ত পাঠগ্ৰহণ কৰিবলৈ চেতনা জগাই তোলা।

জাতীয় অনুষ্ঠান হিচাপে বড়ো সাহিত্য সভাই জন্মলগ্নৰেপৰা বড়ো ভাষা সাহিত্যৰ সৰ্বাংগীন উন্নতিৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি আহিছে। এই অনুষ্ঠান আৰু বড়ো জাতিৰ সাহিত্য সংস্কৃতিৰ কৰ্মকৰ্তাসকলৰ আপ্ৰাণ প্ৰচেষ্টা আৰু বিভিন্ন দাবীৰ ওচৰত অৱশেষত সেও মানি অসম চৰকাৰে বড়ো ভাষাক ১৯৬৩ চনৰ ১৮ মে'ৰপৰা কোকৰাঝাৰত প্ৰাথমিক স্তৰত শিক্ষাৰ মাধ্যম হিচাপে স্বীকৃতি দিয়ে। এই ঐতিহাসিক স্বীকৃতিৰ বাবে বড়ো জাতি তদানীন্তন মাননীয় মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা আৰু তেখেতৰ সতীৰ্থ মন্ত্ৰী মাননীয় ৰূপনাথ ব্ৰহ্ম ডাঙৰীয়াৰ ওচৰত সদায় কৃতজ্ঞ হৈ থাকিব। পৰৱৰ্তী কালত ১৯৬৮ চনত মধ্য ইংৰাজী, ১৯৭২ চনত হাইস্কুলত বড়ো ভাষাই শিক্ষাৰ মাধ্যম হিচাপে স্বীকৃতি পাবলৈ সক্ষম হয়। বড়ো ভাষাৰ বাবে ৰোমান লিপি বিচাৰি বড়োসকলে দীঘলীয়া আন্দোলন কৰিবলগীয়া হৈছিল! বহু শ্বহিদৰ তেজেৰে ৰাঙলী হোৱা এই আন্দোলনৰ ফলস্বৰূপে বড়োসকলে ৰোমান লিপিৰ সলনি ১৯৭৫ চনত দেৱনাগৰী লিপিহে ব্যৱহাৰৰ বাবে চৰকাৰৰ অনুমতি পালে। ১৯৭৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে, ১৯৭৮ চনত উত্তৰ পূব বিশ্ববিদ্যালয়ে, ১৯৯৪ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে বড়ো ভাষাক আধুনিক ভাৰতীয় ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰি, মহাবিদ্যালয়সমূহত পাঠদানৰ ব্যৱস্থা কৰে। ইয়াৰ বাহিৰেও ১৯৮০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে স্নাতকোত্তৰ পৰ্য্যায়ত বড়ো চাৰ্টিফিকেট কোৰ্চ আৰম্ভ কৰি পাছলৈ ডিপ্লোমা কোৰ্চলৈ উন্নীত কৰে। তেনেধৰণে ১৯৯৬ চনত বড়ো ভাষাক গুৱাহাটী বিশ্ববিদ্যালয়ে স্নাতকোত্তৰ পূৰ্ণপৰ্য্যায়লৈ উন্নীত কৰে। বড়ো ভাষাৰ স্বীকৃতিৰ বাবে কেবা দশক জুৰি যুঁজা এই সংগ্ৰামত সভাৰ প্ৰাক্তন সভাপতিসকলে সন্মুখৰপৰা অতি সবল নেতৃত্ব দিছিল। প্ৰাতঃস্মৰণীয় এখেতসকল আছিল– যোগেন্দ্ৰ কুমাৰ বসুমতাৰী, গৌৰীকান্ত ব্ৰহ্ম, কমল কুমাৰ ব্ৰহ্ম, লক্ষেশ্বৰ ব্ৰহ্ম, বিনেশ্বৰ ব্ৰহ্ম, বিহুৰাম বড়ো, দলেশ্বৰ ব্ৰহ্ম আৰু ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্ম। ইয়াৰ উপৰিও বানেশ্বৰ বসুমতাৰী, তৰুণ ফুকন বসুমতাৰী, গোপীনাথ বৰগয়াৰী, ৰাজেন খাখলাৰীৰ নাম উল্লেখযোগ্য।

বড়ো ভাষাৰ স্বীকৃতিৰ সংগ্ৰামত আৰু এগৰাকী চিৰনমস্য ব্যক্তিৰ অৱদান সোণালী আখৰেৰে লিখা থাকিব। এই বৰেণ্য ব্যক্তিগৰাকীয়েই আছিল অসমীয়া ভাষাৰ পণ্ডিতপ্ৰৱৰ ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য। তেখেতে বড়ো ভাষাৰ উৎপত্তি, গঠন আৰু ক্ৰমবিকাশৰ ওপৰত বহলাই আলোচনা কৰি "A Descriptive Analysis of the Bodo Language" নামৰ গৱেষণা গ্ৰন্থখন লিখিছিল। ইয়াৰ উপৰিও বহু অবড়ো চিন্তাবিদেও সময়ে সময়ে বড়োসকলৰ ভাষা, সমাজ, সংস্কৃতি আদিৰ ওপৰত চিন্তা চৰ্চা কৰি নানান তথ্যসমৃদ্ধ লেখা লিখি জাতিটোৰ উত্তৰণত পথ প্ৰদৰ্শন কৰি আহিছে।

বড়ো ভাষাৰ উন্নতিৰ বাটত আৰু নতুন নতুন সংযোজন হৈ আছে। বড়ো ভাষা এতিয়া সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত ভাৰতৰ এটা স্বীকৃতিপ্ৰাপ্ত ভাষা (MIL)। অসম চৰকাৰেও বড়ো ভাষাক দ্বিতীয় সহযোগী ভাষা হিচাপে মৰ্য্যাদা প্ৰদান কৰিছে। অতি আনন্দৰ কথা যে ইচ্ছুক পৰীক্ষাৰ্থীয়ে এতিয়াৰপৰা ৰাষ্ট্ৰীয় পৰ্য্যায়ত অনুষ্ঠিত

**বড়ো ভাষাৰ স্বীকৃতিৰ সংগ্ৰামত আৰু এগৰাকী চিৰনমস্য ব্যক্তিৰ অৱদান সোণালী আখৰেৰে লিখা থাকিব। এই বৰেণ্য ব্যক্তিগৰাকীয়েই আছিল অসমীয়া ভাষাৰ পণ্ডিতপ্ৰৱৰ ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য। তেখেতে বড়ো ভাষাৰ উৎপত্তি, গঠন আৰু ক্ৰমবিকাশৰ ওপৰত বহলাই আলোচনা কৰি "A Descriptive Analysis of the Bodo Language" নামৰ গৱেষণা গ্ৰন্থখন লিখিছিল।**

প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত (UPSC) বড়ো ভাষাক এটা ঐচ্ছিক বিষয় হিচাপে লিখাৰ সুযোগ পাইছে। সাহিত্য অকাডেমিৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ সংস্থাৰ সা-সুবিধা সমূহো বড়ো ভাষাই প্ৰত্যক্ষভাৱে লাভ কৰাৰ অনুমোদন লাভ কৰিলে। নতুন সাহিত্য সৃষ্টিৰ ক্ষেত্ৰখনতো বড়ো ভাষা পিছ পৰি থকা নাই। বিভিন্ন ভাষাৰ গ্ৰন্থ বড়ো ভাষালৈ অনূদিত হৈছে, বড়ো ভাষাৰো গ্ৰন্থ অন্য ভাষালৈ অনুবাদ কৰা হৈছে। গৌৰৱৰ বিষয় যে বড়ো লিখক-লিখিকাসকলে প্ৰায় প্ৰতি বছৰেই অনুবাদ সাহিত্য, সৃষ্টিশীল সাহিত্য, শিশু সাহিত্য, চুটি গল্প, প্ৰবন্ধ, উপন্যাস, কবিতা আদিৰ শিতানত সাহিত্য অকাডেমীৰ বঁটা লাভ কৰি আহিছে। সাহিত্য অকাডেমি বঁটা বিজয়ী প্ৰথম বড়ো সাহিত্যিকগৰাকী আছিল ড° মংগল সিং হাজোৱাৰী। তেখেতে ২০০৫ চনত তেখেতৰ কবিতা পুথি ''জীউনি মৌখথাং বিসম্ব আৰজ'' ৰ বাবে এই বঁটা লাভ কৰিছিল। এইগৰাকী পথিকৃৎ সাহিত্যিকৰ পথ অনুসৰণ কৰি যোৱা ২০২০ চনলৈকে আৰু ৫৩ গৰাকী বড়ো লিখকে বিভিন্ন শিতানত সাহিত্য অকাডেমি বঁটা লাভ কৰি বড়ো জাতিক গৌৰৱান্বিত কৰিছে। এটা সুখৰ বিষয় এইয়ে যে এখেতসকলৰ ভিতৰত ৫ গৰাকীয়ে অসমীয়া সাহিত্যৰ গ্ৰন্থ বড়ো ভাষালৈ অনুবাদ কৰি সাহিত্য অকাডেমিৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। এওঁলোকৰ ভিতৰত ২০০৫ চনত প্ৰমীলা নাৰ্জাৰীয়ে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু', ২০০৬ চনত ৰংগীলা দৈমাৰীয়ে হোমেন বৰগোহাঞিৰ 'উচ্চাকাংক্ষা', ২০০৭ চনত অঞ্জলী দৈমাৰীয়ে ড° মামনি ৰয়চম গোস্বামীৰ 'আধা লিখা দস্তাবেজ', ২০১০ চনত উথ্রিচাৰ বসুমতাৰীয়ে ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ 'ইয়াৰুইঙ্গম' আৰু ২০১৬ চনত বিৰহাস গিৰি বসুমতাৰীয়ে ড° মামণি ৰয়চম গোস্বামীৰ 'থেংফাখ্ৰী তহচিলদাৰৰ তামৰ তৰোৱাল' অনুবাদ কৰি এই বঁটা লাভ কৰিছিল। ইয়াৰ উপৰিও CIIL, CHTT আৰু CHD আদি ভাৰত চৰকাৰৰ সংস্থাসমূহৰ সহযোগিতাত বড়ো ভাষাৰ বহুভাষিক অভিধান আৰু শব্দকোষ প্ৰকাশ কৰাৰো কাম বড়ো সাহিত্য সভাই হাতত লৈছে। সম্প্ৰতি ডিজিটেল টেকন'লজীৰ সুবিধা লৈ বড়ো সাহিত্য সভাই E-Book Project আৰু ভাৰত বাণী Apps-অৰ যোগেদি বড়ো ভাষাৰ প্ৰায় হেজাৰখন গ্ৰন্থ ইণ্টাৰনেটৰ মাধ্যমেৰে প্ৰচাৰ আৰু প্ৰসাৰৰ ব্যৱস্থা গ্ৰহণ কৰিছে। বড়ো ভাষা শিকিবলৈ ইচ্ছুক ব্যক্তিক এই ভাষা ডিজিটেল মাধ্যমৰ জৰিয়তে শিকাৰ সুবিধাৰ বাবেও ইতিমধ্যে Software তৈয়াৰ কৰা সম্পন্ন হৈ গৈছে।

**সামৰণিঃ**

বহু কণ্টকাকীৰ্ণ পথ অতিক্ৰমি আজি বড়ো সাহিত্য সভাই তিনি কুৰি আঠ বছৰত (৬৮) ভৰি দিলেহি। ভাষাৰ মাধ্যম হিচাপে স্বীকৃতি পোৱাৰো আজি ৫৬ বছৰ হ'ল। ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত তালিকাভুক্ত হৈ MIL-অৰ মৰ্য্যাদা পাবৰো ১৬ বছৰ হ'ল।

কিন্তু এইখিনিৰেই আত্মসন্তুষ্টি লাভ কৰিলে নহ'ব। আজি বিশ্বায়ন আৰু প্ৰতিযোগিতাৰ যুগত অইন ভাষাৰ সাহিত্যৰ লগত ফেৰ মাৰি সাহিত্যৰ প্ৰায় সকলো দিশ সাঙুৰি উৎকৃষ্ট মানৰ সাহিত্যৰ সৃষ্টি কৰিবই লাগিব। লোক সংস্কৃতি, লোক কথা, শিশু সাহিত্য, ক্ৰীড়া, চিকিৎসা, চিনেমা, মহৎ লোকৰ জীৱনী, ৰাজনীতি, সাংবাদিকতা, খাদ্যাভ্যাস ইত্যাদি বিভিন্ন বিষয়ৰ ওপৰতো সাহিত্য সৃষ্টি কৰিব পাৰিব লাগিব। নতুন চামে বিভিন্ন ভাষাৰ সাহিত্যকৃতিৰ প্ৰচুৰ অধ্যৱসায় আৰু অধ্যয়নৰ জৰিয়তে সাহিত্যৰ নতুন নতুন ক্ষেত্ৰসমূহত পৰীক্ষা চলাবলৈ সাহস কৰিব পাৰিব লাগিব। পঢ়ুৱৈৰ সংখ্যা বঢ়োৱাটো আজিৰ সময়ত এটা কঠিন প্ৰত্যাহ্বান হৈ পৰিছে। তথাপিও আমি সকলোৱে আশাবাদী। সকলোৰে একত্ৰিত প্ৰচেষ্টাত বড়ো জাতিয়ে নিজৰ ভাষা, সাহিত্য, কলা, সংস্কৃতিৰ জৰিয়তে এদিন বিশ্ব দৰবাৰত নিশ্চয় জিলিকি উঠিব।

বড়ো ৰাও থুনলাই গেওলাংথোঁং।

বিঃদ্ৰঃ লেখাটো প্ৰস্তুত কৰোঁতে নিম্নোক্ত কিতাপ কেইখনৰপৰা কিছু তথ্য লোৱা হৈছে ঃ

(১) খৈৰী জাহাৰ বিসম্বি; ৫৯ থি বৌসৌৰাৰি জথুমা, বৰ' থুনলাই আফাদ।

(২) বড' সাহিত্য সভানি জাৰিমিনঃ মাসিগিৰিঃ বিশ্বেশ্বৰ বসুমতাৰী গাহাই সুজুগিৰিঃ বানেশ্বৰ বসুমতাৰী

(৩) THE BODO, Mouthpiece 42nd Issue, 2017

●



দেওপাহাৰত উদ্ধাৰ হোৱা মন্দিৰৰ পাদদেশ

# দেওপাহাৰৰ ইতিহাসৰ সন্ধানত

**পংকজ কুমাৰ বৰুৱা**

একাবেঁকা বাটৰ দুয়োফালে যাৰ সেউজীয়া বননি আৰু এটি কলি দুটি পাতেৰে ভৰা বাগিচা, শিৰীষ গছৰ হালধীয়া ফুলে য'ত আপোনাক স্বাগতম জনায় আৰু ৰৌদ্ৰোজ্জ্বল দিনত যেতিয়া জীৱন্ত সোণ-পখিলীবোৰে শিৰীষ গছৰ হালধীয়া ফুলৰ লগতে পথৰ ওপৰে ওপৰে উৰি উৰি আপোনাক আদৰি লৈ গৈ সেই প্ৰকৃতিৰ কানন চিৰসেউজ বন আৰু হাবিৰে ভৰা পাহাৰ আৰু খাৰৈৰে আৱৰা তৰু লতা তৃণৰ চকু জুৰ পৰা মনোমোহা দৃশ্য আৰু ছয় ঋতুৰে ন ন সাজেৰে আন্দোলিত কৰি ৰখা প্ৰকৃতিৰ এক অনন্য ৰূপৰ মাজত এৰি দিয়ে, সেয়াই হ'ল এই নুমলীগড়ৰ প্ৰকৃতিৰ বৰজীয়ৰী ৰূপত দেওপাহাৰ যাৰ বুকুত এতিয়াও বাধাহীনভাৱে বিচৰণ কৰে বিভিন্ন আপুৰুগীয়া জীৱ-জন্তু, বিনন্দীয়া পখিলা আৰু চৰাই-চিৰিকতি, নানা বিধৰ সৰীসৃপ, মৌমাখিকে ধৰি কীট-পতংগ আৰু বহু যুগ ধৰি আপুৰুগীয়া গছ-গছনি, তৰু-তৃণ জাতীয় বহু প্ৰজাতিৰ উদ্ভিদ।


নুমলীগড় তিনি আলিৰপৰাই আৰম্ভ হৈছে ৩৯ নং ৰাষ্ট্ৰীয় ঘাইপথ। এই পথেৰে আগুৱাই গৈ থাকিলে গোলাঘাট জিলাৰ মাজেৰে নগালেণ্ড সোমাই, নগালেণ্ড পাৰহৈ মণিপুৰ সোমাই, ম্যানমাৰৰ সৈতে থকা ভাৰতবৰ্ষৰ সীমান্তৰ শেষ চহৰ মোৰে পাবগৈ পাৰি। এই পথেৰে ম্যানমাৰলৈও যাব পাৰি। নুমলীগড়ৰ পৰা এই পথেৰে সোমাই গ'লে নুমলীগড় চাহ বাগিচা– ৰাস্তাৰ দুয়োকাষে বিস্তৃত। মাথোঁ তিনি কিলোমিটাৰমান

আগুৱালেই প্রসিদ্ধ শিৱমন্দিৰ বাবাথান পোৱা যায়। ইয়াৰ পৰা আগুৱাই গ'লেই দেওপাহাৰ বনাঞ্চল আৰম্ভ হয়। তিনি/চাৰিশ মান মিটাৰ আগুৱাই গ'লে ৰাস্তাৰ বাওঁফালে এটা ৮০/১০০ মিটাৰমান উচ্চতাৰ পাহাৰ পোৱা যায়। বৰ্তমানে এই পাহাৰৰ নামনিতে প্রত্নতত্ত্ব বিভাগৰ এটা ঘৰ নিৰ্মাণ কৰা হৈছে। সন্মুখত গেট আছে আৰু সোমাই যাবলৈ খটখটি বনাই থোৱা আছে।

অনুমান কৰা অনুযায়ী নৱম-দশম শতিকা মানত এই পাহাৰটোৰ চূড়াত এটা মন্দিৰ আছিল। মন্দিৰৰ বিভিন্ন স্থানত বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি আছিল আৰু এই দেৱ-দেৱীসকলৰ পূজা অৰ্চনা হৈছিল। সেয়েহে এই পাহাৰটোৰ নাম দেওপাহাৰ বা দেওপৰ্বত হৈছিল। আজিও সকলোৱে এই পাহাৰটোক দেওপাহাৰ বুলিয়েই জানে।

**দেওপাহাৰৰ ওপৰত পোৱা ভগ্নস্তূপ ঃ**

প্রত্নতত্ত্ববিদসকলে অনুমান কৰা অনুসৰি খৃষ্টাব্দ ১০০০ চনৰ ইফালে সিফালে বিশ্বৰ হিন্দু মন্দিৰৰ কলাৰ আদৰ্শত এই দেওপাহাৰৰ চূড়াত এটা শিৱমন্দিৰ আছিল। প্রকৃতিৰ প্রকোপতে হওক বা অন্য কিবা কাৰকৰ হেতু এই



বকাসুৰ বধ

শিৱমন্দিৰটো সময়ৰ গতিত ভাগি পৰে। কোনো কোনোৱে ১৮৯৭ চনৰ ভূমিকম্পৰ ফলতে এই মন্দিৰটো ভাঙি পৰিছিল বুলি মত পোষণ কৰে। কোৱা হয় যে মন্দিৰটো ভাঙি পৰাৰ পাছত হে বৰ্তমানে বাবাথানত অৱস্থিত মন্দিৰটো স্থাপন কৰা হৈছে।

মন্দিৰটোৰ ভগ্নস্তূপসমূহ বছৰ বছৰ ধৰি এই পাহাৰৰ ওপৰতে সিঁচৰিত হৈ পৰি ৰৈছিল অনাদৃত সামগ্রীৰ দৰে আৰু কালক্ৰমত এই ভগ্নস্তূপসমূহৰ বেছি ভাগেই মাটিত পোত গৈছিল। কিন্তু তেতিয়াও তাৰ ধৰ্মীয় মৰ্য্যাদা অটুত ৰাখি বহুতে তাত ধূপ ধুনা দি বন্তি জ্বলাই পূজা আগবঢ়োৱা দেখা গৈছিল। বাবাথানৰ শিৱমন্দিৰত পূজা দিবলৈ অহা লোকৰ এচাম লোকে এই পাহাৰৰ ওপৰলৈ উঠি গৈ সেই ভগ্নস্তূপৰ দেৱ-দেৱীৰ সন্মুখতো পূজা সেৱাৰ নামত গন্ধ পুষ্প অৰ্পণ কৰি যোৱা দেখা যায়।

নুমলীগড় চাহ বাগিচাৰ কাম আৰম্ভ হৈছিল ১৮৫৯ চনৰ পৰা। জনামতে এই চাহ বাগানৰ থমাছ গাৰ্ডজে চাহাবৰ চকু পৰাতহে এই শিলা ভাস্কৰ্য্যৰ কথা পোহৰলৈ আহে।

বিভিন্ন সময়ত নুমলীগড়ৰ ৰাইজ আৰু সংবাদ মাধ্যমৰ জৰিয়তে এই মন্দিৰৰ শৈল ভাস্কৰ্য্যসমূহ অৱহেলিত হৈ পৰি থকাৰ কথা কাকতে-পত্রে ওলাই থকাৰ পাছতহে ১৯৯০ চনৰ ৫ এপ্রিলত অসমৰ প্রত্নতত্ত্ব বিভাগে মন্দিৰৰ ভগ্নস্তূপসমূহ, মূৰ্তি আৰু কলা ভাস্কৰ্য্যসমূহ সংৰক্ষণৰ ব্যৱস্থা কৰে। সেই সময়ত দেওপাহাৰৰ ওপৰলৈ যোৱাৰ পথ অতি দুৰ্গম আৰু সঙ্কটময় আছিল। আজিৰ দৰে খটখটি বগাই ওপৰলৈ উঠি যোৱাৰ সুবিধাখিনিৰ একোৱেই নাছিল। সেয়েহে প্রত্নতত্ত্ব বিভাগৰ কাম বহু বছৰলৈ পৰি ৰয়। গোলাঘাটৰ সাংবাদিক অপূৰ্ববল্লভ গোস্বামী ডাঙৰীয়াই এই



জ্যামিতিক কলা

বনাঞ্চলৰ সংৰক্ষণ আৰু দেওপাহাৰৰ মন্দিৰৰ ভগ্নাৱশেষসমূহক সংৰক্ষণৰ বাবে তেতিয়াৰ কেন্দ্রীয় মন্ত্রী মেনকা গান্ধীকো চিঠিৰ জৰিয়তে আবেদন আৰু অৱগত কৰিছিল। এই নেৰা-নেপেৰা প্রচেষ্টাৰ ফলতে ২০০৪-০৫ চনত প্রত্নতত্ত্ব বিভাগে দেওপাহাৰৰ ওপৰত পৰি থকা এই ভগ্নস্তূপৰ খনন কাৰ্য্য আৰম্ভ কৰে। তদানীন্তন প্রত্নতত্ত্ব সঞ্চালক ড°হেমেন্দ্র নাথ দত্তৰ পৰিচালনাত খনন কাৰ্য্য আৰম্ভ কৰাৰ পাছত, ৰাইজে ভবা অনুসৰিয়েই ১০.৭ মিটাৰ

×৯.৪ মিটাৰ আয়তনৰ আৰু ০.৪ মিটাৰ ওখ এটা মন্দিৰৰ অতি উত্তম মানৰ পাদদেশ উদ্ধাৰ হয়। এই খনন কাৰ্য্যৰ পাছতেই প্ৰমাণ হয় যে এই শিলা ভাস্কৰ্য্যৰ মানদণ্ড অসমৰ ভিতৰতে অদ্বিতীয় হোৱাৰ লগতে ই অতি উচ্চ মানবিশিষ্ট।

প্ৰত্নতত্ত্ব বিভাগে প্ৰকাশ কৰা অনুযায়ী ১৮৭৪ খৃষ্টাব্দত মেজৰ গডউইন অষ্টিনে দেওপৰ্বতত প্ৰত্নতাত্ত্বিক সম্পদ শীৰ্ষক প্ৰথম টোকাটো Asiatic Journal-ত প্ৰকাশ কৰে। ইয়াৰ পাছৰ কালত ১৯২৪-২৫ চনত টি এন ৰামচন্দ্ৰনে ভাৰতীয় প্ৰত্নতাত্ত্বিক জৰীপত দেওপাহাৰৰ কলা ভাস্কৰ্য্যৰ কথা উল্লেখ কৰে। ইয়াৰ পাছত প্ৰতাপ চৌধুৰী (১৯৫৯), বিৰিঞ্চি কুমাৰ বৰুৱা (১৯৬১), ৰবীন চৌধুৰী (১৯৮৫), নিশিপদ দেৱচৌধুৰী (১৯৮৫), প্ৰদীপ শৰ্মা (১৯৮৮), মনোৰঞ্জন দত্ত (১৯৯০), হেমেন্দ্ৰ নাথ দত্ত (১৯৮৮), এবাৰহাৰ্ড ফিচাৰ (১৯৯৮) আৰু অন্যান্য গৱেষকসকলে দেওপাহাৰৰ কলা ভাস্কৰ্য্য আৰু স্থাপত্য কলাৰ ওপৰত গৱেষণা-পত্ৰ প্ৰকাশ কৰে।

খনন কাৰ্য্যৰ তদাৰককাৰী বিষয়া শ্ৰীমতী ৰঞ্জনা শৰ্মাৰ তথ্যৰ ভিত্তিত মন্দিৰৰ পাদদেশৰ ওপৰত ২.৫৫ মিটাৰ ওখ কলাশৈলীৰ অতুলনীয় শিল্পৰূপেৰে অলংকৃত পাদদেশৰ বিষয়ে জানিব পৰা যায়। ১৯৯৮ চনত প্ৰথমে মই যেতিয়া দেওপাহাৰৰ ওপৰলৈ উঠিছিলোঁ, তেতিয়া কিছুমান পৰি থকা শিল আৰু শিলাখণ্ডৰ লগতে কিছুমান দেৱ-দেৱীৰ মূৰ্তি আৰু কিছু ভাস্কৰ্য্য দেখিছিলোঁ যদিও সেইখিনিয়ে বিশেষ আকৰ্ষণ কৰিব পৰা নাছিল। ২০০৪-০৫ চনত খনন কাৰ্য্য চলাই প্ৰত্নতত্ত্ব বিভাগে অনেক ভাস্কৰ্য্য উদ্ধাৰ কৰে। এই খনন কাৰ্য্যৰ পাছত যেতিয়া পুনৰ গৈছিলোঁ, এই মন্দিৰৰ পাদদেশ দেখি অভিভূত হৈছিলোঁ। দেওপাহাৰৰ ওপৰলৈ মই বহুবাৰ গৈছোঁ, ভগ্নস্তূপ সমূহ ভালকৈ চাইছোঁ। বাৰে বাৰে চাইছোঁ। ফটো তুলিছোঁ। আৰু অনুভৱ কৰিছোঁ, প্ৰত্নতত্ত্ব বিভাগৰ জাননী পত্ৰত দিয়াতকৈ বহু বেছি সম্পদ দেখিবলৈ পাইছোঁ। আটাইতকৈ তলৰ মজিয়াখনৰ ওপৰত ১০ টা স্তৰ দেখিছোঁ। প্ৰথম তিনিটা স্তৰৰ পাছত প্ৰতিটো স্তৰকে অতি আটকধুনীয়াকৈ খোদিত কৰা হৈছে। ইয়াত পদুমৰ পাহি, জ্যামিতিক চিত্ৰ, উৰন্ত অপ্সৰা, গজথৰ আৰু কীৰ্তিমুখৰ চিত্ৰ অতি নিখুঁত ভাস্কৰ্য্যৰে অংকন কৰা হৈছে। তলৰ তিনিটা স্তৰ আয়তক্ষেত্ৰাকাৰৰ বিপৰীতে তাৰ ওপৰৰ পাদদেশ ঘূৰণীয়া আকৃতিৰ।

**দেওপাহাৰৰ স্থাপত্য শৈলীৰ বিশেষত্ব ঃ**

(১) এই স্থাপত্য কলা এক বৃহৎ শিলাৰ মজিয়াৰ ওপৰত স্থাপিত।

(২) প্ৰথম তিনিটা স্তৰৰ পাছত পাদদেশ ঘূৰণীয়া— ৩২.৫ মিটাৰ ব্যাস।

(৩) স্থাপত্যৰ বহিঃভাগৰ চৌদিশে দেৱ-দেৱী, ৰামায়ণ, মহাভাৰত, পুৰাণৰ বা ভাগৱতৰ কাহিনীৰ চিত্ৰ, জীৱ-জন্তু, গছ-লতা বা সুন্দৰ জ্যামিতিক চিত্ৰৰে খোদিত।

(৪) এপাহ বৃহৎ পদুমফুল (বিশ্বপদ্ম) খোদিত শিলৰ ফলিৰ ওপৰত এটি কৃত্ৰিম শিখৰ সংযোজিত আছিল।

(৫) দেওপৰ্বতৰ ভাস্কৰ্য্যৰ চিত্ৰ, তোৰণৰ বিভিন্ন অংশৰ খোদিত ৰূপ, কাৰুকাৰ্য্য খচিত স্তম্ভ, কালমকৰৰ প্ৰতিকৃতি, উৰন্ত অপ্সৰা বা বিদ্যাধৰ, গজথৰৰ ৰূপ, ভাস্কৰ্য্যৰ গাত অলংকৃত সাজ-পোছাক, অলংকাৰ আদি, ভাস্কৰ্য্যৰ বহল অথচ কপালৰপৰা থুঁতৰিলৈ ক্ৰমান্বয়ে সৰু আকাৰৰ মুখাৱয়বে ইয়াত এটা স্থানীয় বলিষ্ঠ শিল্পশৈলীৰ বিকাশ সাধনৰ ইংগিত দিয়ে।

(৬) মন্দিৰৰ গাঁথনিৰ নিৰ্দেশাৱলী বা সংকেত হিচাপে ব্যৱহাৰ কৰিবৰ বাবে ১২ খন অতি মূল্যৱান শিলালেখ উদ্ধাৰ হৈছে।

গৱেষকসকলৰ মন্তব্যৰ পৰা জনা গৈছে যে, দেওপাহাৰৰ কালমকৰৰ প্ৰতিকৃতিৰ সৈতে দক্ষিণ-পূব এচিয়াৰ, জাভাদ্বীপৰ মন্দিৰৰ স্থাপত্য কলাৰ কালমকৰৰ সাদৃশ্য আছে। গৱেষকসকলৰ গুৰুত্বপূৰ্ণ মন্তব্য এটা এয়ে যে স্থানীয় উপাদানৰ ভিত্তিত এটা স্থানীয় শিল্প শৈলীৰ বিকাশ ঘটিছে।

২০০৬-০৭ চনৰ খনন কাৰ্য্য আৰু অনুসন্ধানত মাটিৰ তলত আৰু অধিক ভাস্কৰ্য্য উদ্ধাৰ হৈছে। গৱেষকসকলৰ মত অনুসৰি এই ভাস্কৰ্য্যৰ শিৰৰ ওখ মুকুট, বহল আৰু ওলাই অহা স্তন, বহল নিতম্ব, চিয়াঁ কঁকাল, দীঘল মুখ আৰু চেপেটা নাক, চকু আৰু বেশভূষাই এই কাৰুকাৰ্য্যত স্থানীয় জনগোষ্ঠীৰ ৰূপ প্ৰতিফলন কৰে। লগতে মহাকাব্য দুখনৰ কাহিনী বা চৰিত্ৰৰ চিত্ৰ, শিৱ, কৃষ্ণ, গণেশ আদিৰ উপৰিও ধৰ্মনিৰপেক্ষ ভাস্কৰ্য্য যেনে, গঁড়, গছ, উড়ালত ধান খুন্দা, মানুহৰ মূৰ কটা, জ্যামিতিক ছবি, যুদ্ধৰ ছবি আদিয়ে স্থানীয় শিল্পীৰ বিস্তৃত পৰিকল্পনাৰ পৰিসৰ ভাস্কৰ্য্যত প্ৰকাশ কৰা সুন্দৰ পৰিকল্পনাৰ


নিদৰ্শন ডাঙি ধৰে।

বুৰঞ্জীৰ তথ্যই সম্পূৰ্ণৰূপে ঢুকি নোপোৱা বিভিন্ন প্ৰশ্নসমূহৰ ভিতৰত, এই মন্দিৰটো কোনে সাজিছিল বা সজাইছিল? মন্দিৰটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈছিল নে নাই?

এইবোৰ প্ৰশ্নৰ উত্তৰ এতিয়াও উলিয়াব পৰা হোৱা নাই। আনকি ভগ্নাৱশেষসমূহক লৈ এটা পূৰ্ণ মন্দিৰৰ চিত্ৰ এতিয়ালৈ অংকন কৰিব পৰা হোৱা নাই। অৱশ্যে যিহেতু মন্দিৰৰ গাঁথনিৰ নিৰ্দেশাৱলী বা সংকেতৰূপে ব্যৱহাৰ হ'ব পৰা ১২ খন শিলালেখ উদ্ধাৰ কৰা হৈছে, তেনেক্ষেত্ৰত এই ভগ্নস্তূপসমূহৰ শিলাখণ্ডসমূহ এই নিৰ্দেশাৱলী অনুসৰি লগ লগাই মন্দিৰটোৰ এটা স্পষ্ট চিত্ৰ উলিয়াবলৈ বিশেষ অসুবিধা হ'ব নালাগে।

ওপৰত উল্লেখ নকৰা এটা কথা উল্লেখ কৰিছোঁ যে এই শিলাখণ্ডসমূহৰ অধিকাংশই স্বয়ং একো একোটা ব্লক। এইবোৰক যথাস্থানত বহুৱাই সংযোজন কৰোৱাৰ ব্যৱস্থাও তাত কৰা আছে। অৰ্থাৎ সংযোজন (assemble) কৰিব পাৰি। শিলাখণ্ডবোৰত কংক্ৰীটৰ দৰে কোনো লোহাৰ ব্যৱহাৰ দেখা নাই। এই স্থাপত্য কলাৰ শিলসমূহ ইয়াৰেই ওচৰৰ নে আন ঠাইত খোদিত কৰি আনি ইয়াত মাথোঁ সংযোজন কৰাহে হৈছে নে আন ঠাইৰ নিপুণ শিল্পী আনি ইয়াতেই সম্পূৰ্ণ কামখিনি সম্পন্ন কৰা হৈছে– এইবোৰ প্ৰশ্নৰ উত্তৰ কোনো তথ্যৰ পৰাই দৃঢ়তাৰে ক'ব পৰা নাই। শিখৰৰ অমলক আৰু কলহ অংশও এতিয়ালৈ পোৱা হোৱা নাই। এইটোও হোৱাটো অসম্ভৱ নহয় যে শিখৰৰ অমলক আৰু কলহ, মূল্যৱান ধাতুৰে গঢ়া হোৱা বাবেই, কোনোবাই তাক হয়তো লৈ গ'ল।


ত্ৰিপুৰাসুৰ সংহাৰক ৰুদ্ৰ


উৰন্ত অপ্সৰা

দেওপাহাৰৰ ভাস্কৰ্য্যৰ মাজত অতুলনীয় হ'ল উৰন্ত বিদ্যাধৰ বা উৰন্ত অপ্সৰাসমূহৰ মুখমণ্ডল। ইয়াৰে দুটা এটা কোনোবাই বাবাথানলৈ নি তাতেই  ৰখা দেখা পাইছোঁ। ২০০৮-০৯ চনৰ খনন কাৰ্য্যত উদ্ধাৰ হোৱা ভাস্কৰ্য্যসমূহ ৰাজ্যিক সংগ্ৰহালয়লৈ নিয়া হৈছে। এই অতুলনীয় সুন্দৰী নাৰীৰ শিলৰ মূৰ্তি অসমৰ আন কোনো ঠাইত পোৱা হোৱা নাই। ই সৃষ্টিকাৰীৰ নিপুণ শৈলীৰ কথা সূচায়। ইয়াৰ উপৰিও অন্য কাৰুকাৰ্য্যসমূহ হ'ল– নাৰীসুলভ মুখৰ সৈতে তলৰ ভাগ সৰ্পৰ দুটা মূৰ্তি, সংহাৰক ৰুদ্ৰ (ত্ৰিপুৰাসুৰ), গজথৰ, কীৰ্তিমুখ, তোৰণ, পদ্মচক্ৰ, দ্বাৰপাল, মোহিনীৰূপ, শিৱৰ বিভিন্ন ৰূপৰ ভিতৰত সৰ্পদেৱতা আৰু শৰভৰূপী শিৱ, গণেশ, যম, হাতীৰ ওপৰত দেৱ-দেৱীৰ নৃত্য, বকাসুৰ বধ, সূৰ্য্য আৰু শনি মূৰ্তি, লক্ষ্মী, সৰস্বতী, পাৰ্বতী, যুদ্ধৰ কলা কৌশল, জীৱ-জন্তু চিকাৰ, নৃত্য ভংগিমা ইত্যাদি।

ভগ্নস্তূপসমূহত অতি ধ্যান আৰু সূক্ষ্মভাৱে বিচাৰি আৰু লক্ষ্য কৰি দেখিছিলোঁ যে তাৰ মাজত ৰতিৰস উদ্ৰেক কৰিবপৰা খাজুৰাহোৰ দৰে কেইটামান শৈল ভাস্কৰ্য্যও আছে। শৈল ভাস্কৰ্য্যৰ মাজত নগ্ন চিত্ৰায়ণ মধ্যযুগত ইন্দ্ৰিয়গ্ৰাহ্য বুলি ভবা হয়। ইয়াক আধুনিক যুগৰ নগ্নতাৰ লগত ৰিজাব নোৱাৰি।

**সামঞ্জস্যসমূহ আৰু ৰিজনি ঃ**

ইয়াত থকা ভাস্কৰ্য্যসমূহৰ লগত অন্য ভাস্কৰ্য্যৰ ৰিজনি কৰিলে দেখা যায় যে, ইয়াৰ কীৰ্তিমুখসমূহৰ দৰে তেজপুৰৰ ক'ল উদ্যানৰ ভাস্কৰ্য্যতো বিদ্যমান যদিও দেওপাহাৰৰ দৰে নিখুঁত আৰু মসৃণ নহয়। বহুতে জাভাদ্বীপৰ কালমকৰৰ লগত

ৰিজাব খোজে। বহুতে ইয়াক গুপ্তযুগৰ শিল্পশৈলীৰ লগত তুলনা কৰে। কামকলা সম্বন্ধিত ভাস্কৰ্য্যসমূহৰ খাজুৰাহোৰ কামসূত্ৰৰ শিল্প ভাস্কৰ্য্যৰ লগত সাদৃশ্য পৰিলক্ষিত হয়। কোনাৰ্কৰ গজমুণ্ডৰ লগত ৬ষ্ঠ স্তৰৰ গজমুণ্ডৰ মিল আছে। ভাস্কৰ্য্যসমূহৰ কিছুমান শিলত অসমীয়া লিপিৰ আভাসো পোৱা গৈছে।

প্ৰত্নতত্ত্ব বিভাগৰ জাননীত উল্লেখ কৰা চেপেটা নাকৰ পৰিৱৰ্তে উৰন্ত অপ্সৰাসমূহৰ অতুলনীয় নাৰীসুলভ মুখত জোঙা নাক, চেপেটা বা বহল মুখৰ পৰিৱৰ্তে দীঘল মুখ আৰু ডাঙৰ চকুৰ পৰা এয়া উত্তৰ ভাৰতৰ আৰ্য্যসভ্যতাৰ লগতহে মিল থকা যেন অনুমান হয়। অৱশ্যে কিছুমান মূৰ্তি যেনে অসুৰ বা দ্বাৰপাল বা আন কিছুমান চিত্ৰৰ ক্ষেত্ৰত বহল মুখ, বহল আৰু চেপেটা নাক থকা মুখো দেখা পোৱা গৈছে। ২০০৫-০৬ চন মানত পাহাৰৰ ওপৰলৈ যাবলৈ বনোৱা খটখটিসমূহ গণনা কৰি পাইছিলোঁ মুঠ ১৮৪ টা চিৰি বগাব লাগে আৰু তাৰ পিছৰখিনিত মাটিৰ ওপৰেৰে খোজ কাঢ়ি যাব লাগিছিল। এই মন্দিৰৰ পাদদেশ উদ্ধাৰ হৈছিল যদিও তেতিয়ালৈকে সংৰক্ষণৰ হেতু গেলাৰি বা এইসমূহৰ ওপৰত কোনো চালি দিয়া হোৱা নাছিল। মাথোঁ য'ত চিৰিবোৰ শেষ হৈছে তাতেই প্ৰত্নতত্ত্ব বিভাগৰ এটা অসম আৰ্হিৰ ঘৰৰ ভিতৰত ৰাখিব লগা বহু শিলা ভাস্কৰ্য্য আৰু ফটো দেখা পাইছিলোঁ। ২০১৪-১৫ চন মানত নামনিৰ বিল্ডিংটো নিৰ্মাণ কৰা দেখা গৈছিল। সেইখিনি সময়তে মন্দিৰৰ পাদদেশৰ ওচৰতে ঘূৰণীয়াকৈ প্ৰায় আধামিটাৰমান উচ্চতাৰ এটা গোলাকাৰ কংক্ৰিটৰ বীথিকা (গেলাৰি) বনোৱা হৈছে আৰু তাত মূল্যৱান ভাস্কৰ্য্যসমূহ ৰখা হৈছে। মূল মন্দিৰৰ পাদদেশকে ধৰি বীথিকাৰ কাষলৈকে ওপৰত পানী নপৰিবলৈ এখন বৃহৎ কেনপী বা টিনৰ চালি দিয়া হৈছে।

আগতে বনোৱা ১৮৪ টা চিৰি শেষ হোৱাৰ পিছতো মন্দিৰৰ পাদদেশ পোৱালৈকে সেই অংশতো অতিৰিক্ত খটখটি বা ওপৰলৈ উঠি যোৱা পকী বাট আৰু তাৰ ওপৰত টাইল লগোৱা দেখা গৈছে। সেয়া হয়তো ৫০/৬০ মিটাৰ মান হ'ব পাৰে বীথিকা পোৱালৈকে। তদুপৰি ৩৯ নং ৰাষ্ট্ৰীয় ঘাইপথৰপৰা, এই চৌহদৰ লগতে লগাই (নুমলীগড়ৰ দিশত) পাহাৰৰ ওপৰলৈ গাড়ী যাব পৰা পকী পথ এটাও বনোৱা হৈছে। প্ৰত্নতত্ত্ব বিভাগৰ জাননী অনুসৰি "প্ৰাচীন কীৰ্তিচিহ্ন আৰু অভিলেখ আইন ১৯৫৯"ৰ অধীনত এই ঐতিহাসিক অঞ্চল ৰাজ্য চৰকাৰৰ প্ৰত্নতাত্ত্বিক স্থান হিচাপে ঘোষণা কৰা হৈছে।

দেওপাহাৰৰ ভগ্নাৱশেষৰ মাজত বৰ্তমানলৈকে শিৱলিংগটো আৱিষ্কাৰ হোৱা নাই। নিৰীক্ষণ কৰিলে বিগ্ৰহ স্থাপন কৰা ঠাইখন প্ৰকট হৈ থকা দেখা যায়। ভগ্নস্তূপৰ লগত এখন ৮/১০ ইঞ্চিৰ পৰা প্ৰায় এফুট মান ডাঠ আৰু প্ৰায় ৬ ফুট×৬ ফুট মানৰ শিলাখণ্ড পৰি থকা দেখা গৈছে। এই শিলচটা সেই শিৱলিংগৰ ওপৰৰ চন্দ্ৰতাপ।

বহুতে ক'ব খোজে যে ১৮৯৭ চনৰ ভূমিকম্পতে এই মন্দিৰ ভাগি পৰাৰ পাছত, নতুনকৈ বৰ্তমানৰ বাবাথান খনত শিৱমন্দিৰ সজা হয়। এনে এটা জনশ্ৰুতি আজিও আছে যে কমাৰগাঁৱৰ কন্দলী নামৰ জনৈক লোকে দেওপাহাৰৰ শিৱলিংগটো বৰ্তমানৰ শিৱমন্দিৰটোৰ (তেতিয়া এই নতুন শিৱমন্দিৰটো নাছিল) কাষতে কোনোবা ঠাইত থকা বুলি সপোনত দেখিছিল আৰু পাছত সেইটো বৰ্তমানৰ বাবাথানত স্থাপন কৰে। আনফালে এইটোও কোৱা হৈছে যে বৰ্তমানৰ বাবাথানখন ১৭৩১ শকত অৰ্থাৎ ১৭৯৯ খৃষ্টাব্দৰ ফাগুন মাহৰ কৃষ্ণা চতুৰ্দশী তিথিত বচাপথাৰ গাঁৱৰ নাৰায়ণ কন্দলীয়ে স্থাপন কৰে। অৰ্থাৎ হয়তো এই কন্দলীজন একেজন ব্যক্তিয়েই। কিন্তু সপোনত দেখি দেওপাহাৰৰ ভগ্ন শিৱমন্দিৰৰ শিৱলিংগটোৱেই যে বিচাৰি পাই আনি নতুন বাবাথানত স্থাপন কৰিছে, সেয়া মাথোঁ বিশ্বাস আৰু জনশ্ৰুতি। বাবাথানত দেওপাহাৰৰ পৰা অনা এটা নে দুটা উৰন্ত অপ্সৰাৰ সৈতে দুই এটা অন্য মূৰ্তিও ৰখা হৈছে। কিন্তু সেইবোৰ স্থানান্তৰ কেতিয়া আৰু কোনে কৰিছে তাৰ কোনো তথ্য পোৱা হোৱা নাই।

ওপৰৰ আলোচনা, তথ্য আৰু জনশ্ৰুতি সমূহৰপৰা এটা কথা প্ৰকট হৈছে যে দেওপাহাৰৰ শিলা ভাস্কৰ্য্য অতি উন্নত মানৰ হ'লেও সি শিৱ মন্দিৰ আছিল নে নাই সেয়া থিৰাং কৈ ক'ব নোৱাৰি। মন্দিৰটো ১৮৯৭ চনৰ ভূমিকম্পত ভাগি পৰা বুলি এচামে মন্তব্য কৰে যদিও তাত সন্দেহৰ থল আছে। নুমলীগড় বাগান ১৮৫৯ চনত থমাচ গাৰ্ডেয়েই স্থাপন কৰিছিল আৰু তেখেতেই প্ৰথমে এই ভাস্কৰ্য্যৰ ভগ্নস্তূপ দেখিছিল। তেনেহ'লে সেই মন্দিৰ ১৮৯৭ চনৰ বহু আগতেই ভগাৰ সম্ভাৱনা বেছি। নাৰায়ণ কন্দলীয়েও যদি ১৭৯৯ চনত

সপোনত দেখা দৰেই দেওপাহাৰৰ শিৱ মন্দিৰৰ শিৱলিংগটোকেই নতুন বাবাথানত স্থাপন কৰিছিল তেন্তে ১৮৯৭ চনৰ ভূমিকম্পৰ আগতে সি সম্ভৱ কেনেকৈ হ'ল? অৰ্থাৎ ১৮৯৭ চনৰ ভূমিকম্পত এই মন্দিৰটো ভগাৰ কথাটো নাকচ কৰিব পাৰি। লগতে ১৭৯৯ চনত নাৰায়ণ কন্দলীয়ে যদি নতুন বাবাথানত সঁচাকৈ ভগ্নাৱশেষৰ পৰা শিৱলিংগটো আনি স্থাপন কৰিছিল, তেন্তে এই শিৱলিংগটো বহু বছৰৰ আগৰ হ'ব। অৰ্থাৎ দেওপাহাৰত বিচাৰি নোপোৱা শিৱলিংগটো নৱম দশম শতিকা মানৰ আৰু বাবাথানৰ শিৱলিংগটোও যদি নৱম দশম শতিকাৰে হয় তেনেহ'লে বাবাথানত স্থাপন হোৱা শিৱলিংগটো দেওপাহাৰৰ হোৱাটো অসম্ভৱ নহয়।

বৰ্তমানে দেওপাহাৰৰ দক্ষিণ ফালে নুমলীগড় চাহ বাগিচা আৰু ধনসাগৰ চাহ বাগিচাৰ মাজৰ আৰ্লংপীৰা নামৰ ঠাইত শিলৰ কিছু ভাস্কৰ্য্য দেখা গৈছে। ওচৰৰ কাৰ্বি লোকসকলে এই আৰ্লংপীৰাৰ পৰা শিলত কটা মূৰ্তি দেওপাহাৰলৈ নিয়া বুলি ক'ব খোজে। কাৰ্বি ভাষাত আৰ্লংপীৰা মানে শিলৰ পাহাৰ। ৰাংছালি নৈৰ কাষৰীয়া ৰাংছালি অঞ্চলৰ পাঠান কোৱাৰি নামৰ শিলৰ কোৱাৰিটোতো বগা শিল পোৱা গৈছে। পিছে এই কোৱাৰিটো বৰ্তমানে বন্ধ হৈ আছে। যদি বগা শিল আৰ্লংপীৰাত পোৱা গৈছে, তেনেহ'লে বগাশিলৰে নিৰ্মিত উৰন্ত অপ্সৰাসমূহ নিৰ্মাণ কৰা শিল আৰ্লংপীৰাৰেই হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

দেখা গ'ল যে দেওপাহাৰৰ ভাস্কৰ্য্যৰ ইতিহাসৰ পম খেদি বহু সম্ভাৱনাই আহি পৰিছে। মুঠতে ক'ব পাৰি যে, এই ভাস্কৰ্য্যৰ প্ৰকৃত ইতিহাস উলিয়াবলৈ এই শৈল ভাস্কৰ্য্যৰ ওপৰত আৰু বহু গৱেষণাৰ দৰকাৰ। আশা কৰোঁ প্ৰত্নতত্ত্ব বিভাগে যথোচিত গুৰুত্ব সহকাৰে গৱেষণাৰ দ্বাৰা প্ৰকৃত ইতিহাস আৰু ৰহস্য উদঘাটন কৰিব।

**বনাঞ্চল দেওপাহাৰ ঃ**

দেওপাহাৰটোৰ লগতে সংলগ্ন হৈ আছে এক বনাঞ্চল। পৰিৱেশকৰ্মী তথা সাংবাদিক গোলাঘাটৰ অপূৰ্ববল্লভ গোস্বামীয়ে এই বনাঞ্চল সংৰক্ষণৰ বাবে '৯০ৰ দশকতে মেনকা গান্ধীলৈ পত্ৰ প্ৰেৰণ কৰিছিল। লগতে নুমলীগড় অঞ্চলৰ মহেন শইকীয়া, সঞ্জীৱ শৰ্মা, প্ৰদীপ বৰা প্ৰমুখ্যে বহুকেইজন সাংবাদিকৰ বিভিন্ন কাকতত লিখা-মেলাকে ধৰি আবেদন কৰা আৰু ৰাইজৰ দাবীৰ ফলশ্ৰুতিতেই ১৯৯৯ চনৰ ১৯ আগষ্টত এই বনাঞ্চলখনক সংৰক্ষণৰ হেতু চৰকাৰে, "প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল" হিচাপে ঘোষণা কৰে। ইয়াত মুঠ ১৩৩.৪৫ হেক্টৰ ভূমিৰে বনাঞ্চল ঘোষণা কৰিলেও ইয়াৰ বহু অংশ বেদখলৰ কবলত পৰিছে। ২০০৬ চনৰ ৬ মাৰ্চত লোকসভাত উত্থাপিত এক প্ৰশ্নৰ উত্তৰত ৬.৮৭ হেক্টৰ মাটি বেদখল কৰাৰ কথা জনা গৈছিল।

**দেওপাহাৰৰ উদ্ভিদ আৰু জীৱ-জন্তু ঃ**

দেওপাহাৰ বনাঞ্চল বহু মূল্যৱান আৰু আপুৰুগীয়া গছলতা, তৰু-তৃণৰে ভৰা। লগতে এই বনাঞ্চল বহু জীৱ-জন্তু, কীট-পতংগ, সৰীসৃপৰ বিচৰণস্থলী আৰু আবাসস্থান। মূল্যৱান আৰু আপুৰুগীয়া গছ-গছনিৰ ভিতৰত চাম, গন্ধকৰৈ, সৰ্পগন্ধা, মেজাংকৰি, পনিয়ল, ঔটেঙা, ভেলেউ, বৰ্হমথুৰি, চতিয়না, হাতী ঢেঁকীয়া, সুমথিৰা, বনৰীয়া কল, বহু প্ৰজাতিৰ বাঁহ, কামিনী, কাঞ্চন, শিৰীষ ইত্যাদি।

এই দেওপাহাৰ বনাঞ্চল হস্তী বিচৰণৰ অন্যতম কেন্দ্ৰ। নুমলীগড় আৰু হাতী যেন একেটা মুদ্ৰাৰ ইপিঠি সিপিঠি। নুমলীগড়ৰ নাম খবৰত ওলোৱা মানেই যেন বন্যহস্তীৰ খবৰ। বছৰৰ বাৰ মাহতেই এই বনাঞ্চললৈ হাতীৰ জাক অহা-যোৱা কৰে। ১৯৯৭ চনত নুমলীগড় শোধনাগাৰত যোগদান কৰা দিনৰেপৰা এই ৩৯ নং ঘাইপথেৰে দেওপাহাৰৰ আগেৰে অহা যোৱা কৰোঁতে কিমান বাৰ যে ৰাস্তাত হস্তীৰ জাক দেখি গাড়ী ৰাখিবলগীয়া হৈছিল তাৰ গণনা কৰি ৰখা নাই। শোধনাগাৰৰ ভিতৰত, শোধনাগাৰৰ আবাসিক অঞ্চলত দেওপাহাৰৰ হাতী কিমান বাৰ যে সোমাইছে তাৰো হিচাপ ৰখা নাই। বৰ্তমানৰ উপনগৰী আৰু দেওপাহাৰৰ মাজত দিয়া ওখ দেৱালৰ বিপৰীতে তেতিয়া ইলেকট্ৰিক কাৰেণ্ট পঠোৱা তাঁৰেৰে নিৰ্মিত সীমা আছিল। কিন্তু হাতীয়েও বুদ্ধিমত্তাৰ পৰিচয় দি, গছৰ ডাল পেলাই সেই বেৰা ভাঙি সোমাই আহিছিল। পিছত এই ইলেকট্ৰিক তাঁৰযুক্ত বেৰাৰ পৰিৱৰ্তে যেতিয়া কংক্ৰিটৰ দেৱাল বনোৱা হ'ল, সৰু জীৱ-জন্তুৰ কিছুমানে হয়তো পাৰহৈ অহাত বাধা পালে। কিন্তু নাহৰফুটুকীয়ে জঁপিয়াই পাৰহৈ আহে আৰু বগাই পাৰ হ'ব পৰা জন্তুৱে বগাই পাৰ হয়। চৰাইক বাধা দিয়াৰ কথাই নাহে। দেওপাহাৰৰ প্ৰায়বোৰ জীৱ জন্তু, চৰাই-চিৰিকতি উপনগৰীতো দেখা যায় বা আছে। শক্তিমন্ত হাতীয়ে এই

দেৱাল ভাগি বহুবাৰ উপনগৰীত প্ৰৱেশ কৰি, খাৰৈ বোৰত থকা সংৰক্ষিত কলগছবোৰ বা অন্য গছনি বা তৃণ খাই, দেৱাল ভগা বাটেৰেই পুনৰ গুচি যায়। কিন্তু কাকো কেতিয়াও আক্ৰমণ বা অন্যায় কৰা, গাড়ী ভঙা আদি কৰা দেখা নাই। হাতী, নাহৰফুটুকীৰ বাহিৰেও শিং থকা হৰিণা, সুগৰি পহু কেইবাটাও প্ৰজাতিৰ বান্দৰ, লাজুকী বান্দৰ (Slow Lorris), জহামাল (Great Indian Civet), লতা মাকৰী বাঘ, গুঁই, নেউল, ডাঙৰ কেৰ্কেটুৱা, হুদু, কেঁকোসাপ (Gecko), ফেঁটীসাপ, গোৱালা সাপ (Greate), মচোৰা গোম, অজগৰ ইত্যাদি দেওপাহাৰ বনাঞ্চলৰ জীৱ-জন্তু।

**দেওপাহাৰৰ চৰাই-চিৰিকতি ঃ**

অসমৰ বেছিভাগ ঠাইতেই অনেক বিধ সাধাৰণ চৰাই দেখা পোৱা যায়, যেনে পাতি কাউৰী, পাতি কপৌ, শালিকা, বুলবুলি, কেইবাটাও প্ৰজাতিৰ বগলী, ঘনচিৰিকা, টুনি চৰাই; পাতসিয়া চৰাই, দহিকতৰা, ফেঁচা, নীলকণ্ঠ হেটুলুকা (Blue throated barbet), সৰু হেটুলুকা (Coppersmith barbet), মাছৰোকা (Kingfisher), ৰঙা মৌপিয়া চৰাই (Crimson sun bird), কাঠৰোকা (Wood pecker), কুলি, কেতেকী ইত্যাদি।


এইবোৰ চৰাই দেওপাহাৰ বনাঞ্চলতো দেখিবলৈ পোৱা যায়। কিন্তু এইবোৰৰ উপৰিও কিছুমান সকলোতে নোপোৱা বিনন্দীয়া বা আপুৰুগীয়া চৰাইও ইয়াত দেখা পোৱা যায়। ঢাপলিকা বা সাতভনী (Juggle babbler), সখিয়তী (Oriole), ৰূপহী চৰাই (Scarlet Minivet), বগা বুকুৰা টুনী (Rumped Munia), এৰাখাঁতী (long tailed shrike), নীলকপৌ বা শিলকপৌ (Emerald dove), ডাউক (White breasted water hen), বনকুকুৰা (Red jungle fowl), চিলনী (Kite), হাইঠা (green pigeon), বৰকুকুহা (Greater Coucal), কাও চৰাই বা নীলকণ্ঠ (Indian Rolloer), নাচনী চৰাই (White throated fantail), ফেচুলুকা বা টিকনী বুলবুলি (Red whiskered bulbul), সেউজীয়া মৌখোৱা (Bee eater), ভীমৰাজ (Racket tailed drongo), সেউজীয়া কোকলোঙা (Common green magpie), কোকলোঙা বা চেকচেকী (Rufous treepie), দলপিট্টা (dolpitta), কাঠশালিকা (Chestnut tailed starling), বনচিৰিকা বা গছচিৰিকা (Tree sparrow), ইত্যাদি বহুজাতৰ চৰাই এই অঞ্চলত বিৰাজমান। যিহেতু বনাঞ্চল, ইয়াত আৰু কাষৰীয়া গাঁৱতো পাতি কাউৰীৰ ঠাইত ঢোৰা কাউৰী দেখা যায়। ঠিক তেনেকৈ ঘনচিৰিকাৰ ঠাইত অধিক বনচিৰিকা বা গছচিৰিকাহে দেখা যায়। সাধাৰণ নীলা মাছৰোকা আৰু বগা বুকুৰা মাছৰোকাৰ উপৰি এই অঞ্চলত পখৰা মাছৰোকাও (pied Kingfisher) দেখা যায়। এসময়ত এই বনাঞ্চলত ম'ৰা চৰাইও থকাৰ উমান পোৱা গৈছিল।

এই দেওপাহাৰৰ সন্মুখৰ ৩৯ নং ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে প্ৰত্নতাত্বিক চৌহদৰ কাষতে দুজোপা বহু পুৰণি ভেলেউ গছ আছে। ১৯৭০-৮০ চন মানৰে পৰা এই দুয়োজোপা গছৰে আধাতকৈও অধিক ডালত প্ৰায় ১৫০/২০০ মান বৰ মৌৰ জাকে গছজোপাৰ বহু অংশ ঢাকি ৰাখিছিল। সেয়েহে এই গছ দুজোপাক World Heritage Tree বুলি স্বীকৃতি দিছিল আৰু তাৰ তলতে এখন ফলকো লগোৱা হৈছিল। গছ দুজোপা এতিয়াও আছে। ২০১০ চন মানত এই গছ দুজোপাত মৌৰ বাহ কমি যোৱাত ইয়াৰে স্থানীয় লোক চিন্তিত হৈছিল এইবাবেই যে কাষতে থকা নুমলীগড় শোধনাগাৰৰ প্ৰদূষণৰ বাবে এইটো হ'ব পাৰে। কিন্তু দেখা গৈছিল যে সেই দুবছৰমান এই বৰমৌৰ জাকবোৰে শোধনাগাৰৰ বৃহৎ প্ৰশাসনিক ভৱনৰ বাহিৰত থিতাপি লৈছিল। পিছত মৌৰ জাকবোৰে পুনৰ ভেলেউ গছ দুজোপালৈ অহা আৰম্ভ কৰিছিল।


দ্বাৰপাল

নুমলীগড় শোধনাগাৰ, দেওপাহাৰ বনাঞ্চল, প্ৰত্নতাত্বিক শিলা ভাস্কৰ্য্যৰ মন্দিৰৰ ভগ্নাৱশেষ, বাবাথান, বাবাথানৰ কাষৰে ২ নং নপথাৰ আদৰ্শগাঁও, লবনঘাটৰ কাষতে থকা কাৰ্বি আংলঙৰ পৰ্য্যটক অতিথিশালা, ৰবৰ আৰু কফি বাগানবোৰ, ভিতৰ কলিয়নীৰ বুদ্ধমন্দিৰ, চাহবাগান সমূহকো সাঙুৰি এক বৃহৎ পৰ্য্যটন উদ্যোগৰ সম্ভাৱনা আছে। চৰকাৰে বা অন্য স্থানীয় লোকে এইসমূহক লৈ কি দৰে আগবাঢ়িব খোজে তাৰেই ওপৰত নিৰ্ভৰ কৰিব এই অঞ্চলৰ উন্নয়নৰ ভৱিষ্যত।

●




প্ৰথম প্ৰকাশ
প্ৰকাশ কাল ঃ নৱেম্বৰ, ২০১৭
প্ৰকাশক ঃ নৰ্থ-ইষ্ট ফাউণ্ডেশ্যন
প্ৰচ্ছদ ঃ বীৰেণ সিংহ
অংগসজ্জা ঃ নীলকান্ত নাথ

# ড° ধ্ৰুৱজ্যোতি বৰাৰ উপন্যাস “আজাৰ” আৰু অতিমাৰী কৰ'না

**মদন চন্দ্ৰ ডেকা**

“আজাৰ” ড° ধ্ৰুৱজ্যোতি বৰাৰ এক মহাকাব্যিক উপন্যাস। ঘটনা উপ-ঘটনা, কাহিনী উপ-কাহিনীৰ থুনুপাক এই “আজাৰ”। মহাকাব্যৰ দৰেই অলেখ কাহিনীৰ কথকতা, ইতিহাস আশ্ৰিত বা কল্পনাপ্ৰসূত অসংখ্য ঘটনাৰ বিৱৰণী, অগণন চৰিত্ৰৰ জীৱনৰ গাথাৰে “আজাৰ”ৰ গৰ্ভ সংপৃক্ত। কাহিনী কথনৰ অপূৰ্ব চাতুৰ্য্যেৰে সুদক্ষ কথাসাহিত্যিক ড° ধ্ৰুৱজ্যোতি বৰাই পাঠকক মন্ত্ৰমুগ্ধ কৰি আগবঢ়াই লৈ গৈছে গৃহযুদ্ধ, বিদেশী শত্ৰুৰে যুদ্ধ আৰু বিশ্বাস-অন্ধবিশ্বাসৰ বোকাত লুতুৰি পুতুৰি আজাৰৰ মাৰণৰ পৰা মুক্তি পোৱা এখন দেশৰ এজাক মানুহৰ কাহিনীৰ সমাপ্তিৰ দিশলৈ য'ত পুনৰ আৰম্ভ হৈছে আন এটি কাহিনী। হয়, ধ্ৰুৱজ্যোতি বৰাৰ “আজাৰ” য'ত শেষ হৈছে, তাতেই আৰম্ভ হৈছে স্বাধীনতাৰ প্ৰত্যুষ-- য'ত নিহিত আছে স্বাধীন ৰাষ্ট্ৰ এখনৰ স্বতন্ত্ৰবীয়া শাসন ব্যৱস্থাৰ অযুত সম্ভাৱনা। সেই স্বাধীনতা যাক লাভ কৰাৰ পথত সহস্ৰজনৰ বুকুৰ তেজেৰে মাতৃভূমিৰ পথাৰ-ৰাজপথ ৰাঙলী হ'ল, সাম্প্ৰদায়িক সংঘৰ্ষৰ ভয়াবহতাই পংকিল ইতিহাস ৰচনা কৰিলে, বিষাদ চেতনাৰ মেটমৰা ভাৰ বৈ দেশবাসীয়ে স্বীকাৰ কৰি ল'বলগীয়া হ'ল দেশ বিভাজনৰ দৰে অনাকাংক্ষিত সংঘটন।

“আজাৰ”ত মহাকাব্যিক বৈশিষ্ট্যৰ হাত ধৰি ইতিহাসে বাট বুলিছে। আগুৱাইছে

সমাজ, অৰ্থনীতি, ধৰ্মীয় চেতনা। লগতে আছে প্ৰকৃতিৰ নৈসৰ্গ, অত্যাচাৰিত, নিৰ্য্যাতিত মানুহৰ সন্ত্ৰস্ত আহ-যাহ, হাঁহি-কান্দোনেৰে ভৰা সাধাৰণ মানুহৰ জীৱন, মহানগৰী কলিকতাৰ যান্ত্ৰিকতাৰ প্ৰাঞ্জল বৰ্ণনা তথা স্বাধীনতা সংগ্ৰামৰ কাহিনী। কিন্তু সকলোৰে ঊৰ্ধত কাল-চৈতন্যৰ বোৱতী সোঁত। ঘটনাস্ৰোত বৰ্ণাবলৈ যাওঁতে ঔপন্যাসিকে মান্য অসমীয়া ভাষা ব্যৱহাৰ কৰাৰ লগতে সাধাৰণ মানুহৰ কথিত ভাষা সণ্চালনিভাৱে ব্যৱহাৰ কৰিছে। সন্ত সমাজত অশ্ৰাব্য যেন বোধ হোৱা কিন্তু গাঁৱলীয়া সমাজত সাধাৰণতেই অনবৰত ব্যৱহাৰ হোৱা বহু অমাৰ্জিত শব্দেৰে “আজাৰ”ৰ পৃষ্ঠা ভৰি আছে। যৌনতাৰ কথা, পুৰুষৰ প্ৰজনন অংগ তথা নাৰীৰ দেহবল্লৰীৰ কথাও ড° বৰাই মুকলিকৈ আলোচনা কৰিছে।

মূল উপন্যাসখন ৬৬৬ পৃষ্ঠাৰ, পিছফালে ঔপন্যাসিকৰ ১৪ পৃষ্ঠাৰ সাক্ষাৎকাৰ এটা ছপা কৰা হৈছে। “আজাৰ” তিনিটা খণ্ডত বিভক্ত– প্ৰথম, দ্বিতীয় আৰু তৃতীয়। প্ৰথম আৰু দ্বিতীয় খণ্ডৰ প্ৰতিটো উপ-খণ্ডৰে নামকৰণ কৰা হৈছে– যেনে, ‘১ বিহিয়া কুঁৱলীৰ ধোঁৱা’; ‘২৫এফালে দ খাৰৈ– আনফালে ফেটিগোম’ ইত্যাদি। কিন্তু তৃতীয় খণ্ডটোত কোনো উপ-খণ্ড স্পষ্ট ৰূপত নাই, প্ৰতিটো ঘটনাৰ শেষত যতি বুজাবলৈ ‘~’ এইটো চিহ্ন তিনিবাৰকৈ দিয়া হৈছে। ভাব হয়, প্ৰথম দুটা খণ্ডৰ মেটমৰা বোজা কঢ়িয়াই উপন্যাসৰ গতিচক্ৰৰ যেন ভাগৰ লাগিল, কাহিনী কথনৰ শেষত জিৰাবলৈ বুলি অলপ খৰখেদা কৰিলে– ঠিক ৰাজকোঁৱৰ-ৰাজকুঁৱৰীৰ সাধুকথা কৈ থকা আইতাৰ টোপনি ধৰাত সাধু শেষ কৰিবলৈ খৰখেদা কৰি বিয়াৰ ব্যৱস্থাপনাৰ বাহুল্য বৰ্ণনা নকৰি থুপাই বিয়াখন পাতি থোৱাৰ নিচিনাকৈ।

“আজাৰ”ৰ কাহিনী আৰম্ভ হৈছে আহোম ৰাজত্বৰ সময়ৰ কথাৰে। ১৭৬৫ খৃষ্টাব্দত আহোম স্বৰ্গদেউৰ বিৰুদ্ধে আৰম্ভ কৰা মোৱামৰীয়াসকলৰ বিদ্ৰোহ আচৰণৰ বৰ্ণনা আৰু সেই বিদ্ৰোহ দমন; মোৱামৰীয়া সকলৰ পুনৰ বিদ্ৰোহ আৰু সেই বিদ্ৰোহ দমন কৰিবলৈ আহোম ৰজাৰ ইংৰাজৰ সহায় ভিক্ষা; তিনিবাৰকৈ মানৰ অসম আক্ৰমণ– অসমত মানৰ অত্যাচাৰ-নিৰ্য্যাতন, মানক ৰুধিবলৈ ইংৰাজৰ আগমন, ইংৰাজ আৰু মানৰ মাজৰ ইয়াণ্ডাবু সন্ধি; পুৰন্দৰ সিংহক লালবন্দিৰ বিনিময়ত ৰাজত্ব প্ৰদান, ইংৰাজ শাসনৰ পট্টন; ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতৰ স্বাধীনতা লাভৰ ৰাতিপুৱাৰ বৰ্ণনাৰে কাহিনীকথন শেষ হৈছে। উপন্যাসৰ বিশেষকৈ দ্বিতীয় খণ্ড আৰু লগতে তৃতীয় খণ্ডত বৰ্ণিত তথা আলোচিত হৈছে উপন্যাসখনৰ মূল উপজীব্য– “আজাৰ”।

“আজাৰ”ৰ কাহিনী যদিও সম্প্ৰতিকালত আৰম্ভ হৈছে, বাৰে বাৰে ই পাঠকক লৈ গৈছে অতীতলৈ– চাৰি পুৰুষৰ আগলৈ। ঔপন্যাসিকৰ এই কৌশল শেষলৈকে আছে যদিও প্ৰথম খণ্ডত এই কৌশলে পাঠকক দিক্‌ভ্ৰষ্ট কৰাব পাৰে। এই যদি মায়ামৰা সমাজৰ কথা ক'বলৈ গৈ ঘিণাই পুৰুষৰ আশ্চৰ্য্যকৰ বীৰোচিত কাৰ্য্যাৱলীৰ বৰ্ণনা কৰিছে, তৎমুহূৰ্তেই ঘিণাইৰ আজোনাতি জয়হৰিৰ অখণ্ড প্ৰতাপৰ ওচৰলৈ পাঠকক ওভতাই আনিছে। কেতিয়াবা আকৌ মানৰ অত্যাচাৰ, মান-ভগনৰ বৰ্ণনাৰ মাজতে উভতি আহিছে জয়হৰিৰ সংসাৰ যাত্ৰালৈ। অগা-ডেৱা কৰি কাহিনীয়ে দ্বিতীয় খণ্ডত সোমাই কিন্তু নিৰ্দিষ্ট গতি লাভ কৰিছে। মহাকাব্যৰ কাহিনীৰ দৰে মসৃণ, সাৱলীল গতি এইখন উপন্যাসত পাবলৈ নাই। এটা নিতোল কাহিনীও পাঠকে পঢ়িবলৈ নাপায়। প্ৰায় দুশ বছৰ(১৭৬৫-১৯৪৭)ৰ ইতিহাস উপন্যাসখনত উপস্থাপন কৰা হৈছে যদিও ইতিহাসৰ চিত্ৰসমূহ খণ্ডিত ৰূপতহে আছে, ধাৰাবাহিকভাৱে নাই। কিন্তু তথাপি ই ইতিহাস আশ্ৰিত। অসমৰ ইতিহাসৰ এছোৱা উল্লেখযোগ্য সময়ক ধৰি ৰখাৰ উপৰিও ই বিচৰণ কৰিছে মহামাৰী আজাৰ(ক'লাজ্বৰ)ৰ উৎস তথা নিৰাময়ৰ জগতখনত– সেয়াও ইতিহাস। “আজাৰ”ত আমাৰ ৰাজ্যখনৰ লগতে বংগদেশৰ ভিতৰলৈ, প্ৰধানকৈ কলিকতা চহৰলৈ পাঠকক লৈ যোৱা হৈছে। দুখনকৈ বিশ্বযুদ্ধৰ সময়ত পাৰ হোৱা দেশখনৰ লগতে পৃথিৱীখনৰো ঘটনাক্ৰমৰ লগত জড়িত সময়ছোৱাৰ উল্লেখ “আজাৰ”ত আছে। কিন্তু সমগ্ৰ কাহিনী গঢ় লৈ উঠিছে ধনশিৰি নৈৰ পাৰত– মালিকৰ ধনশিৰি নৈ।

“আজাৰ”ৰ আজাৰ অৰ্থাৎ ক'লাজ্বৰৰ সৰ্বনশীয়া প্ৰভাৱৰ কথা উপন্যাসখনিৰ পাতত পোৱা ধৰণে আলোচনা কৰাৰ আগতে মূল কাহিনীৰ অলপ আভাস দিয়া হওক। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত পৰিয়ালৰ আন সকলোকে

হেৰুৱাই কেৱল বাচি থকা পুতেকক লৈ কাহিনীত বৰ্ণিত বংশৰ পূৰ্বপুৰুষ ৰামকানায়ে তেতিয়াৰ ধনশিৰিৰ উজনিৰ গেজেপনি মৰা হাবিত সোমাই প্ৰাণ ৰক্ষা কৰিলেগৈ। বংশৰ সেই বাচি থকা ল'ৰাজনেই পৰৱৰ্তী সময়ৰ কিম্বদন্তী স্বৰূপ ঘিণাই পুৰুষ। প্ৰথমতে মোৱামৰীয়াৰ সৈতে যুদ্ধত বিধস্ত এলেকাত আৰু পৰৱৰ্তী সময়ত দুৰ্বল আহোম ৰজাৰ ৰাজত্বত, মান আক্ৰমণৰ সময়ত নিজৰ গা বচাই ঘিণাই পুৰুষে ডকাইতি কৰি ধন-সম্পত্তি উপাৰ্জন কৰে। লগত অস্ত্ৰধাৰী দল এটি। খুব সন্তৰ্পণে কিন্তু অতি সুচতুৰভাৱে এই দলটিয়ে ডকাইতি কৰে। গোলাঘাটৰ মৰঙী অঞ্চলত আৰু ধনশিৰি নৈৰ উজনি অঞ্চলত পাছলৈ ঘিণায়ে বহুতো গাঁও পাতি তেওঁৰ লগৰীয়া মানুহবিলাকক থাপে। কিন্তু ঘিণাইৰ এই গাঁও পাতি বাস কৰা অৱস্থা পাবলৈ মোৱামৰীয়াৰ দ্বিতীয় বিদ্ৰোহ, হনাৰ বাবে আহোম ৰাজত্বৰ প্ৰতি বীতশ্ৰদ্ধ হৈ তেওঁলোকে ৰজাৰ বিৰুদ্ধে অস্ত্ৰ তুলি লয়। কিন্তু ৰজাৰ সুগঠিত সৈন্যবাহিনীৰ বিৰুদ্ধে তেওঁলোকে তিষ্ঠিব নোৱাৰিলে। বিদ্ৰোহ কঠোৰ হাতেৰে দমন কৰি দ্ৰোহীয়াৰ পৰিয়ালে-পৰিজনে হত্যা কৰিবলৈ আহোম ৰজা উঠি-পৰি লাগিল। সেই প্ৰথম বিদ্ৰোহৰ সময়তে ঘিণাইৰ পৰিয়াল উছন্ন যায়। কিন্তু ৰজাঘৰীয়া অত্যাচাৰে সীমা ছেৰোৱাত হাবিয়ে-জংগলে লুকাই প্ৰাণ বচোৱা মোৱামৰীয়াসকলে এইবাৰ অধিক সংঘবদ্ধ ৰূপত আহোম ৰজাৰ সৈন্যবাহিনীক আক্ৰমণ কৰে। আৰম্ভ হয় ভায়ে ভায়ে কটা-মৰা, একেখিনি প্ৰজাৰ মাজতে যুদ্ধ।

মোৱামৰীয়া বিদ্ৰোহৰ মাজতে গা বচাই লগৰীয়াসকলৰ সৈতে ঘিণাই ডকাইতে বল, সম্পত্তি বৃদ্ধি কৰা কাৰ্য্যত লাগি

**... তাইৰ শৰীৰতো লাহে লাহে উত্তেজনা বিয়পি পৰিবলৈ আৰম্ভ কৰে, পেটৰ ভিতৰত, শৰীৰৰ ভিতৰৰ বিভিন্ন ঠাইত ক্ৰমে আঁট খাই অহা একোটা গাঁঠিৰ দৰে ই জমা হ'বলৈ আৰম্ভ কৰে। তাইৰ চকুহাল মুদ খাই আহে, পতা দুখন জোৰত বন্ধ হৈ যায় ...**

তিনিবাৰকৈ মানৰ অসম আক্ৰমণৰ কঠিন সময়ৰ মাজেৰে পাৰ হ'বলগীয়া হৈছিল। পাছলৈ ঘিণায়ে স্বাধীনতা সেনানী পিয়লি বৰুৱা, মণিৰাম দেৱান আদিৰ সৈতে ইংৰাজ শাসনৰ বিৰুদ্ধে ভিতৰুৱাকৈ স্বাধীনতা ৰণত যোগ দিয়ে।

এই ঘিণাইনো কিয় কিম্বদন্তী পুৰুষ? কি আছিল ঘিণাইৰ চেহেৰাত? ঔপন্যাসিকে কৈছে —

"... অসুৰ বুইছনে, ঘিণাই ডকাইত সঁচাকৈয়ে এটা অসুৰ আছিল। তাৰ চকুলৈ কোনেও চাব নোৱাৰিছিল বোলে। চকুহাল আছিল বোলে আন্ধাৰত ডগ্‌মগাই থকা পকা অঙঠাৰ দৰে- এই জ্বলে এই নুমায়, এই জ্বলে এই নুমায়।..."

— পৃষ্ঠা ৪৫

এই ঘিণাই ডকাইতে দাৰ একেটা ঘাপত প্ৰথমা ঘৈণীয়েকৰ মূৰ শৰীৰৰপৰা বিচ্ছিন্ন কৰিছিল। নৰহত্যা যদিও ঘিণাই বা তেওঁৰ দলৰ উদ্দেশ্য নাছিল, তথাপি ঘটনাচক্ৰত পৰি ঘিণায়ে নৰহত্যা কৰিবলগীয়া হৈছিল।

অসম বুৰঞ্জীৰ ছাত্ৰ মাত্ৰকেই মোৱামৰীয়া বিদ্ৰোহৰ কথা জানে। মোৱামৰীয়াসকলৰ ধৰ্মীয় চেতনাত আঘাত থাকোঁতে দ্ৰোহীয়াহঁতৰ হিংসাত্মক কাৰ্য্য দেখিছে, দেখি শিয়ৰি উঠিছে—

"উস্ উস্, কি হৈছে এই দ্ৰোহীয়াহঁতৰ! নিজৰ মানুহৰ ঘৰ-দুৱাৰ এনেদৰে ভাঙি-জ্বলাই ভচ্‌ম তুলিব লাগেনে? এইটো ঠিক হৈছেনে?"

— পৃষ্ঠা ১৮১

ইতিমধ্যে ঘিণায়ে তেওঁৰ ভ্ৰাম্যমান দলটিক বিভিন্ন ঠাইত (ধনশিৰিৰ পাৰে পাৰে) অস্থায়ীভাৱে থাপিছে যদিও দলটি ভাঙি দিয়া নাই– প্ৰয়োজনত একগোট হৈ আকৌ নিজৰ কাৰ্য্যকলাপ চলাবলগীয়া হ'ব পাৰে বা বিপদত প্ৰয়োজন হ'ব পাৰে বুলি। কিন্তু তেনেতে আৰম্ভ হ'ল মানৰ আক্ৰমণ। পূৰ্ণানন্দ বুঢ়াগোহাঞি আৰু বদন বৰফুকনৰ মাজৰ ক্ষমতাৰ অৰিয়াঅৰি তথা আহোম স্বৰ্গদেউৰ দুৰ্বল স্থিতিৰ বাবে মান অসমলৈ আহিবলৈ পালে। অস্থায়ী ঘৰ এৰি ঘিণাই আকৌ ভ্ৰাম্যমান হ'ল। মানৰ অত্যাচাৰ প্ৰত্যক্ষ কৰিলে–

"তহঁতিতো বঙহে বঙহক, গিয়াতিয়ে গিয়াতিক মৰা

সেই দিনবোৰ দেখি পোৱা নাই, নিজৰ মানুহ বা বিদেশীয়ে আহি চকুৰ আগতে বাপেৰ-ভায়েৰক কটা দিন দেখা নাই; মাই, বাই-ভনীহঁতক চকুৰ আগতে ধৰ্ম নষ্ট কৰি দাঙি লৈ গুচি যোৱা পোৱা নাই নহয়; হেৰৌ, পাটকাই পাৰ কৰি গৰুপাল খেদোৱাদি দেশৰ মানুহক মানদেশত গোলাম বাবলৈ খেদি লৈ যোৱা দেখা নাই। তহঁতি দেখিছ জানো ভোকত মানুহে মানুহৰ মঙহ খাবলগীয়া হোৱা দিন?...''

—— পৃষ্ঠা ৪৬

এই উদ্ধৃতিটোৱে মানৰ অত্যাচাৰৰ এটা সম্পাদিত ৰূপহে চকুৰ সন্মুখত দাঙি ধৰিছে। আচলতে মানৰ অত্যাচাৰ ইয়াতকৈও ভয়াবহ আছিল। মানৰ ভয়ত গাঁও-ভূঁই এৰি মানুহে প্ৰাণৰ মমতাত পলাই ফুৰিছিল। পাহাৰে-কন্দৰে, হাবিয়ে-বননিয়ে আশ্ৰয় লৈছিল। আনহাতে তৃতীয়বাৰ আক্ৰমণৰ পাছত মানসকলে অসম এৰি নগৈ খোপনি পুতি ললে। তাৰে অৱশ্যম্ভাৱী পৰিণতি হ'ল ইংৰাজৰ সৈতে সংঘাত।

ইংৰাজে আহি মানসকলক খেদি ইয়াণ্ডাবু সন্ধিমতে অসম অধিকাৰ কৰাৰ পাছত ঘিণায়ে ধনশিৰিৰ পাৰত নিজৰ মানুহবিলাকক বিভিন্ন গাঁও পাতি স্থায়ীভাৱে বহুৱালে। নিজে মৰঙী অঞ্চলত সংসাৰ পাতি বহিল। দেশলৈ স্থিৰতা অহাত আৰু নিজৰো ধন-বিত অপৰ্য্যাপ্ত পৰিমাণে জমা থকাত ডকাইতি কৰিবলৈ বাদ দি সামাজিক কামত লাগিল। স্বাধীনতা সংগ্ৰামতো তেওঁ সহায় কৰিলে—

"... আমাৰ এই খণ্ডলৈ যোৰহাটৰ পৰা পিয়লি বৰুৱা আহিছিল। গোপনে আহিছিল। ... আৰু তেওঁক নাও-দুনিৰে গোপনে অনা-মেলা, ইফালে-সিফালে নিয়া, ইজন-সিজনৰ লগত লগ কৰোৱা এই কামবোৰ... মোৰ আজোককাই কৰিছিল...। ... ককা নিজেও এই কামত আছিল..."

—— পৃষ্ঠা ১১৯

ঘিণাই পুৰুষৰ আজোনাতি জয়হৰিৰ মুখত এইখিনি কথা দিয়া হৈছে। ঘিণাই পুৰুষে মণিৰাম দেৱানকো দেশৰ স্বাধীনতা সংগ্ৰামত সংগ দিছিল। মণিৰাম দেৱানেই ঘিণাই পুৰুষক 'বৰুৱা' উপাধি প্ৰদান কৰিছিল।

ঘিণাই পুৰুষৰ অব্যৱহিত পৰৱৰ্তী প্ৰজন্মক গুৰুত্ব প্ৰদান নকৰি ঔপন্যাসিকে সমুখলৈ উলিয়াই আনিছে তেওঁৰে চতুৰ্থ প্ৰজন্ম অৰ্থাৎ আজোনাতি জয়হৰিক। জয়হৰিও স্বভাৱে-চৰিত্ৰে, কাৰ্য্যকলাপেৰে ঘিণাই পুৰুষৰে প্ৰতিৰূপ। জয়হৰিৰ চাৰিত্ৰিক বৈশিষ্ট্য উপন্যাসখনৰ প্ৰথমটো উপ-খণ্ডতে ফুটি ওলাইছে—

"... তেওঁ লোটাৰ পানী বাকি শব্দ কৰি কুলকুলি কৰিবলৈ ধৰিলে। কুলকুলিয়াই, মুখৰ পানী পেলাই ডাঙৰ ডাঙৰকৈ শব্দ কৰি ডিঙি চাফা কৰি তেওঁ সৰুসুৰা কোৰ্হাল এখনৰেই সৃষ্টি কৰিলে। ...এইটো তেওঁৰ ঘৰৰ মানুহবোৰক টোপনিৰপৰা উঠাবৰ বাবে দিয়া দ্বিতীয় জাননী।..."

—— পৃষ্ঠা ১২

জয়হৰি আজোককাক ঘিণাই পুৰুষে এৰি যোৱা অতুল ঐশ্চৰ্য্যৰ লগতে বিস্তৰ ভূ-সম্পত্তিৰ গৰাকী হৈ পৰিছিল। গতিকে বচনে-আচৰণে তেওঁৰ প্ৰতিপত্তি প্ৰতি মুহূৰ্ততে ফুটি ওলাইছিল। নাৰীদেহৰ প্ৰতি লোভ আছিল তেওঁৰ প্ৰচণ্ড। আনহাতে স্থানীয় তথা চলিত কথাৰ ফুলজাৰি জয়হৰি(বুঢ়াদেউতা)ৰ মুখত আখৈ ফুটাদি ফুটিছিল—

"গু খোৱা গাহৰি ... তাৰ চকুকেইটালৈ চাচোন, কুকুৰে পুৱা চকুত পানীছাটিও মৰা নাই। লেতেৰা ভূত ক'ৰবাৰ। পুৱাই পুৱাই ইমান বেলিলৈ শুই থাক কিয়? নিশা কেনি গৈছিলি, জহৰা? ক'ৰ বজাৰী মাইকীৰ টিকা শুঙি ফুৰিছিলিগৈ?"

—— পৃষ্ঠা ১৬

সেই জয়হৰি পাছলৈ সমাজসেৱকলৈ ৰূপান্তৰিত হ'ল। কথাত, ব্যৱহাৰত গম্ভীৰ হ'ল। অৱশ্যে বৈষয়িক বিষয়ত তেওঁ আপোচ নকৰিলে। ব্যৱসায়-বাণিজ্য বঢ়াই নিলে। গোলাঘাট চহৰত ধানকল বহুৱাই চাহ বাগিচাকে ভিতৰ কৰি অন্যান্য ঠাইত চাউলৰ যোগান ধৰিলে। দুখনকৈ বিশ্বযুদ্ধই বিধ্বস্ত কৰা অঞ্চলটোৰ অৰ্থনীতি পুনৰ্নিৰ্মাণত উল্লেখযোগ্য অৱদান আগবঢ়ালে। চৰকাৰৰ পৰা গোলাঘাট মহকুমাৰ (বৰ্তমান জিলা) মৌজা এখনো নাতিয়েকৰ নামত কৰাই ল'লে। প্ৰায় ছয় দশকৰো অধিক কাল জুৰি গোলাঘাট অঞ্চলত তাণ্ডৱ চলোৱা ক'লাজ্বৰ মহামাৰীৰ সময়ত সমাজৰ মুৰব্বীৰ ভূমিকা পালন কৰি মহামাৰীৰ সৈতে যুঁজ দিয়াত ৰাইজক সহায় কৰিলে। সৰ্বোপৰি দেশৰ স্বাধীনতা সংগ্ৰামত অকুণ্ঠচিত্তে যোগদান কৰি পুতেকহঁতকো স্বাধীনতা সংগ্ৰামী হোৱাত উৎসাহ যোগালে। স্বাধীনতা দিৱসৰ স্বৰ্ণালী পুৱা ত্ৰিৰংগ পতাকা বুকুত সাবটি 'বুঢ়াদেউতা' জয়হৰি পুৰুষে

চকু মুদিলে।

কিন্তু অসুৰ ঘিণাই পুৰুষৰ যোগ্য উত্তৰাধিকাৰী অসুৰ জয়হৰিৰ মানৱলৈ উত্তৰণ কেৱল পৰিৱৰ্তিত সময় বা পৰিৱেশৰ বাবেই হোৱা নাছিল। জয়হৰিৰ 'মানুহ'লৈ পৰিৱৰ্তনত পৰোক্ষ ইন্ধন যোগাইছিল তেওঁৰেই ডাঙৰ বোৱাৰীয়েক যশোদাই। ঔপন্যাসিকে যশোদাক এটি শক্তিশালী নাৰী চৰিত্ৰৰ ৰূপত অংকন কৰিছে। শহুৰেকৰ কু-দৃষ্টিৰপৰা নিজক বচোৱাই নহয়, বিৰাট ঘৰখন একত্ৰ সূত্ৰে বান্ধি এক বৌদ্ধিক তথা সাত্ত্বিক বাতাৱৰণ সৃষ্টি কৰাত যশোদাৰ কৃতিত্ব অসীম। অথচ সেইজন শহুৰেকৰ লগত তাইৰ আৰম্ভণিৰ সম্পৰ্ক আছিল অতি সংগীন–

"... বুঢ়াদেউতাই তাইৰ ফালে একেথৰে চাই আছে। তেওঁৰ চাৱনিয়ে যেন তাইৰ ভিতৰলৈকে ভেদি গৈছে। যশোদাৰ এনে লাগিছিল যেন সেই দৃষ্টিয়ে তাইৰ শৰীৰৰ কাপোৰ-কানিবোৰ এখন এখনকৈ গুচাইহে তাইক চাইছে।"

—— পৃষ্ঠা ২১

জয়হৰি পুৰুষৰ বৰপুত্ৰ নীলকান্ত দেখাত নিশকতীয়া আছিল। পুতেকে যশোদাৰ শৰীৰৰ ক্ষুধা প্ৰশমন কৰিব পাৰিব নে নোৱাৰে সেই লৈ জয়হৰি শংকিত আছিল। সেয়ে হয়তো জয়হৰিয়ে যশোদাৰ প্ৰতি অন্য দৃষ্টি দিছিল। শহুৰেক(বুঢ়াদেউতা)ৰ সেই কামনা ভৰা দৃষ্টি প্ৰশংসাৰ দৃষ্টিলৈ পৰ্য্যবসিত হ'ল যশোদাৰ অনমনীয় ব্যক্তিত্বৰ প্ৰভাৱত–

"... আমাৰ বোৱাৰীৰ মুখৰপৰা কথাষাৰ ওলাল যেতিয়া আমি তাত চালি এখন সজাই দিম। ক'লাজ্বৰৰ বেমাৰীবোৰে অলৌতলৌকৈ ঘূৰি গছতলে, বাঁহতলে জাৰত ঠেৰেঙা লাগি মৰাতকৈ তাত তোমালোকৰ চিকিৎসা পাব। ঘৰতে কাঠ-বাঁহ আছেই, আজিৰ পৰাই কাম আৰম্ভ হ'ল বুলি ধৰা।"

—— পৃষ্ঠা ৩৫৩

জয়হৰিৰ পৰৱৰ্তী প্ৰজন্মক ঔপন্যাসিকে সম্পূৰ্ণ উলাই কৰা নাই, পাৰ্শ্ব চৰিত্ৰ হিচাপে অংকন কৰিছে। কিন্তু তেওঁৰ তৃতীয় প্ৰজন্ম অৰ্থাৎ নাতিয়েক মণিময় উপন্যাসৰ দ্বিতীয় খণ্ডৰপৰা শেষৰ পৃষ্ঠাটোলৈকে কাহিনীৰ মুখ্য আৰু অপৰিহাৰ্য্য চৰিত্ৰ হৈ থিয় দিছে। এইটো উপন্যাসখনৰ নামকৰণ, "আজাৰ"ৰ বাবেই প্ৰয়োজনীয়। মণিময়ে সৰুতেই ক'লাজ্বৰৰ ভয়াবহতা দেখিছে। কলিকতালৈ মেডিকেল পঢ়িবলৈ যাওঁতে এই মহামাৰীৰ বিষয়ে অধ্যয়ন তথা ৰোগ নিৰাময়ৰ উপায় উদ্ভাৱনৰ কথা মনত ৰাখিয়েই গৈছে। ডাক্তৰী পাছ কৰি আহিও মণিময় আপোন ৰাজ্যত ক'লাজ্বৰৰ চিকিৎসাত স্ব-নিয়োজিত হৈছে। মণিময়ৰ ক'লাজ্বৰ ৰোগৰ চিকিৎসা আৰু ককাক জয়হৰিৰ মৰঙী অঞ্চলৰ মুৰব্বী হিচাপে অভূতপূৰ্ব উত্থান তথা স্বাধীনতা সংগ্ৰামত সৰ্বান্তঃকৰণে যোগদানেৰে ১৯৪৭ চনৰ ১৫ আগষ্টৰ ৰাতিপুৱা জাতীয় পতাকা উত্তোলনৰ অমৃত ক্ষণত কাহিনীৰ মোখনি পৰিছে।

আমি জানো যে ড° ধ্ৰুৱজ্যোতি বৰা এগৰাকী সাহসী লেখক। সামাজিক, ৰাজনৈতিক তথা ঐতিহাসিক সমস্যাক তেখেতে সাহসেৰে অথচ সাৱলীলতাৰে আলোচনা কৰে। তেখেতৰ প্ৰায়বোৰ উপন্যাসতে যৌনতাক বাস্তৱানুগ বৰ্ণনাৰে চিত্ৰিত কৰিছে– আঁৰ-বেৰ নোহোৱাকৈ। ড° বৰাৰ সাহসী কলমে স্থূল যৌনতাৰ যেনে 'তলপেটৰ ভোক' আদিৰ লগতে অংকন কৰা শৃংগাৰ তথা সম্ভোগৰ নান্দনিক দৃশ্য এটি উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ–

"... তেওঁ তাইৰ মূৰৰপৰা ভৰিলৈ সকলো ঠাইতে লাহে লাহে হাত বুলাই দিয়ে, কোমলকৈ– কোনো ধৰণৰ খৰখেদা নকৰাকৈ, লাহে লাহে পিহি দিয়ে গোটেই গা। আৰু তাইৰ শৰীৰতো লাহে লাহে উত্তেজনা বিয়পি পৰিবলৈ আৰম্ভ কৰে, পেটৰ ভিতৰত, শৰীৰৰ ভিতৰৰ বিভিন্ন ঠাইত ক্ৰমে আঁট খাই অহা একোটা গাঁঠিৰ দৰে ই জমা হ'বলৈ আৰম্ভ কৰে। তাইৰ চকুহাল মুদ খাই আহে, পতা দুখন জোৰত বন্ধ হৈ যায়, শৰীৰটো টান হৈ আহিবলৈ ধৰে আৰু এটা সময়ত গৈ গোটেই শৰীৰ বিয়পি পৰা এক আৱেশঘন কঁপনিৰে তাই সেই উত্তেজনাৰ পৰা মুক্ত হয়। তাৰ পাছত তেওঁ যেতিয়া তাইৰ কাষলৈ আহে তেতিয়াও ই ইমান এক কোমল আৰু মৰমভৰা ধৰণৰ হয় যে তাইৰ আন এখন পৃথিৱীলৈ লাহে লাহে ওপঙি যোৱাৰ দৰে লাগে।"

—— পৃষ্ঠা ২৫

এই নিবন্ধৰ শিৰোনামেই ক'ব যে "আজাৰ"ৰ সামগ্ৰিক আলোচনা আমাৰ উদ্দেশ্য নহয়। আমাৰ লক্ষ্য আৰু উদ্দেশ্য হ'ল "আজাৰ"ত ড° (ডাঃ) ধ্ৰুৱজ্যোতি বৰাই লিপিবদ্ধ কৰা ক'লাজ্বৰ(Kala-Azar)ৰ উৎপত্তি, বিস্তাৰ আৰু প্ৰতিৰোধমূলক ব্যৱস্থাৰ লগতে অতিমাৰী কৰ'না(Covid-19)ৰ উৎপত্তি, বিস্তাৰ আৰু প্ৰতিৰোধৰ ব্যৱস্থাৰ আলোচনা কৰণি ॥

কৰা।

ঔপন্যাসিক ড° ধ্ৰুৱজ্যোতি বৰা পেছাত এগৰাকী চিকিৎসক। ইতিমধ্যে দুখনকৈ মেডিকেল কলেজৰ অধ্যক্ষ হিচাপে তেখেতে কাৰ্য্যনিৰ্বাহ কৰিছে। আজাৰ অৰ্থাৎ ক'লাজ্বৰ সম্পৰ্কে তেখেতে বিস্তৰ পুথিগত অধ্যয়ন কৰাৰ লগতে ক্ষেত্ৰভিত্তিক অধ্যয়নো কৰিছে। সেই অধ্যয়নৰপৰা লাভ কৰা তথ্যৰপৰা তেখেতে উপন্যাসৰ শেষৰছোৱাৰ নায়ক মণিময়ৰ যোগেদি এটা টোকা প্ৰস্তুত কৰিছে—

"১৮৭৫ চনত মানকাচৰেদি সোমাই দহ বছৰ কাল মানকাচৰ আৰু গাৰোপাহাৰত তুঁহজুইৰ দৰে জ্বলি '৮৭ চনত দামৰাৰে আহি ওলাই গোৱালপাৰা, ধুবুৰী, কামৰূপ পালেহি সেইখিনি ঠাইত প্ৰাকৃতিক বাধা বহুত আছিল। এফালে ব্ৰহ্মপুত্ৰ নদী, আনফালে মিকিৰ পাহাৰৰ চাপৰ পাহাৰবোৰ। ইয়াৰ মাজত প্ৰায় ৪০ মাইল দীঘল এক অঞ্চল আছে যি অটব্য অৰণ্যৰে ভৰা। মানুহৰ বসতি আৰু চলাচলো তাত কম বাবে মহামাৰীটো প্ৰায় ৰৈয়েই গ'ল। কিন্তু—

"নগাঁও-কলিয়াবৰত ক'লাজ্বৰ মহামাৰী হোৱা বহুতো অঞ্চলৰপৰা বহুত মানুহ পূবলৈ, গোলাঘাটৰ ফালে পলাই আহিছিল।...এইদৰে পলাই অহা মানুহবোৰেই গোলাঘাটলৈ ক'লাজ্বৰ বেমাৰ কঢ়িয়াই আনিব।"

—— পৃষ্ঠা ২৯৭

অসমলৈ ক'লাজ্বৰৰ বীজাণু কেনেকৈ, ক'ৰপৰা

**ক'লাজ্বৰ আৰম্ভ হোৱাৰে পৰা এই মহামাৰীৰ বীজাণু ক'ৰপৰা আহিল তাৰ কাৰণ নিৰ্ণয় কৰিবলৈ ইংৰাজ আৰু ভাৰতীয় ডাক্তৰসকলে পৰীক্ষাগাৰত নিৰৱচ্ছিন্নভাৱে পৰীক্ষা চলাইছিল। এটা সময়ত পানীয়ে ক'লাজ্বৰৰ বীজাণুৰ জন্ম দিয়ে বুলিও মানুহে বিশ্বাস কৰিবলৈ ল'লে ...**

বেমাৰটো। '৮৮ চনত গুৱাহাটী, মঙলদৈ হৈ '৯০ চনত জনবসতিপূৰ্ণ নগাঁও সদৰৰ চৌকাযে ভয়াবহ অথন্তৰৰ সৃষ্টি কৰে। '৯০ ৰপৰা '৯৮ এই দীঘলীয়া কালছোৱা নগাঁৱত তাণ্ডৱৰ সৃষ্টি কৰে ক'লাজ্বৰে। ১৮৯১ৰপৰা ১৯০০ চনৰ ভিতৰৰ নগাঁৱৰ কেন্দ্ৰৰ জনসংখ্যা শতকৰা ৩১.৫ ভাগ ক'লাজ্বৰত মৃত্যু হয়। বহুত পলাই যায়। নিউ ৰংগামাটি, অল্যশালা, হাচপানী, কন্দলি, কেলিডন, আমলখি, লংচুং, ননৈ, মিচা, চেকনি আদিৰ চাহ বাগানবোৰো ক'লাজ্বৰত বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। '৯৪ চনত ই দৰঙো চোৰেগৈ। '৯৮ চনত কলিয়াবৰ পাই তাতে অকণমান দৰক লৈ ১৮৯৯ চনত গোলাঘাট সোমায়হি আৰু ১৮৯৯-১৯০০ চনত গোলাঘাটত প্ৰথম মহামাৰী হয়।..."

—— পৃষ্ঠা ৫৭৪-৫৭৫

"আজাৰ"ত ক'লাজ্বৰ সম্পৰ্কীয় ক্ষেত্ৰখন গোলাঘাট জিলা। কিন্তু এই গোলাঘাটলৈ কেনেকৈ আহিল ক'লাজ্বৰ? ক'ৰ পৰাই বা আহিল? এই সম্পৰ্কত ড° বৰাই "আজাৰ"ত বিস্তৃতভাৱে আলোচনা কৰিছে। সেই সময়ৰ বৃটিছ চিকিৎসক কেপ্টেইন ছাৰ্জন লিঅ'নাৰ্ড ৰ'জাৰ্চ-এ তদন্ত কৰি পালে যে, দুৰ্দান্ত গতিৰে পশ্চিমৰপৰা আহি থকা ক'লাজ্বৰ কলিয়াবৰত থমকি ৰ'বলগীয়া হ'ল। কাৰণ আহিল সেই লৈ "আজাৰ"ত বিভিন্ন সূত্ৰ উল্লেখ কৰা হৈছে। নতুন প্ৰজন্মৰ নায়ক মণিময় কলিকতালৈ মেডিকেল পঢ়িবলৈ যোৱাৰ সময়ত গোলাঘাটত ক'লাজ্বৰে মহামাৰী ৰূপত আত্মপ্ৰকাশ কৰিছে। মণিময়ে নিজে ক'লাজ্বৰত আক্ৰান্ত ৰোগী দেখি গৈছে। কলিকতা মেডিকেল কলেজত মেডিকেল পঢ়িবলৈ গৈ ক'লাজ্বৰ সম্পৰ্কে অধ্যয়ন তথা বিচাৰ-খোচাৰ কৰি মণিময়ে জানিব পাৰিলে যে বংগদেশতো ক'লাজ্বৰ হৈছিল আৰু তেওঁ পঢ়িবলৈ যোৱা সময়ত ই ক্ৰনিক ৰূপত মানুহৰ মাজত আছে। অৰ্থাৎ অসমতকৈ পশ্চিমবংগ (বংগ)ত আগতেই ক'লাজ্বৰ হৈছিল। পশ্চিমৰপৰা অসমলৈ বৃটিছ ইণ্ডিয়াৰ বিভিন্ন কামত সহায়কাৰী হিচাপে অহা মানুহবিলাকে এই বেমাৰৰ বীজাণু কঢ়িয়াই আনিব পাৰে। আনহাতে বৃটিছসকলে অসমত স্থাপন কৰা চাহ বাগিচাসমূহত কাম কৰিবলৈ পশ্চিমৰপৰাই বনুৱা তথা অন্য কৰ্মচাৰীক আনিছিল। গতিকে তেওঁলোকেই ক'লাজ্বৰৰ বীজাণু কঢ়িয়াই আনিছিল বুলিও বিশ্বাস কৰাৰ থল আছে।

এইখিনিতে উল্লেখ কৰি থওঁ যে অসমত বৃটিছসকলে চাহ বাগান খোলা আৰু সেই বাগানবিলাকত বনুৱাৰ কাম কৰিবলৈ পশ্চিমৰ পৰা গিৰমিটীয়া বনুৱা অনাৰ বিতং কাহিনী "আজাৰ"ত পোৱা যায়।

ক'লাজ্বৰৰ ধনশিৰি পাৰলৈ আগমন সন্দৰ্ভত সাধাৰণ মানুহৰ বিশ্বাস সম্পৰ্কে ঔপন্যাসিকে "আজাৰ"ত ৰখা বক্তব্য এনেধৰণৰ-- ধনশিৰিৰ পাৰৰ (গোলাঘাট জিলাৰ) গাঁওবোৰৰ আকাশত হঠাতে এবিধ অচিনাকি চৰাইৰ আবিৰ্ভাৱ ঘটিছিল। আকাশ ছানি ধৰে– বৰ বেছি ওপৰেৰে নুৰে। দলিচপৰা লদিয়াই, ফৰ্মুটি মাৰি বা হাকুটিয়াইও চৰাইবোৰ ধৰিব পৰা গৈছিল। চৰাইবোৰ মাৰি মানুহে মঙহ খাইছিল– হাঁহ-কুকুৰাৰ মাজতে আছিল বোলে সেই চৰাইৰ মঙহৰ সোৱাদ। কিছুদিন পাছত চৰাইবোৰ হঠাতে নাইকিয়া হৈছিল, ঠিক যেনেদৰে হঠাতে এদিন আহিছিল। তাৰ পাছত অঞ্চলটোত বহুদিন বৰষুণ নহ'ল। বহুদিন জোৰা খৰাং হ'ল। নৈ, বিল সকলো শুকাই আহিবলৈ ল'লে আৰু তেতিয়াৰপৰাই ক'লাজ্বৰ আৰম্ভ হৈছিল–

"সেই চৰাইৰ মঙহ খোৱা মানুহবোৰকে বোলে ক'লাজ্বৰে ধৰিছিল।"

—— পৃষ্ঠা ২৩৫

ক'লাজ্বৰ ধনশিৰি পাৰৰ গাঁওবোৰলৈ ক'ৰপৰা আহিল, তাৰ উৱাদিহ বিচাৰি সেই অচিনাকি চৰাইবোৰৰ কথা কোৱা হ'ল। তাৰ মানে পশ্চিমৰপৰা অহা মানুহ যেনেকৈ ক'লাজ্বৰৰ বীজাণুৰ বাহক হ'ব পাৰে, যিটো লিঅ'নাৰ্ড' ৰ'জাৰ্ছে ছৰজমিন তদন্ত সাপেক্ষে মত পোষণ কৰিছিল, চৰাইবোৰো বাহক হ'ব পাৰে, যিটোৰ কোনো গ্ৰহণযোগ্য ভিত্তি নাই।

ক'লাজ্বৰ আৰম্ভ হোৱাৰে পৰা এই মহামাৰীৰ বীজাণু ক'ৰপৰা আহিল তাৰ কাৰণ নিৰ্ণয় কৰিবলৈ ইংৰাজ আৰু ভাৰতীয় ডাক্তৰসকলে পৰীক্ষাগাৰত নিৰৱচ্ছিন্নভাৱে পৰীক্ষা চলাইছিল। এটা সময়ত পানীয়ে ক'লাজ্বৰৰ বীজাণুৰ জন্ম দিয়ে বুলিও মানুহে বিশ্বাস কৰিবলৈ ল'লে আৰু পানী উতলাই ঠাণ্ডা কৰি বা ঘৰুৱাভাৱে প্ৰস্তুত কৰি লোৱা যতনত শোধন কৰি খাবলৈ ললে।

কিন্তু বহুদিনৰ পাছত মানুহৰ ঘৰ-দুৱাৰৰ কাষে পাজৰে থকা এবিধ সৰু পতংগক ক'লাজ্বৰৰ বাহক হিচাপে চিহ্নিত কৰা হ'ল যাৰ নাম 'চেণ্ড ফ্লাই'–

"ৰাতিপুৱাই কলিকতাৰপৰা চিঠিখন ঘৰলৈ আহিছিল। ... কলিকতাৰ মেডিকেল কলেজৰপৰা তাৰ বন্ধুসম ৰেজিষ্টাৰজনে লিখিছে– অৱশেষত ক'লাজ্বৰ বিয়পোৱা পতংগটোৰ সন্ধেদ ওলাল।

চাহাবে আৱিষ্কাৰ কৰিলে ইয়াক। নাম হ'ল তাৰ চেণ্ডফ্লাই!"

—— পৃষ্ঠা ৫৮৫

এনেদৰে ক'লাজ্বৰৰ সংক্ৰমণৰ বিভিন্ন উৎসৰ কথা আলোচিত হৈছে "আজাৰ"ৰ পাতত। কিন্তু কোনবিধ বীজাণুৰ ফলত ক'লাজ্বৰ ৰোগটো হৈছিল, সেই সম্পৰ্কে "আজাৰ"ত সুস্পষ্ট সিদ্ধান্ত পোৱা নগ'ল। সেয়া আছিল ঊনবিংশ শতিকাৰ শেষৰ ফালৰ এক-তৃতীয়াংশ আৰু কুৰি শতিকাৰ প্ৰথম তিনিটা দশকৰ এছোৱা দুৰ্য্যোগপূৰ্ণ সময়।

এতিয়া আমি আহোঁ কৰ'না মহামাৰীলৈ যাক বিশ্ব স্বাস্থ্য সংস্থাই অতিমাৰী (Pandemic) আখ্যা দিছে। চীন দেশৰ য়ুহান প্ৰদেশৰ হুবেই নামৰ এলেকাত ক'ভিড-১৯ (আমি কৰ'না বুলি কৈছোঁ) নামৰ কোনেও কেতিয়াও নুশুনা এবিধ বেমাৰৰ আবিৰ্ভাৱ হোৱাৰ কথা চীন দেশে ২০১৯ চনৰ ৩১ ডিচেম্বৰ তাৰিখে বিশ্ব স্বাস্থ্য সংস্থাক জনায়। অতি কম দিনৰ ভিতৰতে এই ৰোগ পৃথিৱীৰ বিভিন্ন দেশলৈ বিয়পি পৰে। ইয়াৰ বিস্তাৰ আৰু ভয়াবহতাৰ দিশ লক্ষ্য কৰি ২০২০ চনৰ ৩০ জানুৱাৰিত বিশ্ব স্বাস্থ্য সংস্থাই এই ৰোগক এটা Global Health Emergency বুলি কয়। ইতিমধ্যে এই ৰোগে পৃথিৱীৰ বহুতো দেশ ছানি ধৰাত ২০২০ চনৰ ১১ মাৰ্চ তাৰিখে কৰ'নাক অতিমাৰী (Global Pandemic) হিচাপে বিশ্ব স্বাস্থ্য সংস্থাই ঘোষণা কৰে।

২০২০ চনৰ ৩০ জানুৱাৰি তাৰিখে ভাৰতৰ কেৰালাত প্ৰথমগৰাকী ক'ভিড-১৯ৰ দ্বাৰা সংক্ৰমিত ৰোগী চিনাক্ত হয়। তেওঁ য়ুহানৰপৰা আহিছিল। কেৰালাৰপৰা ক্ৰমে ক্ৰমে মহাৰাষ্ট্ৰ, দিল্লী, কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ, উত্তৰ প্ৰদেশ, ৰাজস্থান, তামিলনাডু আদিত কৰ'না আক্ৰান্ত ৰোগীৰ সংখ্যা বাঢ়িবলৈ ধৰে আৰু অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলো ইয়াৰ আক্ৰমণৰপৰা ৰক্ষা নপৰে। প্ৰথমে শ-ৰ হিচাপত, পাছত হাজাৰৰ হিচাপত আৰু শেষত লাখে লাখে মানুহ কৰ'নাত আক্ৰান্ত হয়। দেশৰ সৰু সৰু চহৰ-নগৰৰ কথা বাদেই, ৰাজধানী নতুন দিল্লীকে ধৰি সকলোবোৰ ডাঙৰ নগৰ আৰু মহানগৰতো ক'ভিড ৰোগীক চিকিৎসা প্ৰদান কৰিবলৈ হাস্পতালৰ অকুলন হয়। আমেৰিকা, বৃটেইনকে ধৰি সকলো দেশতে লাখে লাখে মানুহৰ মৃত্যু হয়।

এই যে য়ুহানৰপৰা ক'ভিড-১৯ৰ প্ৰাদুৰ্ভাৱ হোৱা বুলি কোৱা হ'ল, এই বীজাণু বিধৰ উৎস কি? কিছুমানে ক'লে বোলে য়ুহানৰ বিখ্যাত জীৱ-জন্তুৰ বজাৰখন, কিছুমানে ক'লে বাদুলিৰ পৰা উৎপত্তি এই ক'ভিড-১৯ৰ বীজাণুৰ। আমেৰিকাকে ধৰি আন কিছুমানে বিশ্বাস কৰিলে, অকল বিশ্বাস কৰাই নহয়– প্ৰচাৰো চলালে যে, চীনে এইবিধ জৈৱিক অস্ত্ৰ প্ৰস্তুত কৰিছে, য়ুহানৰ লেবৰে'টৰীতে এই বেমাৰৰ বীজাণু তৈয়াৰ কৰা হৈছে আৰু দুৰ্ঘটনাবশতঃ গৱেষণাগাৰৰপৰা 'লিক' হোৱা বীজাণুৱে বেমাৰৰ সৃষ্টি কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাই প্ৰেৰণ কৰা তদন্তকাৰী বিষয়াৰ দলে অৱশ্যে এই অভিযোগৰ সত্যাসত্য নিৰূপণ কৰিব নোৱাৰিলে। অনুসন্ধান বা গৱেষণা– যি নামেৰেই আমি নামকৰণ নকৰোঁ কিয়, সেয়া অৱশ্যে এতিয়াও শেষ হোৱা নাই।

বিদেশ ভ্ৰমণৰপৰা অহা লোকৰ পৰাই ভাৰতত প্ৰথমে কৰ'নাৰ বিস্তাৰ হৈছিল। অসমতো সেই একেই কথা। গুৱাহাটীত প্ৰথমটো কৰ'না ৰোগী চিনাক্ত হোৱাৰ পাছত সমূহীয়াভাৱে নতুন দিল্লীৰপৰা অহা জামাতীৰ দেহত পোনপ্ৰথমে কৰ'না ধৰা পৰে। তাৰ মানে এই বেমাৰবিধৰ বাহক মানুহ। ক'লাজ্বৰৰ বীজাণুৰ বাহকো আছিল মানুহেই। কাৰণ নিৰ্ণয় কৰি প্ৰতিষেধক ব্যৱস্থা গ্ৰহণ কৰোঁতে পলম হৈছিল বাবে মহামাৰী ক'লাজ্বৰে প্ৰায় ছয় দশক জুৰি অসমত তাণ্ডৱৰ সৃষ্টি কৰিছিল যাৰ ফলত গাঁও-ভূঁই উছন গৈছিল।

কৰ'নাৰ সংক্ৰমণ ৰোধ কৰিবলৈ বিশ্ব স্বাস্থ্য সংস্থাৰ লগতে ভাৰত চৰকাৰ তথা অসম চৰকাৰে প্ৰধানকৈ তিনিটা প্ৰতিৰোধমূলক পদক্ষেপ গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিলে– (ক) সামাজিক দূৰত্ব বজাই ৰখা, (খ) সঘনাই চাবোনেৰে হাত ধোৱা বা ছেনিটাইজাৰ ব্যৱহাৰ কৰা আৰু (গ) 'মাস্ক' পৰিধান কৰা। এই পৰামৰ্শ দিয়াৰ লগতে সকলো চৰকাৰী-বেচৰকাৰী কাৰ্য্যালয়, ঔদ্যোগিক তথা বিত্তীয় প্ৰতিষ্ঠান, ন্যায়ালয়-শিক্ষানুষ্ঠান, হাট-বজাৰ-- সকলোতে এই তিনিটা প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ নিশ্চিত কৰা হ'ল। বেমাৰ অধ্যুষিত অঞ্চল ছেনিটাইজ কৰা হ'ল। ক'ভিড আক্ৰান্ত ৰোগীজনক পৰিয়ালৰ আন সদস্য বা সৰ্বসাধাৰণৰ পৰা নিলগাই (Isolated) ৰখা হ'ল। ঘৰত নিলগাই ৰখাৰ সুবিধা নথকা ৰোগীসকলক ক'ভিড কেয়াৰ চেণ্টাৰত (Covid care centre) ৰাখি চিকিৎসা প্ৰদান কৰা হ'ল। য'ত কভিড ৰোগী চিনাক্ত হৈছে, সেই এলেকালৈ আন মানুহৰ প্ৰৱেশ নিষিদ্ধ কৰা হ'ল– Containment zone-অৰ ফলক আঁৰি দিয়া হ'ল। সময়োচিত চিকিৎসা গ্ৰহণ আৰু উপযুক্তভাৱে লোৱা প্ৰতিৰোধমূলক ব্যৱস্থাই ক'ভিড-১৯ৰ সংক্ৰমণ কমাই আনিলে। কিন্তু সম্পূৰ্ণ নাইকিয়া কৰিব পৰা নাই। ইতিমধ্যে অসম তথা ভাৰতকে ভিতৰ কৰি সমগ্ৰ বিশ্বত বহু লাখ লোকে এই অতিমাৰীত প্ৰাণ হেৰুৱাবলগীয়া হৈছে।

"আজাৰ"ৰ ক'লাজ্বৰৰ সময়ত অসমত শিক্ষাৰ পোহৰ পৰাই নাছিল। সকলো ভগৱানৰ দান বা ডাইনী, ভূত-প্ৰেতৰ কাম বুলি বিশ্বাস কৰা মানুহেৰে তেতিয়াৰ অসম (গোলাঘাট অঞ্চল) ভৰি আছিল। গতিকে ক'লাজ্বৰ আৰম্ভ হৈ মহামাৰী ৰূপ লৈ মানুহৰ সংহাৰ কৰা তথা গাঁও-ভূঁই উছন যোৱালৈকে কোনো প্ৰতিৰোধ ব্যৱস্থা গঢ়ি উঠা নাছিল। কিন্তু ঊনবিংশ শতিকাৰ শেষৰফালে ইংৰাজ ডাক্তৰসকলে এই সম্পৰ্কে চিন্তা-চৰ্চা কৰিবলৈ লয়, কিয়নো অসমত বৃটিছে পতা চাহ বাগিচাবোৰৰ বনুৱাৰ মাজতো ক'লাজ্বৰ সংক্ৰমিত হৈছিল আৰু বনুৱাৰ হানি-বিঘিনি মানে তেওঁলোকৰ আৰ্থিক লোকচানৰ কথা জড়িত হৈ আছিল। আৰম্ভণিতে কিন্তু বৃটিছ ইণ্ডিয়াৰ ডাক্তৰে ক'লাজ্বৰক মেলেৰিয়া বুলি ভাবিছিল–

"... চাহাবৰ ডাক্তৰে হেনো কৈছে, ক'লাজ্বৰটো আন একো নহয়, এক ধৰণৰ মেলেৰিয়াই..., বেছি টান ধৰণৰ মেলেৰিয়া। সেয়েহে ইয়াত মানুহো বেছিকৈ মৰে আৰু মৰকটো লগা মানুহবোৰো মেলেৰিয়া হোৱাতকৈ বেছিকৈ শুকাই-খীণাই যায়।"

—— পৃষ্ঠা ২৩৬

লিঅ'নাৰ্ড ৰ'জাৰ্ছেও ছৰজমিন তদন্ত আৰু পৰীক্ষা-নিৰীক্ষাৰ অন্তত দিয়া প্ৰতিবেদনত ক'লাজ্বৰ মহামাৰীক "এপিডেমিক মেলেৰিয়া ফিভাৰ অৱ আছাম"– অসমৰ মহামাৰীসদৃশ মেলেৰিয়া জ্বৰ বুলিয়েই লিখিছে। তেওঁৰ এই প্ৰতিবেদন প্ৰকাশ পাইছিল বৃটিছ মেডিকেল জাৰ্ণালত।

কিন্তু যিয়ে যি মন্তব্য নকৰক কিয়, ক'লাজ্বৰে মহামাৰীৰ ৰূপ লৈ এফালৰপৰা মানুহ মাৰিবলৈ ধৰিলে। গতিকেই প্ৰয়োজন হ'ল প্ৰতিৰোধ ব্যৱস্থাৰ। ক'লাজ্বৰৰ

প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণ কৰাৰ আগতে বৃটিছ ডাক্তৰসকলে এইটো কথা লক্ষ্য কৰিলে যে–

"... ক'লাজ্বৰ সেইবোৰ ঘৰতহে মূলতে হৈছে যিবোৰত ইতিমধ্যে এজন নহয় এজন ক'লাজ্বৰৰ বেমাৰী আছে। পৰিয়ালৰ মানুহবোৰেই প্ৰথমে আক্ৰান্ত হৈছে...। দ্বিতীয়তে, একেবাৰে লগালগিকৈ যিবোৰ ঘৰ আছে সেই ক্ষেত্ৰতো এটা ঘৰত ক'লাজ্বৰ হ'লে সি কাষৰ ঘৰলৈ বাগৰিছে।... তৃতীয়তে, যিবোৰ গাঁৱৰ পৰা বেমাৰ নোহোৱা মানুহবোৰ আঁতৰি আন ঠাইলৈ উঠি গৈছে সেইবোৰ মানুহৰ মাজত বেমাৰ হোৱা নাই।"

—— পৃষ্ঠা ২৪২

এই মানুহৰ পৰা মানুহৰ গালৈ ক'লাজ্বৰ মহামাৰী সোঁচৰা কথাটো যেতিয়া বৃটিছে বুজি পালে, তেতিয়া চাহ বাগিচাৰ মালিকসকলে দুটা কাম কৰিলে-- এক, বাহিৰৰ মানুহৰ চাহ বাগিচাৰ মাজেদি আহ-যাহ সম্পূৰ্ণ বন্ধ কৰি দিলে; দুই, চাহ বাগিচাত যিবিলাক মানুহৰ ক'লাজ্বৰ হ'ল-- সেইবিলাকক নিলগাই ৰাখি বেমাৰ নোহোৱা মানুহবিলাকক নতুনকৈ ঘৰ সাজি বেলেগকৈ ৰাখিলে। স্বাভাৱিকভাৱেই চাহ বাগানৰ মালিকসকল তেওঁলোকৰ বনুৱাবিলাকৰ স্বাস্থ্যক লৈ উদ্বিগ্ন আছিল। আনহাতে প্ৰশাসনৰ মুৰব্বীসকলৰ পৰাও অৱধাৰিতভাৱেই (বৃটিছ হোৱাৰ সুবাদত) তেওঁলোকে সুবিধা লাভ কৰিছিল। চাহ বাগানৰ বনুৱাৰ মাজত বেমাৰটো বিয়পিব নোৱৰাৰ ক্ষেত্ৰত বৃটিছসকল যিমান সচেতন আছিল, সাধাৰণ ৰাইজৰ মাজত এই মহামাৰীয়ে চলোৱা তাণ্ডৱৰ প্ৰতি প্ৰশাসন সমানেই নিৰুদ্বিগ্ন আছিল।

কেৱল বৃটিছ ডাক্তৰ বা চাহ বাগানৰ মালিকসকলেই যে বেমাৰীক অ-বেমাৰীৰ পৰা নিলগাই ৰখাৰ চিন্তা কৰিছিল সেয়া নহয়। সমাজৰ মুৰব্বী চানেকীয়া লোকসকলেও এই বিষয়ে চিন্তা-চৰ্চা কৰিছিল–

"... তুমি এটা কথা খবৰ কৰিবাচোন, বাগানৰ চাহাবহঁতে যে বনুৱা লাইনৰ আজাৰে নোপোৱা মানুহবোৰক অলপ দূৰলৈ আঁতৰাই নিছে সি বাৰু সঁচাকৈ বেমাৰটো সোঁচৰা বন্ধ কৰিছেনে? যদি কৰিছে আমাৰ ইয়াতো চেষ্টা কৰিব পৰা যায়। পিছে ক'ত শুনিব মানুহবোৰে! ...পুৰণা ঘৰ-দুৱাৰ এৰি ক'ত যাব! তথাপিও কৈ মাতি চাব পাৰি।..."

—— পৃষ্ঠা ২৬৬-২৬৭

কিন্তু চাহ বাগিচাৰ প্ৰণালীবদ্ধ বনুৱা লাইনৰপৰা নতুনকৈ সজা আন এটা বনুৱা লাইনলৈ অ-বেমাৰীসকলক স্থানান্তৰিত কৰা আৰু গাঁৱৰ ঘৰবোৰৰপৰা অ-বেমাৰীসকলক নিলগাই ৰখাটো একে কথা নাছিল। নাছিল সহজ কথাও। গতিকে বেমাৰী মানুহবিলাকক এৰি অ-বেমাৰী গাঁওবাসী গাঁও এৰি পলাই গৈছিল। গাঁও-ভূঁই এনেকৈয়ে উছন্ন গৈছিল। সেই মানুহবিলাকে আন ঠাইত গাঁও পাতি বহিছিলগৈ। কোনোৱে মহামাৰী কমাৰ পাছত পুৰণা গাঁৱলৈ উভতিছিল, আন কোনোৱে কিন্তু নতুন ঠাইতে খোপনি পুতি ৰৈ গৈছিল। তথাপি ডাক্তৰ-নাৰ্ছ আৰু স্থানীয় মানুহৰ সহযোগিতাত দুই এটা Isolation Centre গঢ়ি উঠিছিল চাহ বাগানৰ বাহিৰৰ বেমাৰীৰ বাবে–

"...মজিয়াখন হ'লেই হ'ল। বুঢ়াদেউতাই ধুমেৰে খুন্দি মজিয়াখন টিপি টান কৰাইছে। এফালৰপৰা কৰি আনিছে। ... তাত বোলে দুয়োফালে নগাঢাৰি পাৰিব শাৰী শাৰীকৈ, তাৰ ওপৰত খেৰ পাৰি শাৰী শাৰীকৈ বেমাৰীবোৰ শুব।"

—— পৃষ্ঠা ৩৫৫

ওপৰৰ উদ্ধৃতিটো পঢ়ি পাঠকৰ বাৰু সৰুসজাইৰ ক'ভিড কেয়াৰ চেণ্টাৰৰ শাৰী শাৰীকৈ পাৰি থোৱা বিছনাবোৰৰ কথা মনলৈ অহা নাইনে? ড° ধ্ৰুৱজ্যোতি বৰা ডাঙৰীয়াই "আজাৰ"ৰ এইছোৱা লিখি উলিয়াওঁতে বা কিতাপ আকাৰে প্ৰকাশ হোৱাৰ দুবছৰৰ পাছলৈকে আমি কিন্তু কৰ'না বুলি এবিধ বেমাৰ যে আছে, ক'বই পৰা নাছিলোঁ অথচ প্ৰতিৰোধ ব্যৱস্থাৰ কি অদ্ভুত মিল! এতিয়া চৰকাৰে গুৱাহাটীকে ভিতৰ কৰি আন বহুতো ঠাইৰ ক'ভিড হাস্পতাল খুলিছে কৰ'না আক্ৰান্ত ৰোগীৰ আছুতীয়া চিকিৎসাৰ বাবে। "আজাৰ"ৰ পাততো ক'লাজ্বৰ হাস্পতালৰ উল্লেখ পোৱা যায়।

কৰ'না আক্ৰান্ত ৰোগীজনৰ শৰীৰত কি কি লক্ষণ ফুটি ওলায়– জ্বৰ হয়, কাহ হয়, গাৰ বিষ হয়- কেতিয়াবা প্ৰচণ্ডভাৱে, উশাহ-নিশাহত কষ্ট হয়, অক্সিজেন লেভেল কমি যায়। সময়মতে চিকিৎসা নাপালে ৰোগী মৃত্যুমুখত পৰে।

ক'লাজ্বৰ হোৱা বেমাৰী এজনৰ জ্বৰ উঠে, বৰ টান

জ্বৰ আৰু সেই জ্বৰতে এদিন বা দুদিনৰ ভিতৰতে মৃত্যুমুখত পৰে। কেইদিনমান বাচি থকা ৰোগীজনৰ বৰণ ক'লা পৰি যায় বাবেই এই জ্বৰৰ নাম ক'লাজ্বৰ। “আজাৰ”ত ক'লাজ্বৰৰ লক্ষণসমূহ কেনেকৈ বৰ্ণনা কৰা হৈছে চাওঁ আহক–

“দুদিন আগলৈকে ভালে থকা মানুহ হঠাৎ জ্বৰত পৰে, টানকৈ হোৱা মেলেৰিয়া জ্বৰৰ দৰে জ্বৰ, কিন্তু জ্বৰ হোৱাৰ দুদিনৰ ভিতৰতে মানুহ ভ্ৰম বকি মৰি যায় বোলে। ...কেতিয়াবাহে কোনোজন কথমপি বাচে। আৰু বাচিলেও আকৌ বোলে কিছুদিনৰ পাছৰপৰা বৈ বৈ জ্বৰ হ'বলৈ ধৰে। বৰ দীঘলীয়াকৈ জ্বৰ হয় আৰু মানুহজন ক্ষয়ৰোগত পৰাৰ দৰে দিনে দিনে শুকাই-খীণাই ক'লা পৰি আহে। তাৰ পাছত তেনেদৰেই গৈ গৈ মৰে।”

— পৃষ্ঠা ২৫১

ক'লাজ্বৰত আক্ৰান্ত ৰোগী যদি কেনেবাকৈ বাচি যায়, তেন্তে ৰোগীজন ক'লা পৰি যোৱাৰ লগতে খীণাই খৰিকাৰ দৰে হয়। প্লীহাটো বাঢ়ি ডাঙৰ হৈ পেটটো ঢোলৰ দৰে হৈ পৰে।

২০১৯ চনৰ ডিচেম্বৰ মাহত আৰম্ভ হোৱা কৰ'না মহামাৰীৰ বিধ্বংসী প্ৰভাৱ আমি পৰৱৰ্তী কেইবাটাও মাহত দেখিবলৈ পালোঁ। চিকিৎসা বিজ্ঞানত অতি উন্নত আমেৰিকা, বৃটেইন, ইটালী, ব্ৰাজিল আদি দেশৰ হাস্পতালবিলাকত ৰোগীৰ অবৰ্ণনীয় দুৰ্গতিৰ কথা দেখিলোঁ, পঢ়িলোঁ। এটা দিনতে হাজাৰৰ অধিক ৰোগীৰ মৃত্যুৰ কৰুণ ছবি প্ৰত্যক্ষ কৰিলোঁ। আমি ভয় খালোঁ। সচেতন হলোঁ। আধুনিক চিকিৎসা বিজ্ঞানেও ৰোধ কৰিব নোৱৰা মৃত্যুযজ্ঞৰ নীৰৱ সাক্ষী হলোঁ। চিনাকিজনক বা আপোনজনক হেৰুৱাই মৰ্মাহত হলোঁ।

ক'লাজ্বৰৰ সময়ততো আধুনিক অসমৰ জন্মই হোৱা নাছিল বুলিব পাৰি। তেতিয়া কি অৱস্থা হৈছিল--

“...ক'ৰবাৰ পৰা ক'লাজ্বৰ বেমাৰী এটা ভুটুংকৈ আহি কোনোবা এখন গাঁৱত ওলায়হি। জ্বৰ হৈ যিবোৰ মানুহ প্ৰথমেই নমৰে সিহঁত খীণাই খীণাই কলা পৰি ভূতৰ দৰে চেহেৰাৰ হয়। সিহঁত নিজেই ঘৰৰপৰা ওলাই আহে। মানুহে খেদেও। ...তেনে মানুহে গোটেইখন ঘূৰি ফুৰে। ...কাউবাউকৈ খোৱাবস্তু বিচাৰে। ... বহুতে বাৰীৰ চুকতে ভাত দুটামান দি খাই যাবলৈ কয়। ...দুই এঠাইত বোলে তেনেকৈ নিশা অহা ক'লাজ্বৰ বেমাৰীক গৃহস্থই বাৰীৰ মাজত মৰি পৰি থকাও পাইছে।”

— পৃষ্ঠা ২৮৫

কৰ'না অতিমাৰীৰ আৰম্ভণিৰ আঘাত (Shock) চম্ভালি লৈ আমি দেখিলোঁ যে ৰোগীক কেৱল জীৱিত অৱস্থাতে নিলগাই (Isolate) ৰাখিলেই নহ'ব, মৃত্যুৰ পাছতো নিলগাই ৰাখিব লাগিব। অৰ্থাৎ এই ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰা লোকসকলৰ সৎকাৰৰ বাবে পৃথক শ্মশান বা কবৰস্থানৰ ব্যৱস্থা কৰিব লাগিব। বহু ঠাইত ৰাইজৰ আপত্তি সত্বেও প্ৰশাসনৰ সহায়ত এনে ধৰণৰ শ্মশান বা কবৰস্থান প্ৰস্তুত কৰা হ'ল। সেইমতে গ্ৰহণ কৰা কাৰ্য্যব্যৱস্থাৰ ফলত মৃতকৰ গাৰ পৰা অতিমাৰী আনৰ গালৈ সোঁচৰাটো ৰোধ কৰিব পৰা হ'ল।

ক'লাজ্বৰৰ সময়ত অৰ্থাৎ প্ৰায় ডেৰশ বছৰৰ আগতেই এই ৰোগত মৃত্যুবৰণ কৰা লোকৰ বাবে পৃথকে পৃথকে শ্মশান বা কবৰস্থান প্ৰস্তুত কৰাৰ কথা “আজাৰ”ত উল্লেখ কৰা হৈছে। এই ধৰণৰ সিদ্ধান্ত ল'বলৈ তেতিয়াৰ প্ৰশাসন ৰাইজৰ লগত নাছিল। গাঁৱৰ মুখিয়াল লোকসকলেই এনে সিদ্ধান্ত লৈ কাৰ্য্যকৰী কৰিছিল। এনেদৰে ক'লাজ্বৰ বেমাৰীৰ বাবে নিৰ্দিষ্টকৈ প্ৰস্তুত কৰা শ্মশান বা কবৰস্থানলৈ বহু দূৰৰ মানুহেও বাট কুৰি বাই মৃতদেহ সৎকাৰৰ বাবে আনিছিল।

সচৰাচৰ দেশত অপায়-অমংগল হ'লে ভগৱানৰ

এই ব্ৰহ্মচাৰী বেজী ব্যৱহাৰ কৰি কুৰি শতিকাৰ বিশ-ত্ৰিশ-চল্লিশৰ দশকত ক'লাজ্বৰৰ চিকিৎসা চলোৱা হয়। কিন্তু ৰোগী অনুপাতে প্ৰতিষেধক বেজীৰ সংখ্যা আছিল তাকৰ। আনহাতে চাহ বাগানৰ মালিকসকলে প্ৰয়োজনতকৈ সৰহকৈ, সম্ভাব্য ৰোগীৰ কাৰণে এই বেজী আনি মজুত ৰখাতো প্ৰকৃত ৰোগী প্ৰতিষেধকৰ পৰা বঞ্চিত হ'বলগীয়া হৈছিল। এনে হৈছিল যে, বাগানৰ মালিকে মজুত কৰি ৰখা বেজীৰ ম্যাদ উকলি গৈছিল বা উকলি যাবৰ উপক্ৰম ঘটিছিল। ...

ওচৰত তাৰ পৰিত্ৰাণ বিচাৰি প্ৰাৰ্থনা জনোৱা হয়। ৰোগ নিৰাময়ৰ বাবে বা জীৱনৰ উদ্দেশ্যৰ সফলতাৰ বাবেও নেদেখাজনৰ ওচৰত আশিস বিচাৰি শিৰ নত কৰা হয়। ক'লাজ্বৰে বিধ্বস্ত কৰা তাহানিৰ অসমীয়া সমাজখনেও মহামাৰীৰ পৰা পৰিত্ৰাণ বিচাৰি নাম-প্ৰসংগ কৰিছিল—

"আজি তিনিখন গাঁৱৰ মানুহে লগ হৈ বৰ ডাঙৰকৈ নাম-প্ৰসংগ পাতিছে। গোটেই দিনে-নিশাই নাম হ'ব। তাৰ পাছত কাইলৈৰপৰা মানুহবোৰে নাম গাই গাই গাঁৱে গাঁৱে ঘূৰিব। ... মৰক, মৰক লাগিছে বাবে নাম পাতিছে।"

—— পৃষ্ঠা ৩০১

এটা অযৌক্তিক ধাৰণা-- প্ৰাৰ্থনাই মাৰিমৰক নোহোৱা কৰে। কিন্তু বিশ্বাসৰ কথা জড়িত হৈ থাকে বাবেই মানুহে এই নাম-প্ৰসংগ জাতীয় কাম-কাজবিলাকত হকা-বধা নকৰে। নহ'লেনো ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া ৰোধ কৰিবৰ বাবে, লাভলিনাই অলিম্পিকত সোণৰ পদক পাবৰ বাবে আমি ভগৱানক প্ৰাৰ্থনা কৰোঁ নে! সেয়ে একবিংশ শতিকাৰ দুটা দশকৰ অন্তত হঠাতে আবিৰ্ভাৱ হোৱা ক'ভিড-১৯ প্ৰতিহত কৰিবৰ বাবেও আমি ২০২০ চনৰ ২২ মাৰ্চ তাৰিখে আশ্ৰয় ললোঁ— হাতচাপৰি, শঙ্খ-ঘণ্টা-উৰুলিৰ! শব্দ ব্ৰহ্মই হেনো কৰ'নাৰ বীজাণুৰ সংক্ৰমণত বাধা আৰোপ কৰিব! লাভ একো নহ'ল, যেতিয়ালৈকে চেইনডাল ছিগি দিয়া নহ'ল— লকডাউনৰ জৰিয়তে।

এইটো অনস্বীকাৰ্য্য যে ক'ভিড-১৯ৰ প্ৰাদুৰ্ভাৱ ঘটাৰ লগে লগে ইয়াৰ কাৰণ অৰ্থাৎ উৎস নিৰূপণ কৰাৰ বাবে এফালে যেনেকৈ বিজ্ঞানীসকল ব্যস্ত হৈ পৰিল, আনফালে ইয়াৰ প্ৰতিষেধক আৱিষ্কাৰ কৰাৰ কাৰণেও বিজ্ঞানীসকলে আত্মনিয়োগ কৰিলে। কৰ'নাৰ চিকিৎসা ইতিমধ্যে আৱিষ্কৃত আৰু প্ৰচলিত ঔষধবোৰেৰেই চলিল। ভীষণভাৱে আক্ৰান্ত আৰু অন্যান্য জীৱননাশক (Co-morbidity) ৰোগত আক্ৰান্ত কৰ'না ৰোগীবিলাকৰ মৃত্যু ৰোধ কৰাটো কঠিন হৈ পৰিল যদিও দেহৰ প্ৰতিৰোধ ক্ষমতা (Immunity) থকা ৰোগী সুস্থ হ'বলৈ ধৰিলে।

বিজ্ঞানীসকলৰ আশাশুধীয়া চেষ্টাৰ ফলত 'ৰেকৰ্ড' সময়ৰ ভিতৰতে কৰ'নাৰ প্ৰতিষেধকৰ আৱিষ্কাৰ হ'ল। ভাৰতত প্ৰথমে ক'ভিশ্বিল্ড (Covishield) আৰু তাৰ পাছত ক'ভাক্সিন (Covaxin) নামৰ দুবিধ প্ৰতিষেধক বেজী ওলাল আৰু সমগ্ৰ দেশবাসীক পৰ্য্যায়ক্ৰমে এই বেজী দিবলৈ আৰম্ভ কৰিলে। ভাৰতে আনকি পৃথিৱীৰ বিভিন্ন দেশলৈ এই বেজী ৰপ্তানিও কৰিছে। বেজী লোৱা লোকসকল কৰ'নাত আক্ৰান্ত হ'লেও এই ৰোগে প্ৰতিষেধক নোলোৱা ৰোগীৰ দৰে শৰীৰত বিশেষ ক্ৰিয়া কৰিব নোৱাৰে বুলিয়েই চিকিৎসা বিজ্ঞানীসকলৰ অভিমত।

ক'লাজ্বৰ মহামাৰীৰ সময়ত প্ৰতিষেধক বেজী বা ঔষধ ওলাইছিল নে নাই, সেই সম্পৰ্কে "আজাৰ"-এ বহু কথাৰ সম্ভেদ দিছে। ক'লাজ্বৰৰ প্ৰতিষেধক ভাৰতবৰ্ষত আৱিষ্কাৰ হোৱাৰ আগতে মেলেৰিয়া জ্বৰত ব্যৱহাৰ কৰা কুইনাইনৰ দ্বাৰা ক'লাজ্বৰৰ চিকিৎসা চলোৱা হৈছিল। কিন্তু ব্ৰাজিল, ইটালী আদি দেশত সুফল পোৱা এবিধ মৌল ভাৰতীয় চিকিৎসাবিজ্ঞানী সকলে ব্যৱহাৰ কৰি প্ৰতিষেধক হিচাপে প্ৰস্তুত কৰিবলৈ ললে। এইবিধ এণ্টিমনি মৌলৰ যৌগিক চল্ট ১৯১৩ চন মানত ব্ৰাজিলত প্ৰথম ব্যৱহাৰ হৈছিল—

"ব্ৰাজিলৰ ডাক্তৰ ভিয়ান্নাই প্ৰথমবাৰৰ বাবে পটাছিয়াম এণ্টিমণি টাৰ্টাৰেট নামৰ চল্ট এটা মানুহৰ সিৰাত বেজীৰে সুমুৱাই দি সেই দেশতো হোৱা ক'লাজ্বৰ অসুখৰ প্ৰথম সফল চিকিৎসা কৰিছিল। সেই চল্টটোৰ সাধাৰণ বা চালু নাম... টাৰ্টাৰ এমেটিক। ... ইটালীৰ চিচিলিতো দুজন ডাক্তৰে এই টাৰ্টাৰ এমেটিক ব্যৱহাৰ কৰি ভাল ফল পোৱা বুলি ৰিপ'ৰ্ট কৰে। আমাৰ ভাৰততো কলিকতাত ইণ্ডিয়ান মেডিকেল ছাৰ্ভিচেছৰ এজন ডাক্তৰ লিঅ'নাৰ্ড ৰ'জাৰ্ছেও এইটো ব্যৱহাৰ কৰি সুফল পায়।"

—— পৃষ্ঠা ৩৪৮

কিন্তু এই প্ৰতিষেধকবিধৰ পাৰ্শ্বক্ৰিয়া আছিল। প্ৰস্তুত প্ৰণালীও আছিল জটিল। আনহাতে প্ৰস্তুত কৰা প্ৰতিষেধক বেছিদিন ভালে নাথাকিছিল। গতিকে উপেন্দ্ৰনাথ ব্ৰহ্মচাৰী নামৰ ভাৰতীয় চিকিৎসা বিজ্ঞানীগৰাকীয়ে টাৰ্টাৰ এমেটিকৰ ওপৰত ভিত্তি কৰি গৱেষণা আৰম্ভ কৰিলে আৰু বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ অন্তত প্ৰস্তুত কৰি উলিয়ালে 'ইউৰিয়া ষ্টিবামিন' যি বংগদেশ আৰু অসমত জনাজাত হৈ পৰিল 'ব্ৰহ্মচাৰী বেজী' বুলি--

"তেওঁ এইবাৰ এণ্টিমনি থকা পেৰত্ৰমাইন' ফিনাইল ষ্টিবাথিক এচিডৰ লগত চল্ট এটা প্ৰস্তুত কৰি উলিয়ালে। তেওঁ এইটোক নাম দিলে ইউৰিয়া ষ্টিবামিন। এইটোৱেই হ'ল ক'লাজ্বৰৰ বিৰুদ্ধে এতিয়ালৈকে প্ৰস্তুত হোৱা আটাইতকৈ কাৰ্য্যকৰী ঔষধ।"

—— পৃষ্ঠা ৩৫০

এই ব্ৰহ্মচাৰী বেজী ব্যৱহাৰ কৰি কুৰি শতিকাৰ বিশ-ত্ৰিশ-চল্লিশৰ দশকত ক'লাজ্বৰৰ চিকিৎসা চলোৱা হয়। কিন্তু ৰোগী অনুপাতে প্ৰতিষেধক বেজীৰ সংখ্যা আছিল তাকৰ। আনহাতে চাহ বাগানৰ মালিকসকলে প্ৰয়োজনতকৈ সৰহকৈ, সম্ভাব্য ৰোগীৰ কাৰণে এই বেজী আনি মজুত ৰখাতো প্ৰকৃত ৰোগী প্ৰতিষেধকৰ পৰা বঞ্চিত হ'বলগীয়া হৈছিল। এনে হৈছিল যে, বাগানৰ মালিকে মজুত কৰি ৰখা বেজীৰ ম্যাদ উকলি গৈছিল বা উকলি যাবৰ উপক্ৰম ঘটিছিল। কিন্তু বাগানৰ বনুৱাৰ বাহিৰে যিহেতু মালিক বা প্ৰশাসনৰ আন ৰোগীক লৈ কোনো চিন্তা নাছিল, গতিকে মজুত কৰি ৰখা ব্ৰহ্মচাৰী বেজী সাধাৰণ ৰোগীৰ চিকিৎসাৰ বাবে উলিয়াই দিয়া নাছিল।

কৰ'নাৰ প্ৰতিষেধকৰ সময়তো বেজীৰ ম্যাদ উকলি যোৱা ঘটনা ঘটিছে। প্ৰতিষেধক বেজী দিবলৈ আৰম্ভ কৰা সময়ত মানুহৰ মনত এটা শংকা বা সন্দেহৰ ভাব আছিল— ল'ব নে নলয়, ল'লে ভাল হ'ব নে বেয়া হ'ব— এনে ধৰণৰ দ্বিধাত ভুগি থকা বাবে প্ৰতিষেধক ল'বলৈ অহা মানুহৰ সংখ্যা পৰ্য্যাপ্ত নাছিল। ফলত বহু হাজাৰ প্ৰতিষেধক আমাৰ ৰাজ্যতে নষ্ট হৈছিল, কিয়নো এটা ফাইল এবাৰ খুলিলে নিৰ্দিষ্ট সংখ্যক মানুহৰ গাত যদি দি শেষ কৰিব নোৱাৰে, বাকী ৰোৱা অংশ সংৰক্ষণ কৰিব পৰা নগৈছিল।

ক'লাজ্বৰৰ প্ৰতিষেধক বেজী উদ্ভাৱন আৰু ব্যৱহাৰৰ ক্ষেত্ৰত "আজাৰ"ত ব্ৰাজিল আৰু ইটালীৰো নাম পোৱা গ'ল আমাৰ দেশৰ লগতে। তেতিয়াহ'লে এইটো কথা প্ৰতীয়মান হ'ল যে ভাৰতৰ বাহিৰেও পৃথিৱীৰ অন্যান্য দেশতো ক'লাজ্বৰ হৈছিল। কিন্তু সেই সময়ত বেমাৰবিধৰ ব্যাপকতা, ভয়াবহতা, মাৰণ ক্ষমতা থকাৰ পাছতো কিয় অতিমাৰী হিচাপে ঘোষণা কৰা হোৱা নাছিল? তাৰ কাৰণ এটাই হ'ব পাৰে যে বিশ্ব স্বাস্থ্য সংস্থাৰ দৰে কোনো আন্তৰ্জাতিক সংস্থাৰ তেতিয়া জন্ম হোৱা নাছিল। ১৯৪৮ চনতহে বিশ্ব স্বাস্থ্য সংস্থাৰ জন্ম হৈছিল।

প্ৰতিষেধক আৱিষ্কাৰ আৰু প্ৰয়োগ হোৱাৰ পাছত তথা অন্যান্য প্ৰাকৃতিক কাৰণত ক'লাজ্বৰৰ মাৰণ ক্ষমতা কমি আহিল আৰু প্ৰাদুৰ্ভাৱো কমি আহিল। কিন্তু ক্ৰনিক বেমাৰ হিচাপে অসম আৰু বংগদেশৰ বহু অঞ্চলত ক'লাজ্বৰ হৈয়েই থাকিল। কলিকতা মেডিকেল কলেজত পঢ়িবলৈ যোৱা পুতেক মণিময়লৈ মাক যশোদাই লিখা চিঠিত পোৱা যায়—

"...তুমি সৰু থাকোঁতে আমাৰ এই গোটেই খণ্ডটো কেনেদৰে ক'লা আজাৰে দহি নিছিলে সেইটো তুমি নিজেও ভালদৰে দেখিছিলা। কাহানিও নেদেখা, নাম নুশুনা বেমাৰ এটাই মহামাৰী হৈ প্ৰজাক সংহাৰ কৰিলে। বহু গাঁও উছন হ'ল। সেইবোৰলৈ এতিয়াও দিনতে মানুহ নাযায়। এতিয়াও তুঁহজুইৰ দৰে আজাৰটো উমি উমি জ্বলি আছে। ঠায়ে ঠায়ে আকৌ ওলায়। ..."

—— পৃষ্ঠা ২২৮

অৰ্থাৎ মহামাৰী ক'লাজ্বৰৰ মাৰণ ক্ষমতা নিস্তেজ হোৱাৰ বহু বছৰ পাছলৈকে ক'লাজ্বৰ আছিল। এই ক্ৰনিক ক'লাজ্বৰ অসমৰ লগতে বংগতো আছিল বুলি "আজাৰ"ৰ পাতত পোৱা যায়। ক'লাজ্বৰৰ লগত সহ অৱস্থান কৰিবলৈ শিকোঁতে এসময়ত মানুহৰ শৰীৰৰ প্ৰতিৰোধ ক্ষমতাৰ ওচৰত ই হয়তো হাৰ মানিলে।

কৰ'নাৰ ক্ষেত্ৰতো আমি দেখা পাইছোঁ যে সকলো ধৰণৰ প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ পাছত ইয়াৰ প্ৰাদুৰ্ভাৱ লাহে লাহে কমি আহে। প্ৰতিষেধক বেজী লোৱাৰ পাছত দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি পোৱাৰ লগতে মানসিকভাৱেও সাহসী হোৱা যায়। কিন্তু সমস্যা হৈ দেখা দিছে ক'ভিডোত্তৰ শাৰীৰিক তথা মানসিক সমস্যাক লৈ। এবাৰ ক'ভিড হোৱা ৰোগীৰ স্বাস্থ্য আগৰ অৱস্থালৈ ঘূৰি আহিবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন হোৱা দেখা গৈছে। স্নায়বিক দুৰ্বলতাকে ভিতৰ কৰি বহু ধৰণৰ উপসৰ্গই ক'ভিডোত্তৰ সময়ছোৱাত আহুকালৰ সৃষ্টি কৰে। আনহাতে ক'ভিডে মানসিক স্বাস্থ্যৰ ওপৰত প্ৰভূত প্ৰভাৱ পেলায়। ক'ভিড হৈ যোৱা বহুসংখ্যক ৰোগী হতাশাত ভোগা

পৰিলক্ষিত হৈছে। এতিয়া কৰ'নাৰ সৈতে সহাৱস্থান কৰাৰ বাবে পৃথিৱীবাসী সাজু হোৱাৰ বাহিৰে গত্যন্তৰ নাই।

যিয়েই নহওক ড° ধ্ৰুৱজ্যোতি বৰাই "আজাৰ"ত অংকন কৰা ক'লাজ্বৰৰ চিত্ৰখনৰ লগত যে অতিমাৰী কৰ'নাৰ সাদৃশ্য কোনোপধ্যেই পোনে পোনে প্ৰতিস্থাপিত কৰিব নোৱাৰি সেই কথা ধুৰুপ। বিভিন্ন সময়ত পৃথিৱীত বিভিন্ন মহামাৰীৰ উদ্ভৱ হৈছে আৰু প্ৰতিবাৰেই বৃহৎসংখ্যক মানুহৰ মৃত্যু হৈছে। চিকিৎসা বিজ্ঞানৰ প্ৰতিষেধক আৱিষ্কাৰেই হওক বা প্ৰাকৃতিকভাৱে গঢ়ি উঠা প্ৰতিৰোধ ক্ষমতাৰ কাৰণেই হওক, প্ৰতিবাৰেই একোটাহঁত নিৰ্দিষ্ট সময় ৰেখাৰ অন্তত এই মহামাৰীবিলাক নোহোৱা হয় বা সিবিলাকৰ প্ৰভাৱ স্তিমিত হৈ পৰে। মহামাৰীৰ সময়ত ল'বলগীয়া প্ৰতিৰোধ-মূলক ব্যৱস্থাসমূহ লোৱাৰ অভ্যাস কৰোঁতে সেই অভ্যাসে মানুহৰ জীৱন ধাৰণ প্ৰণালীৰ অংগ হৈ ৰোগৰ মাজতো জীয়াই থকাৰ সমল যোগায়। সেই কথা "আজাৰ"ৰ ক'লাজ্বৰে শিকাইছিল, অতিমাৰী কৰ'নাই শিকাইছে। উল্লেখযোগ্য কথাটো হ'ল ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰি, ঐতিহাসিক সামাজিক তথ্য সংগ্ৰহ কৰি, British Medical Journal-অৰ নিচিনা মেডিকেল জাৰ্নাল পঢ়ি ড° বৰাই কেইবাবছৰো আগতে ৰচনা কৰা উপন্যাস "আজাৰ"ৰ ক'লাজ্বৰৰ বাৰস্থাপনাৰ লগত অতিমাৰী কৰ'নাৰ ব্যৱস্থাপনাৰো গতি-প্ৰকৃতিৰ মিল।

লেখকসকল এখন সমাজৰ এছোৱা সময়ৰ সূত্ৰধাৰ। তেওঁলোকে সমকালীন সমাজখন প্ৰতিনিধিত্ব কৰে। সমাজৰ সুখ-দুখ, সমস্যা, উত্তৰণৰ ছবি লেখকৰ কলমে অংকন কৰে। আনকি নিজৰ বাবে লিখা লেখাতো সমাজৰ দাবী কোনো লেখকে আওকাণ কৰিব নোৱাৰে। ড° ধ্ৰুৱজ্যোতি বৰা স্বভাৱতে এগৰাকী সমাজ সচেতন লেখক। কিন্তু "আজাৰ"ত তেওঁ অসাধ্য সাধন কৰিছে। তিনিটা শতিকাৰ সমাজৰ প্ৰতিচ্ছবি তেওঁ অংকন কৰিছে তেওঁৰ এই বৃহৎ কলেৱৰৰ উপন্যাসখনত। হাবি-জংগলেৰে ভৰা, গৃহযুদ্ধত জুৰুলা অষ্টাদশ শতিকাৰ অৰ্থাৎ শেষ মধ্য যুগৰ অসমীয়া সমাজখন য'ত মানুহতকৈও ভূত-প্ৰেত-অপদেৱতাৰ ভয় বেছি– সেই সমাজখন; ঊনবিংশ শতিকাৰ পৰাধীন অসমৰ ছবিখন, য'ত বৃটিছে অসমত চাহবাগিচা পাতি বাহিৰৰ বনুৱা আনি থাপিছে, কৰ-কাটল বৃদ্ধি কৰি অসমীয়া ৰাইজক শোষণ কৰিছে আনহাতে ক'লাজ্বৰ মহামাৰীয়ে ৰাইজক জুৰুলা কৰিছে; ঊনবিংশ শতিকাতে আৰম্ভ হোৱা স্বাধীনতা সংগ্ৰামত জড়িত হৈ পৰা অসমীয়া সমাজখন য'ত শিক্ষাৰ পোহৰে লাহে লাহে মানুহবিলাকক আহ-পাহ মেলিবলৈ শিকাইছে; স্বাধীনতা সংগ্ৰামৰ সৰ্বব্যাপী প্ৰভাৱতো কুৰি শতিকাৰ সমাজখনে সুৰুঙা পালেই য'ত ভূমুকি মাৰিছে।

লেখকসকল দ্ৰষ্টা। একোখন গ্ৰন্থ বা একোটাহঁত লেখাৰ মাজত লেখকৰ কল্পদৃষ্টিৰ জৰিয়তে ভৱিষ্যতৰ সম্ভাৱনা লুকাই থাকে। থাকে একোখন সমাজৰ অতীত আৰু বৰ্তমানৰ ৰূপৰেখা। ড° ধ্ৰুৱজ্যোতি বৰাৰ "আজাৰ"তো ক'লাজ্বৰৰ গতি-প্ৰকৃতিৰ জৰিয়তে মহামাৰীৰ সময়ত বিতত নহৈ উপযুক্ত প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণৰ সম্ভাৱনা নিহিত আছে। স্মৃতিয়ে ঢুকি পোৱা দিনৰে পৰা পৃথিৱীত প্ৰাদুৰ্ভাৱ ঘটা সকলোবোৰ মহামাৰীৰ মাৰণ ক্ষমতা স্তিমিত হৈ ক্ৰনিক ৰূপত বহুদিন মানুহৰ মাজত বৰ্তি থকাৰ কথা যেনেকৈ ইতিহাস, ক'লাজ্বৰো ক্ৰনিক ৰূপত বৰ্তি থকাৰ কথা "আজাৰ"ত ধ্ৰুৱজ্যোতি বৰাই উল্লেখ কৰিছে। সেয়া কল্পনাশ্ৰিত নহয়, বৰঞ্চ বাস্তৱ। এই কথাটোকে বিশ্ববাসীয়ে আজি অনুভৱ কৰিছে। সকলো ধৰণৰ প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণ কৰাৰ ফলত কৰ'নাৰ প্ৰাদুৰ্ভাৱ কমি আহিছে। কিন্তু বহুদিনলৈ যে কৰ'না মানুহৰ মাজত থাকিব-- সেই কথা বিশ্ব স্বাস্থ্য সংস্থাকে ধৰি সকলোৱে বুজিছে। উল্লেখনীয় কথাটো হ'ল-- অষ্টাদশ-ঊনবিংশ শতিকাৰ শিক্ষাৰ পোহৰ নপৰা অসমীয়া মানুহবিলাক ক'লাজ্বৰ মহামাৰীৰ দ্বাৰা আক্ৰান্ত হৈ যেনেদৰে মৃত্যুমুখত পৰিবলগীয়া হৈছিল আজিৰ চিকিৎসা বিজ্ঞানৰ সৰ্বোৎকৃষ্ট সুবিধা থকা সভ্যতাৰ উচ্চ শিখৰত অৱস্থান কৰা বিশ্বতো কৰ'নাৰ আক্ৰমণত তেনেদৰেই মানুহ মৃত্যুৰ গ্ৰাসত পৰিছে।

আজাৰ(ক'লাজ্বৰ)ৰ দৰেই কৰ'নাৰ ইতিবৃত্ত লিপিবদ্ধ কৰিবলৈ আমি অন্য এক ধ্ৰুৱজ্যোতি বৰাৰ অপেক্ষা কৰি ৰ'লোঁ।

●

... সকলোতকৈ প্ৰধান কথা গ্লক'মাৰ প্ৰতি সজাগতাই হ'ল একমাত্ৰ উপায় এই দৃষ্টিৰ সংগোপন চোৰটোক প্ৰতিহত কৰাৰ

# গ্লক'মা ঃ দৃষ্টিৰ সংগোপন চোৰ

**ডাঃ বিৰাজ জ্যোতি গোস্বামী**

"মই জন মিল্টনে কৈছোঁ– চিনিব পৰা নাই? মোক বাৰু পাহৰিলাই, মোৰ সৰগখনতো পাহৰিব নোৱাৰা বন্ধু! তোমাৰ স্মৃতিৰপৰা ঠিক তেনেকৈয়েই মই আতৰিছোঁ, যেনেকৈ মোৰ চকুৰ জেউতিখিনি আঁতৰি গৈছিল– নীৰৱে– সংগোপনে–। –ঠিকেই শুনিছা, এটা অতি নিঃশব্দ চোৰে চুৰি কৰি নিলে মোৰ চকুৰ পৰা মোৰ দৃষ্টিক–।"

সেয়া আছিল চাৰিটা শতাব্দীৰ হিমকঠিন আৱৰণৰ সিপাৰৰ পৰা ভাহি অহা মধ্যযুগীয় ইংৰাজী সাহিত্যৰ অন্যতম কাণ্ডাৰী জন মিল্টনৰ নিজৰ অন্ধ জীৱনক লৈ কৰা কাতৰ বিলাপ। Paradise Lost, Paradise Regained, Samson Agonistes, Lycidas আদিৰ মহান স্ৰষ্টা মিল্টনে মাত্ৰ ডেৰকুৰি বছৰ বয়সতে অনুভৱ কৰিলে তেওঁৰ এটা চকুৰ দৃষ্টিশক্তি যেন লাহে লাহে কমি আহিছে। এক সম্ভ্ৰান্ত পৰিয়ালৰ সন্তান, কেমব্ৰিজত উচ্চশিক্ষাপ্ৰাপ্ত আৰু সৰুৰেপৰাই এক ব্যতিক্ৰমী মননশীলতা তথা সৃজনীশক্তিৰে পুষ্ট মিল্টনৰ বাবে এয়া আছিল এক বিনামেঘে বজ্ৰপাত। বহুত কামেই যে কৰিবলৈ বাকী! ইমানদিনে মনত থৌকিবাথৌ কৰি থকা ভাববোৰক শব্দৰ ৰূপ দিয়া, পৰ্য্যাপ্ত ভ্ৰমণৰ অভিজ্ঞতা আৰু গেলিলিওৰ দৰে মহীৰুহসকলৰ সান্নিধ্যত অৰ্জা চিন্তনৰ উৎকৰ্ষ কেতিয়া প্ৰকাশ কৰিব?-- তিনিবছৰৰ ভিতৰতে তেওঁৰ আনটো চকুৱেও তেওঁক প্ৰতাৰণা কৰিবলৈ আৰম্ভ কৰিলে। বৈদেশিক দপ্তৰৰ কামৰ উপৰুৱা সময়খিনিত ধুমুহাৰ গতিৰে তেওঁ ৰচনা কৰি গ'ল এটাৰ পিছত এটাকৈ তেওঁৰ অনবদ্য সৃষ্টিসমূহ। যেন আসন্ন অন্ধতাৰ লগত এক অঘোষিত প্ৰতিযোগিতা। অৱশেষত তিৰাল্লিশ বছৰ বয়সত তেওঁক অন্ধতাৰ কৰালতাই গ্ৰাস কৰি পেলালে আৰু লগে লগে তেওঁৰ সৃজনীৰ গতি স্তব্ধ নহ'লেও অনেক মন্থৰ হৈ পৰিল। তেওঁৰ টোকাবহীত তেওঁ কেইটামান শব্দ লিখি থলে "– দৃষ্টিৰ সংগোপন চোৰ The Silent Thief of Vision" ।

চোৰ বোলাৰ কাৰণ এয়ে যে তেওঁৰ অন্ধতাৰ কোনো স্পষ্ট কাৰণ তেওঁক কোনেও দিব পৰা নাছিল, যদিওবা সেই শতিকাতেই কেইটামান বছৰ আগতে ৰিচাৰ্ড বেনিষ্টাৰ নামৰ ইংৰাজ চকু বিশেষজ্ঞ এজনে এই অন্ধতা আৰু চকুৰ চাপৰ মাজৰ সম্পৰ্ক সম্বন্ধে

গৱেষণাত আৱিষ্কাৰ কৰিছিল এই নীৰৱ চোৰটোক— যাক চকু চিকিৎসা শাস্ত্ৰত জনা যায় গ্লক'মা (Glaucoma) নামেৰে। দৰাচলতে গ্লক'মা সম্পৰ্কে প্ৰথম লিপিবদ্ধ উল্লেখ পোৱা যায় খৃষ্টপূৰ্ব চতুৰ্থ শতিকাত হিপ'ক্ৰেটিছৰ টোকাত গ্লাইক'চিচ (Glycosis) বুলি। প্ৰাচীন ভাৰতীয় আয়ুৰ্বেদৰ পুৰোধা শুশ্ৰুতৰ শুশ্ৰুত সংহিতাতো এই ৰোগ আৰু ইয়াৰ নিৰাময়ৰ বাবে কৰা অস্ত্ৰোপচাৰৰ অস্পষ্ট উল্লেখ পোৱা যায় আৰু শুশ্ৰুত আছিল হিপ'ক্ৰেটিছতকৈও এক শতিকা আগৰ। দুৰ্ভাগ্যজনক কথা যে অস্পষ্টতা আৰু সন্দেহযুক্ত সংৰক্ষণৰ বাবে গ্লক'মাৰ প্ৰথম উল্লেখৰ দাবী ভাৰতীয় আয়ুৰ্বেদৰ নাখাটিল।

মিল্টনৰ অন্ধতাৰ প্ৰায় দুশ বছৰ পাছতহে হেমহল্টজে চকু পৰীক্ষাৰ অনুবীক্ষণ যন্ত্ৰ Opthalmoscope আৱিষ্কাৰ কৰাত গ্লক'মাৰ বিজ্ঞানভিত্তিক অধ্যয়ন আৰম্ভ হয়। যোৱা ডেৰ শতিকাজুৰি আজিকোপতি এই অধ্যয়ন চলিয়েই আছে আৰু নতুন নতুন তথ্য তথা নিৰাময়ৰ দিশ আৱিষ্কৃত হৈ আছে। জ্ঞানৰ সমান্তৰালভাৱে বাঢ়ি গৈছে এই ৰোগত আক্ৰান্তৰ পৰিসংখ্যা কাৰণ চিনাক্তকৰণৰ প্ৰক্ৰিয়া এতিয়া বহুত উন্নত আৰু সুলভ হৈছে। আজি বিশ্বত আশী নিযুতৰো অধিক ৰোগীৰে গ্লক'মা দৃষ্টিহীনতাৰ দ্বিতীয় প্ৰধান কাৰণ ৰূপে চিহ্নিত হৈছে। অৱশ্যে এই ৰোগৰ প্ৰতি থকা সজাগতাৰ অভাৱত প্ৰায় সমান সংখ্যক ৰোগী চিনাক্ত নোহোৱাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি।

**এই গ্লক'মানো কি ?**

আমাৰ চকুটো টেবুল টেনিছত ব্যৱহাৰ হোৱা পিংপং বলটোৰ সদৃশ এটা গোলাকাৰ (Spherical) গঠনৰ অংগ। এই গোলাকৃতি বজাই ৰখাৰ বাবে প্ৰয়োজন এটি আভ্যন্তৰীণ চাপৰ যাক IOP (Intraoclar pressure) বোলা হয়। চকুৰ ভিতৰত দুবিধ জুলীয়া পদাৰ্থ থাকে; সমুখৰ অংশত পানীৰ দৰে তৰল একুৱাচ হিউমৰ বা চমুকৈ একুৱাচ (Aquois Humor) আৰু পিছৰ অংশত জেলিৰ দৰে ডাঠ ভিট্ৰিয়াচ হিউমৰ বা চমুকৈ ভিট্ৰিয়াচ (Vitreous Humor) ।এই একুৱাচ অনবৰত নিৰ্গত আৰু নিষ্কাসিত হৈ থাকে। যদি কোনো কাৰণত ইয়াৰ উৎপাদনৰ হাৰ নিষ্কাসনতকৈ বেছি হয় তেন্তে ইয়াৰ আয়তন বাঢ়ি যোৱাৰ ফলত চকুৰ আভ্যন্তৰীণ চাপ বাঢ়ি যায় আৰু এই বৰ্ধিত চাপে দৃষ্টিশক্তিৰ মূল স্নায়ুডাল দুৰ্বল কৰি পেলায়। এই স্নায়ু দুৰ্বলতাজনিত অন্ধতাকে গ্লক'মা বোলা হয়।

চকুৰ চাপ (IOP) বিভিন্ন কাৰণত বাঢ়িব পাৰে। একুৱাচ কিছুমান চকুৰ আভ্যন্তৰীণ প্ৰদাহ (Inflammation) বা অভাৱত বেছিকৈ উৎপন্ন হয়। চকুৰ মধ্যতৰপত থকা চিলিয়াৰী বডি (Ciliary Body) নামৰ অংশটোৰ অতি সূক্ষ্ম গ্ৰন্থিবোৰে এই ৰস উৎপাদন কৰে আৰু উত্তেজিত পৰিৱেশত এই উৎপাদন বাঢ়ি যাব পাৰে। কিন্তু বেছিভাগ ক্ষেত্ৰত চাপ বঢ়াৰ কাৰণ পিছে নিষ্কাসনত হোৱা আঁসোৱাহহে। চিলিয়াৰী বডিত উৎপন্ন হোৱা একুৱাচ মণিৰ মাজেৰে আহি এটা কোণত জমা হয় (Anterior Chamber Angle)। তাৰপৰা ই এখন চালনীৰ (Trabecular meshwork) মাজেৰে সৰকি এডাল নলাত (Schlemn's canal) পৰে আৰু বাহিৰলৈ ওলাই যায়।

যদি কোনো কাৰণত এই কোণটো চাপ খাই পৰে তেন্তে এই চালনিখনেদি একুৱাচ সৰকিব নোৱাৰি আৱদ্ধ হৈ পৰে আৰু চাপটো অতি ক্ষিপ্ৰতাৰে বাঢ়ি যায়। ইয়াক Angle Closure Glaucoma (ACG) বোলা হয়। ই হঠাতেই ধুমুহাৰ দৰে আহে আৰু তাণ্ডৱলীলাৰে ই কেইঘণ্টামান বা কেইদিনমানৰ ভিতৰত সম্পূৰ্ণ অন্ধতা নমাই আনিব পাৰে। কিন্তু বেছিভাগ ক্ষেত্ৰত ই কিছুদিনৰ আগৰেপৰা কিছুমান অশনি সংকেত দি থাকে। যিহেতু ইয়াৰ ভয়াবহতাৰ বাবে ACG চকুৰ তিনিবিধ আকস্মিক দুৰ্য্যোগৰ ভিতৰত পৰে, এই অশনি সংকেতবোৰ সকলোৰে জনা উচিত। এই সংকেতবোৰ হ'ল হঠাৎ অতি সাময়িকভাৱে চকুৰ বিষ হোৱা আৰু ধোঁৱাকোৱা দেখা, পোহৰৰ চাৰিওফালে ৰামধেনুৰ লেখীয়া বৰ্ণালীবৃত্ত দেখা আৰু বিশেষকৈ অন্ধকাৰত এনে হোৱা ইত্যাদি। সাধাৰণতে এই লক্ষণবোৰ অতি সাময়িক ৰূপত আহে আৰু ইয়াক Prodromal Stage বা অ'ৰা (Aura) বুলি কোৱা হয়। এই সময়ছোৱাত যদি চিকিৎসা লোৱা যায় এইবিধৰ গ্লক'মা জীৱনলৈ নিৰাময় কৰিব পাৰি। গ্লক'মাৰ সৰ্বপ্ৰথম ঔষধ Pilocarpine-ৰ (১৮৫২ চনতেই আৱিষ্কৃত) ব্যৱহাৰে মণিটো কোঁচ খুৱাই দিয়ে যাৰ ফলত চাপ খাই অহা কোণটো আকৌ খুলি যায়। আজিকালি YAG LASER Iridotomy পদ্ধতিৰ ব্যৱহাৰে ইয়াক জীৱনলৈ নিৰ্মূল কৰিব পাৰে আৰু এই পদ্ধতি অতি সহজলভ্য হৈ পৰিছে। অন্যহাতে এই সংকেতবোৰক অৱহেলা কৰিলে হঠাৎ কোনোবাদিনা

কোণটো একেবাৰে বন্ধ হৈ খুব ক্ষিপ্ৰতাৰে চাপ বঢ়াই দিব পাৰে। এনে সময়ত প্ৰচণ্ড চকুৰ আৰু মূৰৰ বিষ হয়, বমিৰ ভাব হয় আৰু দৃষ্টি একেবাৰে কমি যায়। এই অৱস্থাতো তাৎক্ষণিক আৰু যুদ্ধকালীন চিকিৎসাৰে এই ৰোগৰ নিৰাময় কৰি সম্পূৰ্ণ দৃষ্টি ঘূৰাই আনিব পাৰি। কিন্তু কেইঘণ্টামানৰ বিলম্বই চিৰদিনলৈ অন্ধতা মাতি আনিব পাৰে।


কথা হ'ল যে এই ধুমুহাৰ গতিৰে অহা ACG ক চোৰ বুলিব পাৰি নে ডকাইত? তেন্তে মিল্টনে উল্লেখ কৰা সেই চোৰটোৰ বিষয়ে অকণমান জানোচোন। আগতে উল্লেখ কৰি অহা অতিসূক্ষ্ম চালনী (Trabecular Meshwork) বা নলাডাল (Schlemn's Canal) কেতিয়াবা চাপ খাই বন্ধ হৈ আহে। এই চাপ খোৱাৰ সঠিক কাৰণটো আজিকোপতি বিজ্ঞানৰ বাবে স্পষ্ট নহয়। যি নহওক, এই প্ৰক্ৰিয়াটো বৰ সন্তৰ্পণে আগবাঢ়ে আৰু ইয়াৰ লগে লগে একুৱাচৰ নিষ্কাসন বাধাগ্ৰস্ত হ'বলৈ ধৰে যাৰ ফলস্বৰূপে লাহে লাহে চকুৰ চাপ বাঢ়ি যায়। এই ক্ৰমবৰ্ধিত চাপে মূল স্নায়ুডালৰ তেজ চলাচলত বাধা দিয়ে আৰু স্নায়ুডাল শুকাবলৈ আৰম্ভ কৰে। লগে লগে সংকুচিত হ'বলৈ ধৰে দৃষ্টিৰ পৰিসীমা (Field of Vision)। যিহেতু এই পৰিসীমা সংকোচন বাহিৰৰপৰা মাজলৈ হয় আৰু অতি সন্তৰ্পণে হয়, ৰোগীৰ ব্যৱহাৰিক দৃষ্টি বহুদিনলৈ স্পষ্ট হৈ থাকে আৰু সেইবাবেই ৰোগীজনে চিকিৎসকৰ পৰামৰ্শ লোৱাৰ প্ৰয়োজন বোধ নকৰে। কিন্তু পাছৰফালে এই সংকোচনে দৃষ্টি কেৱল একেবাৰে মাজভাগত সীমাবদ্ধ কৰি ৰাখে আৰু ৰোগীয়ে এডাল নলীৰ মাজেৰে চোৱাৰ দৰে চাবলৈ বাধ্য হয় (Tubular vision)। অৱশ্যে ইয়াৰ লগতে ৰোগীৰ সোমাজৰ দৃষ্টিৰ (Central vision) উজ্জ্বলতাও কমিবলৈ ধৰে। এটা সময়ত সেই সোমাজৰ নলাসদৃশ দৃষ্টিকণো লুপ্ত হয় আৰু ৰোগীজন সম্পূৰ্ণৰূপে অন্ধ হৈ পৰে। গতিকে এইবিধৰ গ্লক'মাহে মিল্টনৰ সেই দৃষ্টিৰ সংগোপন চোৰটো যাক এতিয়া চিকিৎসাশাস্ত্ৰত Chronic Simple Glaucoma বা Open Angle Glaucoma (OAG) নামেৰে জনা যায়।


গ্লক'মা বেছিভাগ ক্ষেত্ৰত বংশানুক্ৰমিক হয় (Familial Genetic Transmission) যদিও সাধাৰণতে জীৱনৰ চতুৰ্থ বা পঞ্চম দশকতহে আৰম্ভ হয়। যিহেতু ইয়াৰ প্ৰাথমিক লক্ষণ বুলিবলৈ প্ৰায় নায়েই, গতিকে চল্লিশোৰ্ধ সকেলাৰে বছৰত এবাৰকৈ চকু পৰীক্ষা কৰোৱাটো উচিত। যাৰ বংশত ইয়াৰ প্ৰাদুৰ্ভাৱ আছে তেওঁ বছৰেকত বা দুবছৰত এবাৰকৈ গ্লক'মাৰ বিশেষ পৰীক্ষাসমূহ কৰোৱাটো বাঞ্ছনীয়। আজিকালি গ্লক'মা নিৰ্ণায়ক পৰীক্ষাসমূহ OCT বা Visual Field Analysis ইত্যাদি অতি সহজলভ্য।


এই প্ৰধান দুবিধ গ্লক'মাৰ (ACG আৰু OAG) উপৰিও আৰু দুবিধ গ্লক'মা আছে। তাৰ প্ৰথমবিধ হ'ল Secondary Glaucoma অৰ্থাৎ চকুৰ আন কোনোবা অসুখৰপৰা বা ব্যৱহৃত দৰৰৰ পাৰ্শ্বক্ৰিয়াৰূপেও গ্লক'মা হ'ব পাৰে। প্ৰাথমিক কাৰণৰ উপযুক্ত চিকিৎসা আৰু চাপ কমোৱা ঔষধৰ ব্যৱহাৰে এইধৰণৰ গ্লক'মা পূৰামাত্ৰাই নিৰাময় কৰিব পাৰে। আনবিধ হ'ল শিশুৰ ক্ষেত্ৰত হোৱা Congenital Glaucoma যিটো জন্মগত কিছু আঁসোৱাহৰ ফলত পানীকেঁচুৱাৰ চকুত হয়। এই ৰোগত আক্ৰান্ত শিশুটিৰ চকুটো অস্বাভাৱিকভাৱে ডাঙৰ হয় (যাৰ বাবে ইয়াক Buphthalmos বুলিও কোৱা হয়) আৰু শিশুটিয়ে পোহৰ একেবাৰে সহ্য কৰিব নোৱাৰে। তাৎক্ষণিক অস্ত্ৰোপচাৰে শিশুটিক জীৱনলৈ অন্ধ হোৱাৰ পৰা বচাব পাৰে।

সামৰণিত এটা কথাই কওঁ যে যিহেতু দুৰ্বল স্নায়ুডালক কোনো চিকিৎসাই সবল কৰিব নোৱাৰে, গতিকে সেই দুৰ্বলতাৰ সৃষ্ট দৃষ্টিহীনতাও কেতিয়াও ঘূৰাই আনিব নোৱাৰি। কিন্তু বৰ্তমান চিকিৎসা শাস্ত্ৰত কেইবাটাও দৰৱ আছে যিয়ে এই অন্ধতা প্ৰতিৰোধ কৰিব পাৰে যদিহে সঠিক সময়ত ৰোগ নিৰ্ণয় কৰিব পৰা যায়। যদি এই দৰৱবোৰো সফল নহয়, তেতিয়াও অতি প্ৰমাণী অস্ত্ৰোপচাৰ আছে যাৰ জৰিয়তে একুৱাচৰ নিষ্কাসন ক্ষমতা বঢ়াই চকুৰ চাপটো কমাই ৰাখিব পাৰি আৰু অৱশিষ্ট স্নায়ুডালক বা লগতে দৃষ্টিক সুৰক্ষা দিব পাৰি। Aura-ৰ প্ৰাথমিক লক্ষণক গুৰুত্ব দিয়া, নিয়মীয়াকৈ চকু পৰীক্ষা কৰা, শিশুটিৰ চকুসম্পৰ্কীয় সকলো কথা তন্নতন্নকৈ মন কৰা আৰু সকলোতকৈ প্ৰধান কথা গ্লক'মাৰ প্ৰতি সজাগতাই হ'ল একমাত্ৰ উপায় এই দৃষ্টিৰ সংগোপন চোৰটোক প্ৰতিহত কৰাৰ।


●





সাধাৰণ দৃষ্টিত এথোপা ফুল
(Normal Vision)



গ্ল'কমাত পোহৰৰ ক্ৰমহাসমান আপেক্ষিকতা
(Reducing brightness & contrast)




নলীসদৃশ দৃষ্টি
(Tubular Vision in advanced Glaucoma)

# গ্লক'মাৰ সচেতনতা

বিপদৰ সম্ভাৱনা ক'ত?


- ৪০ বছৰতকৈ বেছি বয়সৰ
- পৰিয়ালত গ্লক'মাৰ বুৰঞ্জী
- ডায়েবেটিচ বা উচ্চ ৰক্তচাপৰ সমস্যা
- চকুৰ আঘাত বা দৃষ্টিহীনতা
- ষ্টেৰইড, এণ্টিডিপ্ৰেশ্যনেন্ট আদি দৰবৰ দীৰ্ঘম্যাদী সেৱন




সাধাৰণ দৃষ্টিত দিগন্ত



আৰম্ভণী গ্লক'মা



বৰ্ধিত গ্লক'মাত ধূসৰিত দিগন্ত



নলীসদৃশ দৃষ্টি

***Issued in public interest by Milmet a division of Sun Pharma***

Milmet

a SUN PHARMA division

আতাৰ কোঠাটোৰ সন্মুখতে এডাল অমৰা গছ আছিল। অমৰা গছত অমৰা পকি মাটিত সৰি পৰিছিল। এইজোপা অমৰা গছৰ পকা অমৰা খাবলৈ হালধীয়া ৰঙৰ এটা চৰাই সদায় আহিছিল। আৰু বহুত বেলেগ চৰাইও আহিছিল। আতাই সদায় নিজ হাতেৰে চৰাইবোৰৰ কাৰণে চাউল আনি চৰাইবোৰক খুৱাইছিল।...

# আতা ৰঘুনাথ চৌধাৰী ঃ সান্নিধ্যৰ সোঁৱৰণ

**ডাঃ জয়ন্ত চৌধুৰী**

আমি সৰুতে জালুকবাৰীত বিশ্ববিদ্যালয়ৰ শিক্ষক আবাসৰ চৌহদত আছিলোঁ মা-দেউতাই গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনা কৰা সূত্ৰে। মই তেতিয়া তিনিবছৰীয়ামান আছিলোঁ যেন লাগে। কথাবোৰ ৰিণিকি ৰিণিকিহে মনত পৰিছে। গুৱাহাটীৰ উজানবজাৰত মাহঁতৰ ঘৰ আছিল। তালৈ আমি সঘনে গৈছিলোঁ। বিশ্ববিদ্যালয় চৌহদৰ পৰা দেউতা-মা আৰু বাইদেউৰ লগত উজানবজাৰৰ আইমাহঁতৰ (আমি আইতাক আইমা বুলিছিলোঁ) প্ৰকাণ্ড ঘৰলৈ আহিছিলোঁ। আইমাহঁতৰ ঘৰলৈ গ'লে প্ৰকাণ্ড ঘৰটোৰ বাওঁফালৰ এটা আহল-বহল কোঠাত এজন বুঢ়া মানুহ দেখোঁ। আমি সৰুৰে পৰা মানুহজনক আতা বুলি মাতিছিলোঁ। মই আছিলোঁ ঘৰৰ ভিতৰত আটাইতকৈ সৰু। গতিকে মোৰ এই বৃহৎ চৌহদ আৰু ডাঙৰ ঘৰটোত ইটো মূৰৰপৰা সিটো মূৰলৈ, সকলোতে যেতিয়াই ইচ্ছা তেতিয়াই অবাধ বিচৰণ কৰাৰ স্বাধীনতা আছিল। মই য'লৈকে গৈছিলোঁ, মোক কেতিয়াও কোনেও বাধা দিয়া নাছিল। গতিকে প্ৰকাণ্ড ঘৰটোৰ চাৰিওফালে মই পিটপিটাই ফুৰিছিলোঁ। এফালে ধানৰ ভঁৰাল, গৰুৰ গোহালি, ঢেঁকীশাল– আনফালে এটা বিৰাট ডাঙৰ ৰান্ধনি ঘৰ; য'ত বেঞ্চি পৰা থাকে। তাতে আমি ভাত খাওঁ, লুচি ভাজি খাওঁ বা অন্যান্য আহাৰ খাওঁ।

আতাৰ কোঠালিত মোৰ প্ৰধান আকৰ্ষণটো আছিল বেলেগ। আতাৰ বিছনাত এটা সৰু টেমা থাকে আৰু টেমাটোৰ ভিতৰত বিস্কুট থাকে। মই গ'লে তাৰ পৰা এটা দুটা বিস্কুট খাবলৈ পাওঁ।

পাছতহে গম পালোঁ যে আতা এজন বৰ নাম কৰা মানুহ আছিল। "বিহগী কবি" বুলি মানুহে কৈছিল। আতাৰ ভাল নাম আছিল ৰঘুনাথ চৌধাৰী।

অলপ অলপ মনলৈ আহে– আতাৰ ওচৰলৈ বহুত মানুহ আহিছিল। আতাই মানুহবিলাকৰ লগত কথা পাতি থাকোঁতে ময়ো আতাৰ কোলাত বহি কথাবিলাক শুনি থাকোঁ। আতাৰ ভৰি এখন খোৰা আছিল। সৰুৰেপৰা মই তেনেকুৱাই দেখিছিলোঁ। বেছিভাগ সময় তেখেতে বিছনাতে বহি বহি লিখিছিল আৰু কেতিয়াবা হাতত লাখুটি এডাল লৈ অকণমান বাৰাণ্ডালৈ ওলাই গৈছিল। বাৰাণ্ডাত এখন ডাঙৰ ক'লা ৰং দিয়া বেঞ্চ আছিল আৰু আতাৰ কোঠাত কেইখনমান চকী আছিল। কোঠাটোৰ ভিতৰত এখন হাৰমনিয়ামো আছিল। আৰু দেখিছিলোঁ কোনোবা কোনোবা মানুহ আহি মাজে মাজে হাৰমনিয়াম বজাই গান গায় তাত।

আতাই মোক প্ৰথম আজোনাতি হিচাপে বৰ মৰম কৰিছিল। সদায় কোলাত বহাই লৈ বহুত কিবা কথা কৈছিল, মানুহ থাকিলেও বা মানুহ নাথাকিলেও। কেতিয়াবা মই আৰু আতাই অকলে বহিও বহুত কথা পাতিছিলোঁ। সৰুৰেপৰা মোৰ বহুত প্ৰশ্ন আছিল আতালৈ। আতাই সদায় প্ৰতিটো প্ৰশ্নৰে উত্তৰ কিবা নহয় কিবা এটা দিছিল।

আতাৰ কোঠাটোৰ সন্মুখতে এডাল অমৰা গছ আছিল। অমৰা গছত অমৰা পকি মাটিত সৰি পৰিছিল। এইজোপা অমৰা গছৰ পকা অমৰা খাবলৈ হালধীয়া ৰঙৰ এটা চৰাই সদায় আহিছিল। আৰু বহুত বেলেগ চৰাইও আহিছিল। আতাই সদায় নিজ হাতেৰে চৰাইবোৰৰ কাৰণে চাউল আনি চৰাইবোৰক খুৱাইছিল। এই ধুনীয়া ধুনীয়া চৰাই বোৰক আকৌ ওচৰ-পাজৰৰে কিছুমান ল'ৰা-ছোৱালীয়ে কেটেপাৰে শিলগুটি লৈ মাৰিব বিচাৰিছিল। কিন্তু আতাৰ ভয়ত কোনোৰে মাৰিবলৈ সাহস কৰা নাছিল। কাৰণ আতাই চৰাই চিৰিকতি বৰ ভাল পাইছিল, মৰম কৰিছিল, সেয়েহে কেতিয়াও কাকো চৰাই মাৰিব নিদিয়ে।

আতাৰ কোঠাটোত অনেক সময়ত গান-বাজনাও হৈছিল। বিভিন্ন ধৰণৰ লিখা-মেলাও হৈছিল। বিভিন্ন কথা পাতিছিল। অসমীয়া ভাষাৰ কথা, নাটকৰ কথা ইত্যাদি। মই সৰু আছিলোঁ কাৰণে বিশেষ বুজি পোৱা নাছিলোঁ। তাৰে ভিতৰতে কিছুমান মানুহ অহাৰ কথা কিন্তু এতিয়াও ভালকৈ মনত আছে।

এদিন মই গৈ পোৱাৰ পাছত আতাৰ কোঠাত হঠাতে দেখিলোঁ যে বহু কেইজন মানুহ আহিছে। আচলতে কিবা কাৰণত মাহঁতে ৰাতিটো মোক আইমাহঁতৰ তাতেই থৈ গৈছিল। সেই কাৰণে ৰাতিপুৱাই আতাৰ কোঠালৈ গৈছিলোঁ। আতাৰ লগতেময়ো বিছনাত বহি বিস্কুট খাই মানুহবোৰে কি কৰিছে, চাই আছিলোঁ।

আতাই কৈছিলে, "এয়া দেখিছ, এয়া হ'ল অসমৰ খুব ডাঙৰ গীতিকাৰ, সুৰকাৰ, নৃত্যশিল্পী আৰু অভিনেতা।" সকলো কথা স্পষ্টকৈ মনত নপৰিলেও, ৰিণিকি ৰিণিকি মনত পৰে যে, সেইজন মানুহৰ নাম আছিল বিষ্ণু ৰাভা। এতিয়াহে অনুভৱ কৰোঁ যে সেইজন বিষ্ণু ৰাভাই আছিল আজিৰ অসমৰ নমস্য কলাগুৰু বিষ্ণু ৰাভাদেৱ। আৰু তেতিয়াও আছিল আমাৰ অতুল ককা— অতুল চন্দ্ৰ হাজৰিকা, অসমৰ এগৰাকী প্ৰখ্যাত সাহিত্যিক।

এনেতে দেখিলোঁ স্কুটাৰ এখনত আহি দুজন মানুহ আতাৰ কোঠাত সোমালহি। মোৰ মানুহ দুজনতকৈ স্কুটাৰখনলৈহে দৃষ্টি বেছি আছিল। স্কুটাৰখনত মোৰ চখ আছিল। সেই কাৰণে মানুহজনক সুধিছিলোঁ, সেইখন কি স্কুটাৰ বুলি। মানুহজনে কৈছিল, "এইখন লেম্ব্ৰেটা স্কুটাৰ"। মানুহ দুজন আহি আতাৰ কোঠাত বহিলে। হাৰমনিয়ামখন উলিয়ালে আৰু আতাই ক'লে "গান গা চোন"। ডেকা মানুহজনে গান এটা গাবলৈ ধৰিলে। আতাই মোক সকলো মানুহৰ লগতেই চিনাকি কৰি দিছিল— "এইটো মোৰ আজোনাতি।"

মই সুধিলোঁ, "এয়া কোন?" আতাই ক'লে, "তই ভূপেন মামাকতো চিনি পাৱই। আৰু এইজন হ'ল, বলৰাজ সাহানি। এওঁ গুৱাহাটীত নাটক কৰিবলৈ আহিছে।" আতাই কোৱাৰ দৰে তাহানি মই ভূপেন মামাক চিনিতো পাইছিলোঁ, কিন্তু সেইজনেই যে অসম আৰু অসমীয়াৰ হিয়াৰ আমঠু ভূপেন হাজৰিকা আছিল, সেয়া জানো জানিছিলোঁ?

ভূপেন হাজৰিকা আছিল সাহিত্য সংগীত জগতৰ চিৰ নমস্য এক অনন্য ব্যক্তি। অসমৰ সংগীত আকাশৰ ভোটাতৰা, অসমীয়াৰ হিয়াৰ আমঠু সুধাকণ্ঠ ভূপেনদাৰ আছে এক সুকীয়া চিনাকি, যাক লৈ প্ৰতিজন অসমীয়াই গৌৰৱ অনুভৱ কৰে। একাধাৰে গীতিকাৰ, সুৰকাৰ, সংগীতকাৰ, কবি, সাহিত্যিক, সাংবাদিক, কথাছবিৰ প্ৰয়োজক, নিৰ্দেশক, পাহাৰ ভৈয়ামৰ মাজত সমন্বয়ৰ সৃষ্টিকাৰী তথা বিভিন্ন জাতি জনজাতিৰ মাজৰ সমন্বয়ৰ প্ৰতীক, বিশ্বনাগৰিক বিশ্বৰত্ন ভূপেনদাৰ মাথোঁ শিৰৰ ভূষণবোৰৰ কথা কৈ গ'লেও এটা দীঘলীয়া প্ৰবন্ধ হ'ব। আৰু সেইদিনা মই দেখিছিলোঁ, মই ভূপেন মামা বুলি মতা এই ভূপেন হাজৰিকাজনে এখন লেম্ব্ৰেটা স্কুটাৰ চলাই কিদৰে পিছৰ চিটত বহাই বলিউদ খ্যাত অভিনেতা বলৰাজ সাহানীক লৈ গুৱাহাটীৰ উজানবজাৰৰ মোৰ আতা ৰঘুনাথ চৌধাৰী থকা কোঠালিটোত উপস্থিত হৈ গান গাইছিল হাৰমনিয়াম বজাই। আৰু আতাৰ কোলাত বহি মই ভূপেন মামাৰ গীত শুনিছিলোঁ। মোৰ বাবে ই কিমান সৌভাগ্য আৰু গৌৰৱৰ কথা হ'ব পাৰে আজিহে উপলব্ধি কৰিছোঁ। কিন্তু তেতিয়া মই আছিলোঁ তেনেই সৰু, গতিকে এই গভীৰ কথাবোৰৰ গুৰুত্ব বা গভীৰতা মই নিশ্চয় অনুভৱ কৰিব পৰা নাছিলোঁ।

সেইখিনি সময়ত ভাৰতৰ গণনাট্য আন্দোলনে গা কৰি উঠিছিল। আৰু সেই গণ নাট্য আন্দোলনৰে অংশ

হিচাপে, নাটকৰ মাজেৰে জনসাধাৰণৰ মাজলৈ এই আন্দোলন বিয়পাই নিয়া হৈছিল। সেই আন্দোলনৰ বাবেই এই নাটক পৰিৱেশনৰ প্ৰস্তুতি আছিল য'ত ভাগ ল'বলৈ বোম্বাই(এতিয়াৰ মুম্বাই)ৰপৰা বলৰাজ সাহানীৰ দৰে প্ৰসিদ্ধ অভিনেতাও আহি সেইটো কোঠালিতে ৰিহাৰ্চেল কৰিছিল। এতিয়া ভাবিলেও আচৰিত লাগে মোৰ।

অলপ পাছতে দেখিলোঁ মোৰ বৰদেউতাও আহি ওলালহি। বৰদেউতাৰ নাম লক্ষ্যধৰ চৌধুৰী। কিবা নাটক কৰিব, থিয়েটাৰ হলত। আমাৰ ঘৰৰ কাষতে। ইয়াক লৈয়েই কিবা আলোচনা বিলোচনা চলি আছে। ডেকা মানুহজনে, মানে ভূপেন হাজৰিকাই হাৰমনিয়ামত গান গাই আছে। মনত পৰিছে, এনেতে এগৰাকী তিৰোতা মানুহ আহিলে। মূৰত এটা পাচি। আতাৰ কাৰণে গমৰ লাড়ু, মুড়িৰ লাড়ু মানুহগৰাকীয়ে আনে। মানুহজনী আহিলে আমিও মুড়িৰ লাড়ু খাবলৈ পাওঁ। আৰু এবিধ কিবা ভাজি ৰসত ভিজাই আনে। মিঠা মিঠা, বৰ ভাল লাগে খাই। আতাই কোৱা মনত পৰে, "এয়া দেখিছ! এই কিন্তু একেবাৰেই সাধাৰণ মানুহ নহয় আৰু মোক বৰ মৰম কৰে। তাই বৰ ভাল খাদ্য সোৱাদ লগাকৈ ৰান্ধিব পাৰে।" আতায়ো মানুহগৰাকী আহিলে সদায় বহি একেলগে চাহ একাপ খায়। খুন্দনাত তামোল খুন্দি, লগত ধপাত, চুণ মিহলাই সুন্দৰকৈ বায়ে তামোল খুন্দে আৰু 'তয়ো অলপ খা' বুলি মোকো দিয়ে অকণমান। তেতিয়াৰ পৰাই আজীৱন তামোলৰ সোৱাদ মোৰ মুখত। আজি মই অনুভৱ কৰোঁ কেনে এটা বিশেষ দিন আছিল সিদিনা। ভূপেন হাজৰিকাই গান গাই আছে, লক্ষ্যধৰ চৌধুৰী আৰু বলৰাজ সাহানীয়ে কিবা নাটকৰ কথা পাতিছে। অতুল ককা আৰু আতাই মানে অতুল চন্দ্ৰ হাজৰিকা আৰু ৰঘুনাথ চৌধাৰীয়ে বহি শুনিছে বা কিবা দুই এটা মন্তব্য দিছে। ভূপেন হাজৰিকাই আতাক শব্দ এটাৰ কথা সুধিছে, ইটো দিম নে সিটো দিম আদি। লগতে আকৌ বাই আহিছে গমৰ লাড়ু, মুৰিৰ লাড়ু লৈ। চাহ খাইছে, লাড়ু খাইছে, তামোল খুন্দিছে। অক'মান মোকো দিছে। কেনে এটা যেন উখল-মাখল পৰিৱেশ!

কিন্তু কথাখিনি সেই তাহানিৰ সত্তৰৰ দশকৰ। মই বৰ সৰু আছিলোঁ। সেয়েহে নাটকৰ সংলাপৰ আলোচনা বা কোনোবা এটা দৃশ্যৰ লগত মিলাবলৈ যাওঁতে কোনো এটা গীতৰ বিশেষ কলিত ব্যৱহাৰ কৰিব লগা শব্দৰ যথাৰ্থতা— এইবোৰৰ কোনো উৱাদিহ পোৱা নাছিলোঁ। সেই কাৰণে এইবোৰত মোৰ ৰাপ নাছিল। মোৰ মাথোঁ মনলৈ আহিছিল, বায়ে মোক কেতিয়া মুড়িৰ লাড়ু এটা দিব, আতাই কেতিয়া আতাক দিয়া বানবাটিৰ চাহত মোক এশোহা মাৰিবলৈ দিব আৰু শেষত বায়ে কেতিয়া খুন্দনাত খুন্দা তামোলৰ অকণমান মোকো খাবলৈ দিব। ঠিকেইতো, সৰু ল'ৰা এটাৰ ইয়াতকৈ বেছি ভাল লগা কি বা আশা থাকিব পাৰে! অ' বায়ে আকৌ সৰু ল'ৰা কাৰণে মোক দিয়া তামোলত চুণ-ধপাত এইবোৰ একো মিহলি কৰি দিয়া নাছিল। তাৰ মাজতে এটা বিশেষত্ব আছিল যিটো মোৰ এতিয়াও মনত পৰে, সেইটো হ'ল সকলোৰে কিন্তু একেখন বেঞ্চিতেই বহিছিল। আমাৰ আতাও তাত বহিছিল আৰু সেই মুড়ি লাড়ু অনা বাইজনীকো তাতেই বহিবলৈ দিছিল। সকলোৰে একেলগেই চাহ খাইছিল, বিস্কুট খাইছিল আৰু বায়েও বহুত দিন অন্য মানুহবোৰৰ লগত কিনো কথা পাতিছে, তাক মন দি শুনিছিল। নাজানো কি বা বুজিছিল!

আতাই এদিন বৰদেউতা লক্ষ্যধৰ চৌধুৰীক কৈছিল, "এই আজোনাতিটো বৰ দুষ্ট। ই ভাল ভাও দিব পাৰিব। ইয়াক নাটকত লৈ যাবিচোন।"

কথামতেই কাম। বৰদেউতাই সুধিলে মোক, "নাটক কৰিবি নেকি?"

মই ক'লোঁ "কৰিম"।

"তেনেহ'লে তই কিন্তু ৰিহাৰ্চেল কৰিব লাগিব।"

মই সুধিলোঁ, "ৰিহাৰ্চেল মানে কি?"

ক'লে, "একেখন নাটককে বহুবাৰ প্ৰেকটিচ কৰিব লাগিব।"

মই ক'লোঁ, "হ'ব বৰদেউতা"

"কিন্তু তই স্কুলৰ পাছত আবেলিহে কৰিব পাৰিবি। আবেলি সদায় আহিব লাগিব। লৈ আহিব লাগিব তোক।"

মই ক'লোঁ, "আবেলি মই ক্ৰিকেট খেলোঁ।"

সুধিলে, ক'ত খেল?

মই ক'লোঁ, "লতাশিল ফিল্ডত খেলোঁ। গিৰিণ দা আহে, মানে গিৰিণ বৰুৱা।"

মোক সুধিলে, "কিয় খেল?"

মই ক'লোঁ, "গিৰিণদাহঁতৰ তাত গ'লে লুচি ভাজি খাব পাওঁ। ক্ৰিকেট খেলিব পাওঁ।" অৱশ্যে টেনিছ বলেৰেহে ক্ৰিকেট খেলিছিলোঁ। আৰু বাৰাণ্ডাত বহি ৰমেনদাই হাৰমনিয়াম বজাই গান গাইছিল। মাজে মাজে চানাচুৰ খাব

পাওঁ। ইয়াতকৈ বেছি কি লাগে! হয়, ঠিকেই কৈছোঁ এই ৰমেনদা, গিৰিণদাহঁতেই অসমৰ সেই সংগীতৰ লগত জড়িত, কথাছবি জগতৰ লগত জড়িত আৰু প্ৰখ্যাত ব্ৰজেন বৰুৱা, ৰমেন বৰুৱা, গায়ক দ্বীপেন বৰুৱাহঁতৰ পৰিয়ালটো। এই পৰিয়ালটোৰ অসমীয়া সংগীত আৰু অসমীয়া কথাছবি জগতলৈ আগবঢ়োৱা অৱদানৰ কাৰণে অসমীয়া জাতিয়ে চিৰকাললৈ পৰিয়ালটোক সোঁৱৰণ কৰিব। তেওঁলোকে অনেক কালজয়ী গীতৰ পৰা কালজয়ী কথাছবিৰ সৃষ্টি কৰি থৈ গৈছে।

এইবাৰ মোক সুধিলে,"তই ক্ৰিকেট খেলিবি নে নাটক কৰিবি?"

মই ক'লোঁ, "মই ক্ৰিকেট খেলিম। তাকেই খেলি মই ভাল পাওঁ।"

আৰু তাতেই মোৰ নাট্য জীৱনৰ অৱসান আৰু ক্ৰিকেট খেলৰ আৰম্ভণি।

আতাই চৰাইবোৰক সদায় চাউল খুওৱাৰ কথা বৰদলৈ মাহী মাজে মাজে আহিছিল আৰু বহুত কোনোবা কোনোবা ডাঙৰ মানুহো আহিছিল। সকলোৰে পৰাই মই মৰম পাওঁ আৰু আতাই সকলোকে মোৰ কথা কয়, "ই মোৰ আজোনাতি আৰু ইয়াৰ স্বভাৱ একেবাৰে মোৰ নিচিনাই হ'ল। ই কাৰো কথা নুশুনে। নিজৰ মনেৰে যি ইচ্ছা তাকেই কৰি ফুৰে। বৰ দুষ্ট হ'ল।"

মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্কুল এখনত পঢ়িছিলোঁ। ABCD শিকিছিলোঁ। আতাই সুধিছিল মোক, "অসমীয়া পঢ়িবি নেকি?"

মই কওঁ, "নিশিকোঁ, মই ABCD য়ে পঢ়িম।"

আতাই ক'লে, "তই অসমীয়া কিয় নিশিক?"

মই ক'লোঁ, "মোক যে নিদিয়ে শিকিবলৈ।"

আতাই ক'লে, "ঠিক আছে তই কেইবছৰমান ইয়াতে পঢ়। তাৰ পাছত তোক মই ক, খ শিকাম।" গতিকে দেউতাৰ যদিও মোক ইংৰাজী মাধ্যমত পঢ়াই, বিজ্ঞান পঢ়োৱাৰ মন আছিল, তথাপি আতাৰ কথাতে হয়ভৰ দি চতুৰ্থ শ্ৰেণীত

**...কিন্তু অতি দুখৰ কথা যে আতা থকা সেই কোঠালিটো বা আতাই ব্যৱহাৰ কৰা সামগ্ৰীসমূহ, কিতাপ কলম পত্ৰ, একোৱেই সংৰক্ষণ কৰা নহ'ল।...**

---

আগতেই কৈ আহিছোঁ। চৰাইবোৰেও আতাৰপৰা চাউল খাবলৈ সদায় সময়ৰ আগতেই আহি উপস্থিত হৈছিলহি। আচৰিতো লাগে, প্ৰকৃতিৰ প্ৰাণী। সিহঁতৰ লগত আমাৰ দৰে ঘড়ী নাই। কিন্তু সিহঁতে সদায় নিয়মানুবৰ্তিতা পালন কৰিছিল। আমি মানুহবোৰ সময়মতে অফিচলৈ বা কামলৈ নাযাওঁ, অথচ আমাৰ হাতত ঘড়ী আছে। কিন্তু নিয়মানুবৰ্তিতা পালন নকৰোঁ। এয়াইতো মানুহ আৰু জীৱ-জন্তুৰ মাজত পাৰ্থক্য। মোৰ মনত আছে ঘনচিৰিকা, কপৌ, শালিকাকে ধৰি ঘৰৰ কাষত থকা চৰাইবোৰ সদায় আহিছিল। আৰু দুই এটা বাহিৰৰ চৰায়ো আহিছিল। মই সেইবোৰৰ বিশেষ নাম নাজানিছিলোঁ। মই জানিছিলোঁ যে আতাই চৰাই বৰ ভাল পায় আৰু সেয়েহে চৰাইৰ ওপৰত লিখিছিল। চৰাইৰ ওপৰত কবিতা লিখে। এই বিষয়ত অতুল চন্দ্ৰ হাজৰিকা আৰু অন্য ডাঙৰ কোনোবা লোকৰ স'তে কথা-বাৰ্তাও হয়।

কেতিয়াবা আতাৰপৰা কিবা লেখা ল'বলৈ কোনোবা আলোচনীৰ সম্পাদক আহে বা আতাই লিখা কিতাপ প্ৰকাশ কৰিবলৈ কোনোবা প্ৰকাশন গোষ্ঠী বা প্ৰেছৰ মানুহ আহে।

মোৰ মনে ঢুকি পোৱালৈকে মনত পৰে, নিৰ্মলপ্ৰভা উঠাৰ পাছত আতাই মোক ক-খ শিকাই অসমীয়া স্কুলত নাম লগাই দিলে। প্ৰথমতে পঢ়াইছিলে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া স্কুলত।

মই আতাক সুধিছিলোঁ, "তই কোনখন স্কুলত পঢ়িছিলি?"

আতাই কয়, "এখনেই স্কুল আছে আৰু তয়ো সেইখন স্কুলতেই পঢ়িবি।"

মই সুধিলোঁ, "স্কুলখনৰ নাম কি?"

আতাই ক'লে, "কটন কলেজিয়েট স্কুল।"

মই সন্মতি দি ক'লোঁ, "ঠিক আছে বাৰু তাতেই পঢ়িম।"

সেইমতেই কাম হ'ল। ক্লাছ VI(ষষ্ঠ শ্ৰেণী)ৰ বৃত্তি পৰীক্ষা জালুকবাৰীৰপৰাই দি, সপ্তম শ্ৰেণী(ক্লাছ VII)ত কটন কলেজিয়েট স্কুলত মোৰ নাম লগোৱা হৈছিল। আৰু সেই কটন কলেজিয়েট স্কুলৰপৰাই মই মেট্ৰিক পাছ কৰিছিলোঁ।

আতাই দিয়া উপদেশৰ বহুত কথাই আজি মনলৈ আহে। আতাই সদায় কৈছিল, "ইংৰাজী শিকিবি কিন্তু অসমীয়া জানিবি। অসমীয়াই তোৰ মাতৃভাষা। মানে তোৰ আচল ভাষা

অসমীয়া। আৰু পাছত তই যিমান বোৰেই ভাষা শিক, সেইবোৰ তোৰ বাহিৰৰ মানুহৰ লগত কথা পাতিবৰ বাবে।”

আতাই আৰু কৈছিল যে, সকলো জীৱ-জন্তুৱেই আমাতকৈ ভাল। মই সুধিছিলোঁ, “আমি মানে?”

আতাই কৈছিল, “মানুহ বোলা জন্তুটো।”

মই আকৌ সুধিলোঁ, “কিয় আতা?”

আতাই উত্তৰ দিছিল, “কাৰণ জীৱ-জন্তুবোৰে কেতিয়াও মিছা কথা নকয়। সিহঁতে হিংসা নকৰে। আৰু আনৰ বেয়া বা দুখ দেখিলে নিজে স্ফূৰ্তি নাপায়।”

আতাৰ এখন ডাঙৰ কাঁহী আৰু এটা ডাঙৰ বানবাটি আছিল। তাতে আতাই সদায় ভাত খাইছিল, বানবাটিত চাহ খাইছিল। খাওঁতে আতাৰ গোঁফত চাহ আৰু ভাত লাগি থাকে। খোৱাৰ পাছত মচিছিল। সেইটোৱেই আমাৰ ফূৰ্তিৰ কথা আছিল। সেই কাঁহী আৰু বানবাটিত খোৱাৰ কথা এতিয়াও মনত আছে। সেই বাচনত ভাত খাই যি আনন্দ পাইছিলোঁ, সেয়া কেতিয়াও পাহৰিব নোৱাৰোঁ।

আতাই কৈছিলে যে সকলো মানুহ সমান আৰু সকলো মানুহ একেই। মাথোঁ কাৰোবাৰ অলপ টকা-পইচা বেছি আৰু কাৰোবাৰ কম। এই টকা পইচাই মানুহক সুখ আৰু আনন্দ কিনি দিব নোৱাৰে। আচলতে মানুহে মানুহক ভালপোৱা গুণটোৱেহে এজন মানুহক ডাঙৰ বা সৰু কৰে। সেয়েহে মানুহে মনৰ ভেদভাব, সংকীৰ্ণতা পাহৰি, সকলোকে আপোন কৰি ল'ব লাগে। —“গতিকে সকলোকে মৰম কৰিবি, কাকো হিংসা নকৰিবি। তেতিয়াহে তই মানুহ হ'ব পাৰিবি। তই কোনো মানুহতকৈ ডাঙৰ নহয় আৰু তই কোনো মানুহতকৈ সৰুও নহয়। সকলো মানুহ সমান। সকলোৰে কথা কাণ পাতি শুনিবি, কিন্তু নিজৰ মনে যিটো কয় সেইটোহে কৰিবি।”

এদিন দেখিলোঁ মোৰ মৰমৰ এই আতাজনে শেষ নিশ্বাস ত্যাগ কৰিলে। আতা আৰু নাই এই পৃথিৱীত। ঘৰত কান্দোনৰ ৰোল উঠিল। ঘৰৰ চাৰিওফালে এক বেজাৰৰ পৰিৱেশ হ'ল। বহুতে গমো পাই আছিল যে আতাৰ যাবৰ হ'ল। মাহঁতে ধৈৰ্য্য ধৰিছিল। মোৰ তেতিয়া ৭ বছৰমান বয়স আছিল নেকি জানো!

কিন্তু তাৰ পাছত আচৰিত হ'লোঁ যে, আতাৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধাঞ্জলি জনাবলৈ লানি নিছিগা মানুহৰ সোঁত বৈছিল। আতাৰ কোঠালিটো মানুহেৰে ভৰি পৰিছিল আৰু ইমান মানুহে ফুলৰ মালাৰে শ্ৰদ্ধাঞ্জলি জনাই সেৱা জনালে যে, ফুলৰ মালা দিওঁতে দিওঁতে ফুলেৰে আতাক ঢাকি ধৰিলে আৰু আতাক যেন দেখাই নোপোৱা হৈ গ'ল। মোৰো বৰ দুখ লাগিছিল। মই ভাল পোৱা আৰু সদায় লগ পোৱা আতা আৰু আজিৰ পৰা নাই।

লাহে লাহে শেষকৃত্যৰ বাবে আতাক কোঠাটোৰপৰা উলিয়াই নিয়া হ'ল। আতাৰ কোঠালিটো খালি হৈ পৰিল। আতা ওলাই যোৱাৰ লগে লগে যেন কোঠালিটোও উদাস আৰু প্ৰাণহীন হৈ পৰিল। অনবৰত প্ৰাণৱন্ত হৈ থকা কোঠালিটো এতিয়া উদাস আৰু বিষাদৰ আন্ধাৰেৰে ভৰি পৰিল। চাৰিওফালে যেন বাজি উঠিল এক বিষাদৰ সুৰ।

মোৰ মনলৈ আহিছিল, আতা নাই কিয়া হ'ল আজিৰপৰা। সেয়েহে ময়ো আৰু আজিৰপৰা আতাৰ কোলাত বহি কথা শুনিব নাপাওঁ। সেই টেমাটোৰপৰা বিস্কুট উলিয়াই খাব নাপাম। আতা গুচি গ'ল, টেমাটো বিছনাতে পৰি ৰ'ল। গাৰো বাইজনীয়ে আতাৰ কাৰণে অনা মুড়িৰ লাড়ু আৰু খুন্দনাটোৰ তামোলো খাব নাপাওঁ। মনলৈ আহিছে আতাই ইমানকৈ ভাল পোৱা, চাউল দিয়া চৰাইবোৰে বা কি ভাবিছে! সিহঁতে জানো গম পালে যে আতা ঢুকাইছে? হয়তো কাইলৈ পুৱাও সিহঁতে আগৰ দৰেই নিয়মানুবৰ্তিতাৰে আতাৰ পৰা চাউল খাব পাম বুলি আহিব। হয়তো ভাবিব কিয় উঠা নাই এতিয়ালৈ, সিহঁতক মৰম কৰি চাউল দিয়া আতাজন। হয়তো বৈ বৈ এসময়ত সিহঁতো গুচি যাব। হয়তো সিহঁতেও শোকসভা পাতিব। আৰু জীৱনটোক চলাই নিবলৈ পুনৰ খাদ্যৰ বাবে নতুন আতা এজনৰ সন্ধান কৰিব।

আতা যোৱা বহুদিন হ'ল। আতাৰ কোঠাটো বহুদিনলৈ খালি হৈ পৰি ৰৈছিল। কিন্তু অতি দুখৰ কথা যে আতা থকা সেই কোঠালিটো বা আতাই ব্যৱহাৰ কৰা সামগ্ৰীসমূহ, কিতাপ কলম পত্ৰ, একোৱেই সংৰক্ষণ কৰা নহ'ল। তাৰ পৰিৱৰ্তে আতাৰ সেই আহল-বহল কোঠালিটোত এতিয়া এখন ৰেস্তোৰা হ'ল য'ত মানুহে চাহ, জলপান আদি খায়।

অসম সাহিত্য সভাই তাহানিতে প্ৰকাশ কৰা ৰঘুনাথ চৌধাৰী ৰচনাৱলীৰ প্ৰথম প্ৰকাশ কেতিয়াবাই শেষ হৈছে। এসময়ৰ অসম সাহিত্য সভাৰ সভাপতিগৰাকীৰ অমূল্য ৰচনাৰাজি পুনৰ প্ৰকাশৰ ব্যৱস্থা কৰি সাহিত্যানুৰাগী বিশেষকৈ কবিতাপ্ৰেমীসকলৰ হাতত তুলি দিব পাৰিলে আতাৰ আত্মাই শান্তি লাভ কৰিলেহেঁতেন।

●



# আকাশৰ বুকুৰপৰা হেৰাই যোৱা উৰুগুৱেৰ ফ্লাইট ৫৭১ (মিৰাক্‌ল অফ দা এণ্ডিজ) ঃ শিহৰণকাৰী ঘটনাটো

**ৰঞ্জনা দত্ত**

"... ইমান উচ্চতা আৰু ঠাণ্ডা বৰফৰ মাজত শৰীৰৰ কেলৰিৰ প্ৰয়োজনীয়তা অভাৱনীয়ভাৱে বৃদ্ধি পায়...। আমি ভোকত উদভ্ৰান্ত হৈ পৰিছিলোঁ। ক'তো খোৱা বস্তু পোৱাৰ লেশমানো আশা নাছিল, কিন্তু তথাপি ভোক ইমানেই বৃদ্ধি পাইছিল যে আমি পগলাৰ দৰে খাদ্যৰ সন্ধানত ব্যস্ত আছিলোঁ ... বাৰে বাৰে ধ্বংসপ্ৰাপ্ত বিমানৰ চুকে কোণে খুচৰি ফুৰিছিলোঁ। আমি আমাৰ বয় বস্তু, বেগ চুটকেছ, জোতা, চামৰাৰ বেল্ট আদিৰপৰা চামৰাৰ টুকুৰাবোৰ এৰুৱাই খাবলৈ চেষ্টা কৰিছিলোঁ। আমি এইটোও জানিছিলোঁ যে এই চামৰাবোৰত কিছুমান বিষাক্ত ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ কৰিছে। আমি প্লেনৰ চিটৰ কভাৰবোৰ আঁজুৰি আঁজুৰি খুলিবলৈ চেষ্টা কৰিছিলোঁ কিজানি ভিতৰত খেৰ আদি কিবা খাব পৰা বস্তু পাওঁৱেই। কিন্তু আমি কেৱল খাব নোৱৰা ফ'ম, স্পঞ্জ আদিহে বিচাৰি পাইছিলোঁ। বাৰে বাৰে আমি এইটো সিদ্ধান্তত উপনীত হৈছিলোঁ যে যদি আমি আমাৰ গাত পিন্ধি থকা কাপোৰবোৰ খাবলৈ আৰম্ভ নকৰোঁ ইয়াত এলুমিনিয়াম, প্লাষ্টিক, বৰফ আৰু পাথৰৰ বাদে খাবলৈ আন একো নাপাওঁ।"

(ফ্লাইট ৫৭১ৰ এজন যাত্ৰী নান্দো পাৰাডোৰ কিতাপৰ অংশ)

বৰফেৰে আবৃত এণ্ডিজ পৰ্বতমালাৰ একেবাৰে দুৰ্গম অংশ এটাত দুৰ্ঘটনাগ্ৰস্ত হোৱা উৰুগুৱেৰ ফ্লাইট ৫৭১ৰ ৪৫ জন যাত্ৰীৰ ভিতৰত বাচি থকা ২৯ জন যাত্ৰীয়ে খাদ্যৰ অভাৱত আৰু জীয়াই থকাৰ তাড়নাত বৰফে নষ্ট নোহোৱাকৈ ৰখা তেওঁলোকৰ মৃত সহযাত্ৰীসকলৰ মৃতদেহৰ পৰা মাংস খাবলৈ বাধ্য হৈছিল। সেই সময়ত ঠাইখনৰ তাপমান আছিল -৩০° চেণ্টিগ্ৰেড। সম্পূৰ্ণ ৭১ দিন খাদ্যাভাৱ আৰু অত্যন্ত প্ৰতিকূল অৱস্থাৰ মাজত জীয়াই থকাৰ সংগ্ৰামৰ অন্তত তেওঁলোকৰ ১৬ জনক জীৱন্তে উদ্ধাৰ কৰা হয়।

**বিমান দুৰ্ঘটনাৰ অভিশপ্ত সেই ১৩ তাৰিখটো**

১৯৭২ চনৰ ১২ অক্টোবৰ তাৰিখে ৪০ জন যাত্ৰী আৰু ৫ জন বিমান সেৱাৰ লোক লগত লৈ উৰুগুৱান বিমান বাহিনীৰ চাৰটাৰ্ড বিমান ফ্লাইট ৫৭১ (ফেয়াৰ চাইল্ড) উৰুগুৱেৰ মণ্টেভিডিওৰপৰা চিলিৰ চাণ্টিয়াগোলৈ উৰা মাৰিছিল। চিলিৰ ৰাগবী দল এটাৰ লগত এখন খেলত ভাগ লোৱাৰ বাবে সদলবলে ৰাওনা হৈছিল তেওঁলোক। বিমানখনত আছিল উৰুগুৱেৰ ৰাগবী দলৰ খেলুৱৈসকল, তেওঁলোকৰ পৰিয়াল আৰু ক্লাবৰ কিছুসংখ্যক সমৰ্থক। অসম্ভৱ বেয়া বতৰৰ বাবে তেওঁলোক আৰ্জেণ্টিনাৰ মেনডোজাত ৰাতিটো থাকিবলৈ বাধ্য হয়। ফেয়াৰ চাইল্ড বিমানখন ২২,৫০০ ফুটৰ ওপৰত উৰিবৰ বাবে উপযুক্ত নাছিল বাবে পাইলট আৰু সহ পাইলট দুজনে কিছু দক্ষিণ দিশৰ অইন এটা বাটেৰে গৈ এণ্ডিজ পৰ্বতটো নিৰাপদে অতিক্ৰম কৰিব পাৰিব বুলি ভাবিছিল। উৰণৰ প্ৰায় এঘণ্টা পাছত পাইলটজনে চিলিৰ এয়াৰ ট্ৰেফিক কণ্ট্ৰোললৈ ৰেডিঅ' বাৰ্তা পঠিয়ালে যে তেওঁলোকে এণ্ডিজ পৰ্বতমালা পাৰ হৈ চিলিৰ কিউৰিও পাইছেহি। ঘন কুঁৱলী আৰু ডাৱৰৰ বাবে ১৮,০০০ ফুট (৩৫৭০ মিটাৰ) ওপৰৰপৰা তেওঁলোকে চকুৰে তলত কি আছে একো দেখা পোৱা নাছিল। পাইলটে কেৱল বিমান নেভিগেটৰৰ ওপৰতে সম্পূৰ্ণ ভৰসা কৰিছিল। সেয়া আচলতে পাইলটৰ এক ডাঙৰ ভুল আছিল। তেওঁলোক তেতিয়ালৈকে এণ্ডিজৰ ওপৰতে আছিল আৰু লক্ষ্যস্থান পাবলৈ আৰু ৭০-৮০ কি.মি. বাকী আছিল। এয়াৰ ট্ৰেফিক কণ্ট্ৰোলাৰে তেওঁলোকক বিমানখন নমাবলৈ অনুমতি দিলে আৰু তাৰ অলপ সময়ৰ পাছৰ পৰা চিলিৰ এয়াৰ কণ্ট্ৰোল টাৱাৰৰ লগত বিমানখনৰ সংযোগ বিচ্ছিন্ন হৈ যায়।

আবেলি প্ৰায় ৩ বাজি ৩০ মিনিটত বিমানখনে এখন পাহাৰত খুন্দা মাৰে আৰু প্ৰথমে সোঁফালৰ ডেউকা আৰু তাৰ পাছত বাওঁফালৰ ডেউকাখন হেৰুৱাই শেষত আৰ্জেণ্টিনা আৰু চিলিৰ সীমাত থকা এণ্ডিজ পৰ্বতমালাৰ একেবাৰে ভিতৰুৱা দুৰ্গম উপত্যকা এটাত ভূপতিত হয়। বিমানখন ধ্বংস হৈছিল প্ৰায় ১১,৭১০ ফুট (৩৫৭০ মিটাৰ) উচ্চতাত।

**অনুসন্ধানকাৰী দলৰ চেষ্টা আৰু বিফলতা**

অনুসন্ধানকাৰী দলবোৰে বিমানখনে জনোৱা শেষ অৱস্থানৰ ভিত্তিত অনুসন্ধান আৰম্ভ কৰে যদিও শেষত বিমানখনৰ পৰা জনোৱা অৱস্থান ভুল আছিল বুলি ধৰিব পাৰে। এইবাৰ এণ্ডিজ পৰ্বতৰ ওপৰে ওপৰে অনুসন্ধান আৰম্ভ হয়। দুৰ্ঘটনাটোৰ ৭২ দিন পাছত উদ্ধাৰ পোৱা লোকসকলৰ মতে তেওঁলোকে তলৰপৰা আকাশত বহুত বিমান উৰি থকা দেখিবলৈ পাইছিল। বৰফাবৃত পৰ্বতৰ মাজত সোমাই থকা বগা ৰঙৰ বিমানখন তেওঁলোকৰ চকুত পৰা নাছিল। মহিলা যাত্ৰীসকলৰ বেগৰপৰা ৰঙা লিপষ্টিক উলিয়াই তেওঁলোকে বগা বিমানখনৰ ওপৰত SOS বাৰ্তা লিখিবলৈ যত্ন কৰিছিল যদিও লিপষ্টিকৰ অভাৱত সেইটো সম্পূৰ্ণ কৰিব নোৱাৰিলে। সম্পূৰ্ণ আঠ দিনৰ পাছত অনুসন্ধানকাৰী দলবোৰ নিজৰ নিজৰ ঘাটিলৈ উভতি যায়।

**বৰফৰ উপত্যকাত মৃত্যুৰ বিভীষিকা আৰু জীয়াই থকাৰ অদম্য যুঁজ**

মুঠ ৪৫ জনৰ ভিতৰত তিনিজন বিমান সেৱাৰ লোক আৰু নজন যাত্ৰীৰ থিতাতে মৃত্যু হয়। বাকী বাচি থকা ৩৩ জনৰ ভিতৰত আৰু চাৰিজন বৰফ, ঠাণ্ডা বতৰ আৰু দুৰ্ঘটনাত পোৱা ভয়ানক আঘাতত মৃত্যুমুখত পৰে। বিমানখনৰ যাত্ৰী বহা মূল অংশটো প্ৰায় অক্ষত অৱস্থাত আছিল বাবে ই বাচি থকা যাত্ৰীসকলক বাহিৰৰ শূন্যৰ বহু তলত থকা ঠাণ্ডাৰ পৰা কিছু পৰিমাণে সকাহ দিবলৈ সক্ষম হৈছিল। বিমানখনত বাচি থকা ২৯ জন যাত্ৰীৰ বাবে আছিল কেৱল কেই বটলমান ৱাইন, কিছু চকলেট, জেমৰ দুটা বটল, এটা বাদামৰ সৰু টিন, শুকান প্লামৰ টেমা এটা আৰু বিস্কুট। সেইখিনি তেওঁলোকে গোটেই কেইজন যাত্ৰীৰ মাজত সমানে ভগাই লৈছিল। এজন যাত্ৰীৰ মতে তেওঁ চকলেটৰ সৰু টুকুৰা এটা তিনি দিন ধৰি খাইছিল। যাত্ৰীসকলৰ ভোক বাঢ়ি যোৱাৰ কৰণি ॥

বিপৰীতে খোৱা বস্তুৰ আকালো বাঢ়িবলৈ ধৰিলে।

ইয়াৰ পাছতেই আৰম্ভ হৈছিল সেই শিহৰণকাৰী অধ্যায়ৰ। জীয়াই থকাৰ অদম্য যুঁজত তেওঁলোকৰ কোনেও সপোনতো ভাবিব নোৱৰা এক কঠিন সিদ্ধান্ত লোৱাৰ বাহিৰে কোনো গত্যন্তৰ নাছিল। সেই কথা পিছত জানিম...

**ভয়ঙ্কৰ হিমপ্ৰৱাহ আৰু বাহিৰে ভিতৰে বৰফত প্ৰায় পোত যোৱা শেষ আশ্ৰয়স্থল**

বিমান দুৰ্ঘটনাটো হোৱাৰ ১৭ দিন পাছত অক্টোবৰ মাহৰ ২৯ তাৰিখে মাজৰাতি এটা হিমপ্ৰৱাহে বিমানখনৰ ওলাই থকা অংশটোত আহি খুন্দিয়ায়। ইয়াৰ ফলত বিমানখনৰ ভিতৰৰ এটা ডাঙৰ অংশ প্ৰায় ১ মিটাৰ উচ্চতালৈ বৰফেৰে ভৰি পৰে। এইবাৰ আৰু আঠজন মৃত্যুমুখত পৰে। ওলাবলৈ চেষ্টা কৰে যদিও বৰফৰ ধুমুহা আৰু হাড় কঁপোৱা জাৰত ৰ'ব নোৱাৰি বিমানখনৰ ভিতৰত থকাটোকেই ঠিক কৰে।

**জীয়াই থকাৰ তাড়না আৰু এটা ভয়ঙ্কৰ দুঃস্বপ্নৰ আৰম্ভণি**

তেজ গোটমৰা ঠাণ্ডা, পেটত ভয়ঙ্কৰ ক্ষুধা আৰু জীয়াই থকাৰ অদম্য তাড়নাৰে হাতত ব্লেড আৰু ভঙা আইনাৰ টুকুৰা লৈ চাৰিজন ডেকা ল'ৰা বন্ধুৰ মৃতদেহৰ ওচৰত থিয় হৈ আছিল। এয়া আছিল দুৰ্ঘটনাটোৰ নৱম দিন।

প্ৰথমে তেওঁলোকে বৰফত গোট মাৰি থকা বন্ধুৰ কাপোৰ আৰু তাৰ পাছতে শৰীৰটো কাটিবলৈ আৰম্ভ কৰিছিল। 'আই হেড টু চাৰভাইভ' কিতাপখনত ৰবাৰ্টো কানেছাই লিখিছিল "এটা টিনৰ টুকুৰাৰ ওপৰত মিহিকৈ কটা গোটমৰা টুকুৰাবোৰ থৈছিলোঁ আৰু আমাৰ প্ৰত্যেকজনেই

**ৰছী, জোতা, বৰফ খন্দা সৰঞ্জাম, মেপ, কম্পাছ একো নাছিল তেওঁলোকৰ লগত। বিমানখনত থকা লোকে তেওঁলোকৰ বাবে বিমানখনৰ ভিতৰৰ অ'ৰ ত'ৰপৰা সংগ্ৰহ কৰি পোৱা টুকুৰা কাপোৰ, ফ'ম, তুলা, আদি জোৰা দি এটা শ্লিপিং বেগ সাজি উলিয়াইছিল। ৰাতি কোনোমতে দুয়ো শ্লিপিং বেগটোৰ ভিতৰত -২০ ডিগ্ৰী তাপমানৰ মাজত কটাইছিল। তেওঁলোকৰ দুয়োৰে গাৰ তাপমানে ইজনে সিজনক সহায় কৰিবলৈ সক্ষম হৈছিল।**

---

টিমটোৰ কেপ্তেইন আৰু বাচি থকা কেইজনৰ নেতা পেৰেজ আৰু নাৰ্চৰ দৰে সকলোকে শুশ্ৰূষা কৰা সকলোৰে মাতৃসম লিলিয়ানাৰ মৃত্যু সকলোৰে বাবে ভীষণ দুখৰ কাৰক আৰু নিৰাশাজনক আছিল।

ইয়াৰ পাছৰ সম্পূৰ্ণ তিনিদিন বৰফেৰে পোত যোৱা বিমানখনৰ ভিতৰত কিছু অংশত ঠেলা হেঁচাকৈ তেওঁলোক থাকিবলগীয়া হৈছিল। ২৭ জন যাত্ৰীৰ বাবে ঠাই আছিল ২.৫ মিটাৰ x ৩ মিটাৰ (৮ ফুট x ১০ ফুট ঠাই টুকুৰাত) আয়তনৰ সৰু এটুকুৰা ঠাই। তেওঁলোক থাকিবৰ বাবে বিমানৰ চিটবোৰ উলিয়াই সুবিধা কৰি ল'ব লগা হৈছিল। তেওঁলোকৰ ওচৰে-পাজৰে তেওঁলোকৰ পৰিয়ালৰ লোক আৰু বন্ধুৰ আঠটা মৃতদেহ। ভিতৰৰ অক্সিজেন কমি আহিছিল। এজন খেলুৱৈ নান্দো পাৰাডোৱে বস্তু বাহানিবোৰৰ মাজত এডাল লোহাৰ ৰড আৱিষ্কাৰ কৰে আৰু ইয়াৰ সহায়ত বিমানৰ বাহিৰৰপৰা ভিতৰলৈ অক্সিজেন আহিব পৰাকৈ এটা বাট উলিয়ায়। তেওঁলোকে বৰফবোৰৰ মাজেৰে ককপিটৰপৰা বাহিৰলৈ ওলাই যোৱা এটা সুৰংগও খান্দি উলিয়ায়। বাহিৰলৈ লাহে লাহে টুকুৰাবোৰ খাবলৈ আৰম্ভ কৰিছিলোঁ। আমি নিজে নিজৰ সিদ্ধান্ত আৰু সময় লৈছিলোঁ।" কেনেছাই আৰু লিখিছিল– "এবাৰ কামটো কৰাৰ পাছত আৰু ঘূৰি যোৱাৰ ৰাস্তা নাছিল।"

কেনেছা সেই সময়ত এজন ১৯ বছৰীয়া মেডিকেলৰ ছাত্ৰ আৰু ৰাগবী খেলুৱৈ আছিল। তেওঁলোকে নিজে কথাটো বিশ্বাস কৰিবলৈ টান পাইছিল যে এনেকুৱা পাশৱিক কাম এটা তেওঁলোকে কেনেকৈনো কৰিব পাৰিছে। এইটোৱেই কি তেওঁলোকৰ বাবে বাচি থকাৰ একমাত্ৰ উপায় আছিল? "সচাঁকৈয়ে আমাৰ মনৰপৰা ভয় ভীত সকলো নাইকিয়া হৈ গৈছিল। লাহে লাহে এজন দুজনকৈ কেইবাজনেও এই কামটো কৰিবলৈ আৰম্ভ কৰিছিল"।

তেওঁলোকে আগভাগ লৈ মৃতদেহৰ পৰা মাংসবোৰ কাটি ভঙা টিনপাতৰ টুকুৰাৰ ওপৰত দি ৰ'দত শুকুৱাই কিছু খাব পৰা কৰি লৈছিল। প্ৰথমতে গাৰ মাংসবোৰ খোৱাৰ বাহিৰে তেওঁলোকে অন্য অংগবোৰ খোৱাৰ কথা চিন্তা কৰা নাছিল যদিও শেষত একো গত্যন্তৰ নোহোৱাত হাৰ্ট, ব্ৰেইন,

লিভাৰ আদিও খাব লগা হৈছিল।

১৭ দিনৰ দিনা হোৱা এটা প্ৰবল হিমপ্ৰৱাহে তেওঁলোকৰ জীয়াই থকা একমাত্ৰ ভৰসা, বৰফত সুৰক্ষিত হৈ থকা মৃতদেহবোৰ উটুৱাই লৈ যায়। বৰফেৰে আধা পোত যোৱা বিমানখনৰ ভিতৰত প্ৰথম দিনটো একো নোখোৱাকৈ থকাৰ পাছত সকলোৰে মনে মনে ভাবি আছিল কোনোবাই আগ ভাগ লৈ কিবা এটা কৰক। কিন্তু কোনো আগবাঢ়ি অহা নাছিল। কিবা এটা নকৰিলে সকলোৰে মৃত্যু অৱশ্যম্ভাৱী আছিল।

"এটাই কাম চকুৰ আগলৈ আহিছিল। নতুনকৈ মৃত্যু হোৱা আমাৰ কাষতে পৰি থকা কোনোবা এজনৰ শৰীৰটো ব্যৱহাৰ কৰাৰ"— কেনেছাই কৈছিল।

"অতি ভয়ংকৰ দুঃস্বপ্নৰ মাজতো ভাবিব নোৱৰা কামটো আমি কৰিবলৈ বাধ্য হৈছিলোঁ। মানৱ মৰ্য্যাদাৰ সম্পূৰ্ণ উলংঘন কৰি জীয়াই থকাৰ তাড়নাত এজন এজনকৈ আমি সকলো মানৱতাৰ সীমাৰপৰা আৰু এঢাপ তললৈ নামি গৈছিলোঁ... আমাৰ প্ৰত্যেকজনৰে হাত কলুষিত হৈ পৰিছিল"।

আন এজন খেলুৱৈ ষ্ট্ৰছে এটি সাক্ষাৎকাৰত কৈছিল — "বৰফত আধা পোত যোৱা বিমানখনৰ ভিতৰত সোমাই থকা কষ্টকৰ আছিল। খোৱা পানীৰ বাবে বৰফবোৰ এখন টিনপাতৰ ওপৰত দি গলাই বটলত ভৰোৱা হৈছিল। বিমানখনৰ ওলাই অহা ইন্ধনৰ বাবে পানীবোৰত কেৰাচিনৰ গোন্ধ পাইছিলোঁ"। ষ্ট্ৰছে টিভি সাক্ষাৎকাৰটোত কৈছিল– "আমি এখন ক্ষুদ্ৰ সমাজ তৈয়াৰ কৰি লৈছিলোঁ। কামবোৰ সমানে ভগাই লৈছিলোঁ। শোৱাৰ ঠাই পৰিৱৰ্তন কৰিছিলোঁ যাতে আমাৰ প্ৰত্যেকজনে কিছুসময়ৰ বাবে কিছু ভালদৰে শুব পাৰে"। এনেদৰে প্ৰায় এমাহ পাৰ হৈ গৈছিল। ঠাণ্ডা কিছু কমিবলৈ আৰম্ভ কৰাৰ লগে লগে বৰফবোৰ গলিবলৈ আৰম্ভ কৰিছিল। ৰাতি তেতিয়াও বাহিৰত –২০° ছেলছিয়াছ তাপমান।

দুৰ্ঘটনাটোৰ অষ্টম দিনা উদ্ধাৰকাৰী দলবোৰ ঘূৰি যোৱাৰ পাছতেই নাণ্ডো পাৰাডোৱে নিজে উদ্ধাৰৰ বাবে সহায় বিচাৰি যোৱাৰ চিন্তা কৰিছিল। ভীষণ ঠাণ্ডা আৰু প্ৰতিকূল পৰিৱেশৰ বাবে কামটো কৰিব পৰা নাছিল। এইবাৰ ৰবাৰ্টো কেনেছা আৰু এজন বন্ধু তেওঁৰ লগত যাবলৈ ওলাল। তেওঁলোকক সংগ দিব পৰা অৱস্থা বেছিভাগৰে নাছিল। সকলোৰে মিলি তেওঁলোকৰ যাত্ৰাত লাগিব পৰা খোৱা বস্তু, জোতা, গৰম কাপোৰ আদিৰ যোগান ধৰিছিল। খোৱা বস্তুৰ (?) সিংহভাগ তেওঁলোকক দি পঠাইছিল। তেওঁলোকৰ অদমনীয় সাহস আৰু ঐক্যবদ্ধতাৰ বাবেই পৰ্বত বগোৱা সা-সঁজুলি নোহোৱাকৈ ৪৬৫০ মিটাৰ (১৫,২৬০ ফুট) পৰ্বত বগাই অৱশেষত ১০ দিনৰ মূৰত চিলিৰ সীমাত উপস্থিত হৈছিলগৈ। বিমান চালকৰ মুখত দুৰ্ঘটনাৰ আগে আগে "আমি কিউৰিও পাৰ হ'লোঁ" কথাখিনি শুনি তেওঁলোকে ঠাইখনৰ এটা ভুল ধাৰণা কৰি লৈছিল।

তেওঁলোকে ভাবিছিল যে কোনোমতে পাহাৰখনৰ ওপৰ পাব পাৰিলেই তেওঁলোকে তলত চিলিৰ সমতল ভূমি দেখিবলৈ পাব। প্ৰথমতে তেওঁলোক তিনিজন আছিল যদিও দুৰ্গম আৰু দীঘলীয়া সময় লাগিব বুলি এজনক আধা বাটৰপৰা পুনৰ বিমানখনৰ ওচৰলৈ ঘূৰাই পঠিয়ায়। তেওঁৰ খোৱা বস্তুখিনি ৰবাৰ্টো আৰু কেনেছাক দি থৈ যায়।

ৰছী, জোতা, বৰফ খন্দা সৰঞ্জাম, মেপ, কম্পাছ একো নাছিল তেওঁলোকৰ লগত। বিমানখনত থকা লোকে তেওঁলোকৰ বাবে বিমানখনৰ ভিতৰৰ অ'ৰ ত'ৰপৰা সংগ্ৰহ কৰি পোৱা টুকুৰা কাপোৰ, ফ'ম, তুলা, আদি জোৰা দি এটা শ্লিপিং বেগ সাজি উলিয়াইছিল। ৰাতি কোনোমতে দুয়ো শ্লিপিং বেগটোৰ ভিতৰত -২০° তাপমানৰ মাজত কটাইছিল। তেওঁলোকৰ দুয়োৰে গাৰ উত্তাপে ইজনে সিজনক সহায় কৰিবলৈ সক্ষম হৈছিল। তিনিদিন এইদৰে পাহাৰ বগাই তেওঁলোক সুউচ্চ গিৰিপথত উপস্থিত হৈছিলগৈ। তেওঁলোকে ভবাৰ দৰে তলত চিলিৰ সমতল ভূমি নাছিল। ৩৬৬৪ মিটাৰ (১৪,৭৭৪ ফুট) পাহাৰ বগাই ওপৰৰপৰা তেওঁলোকে দেখিবলৈ পাইছিল চৌদিশে কেৱল বৰফাবৃত পাহাৰৰ লানি। তেওঁলোক চৰম হতাশাত ভাগি পৰিছিল। কিন্তু জীয়াই থকাৰ অদম্য বাসনা আৰু ভগ্ন বিমানত তেওঁলোকৰ আশাত মৰি মৰি জীয়াই থকা এদল লোকৰ কথা ভাবি তেওঁলোকে অব্যাহত ৰাখিছিল তেওঁলোকৰ যাত্ৰা। বহু দূৰৈত যেন দেখিছিল উপত্যকাৰ দৰে কিছু ঠাই।

এইবাৰ তেওঁলোক নামিবলৈ আৰম্ভ কৰিছিল। পদে পদে আছিল মৃত্যুৰ আশংকা। শেষৰ সাতদিন প্ৰায় ৫৪ কি.মি. যাত্ৰা কৰাৰ পাছত (১৪২৫ মিটাৰ/৪৬৭৬ ফুট

তললৈ) তেওঁলোক উপস্থিত হৈছিল এখন সাৰুৱা উপত্যকাত। নদীৰ সিপাৰে গৈ থকা তিনিজন অশ্বাৰোহীক তেওঁলোকৰ কথাবোৰ এখন কাগজত লিখি অৱগত কৰাৰ পাছত তেওঁলোকে এটাই উত্তৰ পাইছিল “কাইলৈ”। পিছদিনা চিলিৰ সেনাবাহিনীৰ হেলিকপ্টাৰে তেওঁলোকক উদ্ধাৰ কৰে।

২৩ ডিচেম্বৰ ১৯৭২ চন– দুৰ্ঘটনাটোৰ ৭২ দিন অন্তত ভগ্ন বিমানখনৰ ভিতৰত থকা বাকী ১৪ জন লোকক তুষাৰাবৃত দুৰ্গম পৰ্বতৰ মাজৰপৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। সেইসময়ত তেওঁলোক সকলোৱে বিভিন্ন ধৰণৰ শাৰীৰিক অসুস্থতাত ভুগি অৰ্ধ মৃতপ্ৰায় অৱস্থাত আছিল। তেওঁলোক ক্ষীণাই হাড়বোৰ স্পষ্ট হৈ পৰিছিল।

এই ১৬ জন লোকৰ ৭২ দিনৰ সংগ্ৰামৰ কাহিনীবোৰ সেইসময়ত বহুতো ডকুমেণ্টেৰী, চিনেমা আৰু কিতাপৰ জৰিয়তে মানুহৰ মাজত অনুপ্ৰেৰণামূলক কাহিনী হিচাপে প্ৰচলিত হৈছিল। ইয়াৰ মাজত পিয়েৰ্ছ পলে ‘এলাইভ’ নামৰ কিতাপখনৰ ওপৰত ভিত্তি কৰি নিৰ্মাণ কৰা বোলছবিখন সাংঘাতিক ধৰণে জনপ্ৰিয় হৈছিল।

ৰবাৰ্টো কেনেছা এতিয়া এজন প্ৰখ্যাত শিশু ৰোগ বিশেষজ্ঞ। তেওঁ অহৰ্নিশে কাম কৰি আছে শিশুসকলৰ জীৱন ৰক্ষাৰ বাবে। তেওঁ ‘আই হেড টু চাৰভাইভ’ কিতাপখন লিখাৰ উপৰিও টিভি আলোচনী আৰু বাতৰি কাকতত ধাৰাবাহিকভাৱে এই ৭২ দিনৰ সংগ্ৰামৰ বৰ্ণনা কৰিছে। কেনেছা ঘূৰি অহাৰ পাছত মানসিকভাৱে ভীতিগ্ৰস্ত হৈ পৰিছিল। মাক-দেউতাকক লগ ধৰিবলৈ তেওঁ সংকোচ কৰিছিল। প্ৰথম মাক-দেউতাকক লগ পাই তেওঁ অত্যন্ত দুখেৰে তেওঁলোকক নৰমাংস ভক্ষণৰ কথা কৈছিল। তেওঁলোকে কেনেছাক সাবটি ধৰি কেৱল কৈছিল “ঠিক আছে বাছা, একো নহয়, একো নহয়!”। তেওঁ মৃত বন্ধুবোৰৰ ঘৰলৈ গৈ পৰিয়ালৰ লোকক লগ কৰি সকলো কথা বিৱৰি কৈছিল। দোষ দিয়াৰ পৰিৱৰ্তে তেওঁলোকে ৰবাৰ্টোক শান্তনাহে দিছিল।

নাণ্ডো পাৰাডো এতিয়া এজন পৃথিৱীৰ নাম কৰা বক্তা, টিভি আলোচনাৰ উদ্যোক্তা আৰু কাৰ ৰেচৰ ড্ৰাইভাৰ। ২০১০ চনত ৱৰ্লড বিজনেছ ফৰামে তেওঁক ‘পৃথিৱীৰ শ্ৰেষ্ঠ বক্তা’ খিতাপেৰে বিভূষিত কৰে। দুৰ্ঘটনাটোত তেওঁ নিজৰ ১৭ বছৰীয়া ভনীয়েক আৰু মাকক হেৰুৱাব লগা হৈছিল। তেওঁ মাক আৰু ভনীয়েকৰ শৱ দেহ দুটা কোনেও ব্যৱহাৰ কৰিব নোৱৰাকৈ বৰফৰ মাজত সুৰক্ষিত ভাৱে ৰাখিছিল। তেওঁৰ “মিৰাক্‌ল ইন ডা এণ্ডিজ” কিতাপখনত ইয়াৰ বিতং বৰ্ণনা আছে।

এডুৱাৰ্ডো ষ্ট্ৰছ এজন আৰ্কিটেক্ট। তেওঁৰ “আউট অফ ছাইলেন্স” কিতাপখনৰ প্ৰথমছোৱাত দুৰ্ঘটনাটোৰ বিষয়ে লিখিছে যদিও পিছৰ ছোৱাত ইয়াৰপৰা লাভ কৰা “অন্তৰ্দৃষ্টি আৰু আত্মাৰ উপলব্ধি” আদিৰ বিষয়ে লিখিছে।

যাত্ৰীসকলৰ সকলোৱেই আছিল ৰোমান কেথলিক। তেওঁলোকে নিজৰ ধৰ্মৰপৰা বিচ্যুত হোৱা বুলি খুব ভয় খাইছিল। আন কিছুমানে ইয়াৰ সপক্ষে বাইবেলত থকা যুক্তিৰ দ্বাৰা নিজকে পতিয়ন নিয়াবলৈ চেষ্টা কৰিছিল য'ত লিখা আছিল ‘কোনো মানুহৰ ইয়াতকৈ আনন্দৰ কথা হ'ব নোৱাৰে যে তেওঁ নিজৰ বন্ধুৰ বাবে প্ৰাণ ত্যাগ কৰিছে।’ কেনেছাই তেওঁৰ বন্ধুসকলক অনুৰোধ কৰিছিল যে তেওঁৰ যদি আগতে মৃত্যু হয় তেওঁৰ শৰীৰটো যেন তেওঁলোকে ব্যৱহাৰ কৰে। তেওঁ কৈছিল যে ইয়াতকৈ আনন্দৰ কথা তেওঁৰ বাবে আন একো হ'ব নোৱাৰে।

তেওঁলোক মৃত্যুৰ দুৱাৰদলিৰপৰা আচৰিত ধৰণে ঘূৰি আহিছিল। ‘তেওঁলোকৰ এটাই লক্ষ্য আছিল ঘৰলৈ ঘূৰি অহাৰ...’। তেওঁলোকৰ বন্ধু সহযাত্ৰী আৰু আপোনজনে তেওঁলোকক জীৱন দি থৈ গৈছিল। তেওঁলোকে নিজৰ মৃত্যুৰ পাছতো বন্ধুবোৰক নতুন জীৱন দান কৰিছিল।

**উপসংহাৰ**

২০১২ চনৰ ১২ অক্টোবৰ তাৰিখে এণ্ডিজ বিমান দুৰ্ঘটনাৰ বাচি থকা খেলুৱৈসকলে ৪০ বছৰ আগতে খেলিবলগীয়া ৰাগবী খেলখন চান্তিয়াগোত সম্পূৰ্ণ কৰে। তেওঁলোকৰ বয়স তেতিয়া ৬০ৰপৰা ৭০ বছৰৰ ভিতৰত। খেলখন আৰম্ভ হোৱাৰ আগে আগে মিলিটেৰী জেট বিমানৰপৰা পেৰাচ্যুটধাৰী সৈনিকে হাতত চিলি আৰু উৰুগুৱেৰ পতাকা লৈ অৱতৰণ কৰে। মৃত্যুৰ মুখৰপৰা বাচি থকা খেলুৱৈসকলে সেইসময়ত ফিল্ডৰ একোণত থকা তেওঁলোকৰ মৃত বন্ধুসকলৰ ফটোৰ আগত উচুপি উঠিছিল। ●



# ৰেভিনিউ ষ্টাম্প বিচাৰি মহৰুদ্দিনৰ হাহাকাৰ

মই তেতিয়া গড়কাপ্তানী পথ বিভাগৰ গোসাইগাঁও উপ-সংমণ্ডলৰ সহকাৰী কাৰ্য্যবাহী অভিযন্তা। কেজুৱেল কৰ্মচাৰী মহৰুদ্দিন আছিল মোৰ সংগী আৰু ৰান্ধনি। হোজা মহৰুদ্দিনক লৈ ঘটা অনেক কাহিনীৰ মাজৰে এইটো এটা মুখৰোচক ঘটনা।

**ছাহ আলম**

১৯৯৪ চনৰ ডিচেম্বৰ মাহৰ কথা। তেতিয়ালৈকে বেংক একাউণ্টত দৰমহাৰ টকা সোমোৱাৰ নিয়ম প্ৰচলিত হোৱা নাছিল। কাৰ্য্যবাহী অভিযন্তা, বঙাইগাঁৱৰ কাৰ্য্যালয়ৰ একাউন্টেণ্টৰপৰা নিজৰ মাহিলী দৰমহাৰ টকাখিনি ল'ব লগা হৈছিল আৰু বিভাগীয় স্থায়ী, অস্থায়ী মজদুৰ আৰু চকিদাৰৰ মুঠতে ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ মাহিলী দৰমহাৰ টকাখিনিও আনি উপসংমণ্ডলৰ কাৰ্য্যালয়ত বিতৰণ কৰা হৈছিল। সেই সময়ত গোসাইগাঁৱৰ কোনোবা এটা কাৰ্য্যালয়ত দৰমহাৰ টকা বিতৰণ কৰাৰ সময়ত দুষ্কৃতিকাৰীয়ে ভীতি প্ৰদৰ্শন কৰি দৰমহাৰ টকা কাঢ়ি লৈ যোৱাৰ ঘটনা চিন্তাৰ কাৰণ হৈ পৰিছিল। চৰকাৰে নিৰ্দেশনা জাৰি কৰা মতে পাছলৈ কাৰ্য্যবাহী অভিযন্তাৰ কাৰ্য্যালয়ে দৰমহাৰ টকা বেংকড্ৰাফ্ট বনাই দিছিল আৰু গোসাইগাঁও ষ্টেটবেংকত কাৰেণ্ট একাণ্টত বেংকড্ৰাফ্ট জমা দি টকা উইড্ৰ' কৰি থানাৰপৰা দিয়া ছিকিউৰিটিৰ সহায়ত টকাখিনি লৈ গৈ থানাৰ ভিতৰৰ নিৰ্দিষ্ট কোঠা এটাত কৰ্মচাৰীসকলক বিতৰণ কৰা হৈছিল।

একেদিনাই দৰমহাৰ টকা বিতৰণ কৰাৰ প্ৰয়াস কৰা হৈছিল আৰু কিবা কাৰণত অনুপস্থিত থকা কৰ্মচাৰীসকলৰ টকাখিনি বিতৰণ কৰিব নোৱাৰিলে থানাত থকা বিভাগৰ সৰু লকাৰ এটাত জমা ৰাখিছিলোঁ। লকাৰৰ চাবি দুপাত। ইয়াৰে এপাত মোৰ লগত আৰু আনপাত অফিচৰে বৰবাবুৰ লগত ৰাখিব লগা হৈছিল আৰু লকাৰ খোলা আৰু বন্ধ

কৰোঁতে দুয়োপাত চাবি ব্যৱহাৰ কৰিব লাগিছিল। সেয়ে দৰমহাৰ টকা বিলাবৰ দিনাখন বৰবাবুৰ উপৰিও মোৰো উপস্থিতি অপৰিহাৰ্য্য আছিল।

ডিচেম্বৰ মাহৰে ৯ বা ১০ তাৰিখৰ কথা; সিদিনা ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ দৰমহাৰ টকা গোসাইগাঁৱৰ ষ্টেট বেংকৰপৰা আনি থানাত বিতৰণ কৰাৰ আগমুহূৰ্তত কাৰ্য্যালয়ৰ পিয়ন সময়মতে আহি নোপোৱাত বৰবাবুৱে মহৰুদ্দিনক ৰেভিনিউ ষ্টাম্প ১০০টা মান আনিবলৈ দায়িত্ব দিলে। মহৰুদ্দিন চাইকেলখন লৈ ওলাই গ'ল। তেতিয়া দিনৰ ১২ মান বাজিয়েই গৈছে আৰু ময়ো সেই সময়ত থানাতেই উপস্থিত আছিলোঁ। ১ ঘণ্টাৰ ওপৰ সময় উকলি গ'ল; মহৰুদ্দিনৰ উমঘামেই নাই। মোৰ লগতে বৰবাবুৰো খং উঠিল— মহৰুদ্দিনে কিয়বা ইমান সময় লগাইছে! পোষ্ট অফিচ থানাৰ গাতে লাগি আছে। মহৰুদ্দিনে ইমান পলম কৰাৰতো প্ৰশ্নই নুঠে। ঠিক সেই সময়তে কাৰ্য্যালয়ৰ পিয়নজন আহি পালে আৰু তাক ৰেভিনিউ ষ্টাম্প আনিবলৈ পঠোৱা হ'ল। ২০ মিনিটৰ ভিতৰত পিয়নজনে ৰেভিনিউ ষ্টাম্প লৈ আহিল আৰু বৰবাবুৱে দৰমহা বিতৰণ কৰাত লাগি গ'ল। ১-৩০ বাজি যোৱাত মই বৰবাবুক মাত দি বাসস্থানত ভাত খাবলৈ বুলি থানাৰ পৰা ওলাই আহিলোঁ।



মই দুপৰীয়াৰ সাঁজ খাই, অলপ জিৰণি লৈ আকৌ থানা আহি পালোঁ। কৰ্মচাৰীৰ দৰমহা বিলোৱা প্ৰায় শেষ হ'ব। ঠিক সেই সময়ত মহৰুদ্দিন ঘামিজামি আহি থানাত উপস্থিত হ'ল। বৰবাবুৱে তাৰ কিয়নো ইমান পলম হ'ল জবাবদিহি কৰিলে। মই দেখিলোঁ মহৰুদ্দিনে হাত জোকাৰি জোকাৰি বৰবাবুৰ লগত তৰ্কত লিপ্ত হ'ল। মহৰুদ্দিনৰ আজি বহুত খং উঠিছে আৰু খঙৰ কোবত সি ফোপাই ফোপাই ক'বলৈ ধৰিলে--- "বাপৰে এই জনমত আৰু মই ৰেভিনিউ বস্তুটো আনিবলৈ নাযাওঁ। বাপৰে কি বস্তু মোক আনিব দিছেহে বৰবাবু আপুনি; মই গোসাইগাঁও নগৰৰ এটা এটাকৈ ৰাস্তাৰ ইপাৰ সিপাৰ, গেলামালৰ দোকানৰপৰা আৰম্ভ কৰি ফাৰ্মেচি, চাহ দোকান, কাপোৰৰ দোকানবোৰ আনকি মাছ বজাৰ আৰু চব্জি বজাৰত তন্নতন্নকৈ আপোনাৰ আৰু এচ ডি ও ছাৰৰ ভয়ত বিচাৰি বিচাৰি গোটেই বজাৰখন ইমূৰৰপৰা সিমূৰলৈ তিনি পাক মান মাৰিছোঁ। বাপৰে কিবা কৰি দোকানদাৰ মাৰোৱাৰি এজনক বহুত কাকূতি মিনতি কৰিহে মাত্ৰ চাৰিটামান ৰেভিনিউ বস্তুটো পালোঁ। ইমান কষ্ট পালোঁ আজি।" এই বুলি একে উশাহতে মহৰুদ্দিনে কথাখিনি কৈ চাৰিটা ৰেভিনিউ ষ্টাম্প বৰবাবুক দি দিলে। বেঞ্চ এখনত বহি মহৰুদ্দিনে গামোচাৰে তাৰ ঘৰ্মাক্ত মুখখন মচিব ধৰিলে। পোষ্ট অফিচত ৰেভিনিউ ষ্টাম্প পোৱা যায় বুলি মহৰুদ্দিনক বৰবাবুৱে কৈ নিদিয়াৰ বাবে আজি তাৰ এই হাহাকাৰ অৱস্থা। মহৰুদ্দিনৰ কথা শুনি মই হাঁহিবলৈ আৰম্ভ কৰিলোঁ, লগতে উপস্থিত থকা কৰ্মচাৰীসকলেও হাঁহিবলৈ ধৰিলে। হাঁহিৰ ৰোল উঠিল। মহৰুদ্দিনে ভেবা লাগি সকলোৰে মুখৰ ফালে চাই থাকিল।

●

**...বাপৰে এই জনমত আৰু মই ৰেভিনিউ বস্তুটো আনিবলৈ নাযাওঁ। বাপৰে কি বস্তু মোক আনিব দিছেহে বৰবাবু আপুনি; মই গোসাইগাঁও নগৰৰ এটা এটাকৈ ৰাস্তাৰ ইপাৰ সিপাৰ, গেলামালৰ দোকানৰপৰা আৰম্ভ কৰি ফাৰ্মেচি, চাহ দোকান, কাপোৰৰ দোকানবোৰ আনকি মাছ বজাৰ আৰু চব্জি বজাৰত তন্নতন্নকৈ আপোনাৰ আৰু এচ ডি ও ছাৰৰ ভয়ত বিচাৰি বিচাৰি প্ৰায় গোটেই বজাৰখন ইমূৰৰপৰা সিমূৰলৈ তিনি পাক মান মাৰিছোঁ। ...**

...কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনা অনুযায়ী ২০২৫ চনৰ ভিতৰত ভাৰতবৰ্ষত ব্যৱহাৰ হ'বলগীয়া পেট্ৰ'লৰ পাঁচভাগৰ এক অংশ হ'ব ইথানল অৰ্থাৎ পেট্ৰ'লত ইথানলৰ পৰিমাণ ২০ শতাংশলৈ বৃদ্ধি কৰা হ'ব। ...

# ইথানল মিশ্ৰিত পেট্ৰ'ল আৰু ভাৰতবৰ্ষত ইয়াৰ উপযোগিতা

**পংকজ কুমাৰ নেওগ**

এই বছৰৰ ১৩ আগষ্ট তাৰিখে অসমৰ বঙাইগাঁও শোধনাগাৰে ১০ শতাংশ ইথানল মিশ্ৰিত মটৰ স্পিৰিট প্ৰথম বেট্চ প্ৰেৰণৰ শুভাৰম্ভ কৰে। বঙাইগাঁও শোধনাগাৰ হৈছে এই মাইলৰ খুঁটিত উপনীত উত্তৰ-পূবৰ শোধনাগাৰসমূহৰ ভিতৰত প্ৰথম। অদূৰ ভৱিষ্যতে ভাৰতবৰ্ষত জৈৱ ইন্ধন আৰু জৈৱ-গেছৰ ভূমিকা অতি মূল্যৱান হৈ উঠিব। ইথানল হ'ল এবিধ জৈৱ ইন্ধন আৰু সাধাৰণতে কুঁহিয়াৰ, গোমধান আদিৰ জীৱভৰ (Biomass) প্ৰক্ৰিয়াকৰণৰ দ্বাৰা প্ৰস্তুত কৰা হয়। মদ্যজাতীয় পানীয় বা মদিৰাত ইয়াক 'ইথাইল এলকহল' ৰূপে জনা যায়। গাড়ী-মটৰত ব্যৱহাৰ হোৱা ইন্ধনৰ উৎস হ'ল ভূগৰ্ভৰপৰা নিৰ্গত খাৰুৱা তেল আৰু তেনে ইন্ধনক কোৱা হয় জীৱাশ্ম ইন্ধন। ইথালনক জৈৱ ইন্ধন সংযোজক হিচাপে পেট্ৰ'ল আৰু ডিজেলৰ সৈতে মিশ্ৰণ কৰিব পাৰি। ফিয়েট অট'মোবাইল্ছে ১৯৭৬ চনত ব্ৰাজিলত সম্পূৰ্ণ ইথানলেৰে চলিব পৰা 'ফিয়েট-১৪৭' গাড়ী প্ৰৱৰ্তন কৰিছিল।

বৰ্তমান সময়ত পেট্ৰ'ল আৰু ডিজেলৰ দৈনন্দিন ঊৰ্ধগামী মূল্যই মানুহক জলা-কলা খুৱাইছে আৰু পৰিৱেশ প্ৰদূষণৰ মাত্ৰাও প্ৰতিদিনে বাঢ়িব ধৰিছে। জীৱাশ্ম ইন্ধনৰ সৈতে ইথানল মিশ্ৰণে ইন্ধনৰ দাম কিছু হ্ৰাস কৰাৰ উপৰি পৰিৱেশ আৰু পৰ্যাৱৰণ সংৰক্ষণতো সহায় কৰিব বুলি আশা কৰিব পাৰি। কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনা অনুযায়ী ২০২৫ চনৰ ভিতৰত ভাৰতবৰ্ষত ব্যৱহাৰ হ'বলগীয়া পেট্ৰ'লৰ পাঁচভাগৰ এক অংশ হ'ব ইথানল অৰ্থাৎ পেট্ৰ'লত ইথানলৰ পৰিমাণ ২০ শতাংশলৈ বৃদ্ধি কৰা হ'ব। এই আঁচনিখন চৰকাৰে গুৰুত্ব সহকাৰে গ্ৰহণ কৰি সময়সীমা ২০৩০ চনৰ পৰা হ্ৰাস কৰি ২০২৫ চনলৈ চমুৱাইছে।

ভাৰতবৰ্ষত প্ৰধানতঃ কুঁহিয়াৰৰ 'কিণ্বন প্ৰক্ৰিয়া'ৰ (Fermentation) দ্বাৰা ইথানল

প্ৰস্তুত কৰা হয়। ইথানলত প্ৰচুৰ পৰিমাণে অম্লজান থকা বাবে ই গাড়ীৰ ইঞ্জিনত সুচাৰুৰূপে ইন্ধন দহনত সহায় কৰে। জীৱাশ্ম ইন্ধনৰ সৈতে বিভিন্ন অনুপাতত ইথানল মিশ্ৰণ কৰিব পাৰি আৰু যান-বাহনৰ ধোঁৱা নিৰ্গমন কমোৱাত ই সহায় কৰে। যিহেতু ইথানল উদ্ভিদ ভিত্তিক, ইয়াক 'নবীকৰণযোগ্য' ইন্ধনো (Renewable Fuel) বুলিব পাৰি। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই পেট্ৰ'লৰ সৈতে ২০% ইথানল মিশ্ৰণ কৰা আঁচনিখন যদিও ২০২৫ চনলৈ আগুৱাই আনিছে, এই আঁচনিখন দৰাচলতে নতুন নহয়। ২০২০-২০২৫ চনৰ ভিতৰত শেষ কৰিব লগা ইথানল মিশ্ৰণ আঁচনিখনৰ 'ৰ'ডমেপ' এখন বহুত বছৰৰ আগতে নীতি আয়োগ আৰু তেল আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে প্ৰস্তুত কৰিছিল। ২০০১ চনত কেন্দ্ৰীয় চৰকাৰে পেট্ৰ'ল পাম্পবোৰত পৰীক্ষামূলকভাৱে ৫% ইথানল মিহলি পেট্ৰ'ল বিতৰণ কৰে। এই পৰীক্ষা সফল বিবেচিত হোৱাত ইথানল মিশ্ৰিত পেট্ৰ'লৰ শুভাৰম্ভ হয় আৰু ২০০৩ চনৰ পৰা ভাৰতৰ ৯ খন ৰাজ্য আৰু ৪ খন কেন্দ্ৰীয় শাসিত অঞ্চলত ৫% ইথানল মিশ্ৰিত পেট্ৰ'ল বিক্ৰী হ'বলৈ ধৰে।

২০২৫ চনৰ ভিতৰত পেট্ৰ'লত ২০% ইথানল মিশ্ৰণৰ লক্ষ্য ৰখা আঁচনিখন কেন্দ্ৰীয় চৰকাৰৰ বাবে ২১ শতিকাৰ ভাৰতবৰ্ষৰ এখন লেখতল'বলগীয়া আৰু গুৰুত্বপূৰ্ণ আঁচনি। এই খেতিয়কসকলেও তেওঁলোকৰ আয় বৃদ্ধি কৰিবলৈ সুবিধা পাব আৰু তৃতীয় উল্লেখনীয় কথাটো হ'ল, বাকীবোৰ ইন্ধনৰ তুলনাত ইথানল ব্যৱহাৰে বায়ুমণ্ডলৰ প্ৰদূষণ কমাব। নীতি আয়োগৰ মতে ইথানল পেট্ৰ'লতকৈ কম খৰচী যদিও ইয়াৰ কাৰ্য্যকাৰিতা পেট্ৰ'লৰ প্ৰায় সমতুল্য। ইথানল ইন্ধনৰ 'গেছ'লিন গেলন এফিচিয়েন্সি' (GGE) হ'ল ১.৫, অৰ্থাৎ ১ আয়তনৰ গেছ'লিন বা পেট্ৰ'লে উৎপন্ন কৰা শক্তিক প্ৰতিস্থাপিত কৰিবলৈ ১.৫ আয়তনৰ ইথানল আৱশ্যক। ভাৰতবৰ্ষত ইথানল উৎপাদন কৰিব পৰা পৰিৱেশ যথেষ্ট অনুকূল। খেতি কৰিবলৈ থকা বিস্তীৰ্ণ ভূমি, কুঁহিয়াৰ আৰু সহজে খেতি কৰিব পৰা অন্যান্য শস্য, উদ্ভিদজাত সামগ্ৰীৰপৰা প্ৰস্তুত কৰিব পৰা সহজলভ্য প্ৰযুক্তি, ২০% ইথানল মিশ্ৰিত ইন্ধনেৰে চালিত বাহন নিৰ্মাণ কৰি উলিয়াব পৰা নৈপুণ্যেৰে ভাৰতবৰ্ষই ই-২০ক (ইথানল ২০%) এক জাতীয় প্ৰয়োজনীয়তা বুলি গণ্য কৰিব পাৰে।

২০১৪ চনলৈকে ভাৰতবৰ্ষত মাত্ৰ ১.৫ শতাংশ ইথানল পেট্ৰ'লৰ সৈতে মিশ্ৰণ কৰিব পৰা গৈছিল আৰু তাৰ পৰিমাণ ক্ৰমান্বয়ে এতিয়া ৮.৫ শতাংশলৈ বৃদ্ধি কৰিব পৰা গৈছে। ২০১৩-২০১৪ চনত দেশত কিনিবলগীয়া ইথানলৰ পৰিমাণ আছিল ৩৮ কোটি লিটাৰ আৰু সেই পৰিমাণ

**প্ৰকৃতি প্ৰদত্ত হাইড্ৰ'কাৰ্বনৰ উৎস ক্ৰমান্বয়ে কমি অহাৰ লগে লগে আৰু বিশ্বৰ বজাৰত খাৰুৱা তেলৰ মূল্যৰ অভাৱনীয় উত্থান-পতন তথা পৰিৱেশ প্ৰদূষণ ইত্যাদি সমস্যাৰ বাবে পৃথিৱীৰ সকলোবোৰ দেশে বিকল্প শক্তিৰ উৎস তথা নতুন ইন্ধনৰ সন্ধান কৰিছে। ইথানল মিশ্ৰিত মটৰ স্পিৰিটৰ দৰে সংকৰ ইন্ধন সমূহৰো চাহিদা বাঢ়িব ধৰিছে।...**

আঁচনিখনৰ জৰিয়তে ভাৰতৰ কেইবাটাও দিশৰ পৰা লাভ হ'ব বুলি আশা কৰা হৈছে। আঁচনিখনৰ সফল ৰূপায়ণে খাৰুৱা তেলৰ আমদানিৰ মূল্য ৪ বিলিয়ন আমেৰিকান ডলাৰ বা ৩০,০০০ কোটি ভাৰতীয় টকা হ্ৰাস কৰিব। দ্বিতীয়তে, ইথানল উৎপাদন কৰিব পৰা জৈৱিক খেতিৰ চাহিদা বঢ়াৰ লগে লগে এতিয়া বৰ্ধিত হৈ ৩২০ কোটি লিটাৰৰো বেছি। ভাৰতবৰ্ষত ইথানলৰ উদ্যোগ মাত্ৰ চাৰি-পাঁচখন ৰাজ্যত সীমাবদ্ধ যদিও কৃষিজাত শস্যৰ আধাৰত গঢ়ি উঠা ভাটিখানা (Distilleries) ভাৰতৰ সকলো ৰাজ্যতে গঢ়ি তোলা হৈছে। তদুপৰি আধুনিক প্ৰযুক্তিৰ আধাৰত কৃষিজাত আৱৰ্জনাৰপৰা ইথানল

প্ৰস্তুত কৰিব পৰা কাৰখানাও স্থাপন কৰা হৈছে।

নীতি আয়োগে প্ৰকাশ কৰা মতে ভাৰতবৰ্ষৰ দুচকীয়া আৰু চাৰিচকীয়া বাহনবোৰ বৰ্তমান ৫% ইথানল মিশ্ৰিত পেট্ৰ'লত চলিব পৰাকৈ নিৰ্মিত। এই বাহনবোৰত ব্যৱহৃত ৰবৰ আৰু প্লাষ্টিকৰ উপাংশবোৰ ১০%লৈকে ইথানল মিশ্ৰিত ইন্ধন ল'ব পৰাকৈ উপযুক্ত। কিন্তু ২০% ইথানল মিশ্ৰিত পেট্ৰ'লৰ প্ৰচলনৰ লগে লগে সকলোবোৰ বাহনৰ ইঞ্জিন তথা ৰবৰ আৰু প্লাষ্টিকৰ উপাংশবোৰ তদনুৰূপে সলনি কৰিব লাগিব। 'ছ'চাইটি অৱ অট'ম'বাইল মেনুফেকচেৰাৰ্ছ'ৰ (SIAM) বিবৃতিমতে ভাৰত চৰকাৰে 'ই-১০' আৰু 'ই-২০' ইন্ধনৰ 'ৰ'ডমেপ' আনুষ্ঠানিকভাৱে প্ৰকাশ কৰাৰ লগে লগে তেনেধৰণৰ ইন্ধনত চলিব পৰা বাহন তেওঁলোকে নিৰ্মাণ কৰি উলিয়াব। ইয়াৰ বাবে আৱশ্যকীয় সকলোবোৰ উপাদান স্বদেশতে প্ৰস্তুত কৰিব পৰা যাব আৰু 'এচেম্বলি লাইন'ৰ বৰ এটা সাল-সলনি নহয় বুলি ভবা হৈছে। এইবছৰৰ ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱসত প্ৰধানমন্ত্ৰীয়ে ইথানল মিশ্ৰণৰ ২০২০-২০২৫ 'ৰ'ডমেপ'খন মুকলি কৰিছে। এই 'ৰ'ডমেপ'ৰ মতে ২০২২ চনৰ ভিতৰত ভাৰতবৰ্ষৰ সকলো ঠাইতে ইন্ধনৰ সৈতে ইথানলৰ মিশ্ৰণ অতি কমেও ১০% কৰা হ'ব আৰু আই, অ', চি (IOC) আৰু এইচ, চি, পি এল (HCPL) ইত্যাদি তৈল বিপণন কোম্পানিয়ে ২০২৩ চনৰ এপ্ৰিল মাহৰপৰা ২০% ইথানল মিশ্ৰিত ইন্ধন যোগান ধৰিব লাগিব। মহাৰাষ্ট্ৰ আৰু উত্তৰ প্ৰদেশৰ দৰে অধিক কুঁহিয়াৰ উৎপন্ন হোৱা ৰাজ্যই এই বিষয়ত আগভাগ ল'ব বুলি আশা কৰিব পাৰি। যান-বাহন নিৰ্মাণকাৰীসকলেও সেইদৰে ২০২২ চনৰ এপ্ৰিলৰ পৰা 'ই-২০' ইন্ধনেৰে চলিব পৰা গাড়ী-মটৰ নিৰ্মাণ কৰি উলিয়াব লাগিব।

প্ৰকৃতি প্ৰদত্ত হাইড্ৰ'কাৰ্বনৰ উৎস ক্ৰমান্বয়ে কমি অহাৰ লগে লগে আৰু বিশ্বৰ বজাৰত খাৰুৱা তেলৰ মূল্যৰ অভাৱনীয় উত্থান-পতন তথা পৰিৱেশ প্ৰদূষণ ইত্যাদি সমস্যাৰ বাবে পৃথিৱীৰ সকলোবোৰ দেশে বিকল্প শক্তিৰ উৎস তথা নতুন ইন্ধনৰ সন্ধান কৰিছে। ইথানল মিশ্ৰিত মটৰ স্পিৰিটৰ দৰে সংকৰ ইন্ধন সমূহৰো চাহিদা বাঢ়িব ধৰিছে। বিশ্বৰ সকলো দেশতে ইথানল পেট্ৰ'লৰ সৈতে মিশ্ৰণৰ বাবে অতি উপযোগী বুলি বিবেচিত হৈছে। এটা সমীক্ষা অনুসৰি ২০১৯ চনত সমগ্ৰ বিশ্বতে ইন্ধনত ব্যৱহাৰ হোৱা ইথানলৰ পৰিমাণ আছিল ১১০ বিলিয়ন লিটাৰ আৰু যোৱা দশকত ইয়াৰ বছেৰেকীয়া চাহিদাৰ হাৰ ৪%কৈ বৃদ্ধি পাইছে। আমেৰিকা আৰু ব্ৰাজিলে বিশ্বৰ ৮৪% ইথানল উৎপাদন কৰে। ইয়াৰ পিছতেই ইউৰোপীয়ান ইউনিয়ন, চীনদেশ, ভাৰত, কানাডা আৰু থাইলেণ্ডে স্থান অধিকাৰ কৰিছে।

ব্ৰাজিল চৰকাৰে প্ৰৱৰ্তন কৰা নিয়ম অনুসৰি দেশত ব্যৱহৃত হোৱা পেট্ৰ'লত ১৮%ৰপৰা ২৭.৫% ইথানল থাকিব লাগিব। মিশ্ৰিত ইন্ধনৰ ব্যৱহাৰ ব্ৰাজিলত ১৯৭৬ চনৰপৰাই আৰম্ভ হৈছে। ২০১১ চনতে ব্ৰাজিলত 'ফ্লেক্স-ফুৱেল' বা দুই ধৰণৰ ইন্ধনেৰে চলিব পৰা গাড়ী আৰু মটৰ চাইকেলৰ সংখ্যা আছিল ক্ৰমে ১৪.৮ আৰু ১.৫ নিযুত। এই বাহনবোৰৰ ১০০% ইথানলেৰে (E-১০০) চলিব পৰা ক্ষমতা আছে। ইউৰোপীয়ান ইউনিয়নে তেওঁলোকৰ প্ৰত্যেকখন দেশৰ বাবে যাতায়াতত ব্যৱহাৰ হোৱা পেট্ৰ'লত ১০% জৈৱ ইন্ধন থাকিব লাগিব বুলি ইতিমধ্যে নিয়ম কৰিছে।

ভাৰতবৰ্ষত পৰম্পৰাগতভাৱে কুঁহিয়াৰৰপৰা ইথানল প্ৰস্তুত কৰা হয় কিন্তু ভাৰতবৰ্ষৰ দৰে জনবহুল দেশ এখনত ইন্ধন প্ৰস্তুতিত বিশাল পৰিমাণৰ কুঁহিয়াৰৰ ব্যৱহাৰে গুৰুত্বপূৰ্ণ খাদ্য সামগ্ৰীবিধৰ নাটনিৰ সৃষ্টি কৰিব। সেয়েহে গেছ'লিনত ২০% মিথানল মিশ্ৰণ কৰা আঁচনি সফল কৰিবলৈ চৰকাৰে 'লিগ্ন'-চেলুলজিক' জৈৱ সামগ্ৰী ব্যৱহাৰৰ বাবে উদগণি যোগাইছে। এই জৈৱ সামগ্ৰীৰ অন্তৰ্গত সামগ্ৰীসমূহ হৈছে ধানখেৰ, গোমধানৰ খেৰ, ঘেঁহুৰ ডাল, বাঁহ, কুঁহিয়াৰৰ জাবৰ ইত্যাদি। নুমলীগড় শোধনাগাৰে অসমৰ নুমলীগড়ত বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প এটি স্থাপনৰ প্ৰস্তুতি চলাইছে। প্ৰকল্পটিৰ বাবে কেঁচা সামগ্ৰী অসম, নগালেণ্ড, অৰুণাচল প্ৰদেশ আৰু মেঘালয়ৰপৰা সংগ্ৰহ কৰা হ'ব। প্ৰকল্পটিৰ প্ৰয়োজনীয় কাৰিকৰী প্ৰযুক্তি ফিনলেণ্ডৰ 'মেচাৰ্ছ চেম্প'লিচ' নামৰ বিশ্বমানৰ কোম্পানিটোৱে যোগান ধৰিবলৈ ইতিমধ্যে চুক্তিবদ্ধ হৈছে। চেম্প'লিচ কাৰিকৰী প্ৰযুক্তি ব্যৱহাৰৰ দ্বাৰা উপাংশ পৃথকীকৰণ প্ৰক্ৰিয়াৰে 'লিগ্ন'-চেলুলজিক' জৈৱ সামগ্ৰীৰপৰা ইথানল আৰু অন্যান্য ৰাসায়নিক সামগ্ৰী যেনে এচিটিক এচিড, ফাৰফিউৰেল এলকহল আদি উৎপাদন কৰিব পৰা যাব।

প্ৰস্তাৱিত জৈৱ ইথানল প্ৰকল্পটিৰ উৎপাদন ক্ষমতাৰ

সবিশেষ তলৰ তালিকাত দেখুওৱা হ'ল ঃ

| উৎপাদিত সামগ্ৰী | বাৰ্ষিক উৎপাদন ক্ষমতা (টন) | দৈনিক উৎপাদন ক্ষমতা (টন) # |
|---|---|---|
| ইথানল | ৪৯,০০০ | ১৪৮.৫ |
| এচিটিক এচিড | ১১,০০০ | ৩৩.৩ |
| ফাৰফিউৰেল | ১৯,০০০ | ৫৭.৬ |
| জৈৱ কয়লা | ১৬০,০০০ | ৪৮৪.৯ |
| ষ্টিলেজ (শুষ্ক) | ৩০,০০০ | ৯০.৯ |

# বছৰি ৩০০ কৰ্মদিন হিচাপত

বাঁহৰ পৰা ইথানল উৎপাদনৰ ক্ষেত্ৰত চেম্প'লিচ প্ৰযুক্তিৰ ব্যৱহাৰ বিশ্বত প্ৰথম প্ৰচেষ্টা। চেম্প'লিচৰ 'লিগ্ন'-চেলুলজিক' জৈৱ সামগ্ৰীৰপৰা ইথানল উৎপাদনৰ প্ৰস্তাৱিত প্ৰকল্পটি কাৰ্য্যক্ষম হৈ উঠিলে সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে ই প্ৰথম হিচাপে চিহ্নিত হ'ব।

প্ৰকল্পটিৰ ৰূপায়ণে নগালেণ্ড, অৰুণাচল প্ৰদেশ আৰু অসমৰ বাঁহ উৎপাদিত বিভিন্ন অঞ্চলত কৰ্মসংস্থাপনৰ সৃষ্টি কৰিব। ৰাজ্যখনৰ সীমান্তৱৰ্তী কৃষকসকলৰ সিংহভাগকেই বাঁহ যোগান তথা পৰিবহণত নিযুক্ত কৰা হ'ব। প্ৰকল্পটিয়ে পূৰ্ণতা লাভ কৰিলে অঞ্চলটোত সমান্তৰালভাৱে বাঁহৰ বাণিজ্যিক ব্যৱহাৰৰ গুৰুত্ব বৃদ্ধি পাব বুলি আশা কৰা হৈছে। এই প্ৰকল্পটো হ'ল এক পুনঃব্যৱহাৰযোগ্য প্ৰকল্প আৰু ই খনিজ ইন্ধনৰ ব্যৱহাৰ হ্ৰাস কৰিব। প্ৰস্তাৱিত জৈৱ শোধনাগাৰৰ বিপণন সহযোগী 'জাতীয় ক্ষুদ্ৰ উদ্যোগ নিগম'ৰ হিচাপমতে প্ৰকল্পটোৰ আৰম্ভণিয়ে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে প্ৰায় ৬৪০০ বিনিয়োগকাৰী আৰু উদ্যোক্তাক নিয়োগ কৰিব। প্ৰকল্পটিৰপৰা নিম্নোক্ত লাভালাভ সমূহ আশা কৰা হৈছে ঃ

(১) আমদানিকৃত খাৰুৱাতেলৰ ওপৰত ভাৰতৰ নিৰ্ভৰশীলতা হ্ৰাস।

(২) প্ৰাকৃতিক উৎসৰ সঞ্চয়, জলবায়ু পৰিৱৰ্তনত বাধা আৰু পৰিৱেশ প্ৰদূষণ হ্ৰাস।


(৩) কৃষক আৰু পৰিবহণকাৰীক নিয়োগৰ সুবিধা লগতে ৰাজহ বৃদ্ধি

(৪) বাঁহগছ ৰোপণৰ বাবে উদগণি যোগোৱা যাৰ ফলত বিষাক্ত গেছৰ হ্ৰাস তথা বানপানীৰ দ্বাৰা সৃষ্ট ভূমিস্খলন প্ৰতিৰোধ।

আই, অ'. চিয়ে অতি সোনকালে অন্ধ্ৰপ্ৰদেশ আৰু তেলেংগানাত দুটা দ্বিতীয় প্ৰজন্মৰ জৈৱ-শোধনাগাৰ স্থাপনৰ সিদ্ধান্ত লৈছে। নষ্ট হোৱা বা পেলনি যোৱা শস্যৰ সহায়ত প্ৰত্যেকটো শোধনাগাৰে দিনে ৫ লাখ লিটাৰকৈ ইথানল প্ৰস্তুত কৰিব। কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে এই দুই শোধনাগাৰ আৰু অসমৰ নুমলীগড়ৰ উপৰি পঞ্জাৱ, হাৰিয়ানা, গুজৰাট, উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, বিহাৰ, ওড়িশা আৰু মহাৰাষ্ট্ৰত সৰ্বমুঠ ১২ টা জৈৱ শোধনাগাৰ প্ৰতিষ্ঠা কৰাৰ কথা পৰিকল্পনা কৰিছে। অন্ধ্ৰপ্ৰদেশ আৰু তেলেংগানাৰ শোধনাগাৰ দুটা দেৰ-দুবছৰৰ ভিতৰত কাৰ্য্যক্ষম কৰিব পৰা যাব বুলি আশা কৰা হৈছে। মাৰ্চ মাহত অন্ত পৰা ২০২০ আৰ্থিক বছৰটোত ভাৰতবৰ্ষত ইথানল প্ৰস্তুত কৰিব পৰা ক্ষমতা আছিল ৪.২৬ বিলিয়ন লিটাৰ। কেন্দ্ৰীয় চৰকাৰে ২০২৫ চনৰ ভিতৰত ইন্ধনত ২০% ইথানল মিশ্ৰণ কৰা আঁচনি ৰূপায়িত কৰিবলৈ বছৰি ১০ বিলিয়ন লিটাৰ ইথানলৰ আৱশ্যক হ'ব। ইয়াৰে ৬ বিলিয়ন লিটাৰ চেনি প্ৰস্তুত কৰা কাৰখানাবোৰে আৰু বাকী ৪ বিলিয়ন লিটাৰ অন্যান্য শস্য/জৈৱিক পদাৰ্থৰপৰা দ্বিতীয় প্ৰজন্মৰ শোধনাগাৰবোৰে উৎপাদন কৰিবলৈ সমৰ্থ হ'ব বুলি আশা কৰা হৈছে।


প্ৰকল্পটিৰ ৰূপায়ণে নগালেণ্ড, অৰুণাচল প্ৰদেশ আৰু অসমৰ বাঁহ উৎপাদিত বিভিন্ন অঞ্চলত কৰ্মসংস্থাপনৰ সৃষ্টি কৰিব। ৰাজ্যখনৰ সীমান্তৱৰ্তী কৃষকসকলৰ সিংহভাগকেই বাঁহ যোগান তথা পৰিবহণত নিযুক্ত কৰা হ'ব।

●


1.Sugarcane
2.Farmentation
3.Purification
4Ethanol
5.Blending
E10
6.Transportation
E10
7.Petrol Station




Ethanol






AASTHA supported an NGO at rural cluster of Pathori,
Nagaon promoting horticulture and skill development



AASTHA supported an NGO at Bisennala, Rangia for Employment generation



# প্ৰজ্বলিত মমবাতি

ডাঃ অমল শইকীয়া

এৰা! জ্বলি থকা মমবাতিডালৰ দৰেই তেওঁ পোহৰ বিলাই গ'ল, মানুহ হোৱাৰ আদি পাঠ দি গ'ল, অনুপ্ৰেৰণা দি গ'ল, পথৰ সন্ধান দি গ'ল। সৃষ্টি হ'ল চিকিৎসক, অভিযন্তা, উকীল, অধ্যাপক আৰু বহুজনৰ। তেওঁ কিন্তু তেওঁৰ সেই পুৰণা চাইকেলখনতে উঠি পেদেল মাৰি গৈয়ে থাকিল। তেওঁৰ কাষেদি যেতিয়া ৰঙা, নীলা, সোণালী ৰঙৰ চিনাকি গাড়ীবোৰে ধূলি উৰুৱাই পাৰ হৈ গুচি যায় তেতিয়া তেওঁৰ হৃদয়খন আত্মসন্তুষ্টিত গংগাটোপটোৰ দৰে ওফন্দি পৰে। কিন্তু আজি, তেওঁ যেন জ্বলি জ্বলি শেষ হৈ যোৱা মমবাতিডালৰ অৱশিষ্টহে মাথোঁ।

পুখুৰীৰ পাৰত পৰি থকা পুৰণা চেন্দেলযোৰ আৰু পুখুৰীত উপঙি থকা মৃতদেহটো প্ৰত্যক্ষ কৰি খেনোৰে কোৱাকুই কৰিছে–

'বেচেৰাই ধনৰ অভাৱতে এক্সিডেণ্টত ভঙা হাত-ভৰি দুখনৰ চিকিৎসা কৰিবলৈ অসমৰ্থ হৈ এনে পন্থা ল'লে। ...তেওঁ সৌসিদিনা মাত্ৰ চাকৰিত মকৰল হোৱা একমাত্ৰ ল'ৰাটোৰ বোজা হ'ব নিবিচাৰিলে।... এক্সিডেণ্টত ভাঙি চুৰমাৰ হোৱা পুৰণি চাইকেলখনৰ লগতে তেৰোঁ গ'লগৈ।'

●

# দুখ

**দীপালি ডেকা**

ৰভাতলি মানুহেৰে ভৰপূৰ, চাৰিওফালে উখল-মাখল। মণ্ডপৰ ওচৰতে ভনীয়েকজনী বহি আছে। সোণৰ অলংকাৰ আৰু ৰঙা পাটৰ সাজযোৰেৰে কইনাৰ বেশত ভনীয়েকক আজি বৰ ধুনীয়া লাগিছে। ক'ব নোৱৰাকৈয়ে তাই এটা হুমুনিয়াহ কাঢ়িলে।

পাঁচ বছৰ আগতে যদি তাই দেউতাকৰ অত্যাচাৰৰপৰা মাকক বচাবলৈ গৈ ভৰিখন নেহেৰুৱালেহেঁতেন হয়তো ভনীয়েকৰ সলনি সেই ঠাইখিনিত আজি তাই বহি থাকিলহেঁতেন। তাইৰ চকুৰপৰা দুটোপাল তপত চকুলো ওলাই আহিল।

●



# অনুশোচনা

**ডাঃ হৰ কুমাৰ দাস**

আজি কেইবাদিনৰ পৰা হৰেনৰ কথা মনলৈ আহি আছে। হৰেন মোৰ বাল্য বন্ধু। পৰিয়ালৰ আৰ্থিক দৈন্যৰ বাবে সি হাইস্কুলতে শিক্ষা সমাপ্ত কৰি পৈত্ৰিক মাটি কেইডৰাত খেতি কৰি জীৱিকা নিৰ্বাহ কৰিবলৈ ধৰিলে। ঘৈণীয়েক ঢুকোৱা আজি কেইবাবছৰো হ'ল। ফোনত মাজে মাজে কথা হ'লে সি প্ৰায়েই অভিমান কৰে, "তহঁত ডাঙৰ মানুহ হ'লি, আমাৰ নিচিনা সৰু মানুহবোৰৰ খবৰ ল'বলৈ তহঁতৰ সময় নাই।" কিছুদিনৰ পৰা সি বেমাৰৰ বাবে শয্যাশায়ী হৈ আছিল। কথাষাৰ তাৰ ভায়েকৰ পৰাহে মই গম পালোঁ। সি কিন্তু তাৰ বেমাৰৰ বিষয়ে এদিনো মোক কোৱা নাছিল। সেয়ে সেইদিনা গাঁৱলৈ যাওঁতে হৰেনৰ খবৰ কৰিম বুলি তাৰ ঘৰমুৱা হ'লোঁ। পদূলিত ভৰি থৈ ভায়েকক লগ পালোঁ।

"অ' দাদা, আহক, বহক, মই ডাঙৰ দাদাক মাতি দিছোঁ" বুলি হৰেনৰ কোঠাতে বহিব দিলে।

কিছু দেৰি বহি থকাৰ পাছতো হৰেনক অহা নেদেখি মই অলপ অপ্ৰস্তুত হৈছিলোঁ।

এনেতে কোঠাৰ পৰ্দাৰ ফাকেৰে দেখিলোঁ, এজন সৰু ল'ৰাই একবস্ত্ৰে হাতত এটা মাটিৰ লোটা লৈ পদূলিৰ জপনাখন ঠেলি ঘৰত সোমাবলৈ লৈছে। ল'ৰাজনৰ মুখলৈ চাই দেখিলোঁ, "এয়া দেখোঁ হৰেনৰ ল'ৰা।"

মোৰ আৰু বুজিবলৈ বাকী নাথাকিল।

মুহূৰ্ততে যেন একুৰা জুয়ে মোৰ গোটেই দেহাটো পুৰি লৈ গ'ল, এক অনুশোচনাৰ জুই।

●

# সূৰুযমুখীৰ ঘৰ

**মীনাক্ষি ৰায় ডাকুৱা**

মই সূৰুযমুখী
সূৰ্য্যই মোক দেখিছেনে নাই
সেয়া মই নাজানো
মই কিন্তু অনবৰত সূৰ্য্যক দেখোঁ
সূৰ্য্যক নেদেখিলে অস্তিত্বৰ সঙ্কটত ভোগোঁ মই
মোৰ দৃষ্টি সূৰ্য্যতেই নিবদ্ধ
সূৰ্য্যৰ আলোকৰ নিৰ্ঝৰ ধাৰাত
অৱগাহন কৰি
মই পুষ্পিত হওঁ
মই বিকশিত হওঁ
মই উৎফুল্লিত হওঁ।

চকুৰ পতাত সযতনে জমাই ৰাখোঁ
আত্মীয়তাৰ নিবিড় পৰশ
স্মৃতিৰ ৰহঘৰাত পলে পলে
অনুৰণিত হয় বাসন্তিকাৰ গীত।

বাৰে বাৰে বিঘ্নিত হ'লেও
আকাশ ক'লা মেঘে ছানি ধৰিলেও
ধ্ৰুৱক জ্যোতিৰ্ময়ৰ অম্লান জ্যোতিত
অশ্ৰুত কণ্ঠত আত্মপ্ৰত্যয়ী মই
হৈ ৰওঁ নিৰুদ্বেগ নিৰ্বিকল্প
সূৰ্য্যৰ প্ৰেমত দায়বদ্ধ থাকোঁ চিৰদিন চিৰকাল
সেয়াই মোৰ আপোন ঘৰ।

মোৰ ৰক্তকণিকাত বাজে সূৰ্য্যৰ বুকুৰ ভাষা
প্ৰিয় দুখ ঘূৰি আহে বাৰে বাৰে
আহ্নিকৰ অমোঘ বিধানেৰে
মোৰ জীৱনৰ স'তে অন্তৰ্লীন হৈ আছে সূৰ্য্য
মিলি আছে মোৰ বহিঃবৃত্তিত
মিলি আছে মোৰ অন্তঃচেতনাত
মিলি আছে মোৰ মননত
নিভৃত হৃদয়ত।

# কবিতা



# সুদিন

**পূৰ্ণেন্দু শৰ্মা**

এদিন
সুদিন আহিব।

সুৱাগ চাৰনি ভৰাই
হৈ দিয়া নাও
ভোগদৈৰ পাৰত
এবাৰ জিৰাব।

নৈ পৰীয়া বা ছাটি
প্ৰথম প্ৰহৰৰ ৰাতি
চুবুৰি চুব।।

সেউতীৰ সুবাসে
আহিনী চিকুণ
নিৰলা সন্ধিয়াৰ
কুশল বতৰা বিলাব

সুদিন
এদিন আহিব।।

# ঠিকনা

**ডাঃ অগস্ত্য বৰুৱা**

পথৰ কাষৰ এটা চুকত বহি
শাকপাচলি বিক্ৰী কৰা
মানুহজন

কাষত সচৰাচৰ বৈ থকা ল'ৰাটো

জ্বলি থকা চাকিটোৰ শিখাত জাহ যাবলৈ বাট চাই থকা চগাবোৰ

আচলতে
কোনেও কাৰো খবৰ নাৰাখে

একোটা সংযোগৰ বাবে বৈ থাকে আজীৱন


আজি মানুহজন নাই

বাকীবোৰো নাই

কোনেও নাজানিলেও এতিয়ালৈকে নজ্বলোৱা চাকিটোৱে জানে

তুলসী পুলিটোৱে
জানে

গধূলিৰ ছবিৰ সূত্ৰধাৰৰ অকস্মাত সলনি হোৱা ঠিকনা।।



# সময়

**কস্তুৰী নিভা গগৈ**

কাৰো বাবে নৰয় সময়
বোৱতী নদীৰ দৰে বই যায়
কাহানিও উভতি নবয়,
অতীতৰপৰা বৰ্তমান
বৰ্তমান গচকি ভৱিষ্যতলৈ
ভৱিষ্যত ভেদি অনন্ত কাললৈ
বিৰামবিহীন যাত্ৰাপথত নাই অপেক্ষাৰ সময়,
সময়ে কৈ যায় অতীতৰ বৰণীয়া কথা
বৰ্তমানত গঢ়ে জীৱন গাথা
ভৱিষ্যতৰ মহান আশা,
কোনেও নোৱাৰে ৰাখিব ধৰি
পৰিৱৰ্তন নাহে ঘূৰি
পৰিৱৰ্তন পৰিৱৰ্তন
ৰূপান্তৰ ৰূপান্তৰ
সময় গতিশীল গতিময়
চিৰদিন চিৰকাল
সময় গতিময় দুৰ্নিবাৰ
চিৰ প্ৰবাহমান।

# ৰঙীন ফাগুন


**ৰত্ন কান্ত শৰ্মা**

উতনুৱা বতাহজাকে
উৰুৱাই নিলে
নিয়ৰৰ বুটা বচা
শুকুলা চাদৰ
জোনাকে ধোৱা বাটৰ
চিকুণ কোমলতা
খোজ চিনাকি
ফাগুন আহিল

যোৱা ৰাতি
আহিল ফাগুন
মনে মনে
মনৰ বনত
ফুলিল ইন্দ্ৰমালতী
বাসনাৰ ৰামধেনুৰ
ব্যাকুল হাতবাউলি

অৰুন্ধতী
আজিও আছানে তুমি
সেই ৰাতি ফুলা ফুল হৈ
তগৰ মালতী
কিমান যে সুগন্ধি
আছেনে এতিয়াও
পলাশ ৰঙৰ ওঁঠত
ৰ'দৰ হাঁহি

কিয়বা মন যায় আজিও
তোমাৰ জেতুকা ৰঙা
হাতদুখনি
আলফুলে চুই চাবলৈ
কৃষ্ণচূড়াৰ ৰাগীত ৰঙচুৱা



তোমাৰ দুচকুত
চকু থৈ ক'বলৈ মন যায়
অনেক কথা মৌন ভাষাত

থাকানে বাট চাই এতিয়াও
পদূলি মূৰত
মনত পৰেনে
গধূলিৰ নিবিড়
মিঠা আলিংগন

হিচাপ ল'বলৈ
আছে বাৰু কি
সৰাপাতৰো যে আছে
এক সমুদ্ৰ নীল হৃদয়
আছে বহুত নীলা বেদনা
কোনেনো ৰাখে খবৰ
সময়েবা ক'ত

যেনেকৈয়ে আহে
আহক ঋতুবোৰ
ফুলক বা নুফুলক ফুল
দেখক বা নেদেখক সপোন
নাচক বা নানাচক পখিলাই

যিয়ে যি ভাবে
তাকেই ভাবক
তুমিয়েই মোৰ বাবে সমস্ত ঋতু
তুমি মোৰ
সোণালী সপোন
ফাগুন ফাগুন ফাগুন
তুমি মোৰ চিৰকাল
ৰঙীন ফাগুন।

# চিধা কথা

**কঙ্কন শৰ্মা**

কোনোদিনে নহা
মানুহবোৰ আহিছে ...
কোনোদিনে নহঁহা
মানুহবোৰে হাঁহিছে!

মূৰত থ'লে ওকনিয়ে খায়
মাটিত থ'লে পৰুৱাই খায় ...
সেইহেন মানুহবোৰে
খালি মাটিত লেপেটা কাঢ়ি খায় ...

মানুহবোৰে হঠাতে সৃষ্ট
যুদ্ধৰ আকাশখন দেখি
দৌৰি যোৱা নাই ...
যাব ... কিন্তু বিনিময় লাগিব ... চিধা কথা!!

আজিও নিমাওমাও চৌদিশ
সেই মানুহবোৰ আৰু নাহে
নাহাঁহে, লগে ভাগে নাখায়,
মাটিত নবহে ...

কান্ধত সহজতে হাতথোৱা
মানুহবোৰ লগ পাবলৈ
বোন্দাপৰ দিব লাগিব
দিব লাগিব বিনিময়
চিধা কথা ...।





# ভল্গাৰ পাৰে পাৰে

**জোনা মহন্ত**

এখন ঠাইৰ বিষয়ে আনৰ পৰা শুনি বা বিভিন্ন কিতাপ আলোচনী আদিত পঢ়ি যি আনন্দ পোৱা যায় তাতকৈ নিজে গৈ চোৱা আৰু বহু নজনা কথা জনাৰ যি সৌভাগ্য ঘটে তাৰ আনন্দই সুকীয়া। ফুৰিবলৈ গৈ বিভিন্ন মানুহক লগ পাই আৰু কথা পাতি লাভ কৰা অভিজ্ঞতাও কেতিয়াবা ইমান ৰোমাঞ্চকৰ হয় যে বাৰে বাৰে নতুন নতুন ঠাইলৈ যোৱাৰ হেঁপাহ ওপজে। যদিও সঘনাই যোৱা সম্ভৱ নহয় তথাপি মাজে মাজে দুই এখন ঠাইলৈ ফুৰিবলৈ ওলাই যাওঁ। ভাল লাগে নিজৰ চকুৰে চাই, এনে লাগে যেন প্ৰতিটো দৃশ্যই কেমেৰাত বন্দী কৰি তাৰ সৌন্দৰ্য্য আনকো বিলাই দিম। ৰাছিয়া ভ্ৰমণৰ অভিজ্ঞতাও সেয়েহে পাঠকসকলৰ মাজত বিলাই দিয়াৰ প্ৰয়াস কৰা হ'ল।

ৰাছিয়াৰ কথা মনলৈ আহিলেই সেই দেশৰ ৰাজকীয় অতীতৰ সাম্ৰাজ্যবাদ, ইভান দি টেৰিবল (Ivan the Terrible), পিটাৰ দি গ্ৰেট (Peter the Great) আদিৰ নামে মনত ভুমুকি মাৰে। সৰুৰে পৰা শুনি অহা ইতিহাসৰ পাতত উজলি থকা এইসকলৰ বীৰত্বৰ গাথা, আনহাতে সমগ্ৰ বিশ্বক কঁপাই তোলা ৰাছিয়ান বিপ্লৱ আৰু লেনিনৰ বিষয়ে পঢ়ি দেশখনলৈ যোৱাৰ হেঁপাহ মনতে পুহি ৰাখিছিলোঁ। সেয়ে ২০১৭ চনৰ জুলাই মাহৰ গৰমৰ বন্ধত ৰাছিয়ালৈ যোৱাৰ মন মেলিলোঁ। দেশৰ পৰা বাহিৰলৈ যোৱাৰ চৰকাৰী

নীতি-নিয়ম পালন কৰি ভিছা আদি গোটাবলৈ প্ৰায় তিনি মাহমান সময় লাগিল। আমাৰ লগতে মোৰ বান্ধৱী পাঁচগৰাকীও যাবলৈ ওলাল— যোৰহাটৰ ৰূপা ফুকন, ৰুমা ভট্টাচাৰ্য্য, অঞ্জলি গোস্বামী, ভূপালী হাজৰিকা, জোনা বৰবৰুৱা। আমি লগ হৈ বহুবাৰ ফুৰিবলৈ গৈছোঁ। এনেদৰে ফুৰিও ভাল লাগে আৰু ফূৰ্তিও হয়।

৬ জুলাইত গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰৰপৰা নিৰ্ধাৰিত সময় আবেলি চাৰি বজাত আমি গৈ দিল্লী পালোঁ। দিল্লীৰ আগতে বুক কৰি থোৱা হোটেললৈ গৈ ৰাতিটো তাতেই কটালোঁ। সন্ধিয়া কাজী (ভূপালীবাৰ ল'ৰা) আৰু নীৰনীতা (মোৰ ভনীৰ ছোৱালী) আহিল হোটেললৈ আমাক লগ কৰিবলৈ। তেওঁলোক দুয়ো দিল্লীত কৰ্মৰত। তেওঁলোকৰ লগত সন্ধিয়াটো হাঁহি-ধেমালিৰ মাজেৰে পাৰ হ'ল।

সাত জুলাইত দিনৰ চাৰে এঘাৰ বজাত দিল্লীৰপৰা আচটানা (Astana) বিমান সেৱাৰে আমাৰ যাত্ৰা কাঝাখস্তানৰ (Kazakhstan) আলমাটিলৈ। প্ৰায় চাৰে চাৰি ঘণ্টা উৰণৰ পাছত আমাৰ বিমান আলমাটিৰ স্থানীয় সময় আবেলি ৪.৩০ বজাত আলমাটিৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত অৱতৰণ কৰে। আলমাটি কাজাখস্তানৰ আটাইতকৈ ডাঙৰ বিমান বন্দৰ আৰু বৃহত্তম চহৰ। আলমাটিৰপৰা আমাৰ কাজান সংযোগী বিমান ৰাতি আঠ বজাত বাবে আমি তাত কিছু সময় অপেক্ষা কৰিব লগা হ'ল। আলমাটিৰ পৰা কাজানলৈ মাত্ৰ এঘণ্টা। আমি নিশা ন বজাত গৈ কাজান বিমান বন্দৰ পাওঁ।

কাজান বিমান বন্দৰ চহৰৰ দক্ষিণ-পূৱত মূল কাজান চহৰৰপৰা প্ৰায় ২৫ কিলোমিটাৰ নিলগত টাটাৰস্থানৰ বৃহত্তম বিমান বন্দৰ। আমি ইমিগ্ৰেচন কৰি বয়-বস্তু লৈ ওলাই আহিয়েই বেছ ওখ, বগা, ক্ষীণ ল'ৰা এজন আমাৰ নামৰ প্লে-কাৰ্ড লৈ ৰৈ থকা দেখিবলৈ পালোঁ। সুন্দৰকৈ ইংৰাজী ক'ব পৰা ল'ৰাজনে আমাক গাড়ীৰ ভিতৰতে কাজানৰ বিষয়ে কিছু কথা অৱগত কৰাৰ লগতে দ্বিতীয় দিনৰ আমাৰ ভ্ৰমণৰ কাৰ্য্যসূচীও জনালে। কথা-বতৰাত জানিব পাৰিলোঁ তেওঁ ৰাছিয়াৰ স্থানীয় বাসিন্দা নহয়। কাজান বিশ্ববিদ্যালয়ৰ ছাত্ৰ আৰু নিজৰ খৰচৰ বাবে এনেদৰে কিছু উপাৰ্জন কৰে। আমাৰ পূৰ্ব নিৰ্ধাৰিত হোটেল অছ'বন্যাক না টিট্ৰালনয় (Osobnyak na Teatralnoy) হোটেলৰ আনুষ্ঠানিকতাখিনি শেষ কৰি তেওঁ আমাৰপৰা বিদায় লওঁতে ৰাতি প্ৰায় বাৰ বাজিল। আন ঠাইৰ দৰে ৰুমত কোনো খোৱা পানীৰ ব্যৱস্থা নেদেখি হোটেলৰ অভ্যৰ্থনা কক্ষলৈ গৈ পানী বিচৰাত একো বুজি নোপোৱাত বৰ সমস্যাত পৰিলোঁ। কি কৰোঁ একো উপায় নাপাই ইফালে-সিফালে ঘূৰি থাকোঁতে হোটেলৰ এটা কোণত একুৱাগাৰ্ড জাতীয় এটা দেখা পোৱাত আমাৰ লগত থকা বটলত নিজেই পানী আনিলোঁ। যথেষ্ট দেৰিও হৈছে আৰু খোৱা বস্তু বিচাৰি আমি জানো কিবা বুজাব পাৰিম বুলি ভাবি ৰাতি আমি লগত নিয়া কিবাকিবি খাই শুই থাকিলোঁ। কাজানত ইংৰাজী ক'ব পৰা লোক তেনেই তাকৰ। আমি বিভিন্ন সময়ত ৰাছিয়াত থকা দিনকেইটাত ভাষাৰ বাবে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হ'ল। হোটেলৰ কোনো কৰ্মচাৰীয়ে ইংৰাজী ক'ব নোৱাৰে আনকি একো বুজিও নাপায়।

কাজান ভল্গা আৰু কাজানকা নদীৰ সংগম স্থলত ৰাছিয়াৰ দক্ষিণ-পশ্চিমত অৱস্থিত টাটাৰস্তানৰ ৰাজধানী। ৰাছিয়াৰ পঞ্চম বৃহৎ চহৰ কাজান টাটাৰ আৰু ৰাছিয়াৰ সংস্কৃতিৰ সংমিশ্ৰণৰ বাবে বিখ্যাত। কাজানৰ ঐতিহাসিক ক্ৰেমলিনৰ বাবে প্ৰতি বছৰে বহু লক্ষ পৰ্য্যটকৰ আগমন ঘটে।

প্ৰাগ ঐতিহাসিক কালতেই এই অঞ্চলটোত বিভিন্ন জনগোষ্ঠীৰ লোকে বাস কৰিছিল। মধ্যযুগত ভল্গা বুলগেৰিয়া নামেৰে ইছলামিক ৰাজ্য এখন গঢ় লৈ উঠে। কালক্ৰমত তুৰ্কী, মধ্য-পূব এছিয়া, ইউৰোপ, আফ্ৰিকাৰ কিছু জনগোষ্ঠীয় লোকে বসবাস কৰিবলৈ লয় আৰু টাটাৰ নামেৰে এটি জনগোষ্ঠী গঢ় লৈ উঠে। ১৬ শতিকাত কাজান খানাটেৰ অধীনলৈ যায় আৰু ১৫৫২ চনত ইভান দি টেৰিবলে দখল কৰে। তাৰ পাছতেই ৰাছিয়ানসকলে এই অঞ্চলটিত বসতি কৰিবলৈ লয় আৰু তাৰ অধিবাসীসকলক খৃষ্টান ধৰ্মৰ প্ৰতি আকৃষ্ট কৰিবলৈ নেৰানেপেৰা চেষ্টা চলায়। অক্টোবৰ বিপ্লৱৰ সময়ত ১৯১৭ চনত টাটাৰসকলৰ জাতীয় চেতনা জাগি উঠে আৰু কেইবাবছৰো গৃহযুদ্ধৰ পাছত ছোভিয়েট চৰকাৰে এখন স্বাধীন ৰাজ্য হিচাপে ঘোষণা কৰে।

৮ জুলাইত হোটেলত ব্ৰেকফাষ্ট কৰি আমি কাজানৰ দৰ্শনীয় ঠাইসমূহলৈ যাবলৈ সাজু হ'লোঁ। ব্ৰেকফাষ্টৰ বাবে সজাই ৰখা বেছিভাগেই স্থানীয় আহাৰ যদিও ব্ৰেড, কৰ্ণফ্লেক্স,

কণী আছিল বাবে আমাৰ বিশেষ অসুবিধা নহ'ল। কোনবিধ বস্তু কিহেৰে প্ৰস্তুত কৰিছে একো ধৰিব নোৱাৰি বাবে আমি স্থানীয় আহাৰৰ সোৱাদ নল'লোঁ। ইতিমধ্যে কাজানত থকা কেইদিন আমাৰ সকলো দিশতে সহায় কৰিবলৈ আমাৰ গাইড ভেৰোনিকা আহি পালে। ৰাছিয়াত গাইড নহ'লে চলা-ফুৰা কৰা সমস্যা। সকলোতে স্থানীয় ভাষাহে চলে। আনকি পৰিব্ৰাজকৰ দৰ্শনীয় ঠাইসমূহৰ ফলক, হোটেলৰ খোৱাৰ তালিকা সকলো স্থানীয় ভাষাত লিখা। ভেৰোনিকাই আমাক প্ৰতিটো দৰ্শনীয় নিদৰ্শনৰ বিষয়ে সুন্দৰকৈ ব্যাখ্যা কৰিছিল বাবে আমাৰ বিশেষ অসুবিধা হোৱা নাছিল।

প্ৰথমতেই আমি টাটাৰস্তানৰ প্ৰাচীনতম মছজিদ, মাৰ্কানি (Marcani) বা মাৰ্ডজানি (Mardzhani) মছজিদলৈ যাওঁ। এই মছজিদ টাটাৰস্তানৰ প্ৰাচীনতম মছজিদ হোৱাৰ উপৰিও এইটোৱেই একমাত্ৰ মছজিদ যিটো ৰাছিয়াৰ শাসন কালতো বন্ধ হোৱা নাছিল। বহু দশক ধৰি ৰাছিয়ানসকলৰ নিপীড়নৰ পাছত ১৭৬৬-৭০ চনত ক্যাথৰিন দি গ্ৰেটৰ অনুদান আৰু জনসাধাৰণৰ বৰঙনিৰে এই মছজিদটো নিৰ্মাণ কৰা হৈছিল। ক্যাথৰিন দি গ্ৰেট ১৭৬২ৰপৰা ১৭৯৬ চনলৈ ৰাছিয়াৰ সম্ৰাজ্ঞী আছিল আৰু তেওঁৰ ৰাজত্ব কালতেই ৰাছিয়াৰ পৰিসৰ যথেষ্ট বৃদ্ধি পাই ইউৰোপৰ অন্যতম বৃহৎ শক্তি হিচাপে স্বীকৃত হৈছিল। এই মছজিদৰ নামকৰণ টাটাৰ ইমাম শিহাবেতদিন মাৰ্কানিৰ (Sihabetdin Marcani) নামেৰে কৰা হৈছে। টাটাৰসকলৰ মধ্যযুগৰ স্থাপত্য আৰু পিটাৰ্চবাৰ্গৰ বাৰোক (Baroque) শৈলীৰে নিৰ্মিত মছজিদটো দুই মহলীয়া আৰু দুটা প্ৰকাণ্ড হল আছে। ওপৰ মহলাৰ হলত প্লেটফৰ্মৰ ওপৰত এখন ডাঙৰ কাঠৰ চকী থোৱা আছে। ভেৰোনিকাই কোৱা অনুসৰি সেইখন মক্কাৰ পোনে পোনে ৰখা হৈছে। আমি মছজিদ গৈ পোৱা সময়ত তাত বিয়া এখনৰ আনুষ্ঠানিকতা চলি আছিল। কোনো জাকজমকতা নোহোৱাকৈ মাত্ৰ ছয়জনমান লোকেৰে অনুষ্ঠিত বিয়াখন আমিও উপভোগ কৰিলোঁ আৰু শেষত দৰা-কইনাৰ লগত ফটোও উঠিলোঁ। আচৰিত লাগিল দেখি যে দৰা-কইনাই কোনো বিশেষ পোছাক পিন্ধা নাছিল। সাধাৰণ পেণ্ট-চাৰ্ট পিন্ধিয়েই বিয়াত বহা দেখিলোঁ। মাত্ৰ মূৰত টুপী পিন্ধিছিল কাৰণ মছজিদৰ ভিতৰত মূৰত কাপোৰ লোৱা বা টুপী পিন্ধা বাধ্যতামূলক। আমিও টুপী আৰু ভৰিত মোজা পিন্ধিয়ে সোমাইছিলোঁ কাৰণ ভৰিৰ আঙুলিও ঢাকিহে মছজিদত প্ৰৱেশ কৰিব পাৰি।

তাৰ পৰা ওলাই কাজান ফেডাৰেল বিশ্ববিদ্যালয়খন চোৱাৰ হেঁপাহেৰে তালৈ যাওঁ। ক'ৰবাত পঢ়া মনত আছিল যে, ছোভিয়েট ৰাছিয়াৰ বিপ্লৱৰ মূল নায়ক লেনিনক এই বিশ্ববিদ্যালয়ৰপৰা বহিষ্কাৰ কৰা হৈছিল। ১৮০৪ চনত সম্ৰাট আলেকজেণ্ডাৰ প্ৰথমে 'কাজান ইম্পিৰিয়েল ইউনিভাৰ্চিটি' (Kazan Imperial University) স্থাপনৰ স্বীকৃতি পত্ৰত স্বাক্ষৰ কৰিছিল আৰু ১৮০৫ চনৰপৰা শিক্ষাৰ্থী ভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। বৰ্তমান এই বিশ্ববিদ্যালয় আধুনিক বিষয়, স্থানীয় আৰু আন্তঃৰাষ্ট্ৰীয় শিক্ষা, শিল্প আদি সকলো দিশতে সক্ৰিয়ভাৱে জড়িত। বহু বিশ্ববিখ্যাত সাহিত্যিক, বিজ্ঞানী, গণিতজ্ঞ, ৰাজনীতিবিদ, সুৰকাৰ, চিত্ৰশিল্পী বিভিন্ন সময়ত এই শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থী আছিল। ১৮৮৭ চনৰ আগষ্ট মাহত লেনিনে এই বিশ্ববিদ্যালয়ত আইনৰ ছাত্ৰ হিচাপে ভৰ্তি হৈছিল আৰু তাৰ তিনি-চাৰি মাহ পাছতেই তেওঁক বিশ্ববিদ্যালয়ৰপৰা বহিষ্কাৰ কৰা হৈছিল। ১৯২৫ চনত 'কাজান ফেডাৰেল ইউনিভাৰ্চিটি'ৰ নাম সলনি কৰি 'ভ্লাদিমিৰ উলিয়ানভ-লেনিন কাজান ষ্টেট ইউনিভাৰ্চিটি' (Vladimir Ulyanov-Lenin Kazan State University) ৰখা হয়। ২০১০ চনত ইউনিভাৰ্চিটিখনক ফেডাৰেল মৰ্য্যাদা দিয়াৰ পাছত 'কাজান ফেডাৰেল ইউনিভাৰ্চিটি' নামেৰে নামকৰণ কৰা হয়। বৰ্তমান প্ৰতি বছৰে বিভিন্ন দেশৰ ৫০ হাজাৰৰো অধিক শিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণ কৰে। বায়োমেডিচিন, ফাৰ্মাসিউটিক্স, তেল নিষ্কাসন, তেল পৰিশোধন, পেট্ৰোকেমিষ্ট্ৰি, যোগাযোগ, মহাকাশ প্ৰযুক্তি আদি বিষয়ৰ গৱেষণাৰ অগ্ৰাধিকাৰ দিয়া হয়। বগা আৰু নীলা ৰঙৰ বিল্ডিংসমূহৰ নিৰ্মাণ শৈলী অতি সুন্দৰ। শান্ত সুন্দৰ পৰিষ্কাৰ পৰিৱেশ। উল্লেখনীয় যে ইউনিভাৰ্চিটিত শিক্ষা আৰু সকলো কাৰ্য্যক্ৰম ৰাছিয়ান ভাষাতেই অনুষ্ঠিত হয়। যিসকল শিক্ষাৰ্থীয়ে ৰাছিয়ান ভাষা নাজানে তেওঁলোকে বিশ্ববিদ্যালয়তে থকা আন্তৰ্জাতিক প্ৰস্তুতিমূলক বিদ্যালয়ত এবছৰ ভাষা প্ৰশিক্ষণ ল'ব লাগে। মুখ্য প্ৰৱেশদ্বাৰত লেলিনৰ পূৰ্ণ অৱয়বৰ মূৰ্তি এটিও স্থাপন কৰা আছে। তাৰপৰা আমি কাজান ক্ৰেমলিনলৈ যাওঁ।

কাজান ক্ৰেমলিনৰ ইতিহাস অতি প্ৰাচীন। ৰাছিয়াত

বিভিন্ন সময়ত বহু চহৰত ক্ৰেমলিন নিৰ্মাণ কৰা হৈছিল। ক্ৰেমলিন হৈছে চহৰৰ কেন্দ্ৰবিন্দুত বহিঃশত্ৰুৰপৰা ৰক্ষা পাবলৈ সজা দুৰ্গ। ভল্গা আৰু কাজানকা নদীৰ সংগমস্থলত নিৰ্মাণ কৰা ক্ৰেমলিনৰপৰা দেখা পোৱা কাজান চহৰৰ দৃশ্য অতি সুন্দৰ। ইভান দি টেৰিবলে কাজান খানাটে অধিকাৰ কৰাৰ পাছত কাজান খানাটেৰ কিল্লাসমূহ ধ্বংস কৰিছিল আৰু তেওঁৰ নিৰ্দেশতে সেই স্থানতে ১৫৫২ চনত ক্ৰেমলিন নিৰ্মাণ কৰা হৈছিল। বৰ্তমান ক্ৰেমলিনত বহুতো ঐতিহাসিক স্থাপত্যশিল্পৰ, প্ৰত্নতাত্ত্বিক নিদৰ্শন আছে যিবোৰ আজিও ক্ৰেমলিনৰ ইতিহাসৰ ধাৰাবাহিকতা আৰু সাংস্কৃতিক বৈচিত্ৰ্যৰ সাক্ষী। ২০০০ চনত ইউনেস্কোয়ে (UNESCO) কাজান ক্ৰেমলিনক বিশ্বৰ ঐতিহ্য বুলি অভিহিত কৰিছে।



কাজান ক্ৰেমলিনত নিৰ্মাণ কৰা বিভিন্ন বিল্ডিংসমূহৰ ভিতৰত যোল্ল শতিকাতে নিৰ্মিত এনুন্সিয়াচন কেথেড্ৰেল (Annunciation Cathedral) আটাইতকৈ প্ৰাচীন। কাজানৰ আন প্ৰাচীন বিল্ডিংসমূহৰ দৰে এই কেথেড্ৰেল ইটাৰ ব্যৱহাৰ নকৰাকৈ স্থানীয় চেণ্ডষ্টোনেৰে নিৰ্মিত। বৰ্তমানৰ গীৰ্জা নিৰ্মাণ কৰা স্থানতে পূৰ্বতে মাত্ৰ তিনিদিনৰ ভিতৰতে এটি কাঠৰ গীৰ্জা ইভান দি টেৰিবলে নিৰ্মাণ কৰিছিল। বৰ্তমান এই গীৰ্জা ধৰ্মীয় শিক্ষা আৰু ধৰ্ম প্ৰচাৰৰ কেন্দ্ৰবিন্দু। টাটাৰ আৰু ৰাছিয়ানসকলৰ মিশ্ৰিত সংস্কৃতি, ধৰ্ম, স্থাপত্য আদিৰ প্ৰতিচ্ছবি আন ঠাইতকৈ কাজান ক্ৰেমলিনত স্পষ্টকৈ পৰিলক্ষিত হোৱা যেন অনুমান কৰিলোঁ।

ক্ৰেমলিনৰ দক্ষিণত অৱস্থিত মূল প্ৰৱেশদ্বাৰত থকা স্পাসাকায়া টাৱাৰ (Spassakaya tower) স্থাপত্যৰ আন এটি নিদৰ্শন। এই টাৱাৰৰ কাষতে থকা স্পাস্কি মঠৰ (Spassky monestry) নামেৰেই নামকৰণ কৰা হৈছে ক্ৰেমলিনৰ উত্তৰ দিশত আন এটি টাৱাৰ যাক চিক্ৰেট টাৱাৰ বুলিও কোৱা হয় কাৰণ তাত গোপনে পানী সৰবৰাহ কৰা নাদ আছিল। বৰ্তমান খোজকাঢ়ি অহা পৰিব্ৰাজক এই টাৱাৰৰ মাজেৰে প্ৰৱেশ কৰিব লাগে।

সুয়াম্বাইক টাৱাৰ (Suyambike tower) কাজান ক্ৰেমলিনৰ এটি অন্যতম স্থাপত্য শিল্পৰ নিদৰ্শন। এই টাৱাৰটোৰ নিৰ্মাণ সম্পৰ্কে বিভিন্ন মতামত আছে। কিছুসংখ্যক বুৰঞ্জীবিদৰ মতে ১৮ শতিকাত আৰু কোনো কোনোৱে কয় ক্ৰেমলিনৰ আনবোৰ নিদৰ্শনৰ দৰেই ১৪-১৫ শতিকাতে নিৰ্মিত। ক্ৰেমলিনৰ আনবোৰ নিদৰ্শনতকৈ ইয়াত কিছু পাৰ্থক্য দেখিবলৈ পালোঁ। পিছাৰ বিখ্যাত হেলনীয়া টাৱাৰৰ দৰেই কিছু হেলনীয়া এই টাৱাৰৰ ৰং ইটা ৰঙৰ। বাকী প্ৰায়বোৰেই বগা আৰু নীলা ৰঙৰ সংমিশ্ৰণ আৰু একেবাৰে ওপৰৰ গম্বুজসমূহৰ ৰং সোণালী। এই টাৱাৰক খান মছজিদ বুলিও কোৱা হয়। সম্ভৱতঃ এসময়ত এই টাৱাৰটো কাজান চহৰৰ আটাইতকৈ উচ্চ অৱয়ৱ আছিল। ভেৰোনিকাই কোৱা মতে লোক প্ৰবাদ আছে যে ইভান দি টেৰিবলৰ আগমনৰ প্ৰতিবাদত কাজান খানাটেৰ শেষ সম্ৰাজ্ঞী সুয়াম্বাইকে এই টাৱাৰৰ ওপৰৰ পৰা জঁপিয়াইছিল। সেইবাবেই তেওঁৰ নামেৰেই এই টাৱাৰৰ নাম 'সুয়াম্বাইক টাৱাৰ'। আকৰ্ষণীয় বগা টাৱাৰ আৰু দেৱালসমূহ ১৬-১৭

শতিকাতে নিৰ্মাণ কৰা যদিও বিভিন্ন সময়ত এইসমূহ পুনৰ নিৰ্মাণ কৰা হৈছে। বিখ্যাত কুল শ্বৰিফ মছজিদ আটক ধুনীয়াকৈ ক্ৰেমলিনৰ ভিতৰতে নতুনকৈ নিৰ্মাণ কৰা হৈছে। পূৰ্বতে নিৰ্মাণ কৰা সময়ত কুল শ্বৰিফ মছজিদ ইস্তানবুলৰ বাহিৰে সমগ্ৰ ইউৰোপৰ ভিতৰত বৃহত্তম মছজিদ আছিল। কুল শ্বৰিফ নামেৰে এজন ইছলাম ধৰ্মৰ পণ্ডিত আছিল। ১৫৫২ চনত কাজানক ৰাছিয়াৰ সৈন্যবাহিনীৰ পৰা ৰক্ষা কৰাৰ সময়ত তেওঁৰ বহুতো অনুগামীৰ স'তে মৃত্যুবৰণ কৰিছিল। তেওঁৰ নামেৰেই এই মছজিদৰ নাম কুল শ্বৰিফ ৰখা হয়। কাজান দখলৰ সময়ত ইভান দি টেৰিবলে এই মছজিদ ধ্বংস কৰি পেলাইছিল। বৰ্তমান পুৰণি মছজিদৰ কোনো চিন-চাব নাই। আনকি প্ৰকৃততে কেনে ঠাইত এই মছজিদ আছিল সেই কথাও ঠাৰৰকৈ কোৱা টান। ২০০৫ চনত নৱ-নিৰ্মিত কুলশ্বৰিফ মছজিদ ইউৰোপৰ বৃহৎ মছজিদসমূহৰ ভিতৰত এটা। মছজিদৰ ভিতৰত গ্ৰন্থাগাৰ, প্ৰকাশন ঘৰ, ইমামৰ কাৰ্য্যালয় আদি আছে। এইসমূহৰ উপৰিও চাৰিওফালে আৰু বহুতো টাৱাৰ দেখিবলৈ পাইছিলোঁ।

ক্ৰেমলিনৰ চৌহদতে ১৮৪৩-৫৩ চনৰ ভিতৰত কনষ্টাণ্টিন থন ডিজাইনেৰে নিৰ্মাণ কৰা গৱৰ্ণৰ হাউস বৰ্তমান টাটাৰস্তানৰ প্ৰজাতন্ত্ৰৰ ৰাষ্ট্ৰপতিৰ চৰকাৰী বাসভৱন। কাজান ক্ৰেমলিন টিলাত অৱস্থিত বাবে তাৰপৰা কাজান চহৰৰ নান্দনিক দৃশ্য উপভোগ কৰাৰ উপৰিও আক বাৰ্চ এৰেনা (Bars Arena) ষ্টেডিয়ামখন আঁতৰৰপৰাই দেখিলোঁ। আমি যোৱাৰ সময়ত ফিফা ৱৰ্ল্ড কাপৰ বাবে ষ্টেডিয়ামখন সজাই আছিল। উল্লেখযোগ্য যে, ২০১৮ চনত ফিফা বিশ্বকাপৰ ছয়খন খেল এই ষ্টেডিয়ামখনত অনুষ্ঠিত হৈছিল। ৪৫ হাজাৰৰো অধিক লোকে খেল উপভোগ কৰিব পৰা এই ষ্টেডিয়ামখন স্থানীয় সংস্কৃতিৰ আৰ্হিত নিৰ্মিত।

কাজান ক্ৰেমলিনৰপৰা উভতি হোটেললৈ আহোঁ। ভেৰোনিকাই আমাক হোটেলত থৈ আমাৰ পৰা বিদায় ল'লে। সন্ধিয়া আমি ওচৰতে থকা বজাৰ এখনলৈ খোজকাঢ়ি ওলাই গ'লোঁ যদিও ভাষাৰ সমস্যাৰ বাবে উভতি আহি আমি থকা হোটেলখনৰ তলতে থকা ৰেষ্টুৰেণ্টখনতে ৰাতিৰ বাবে কিবা খাওঁ বুলি সোমালোঁ। মেনুখন ৰাছিয়ান ভাষাত লিখা বাবে একো বুজি নাপালোঁ। কি কৰোঁ বুলি ভাবি লোক এজনে ওচৰতে খাই থকা চাওমিন জাতীয় এবিধকে দেখুৱাই তাকেই খালোঁ। আচৰিত লাগিল ৰেষ্টুৰেণ্টৰ কৰ্মচাৰীয়ে আনকি ভদকাও বুজি নাপায়। যিহেতু ৰাছিয়া ভদকাৰ বাবে বিখ্যাত, নিশ্চয় বুজি পাব বুলি ভাবি আমি বহু চেষ্টা কৰিও বুজাব নোৱাৰিলোঁ।

পিছদিনা ভেৰোনিকা আহি কাজানৰপৰা প্ৰায় ৬০ কিলোমিটাৰ আঁতৰৰ ভল্গা আৰু ছভিয়াগা নদীৰ সংগমত অৱস্থিত ছভিয়াঝস্ক (Sviyazhsk) নামৰ ঐতিহাসিক এলেকা এটালৈ লৈ যায়। ৰাছিয়াৰ সৰু দ্বীপবিলাকৰ ভিতৰত এটি দ্বীপ ছভিয়াঝস্ক। যদিও দ্বীপ বুলি কোৱা হয় মূল ভূখণ্ডৰ সৈতে স্থলপথেৰেও যোগাযোগ আছে। আমি স্থলপথেৰেই তালৈ যাওঁ। যাওঁতে বাটত 'টেম্পল অফ অল ৰিলিজিয়ন' (Temple of All Religion) বা 'ইউনিভাৰ্চেল টেম্পল' চাওঁ। বিভিন্ন ধৰ্মৰ সংমিশ্ৰণেই এই মন্দিৰৰ বিশেষত্ব। মন্দিৰৰ ভিতৰত গীৰ্জাঘৰ, মছজিদ, আন ধৰ্মীয় লোকৰ বাবে উপাসনাথলীও আছে। ১৯৯২ চনতে নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰা এই মন্দিৰৰ আমি যোৱা সময়লৈকে নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱা নাছিল বাবে মন্দিৰৰ ভিতৰত সোমোৱাৰ অনুমতি দিয়া হোৱা নাই। তথাপিও এই মন্দিৰ কাজানৰ এটি জনপ্ৰিয় প্ৰতীক। ইছলামিক টাটাৰ, গোড়া ৰাছিয়ানবাসী বা বিভিন্ন সংস্কৃতিৰ অন্যান্য লোকসকলে শান্তি আৰু সমন্বয়ৰ প্ৰতীক বুলি গৰ্ব অনুভৱ কৰে। অনন্য স্থাপত্য কলাৰে নিৰ্মিত এই সৰ্ব ধৰ্মৰ মন্দিৰ বিভিন্ন ৰঙেৰে অতি সুন্দৰ আৰু চকুত লগাকৈ সজোৱা। কাজানৰ অতি সুন্দৰ বিল্ডিংসমূহৰ ভিতৰত এটা অস্বাভাৱিক নিৰ্মাণ শৈলীৰ স্থানীয় আৰু বিদেশী সকলো পৰিব্ৰাজকৰ আকৰ্ষণীয় মন্দিৰ। যদিও নামটোৱে ধৰ্মীয় স্থান সূচায় প্ৰকৃততেই কোনো মন্দিৰ, গীৰ্জা বা মছজিদ নহয়, এটি ব্যক্তিগত আৱাসগৃহহে। তাৰপৰা আমি ছভিয়াঝস্ক অভিমুখে ৰাওনা হ'লোঁ।

ছভিয়াঝস্ক এটা টিলাৰ ওপৰত সাতটা গীৰ্জা, দুটা মঠৰ উপৰিও বহুতো স্মৃতিস্তম্ভৰে ভৰা এটি দুৰ্গ। এই দুৰ্গৰ সৈতে ৰাছিয়াৰ বহু ইতিহাস জড়িত হৈ আছে। ২০১৭ চনত ইউনেস্কোৱে তাত থকা এজাম্পচন ক্যাথড্ৰেল (Assumption cathedral) আৰু মঠ বিশ্বৰ ঐতিহ্যৰ তালিকাত অন্তৰ্ভুক্ত কৰিছে। ইভান দি টেৰিবলে কেবাবাৰো চেষ্টা কৰিও কাজান অধিকাৰৰপৰা বঞ্চিত হোৱাৰ পাছত

১৫৫১ চনত এই দুর্গ নির্মাণ কৰিছিল। মাত্র চাৰি সপ্তাহৰ ভিতৰত নির্মাণ কৰা এই দুর্গটো সেই সময়ত ৰাছিয়ান সৈন্যবাহিনীৰ সামৰিক ঘাটি আছিল। বর্তমান ইয়াৰ নির্মাণশৈলী, স্থাপত্যশিল্প আৰু ইতিহাসৰ বাবে সমগ্র বিশ্বৰ পর্য্যটকক আকর্ষণ কৰে।

ভেৰোনিকাৰ পৰা মূল নিদর্শনসমূহৰ বিষয়ে বহু কথা জানিব পাৰিলোঁ যদিও সেই ঠাইৰ প্রকৃতিৰ সৌন্দর্য্যইহে মোক যথেষ্ট মোহিত কৰিলে। শান্ত নিৰিবিলি পৰিৱেশ, ভল্গা আৰু ছভিয়াগা নদীৰ সৌন্দর্য্যৰ লগত আকাশৰ গাঢ় নীলা ৰঙৰ মাজে মাজে শুকুলা ডাৱৰৰ প্রতিবিম্বৰ ৰূপে বাৰুকৈয়ে আকর্ষণ কৰিলে।

প্রায় ৪৭০ বছৰ পুৰণি নিদর্শনসমূহৰ ভিতৰত কাঠেৰে নির্মিত ট্রিনিটি গীর্জা(Trinity Church)টোৰ নির্মাণশৈলী বিৰল। উগলিচ (Uglich) নামৰ হাবি এখনৰ পৰা বৃহৎ আকাৰৰ লার্চ গছ কাটি ভল্গা নদীৰ পানীত পেলাই দিয়া হৈছিল। সেই উটি অহা কাঠেৰে কোনো গজালৰ ব্যৱহাৰ নকৰাকৈ সজা হৈছিল ট্রিনিটি গীর্জা। বহুবাৰ এই গীর্জাঘৰটো মেৰামতি কৰা হৈছে যদিও পূর্বতে দেখাত যেনেকুৱা আছিল বর্তমানো ঠিক একেদৰেই ৰখা হৈছে, কোনো সালসলনি কৰা নাই। কোৱা হয় ইভান দি টেৰিবলে সেই সময়তে নির্মাণ কৰা দুর্গৰ সকলো নিদর্শনেই এনেদৰেই সাজিছিল যদিও বর্তমান বাকী নিদর্শনসমূহৰ কোনো চিন নাই।

ছভিয়াঝস্কৰ মুখ্য মিউজিয়ামত ইভান দি টেৰিবলে স্থাপন কৰা ঐতিহাসিক চহৰখনৰ ইতিহাসৰ বিশদ বিৱৰণ প্রদর্শন কৰা আছে। ঐতিহাসিক নথি-পত্র, ফটো, প্রত্নতাত্ত্বিক খনন কার্য্যৰপৰা উদ্ধাৰ হোৱা ধ্বংসাৱশেষ আৰু অনুপ্রেৰণামূলক শিল্পকর্মৰ লিপি প্রদর্শিত কৰা আছে। ইয়াৰ উপৰিও ভল্গা আৰু ছভিয়াগা নদীৰ পৰিবহণৰ ইতিহাসৰ বিৱৰণ দিয়া আছে। ইয়াৰ বাহিৰেও নতুনকৈ নির্মাণ কৰা গীর্জা আৰু আন আন নিদর্শনসমূহ চাই উভতি আহিলোঁ।

সেইদিনা ট্রেভেল এজেঞ্চিৰ ফালৰপৰা আমাৰ বাবে শুভেচ্ছামূলক নিশাৰ আহাৰৰ আয়োজন কৰিছিল Tugar Avylum নামৰ ৰেষ্টুৰেণ্ট এখনত। এখন সৰু পৰীৰ দেশৰ দৰে চাৰিওফালে ফুলেৰে ভৰা স্থানীয় সংস্কৃতিৰে সুন্দৰকৈ সজোৱা ৰেষ্টুৰেণ্টখন সপোনপুৰীতকৈ কম নাছিল। আমি গৈ পোৱাৰ লগে লগে স্থানীয় পোছাক পৰিহিত বৰ মৰম লগা ল'ৰা-ছোৱালীকেইটিমানে আমাক হাঁহি মুখে সম্ভাষণ জনাই আদৰি বিভিন্ন স্থানীয় আৰু সুস্বাদু আহাৰেৰে আপ্যায়ন কৰিলে। তেওঁলোকৰ আতিথ্য আজিও পাহৰিব পৰা নাই। ভেৰোনিকা আমাৰ লগতে থকা বাবে সেইদিনা আমাৰ একো অসুবিধা নহ'ল। তেওঁ আমাক পৰিৱেশন কৰা স্থানীয় আহাৰবোৰৰ নাম কৈছিল যদিও মনত ৰখা সম্ভৱ নহয়। সুন্দৰ এটি পাহৰিব নোৱৰা সন্ধিয়া কটাই হোটেললৈ উভতি আহিলোঁ আৰু ভেৰোনিকাইও আমাৰ পৰা বিদায় ল'লে। পিছদিনা আমাৰ যাত্রা বহু আশাৰ ইতিহাস প্রসিদ্ধ মস্কো চহৰলৈ। হয়তো আৰু কেতিয়াও ভেৰোনিকাৰ লগত দেখা নহ'ব। কিন্তু মাত্র দুদিনতে অতি আপোন হৈ পৰিছিল তেওঁ। আমাৰ লগত এনেদৰে মিলি পৰিছিল যে অনুভৱ হৈছিল তেওঁ যেন আমাৰ লগতে ৰাছিয়ালৈ ফুৰিবলৈহে আহিছে।

পিছদিনা অর্থাৎ ১০ জুলাইৰ ৰাতিপুৱা হোটেলত ব্রেকফাষ্ট কৰি থাকোঁতেই কাজান পর্য্যটন মন্ত্রালয়ত কর্মৰত এনাচ্টাচিয়া আৰু আয়ডৰ, কম বয়সীয়া মৰম লগা স্থানীয় ল'ৰা-ছোৱালী এহাল আহিল মোক লগ কৰিবলৈ। মোৰ ভাতৃসম কৌশিক(ত্রিধাৰা ট্রেভেল এজেন্সিৰ স্বত্তাধিকাৰ)ৰ লগত তেওঁলোকৰ ভাল সম্পর্ক বাবে আমি যোৱা বুলি গম পাই লগ কৰিব আহিছে। দুয়ো ভালদৰে ইংৰাজী ক'ব পাৰে বাবে তেওঁলোকৰ লগত কথা পাতিবলৈ অসুবিধা নহ'ল। তেওঁলোক অহাত মোৰো সুবিধা হ'ল। পাছত অসুবিধা হ'ব বুলি ভাবি তেওঁলোকৰ লগত বেংকলৈ গৈ আমেৰিকান ডলাৰৰপৰা ৰাছিয়ান স্থানীয় মুদ্রা ৰুবল সলনি কৰি ল'লোঁ। আমাৰ ইয়াত আন দেশৰ মুদ্রা সিমান সহজলভ্য নহয় বাবে বিদেশলৈ গ'লে আমেৰিকান ডলাৰ লগত লৈ যোৱা হয়, বিদেশলৈ গৈ আকৌ স্থানীয় মুদ্রা সংগ্রহ কৰিবলগীয়া হয়। তেওঁলোকৰ বাবে কৌশিকে দি পঠোৱা অসমৰ চাহপাত আৰু গামোচা পাই খুব আনন্দিত হ'ল। তেওঁলোকে অসমৰ চাহপাতৰ বিষয়ে হেনো শুনি আছিল অৱশ্যে গামোচাৰ বিষয়ে তেওঁলোকে জনা নাছিল।

তেওঁলোক যোৱাৰ পাছত আমি দাঁতি কাষৰীয়া অঞ্চলটো চাই আহোঁ বুলি খোজ কাঢ়িয়েই ওলাই আহিলোঁ। কোনো হাই-উৰুমি নোহোৱা চাফ-চিকুণ, বাট-পথসমূহ আহল-বহল, সুন্দৰ স্থাপত্য শিল্পৰে নির্মিত বিল্ডিংসমূহেৰে চহৰখনৰ মনোৰম দৃশ্য চাই ভাল লাগিল। উভতি আহি

হোটেলত অলপ জিৰণি লৈ সাজু হ'লোঁ ৰাছিয়াৰ ৰাজধানী তথা সৰ্ববৃহৎ চহৰ মস্কোলৈ বুলি। নিৰ্দিষ্ট সময়ত গাড়ীৰে আহি কাজানস্কি ৰেলৰে ষ্টেচন পালোঁহি।

ষ্টেচনত আমাৰ দেশৰ দৰে কোনো কুলী পৰিলক্ষিত নহ'ল। বিদেশত সাধাৰণতে প্ৰায়ভাগ চহৰতেই কুলী বা হোটেলত বাকচ আদি কঢ়িয়াবলৈ কোনো লোক নাথাকে। নিজেই নিজৰ বয়-বস্তুবোৰ কঢ়িয়াব লাগে। সেয়ে ভ্ৰমণত যিমান পাৰি কম ওজন অৰ্থাৎ অতি লাগতিয়াল খিনিহে ল'ব লাগে নহ'লে কেতিয়াবা বৰ অসুবিধা হয়। বিশেষকৈ আমি মহিলাসকলে কাপোৰ কানি যথেষ্ট লগত লওঁ আৰু ঠাণ্ডা দেশ হ'লেতো কথাই নাই। আমাৰ লগতো দুগৰাকীমানৰ বাকচ ওজন হোৱা বাবে বৰ অসুবিধা পালে। নিৰ্দিষ্ট সময় ঠিক আঠবজাৰ লগে লগেই আমাৰ ৰেল মস্কো অভিমুখে ৰাওনা হ'ল। ৰাতিৰ খোৱাৰ বাবে টিকট কৰোঁতেই অৰ্ডাৰ কৰা আছিল বাবে সময়ত আমাৰ খোৱা দি গ'ল বাবে আমাৰ অসুবিধা নহ'ল। কাজানৰ পৰা মস্কোলৈ দূৰত্ব প্ৰায় ৭৯০ কিলোমিটাৰ। ৰেলেৰে প্ৰায় এঘাৰ ঘণ্টা লাগে। ভ্ৰমণসূচী মতে পিছদিনা ৰেল ষ্টেচনৰ পৰা বাহিৰে বাহিৰে মস্কোৰ বিখ্যাত দৰ্শনীয় ঠাই চাবলৈ যোৱাৰ কথা। সেইবাবে বেছি পলম নকৰি সোনকালেই শুলোঁ। ৰাতিপুৱা ৭.১০ বজাত আহি মস্কোৰ ৰেলৰে ষ্টেচন পালোঁ।

বিদেশত প্ৰায়বোৰ ঠাইতে হোটেলত প্ৰৱেশৰ সময় দুইবজাৰ পাছত। সেইবাবে আমি আটাইয়ে ৰেলতে সাজু হৈ লৈছিলোঁ। ৰেলৰ ব্যৱস্থাবোৰ আমাৰ ইয়াতকৈ যথেষ্ট উন্নতমানৰ বাবে আমাৰ একো অসুবিধা নহ'ল। ষ্টেচনৰপৰা ওলাই আহিয়েই মস্কোত সেইদিনাৰ বাবে আমাৰ গাইড চভেটাক লগ পালোঁ।

প্ৰথমতে আমি ব্ৰেকফাষ্ট কৰি ভূগৰ্ভৰ ভিতৰলৈ এচ্‌কেলেটৰৰে সোমাই গ'লোঁ। মস্কোৰ মেট্ৰো ষ্টেচনৰ কথাহে কৈছোঁ। যিসমূহ কাৰণত মস্কো বিখ্যাত সেই সমূহৰ ভিতৰত 'মস্কোৰ মেট্ৰো' অন্যতম। মস্কোৰ পৰিবহণৰ মূল মাধ্যমেই হৈছে মেট্ৰো। মস্কো মেট্ৰোৰ পৰিকল্পনা ৰাছিয়ান সাম্ৰাজ্যৰ দিনৰপৰাই যদিও প্ৰথম বিশ্বযুদ্ধ, অক্টোবৰ বিপ্লৱ আৰু ৰাছিয়ান গৃহযুদ্ধৰ বাবে বাস্তৱত ৰূপায়িত কৰিব পৰা নাছিল। জাৰসকলৰ চিন্তা-চৰ্চাক শেষত ষ্টালিনে কাৰ্য্যকৰী কৰা মেট্ৰোসেৱাৰ ষ্টেচনসমূহ জনসাধাৰণৰ কাৰণে ৰাজপ্ৰাসাদ সদৃশ। ১৯৩১ চনত নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰি মুঠ ১৩ টা ষ্টেচন আৰু ১১ কিলোমিটাৰ দৈৰ্ঘ্যৰ মেট্ৰো সেৱা ১৯৩৫ চনত জনসাধাৰণৰ বাবে মুকলি কৰিছিল। ৰাছিয়াৰ মেট্ৰো পৃথিৱীৰ ভিতৰতে দক্ষ আৰু সস্তীয়া পৰিবহণ ব্যৱস্থা হোৱাৰ উপৰিও আন এটা উল্লেখনীয় দিশ হৈছে ষ্টেচনসমূহৰ অতুলনীয় স্থাপত্যশিল্প। বৰ্তমান ২৭৬ টা মেট্ৰো ষ্টেচন আৰু ৪০০ কিলোমিটাৰৰো অধিক দূৰত্বত ৰাতিপুৱা পাঁচ বজাৰ পৰা ৰাতি এক বজালৈ মেট্ৰো সেৱা অহৰহ চলে। ৰাছিয়াৰ মেট্ৰো সেৱা ইউৰোপৰ ভিতৰত আটাইতকৈ ব্যস্ত আৰু পৰিব্ৰাজকৰ আকৰ্ষণৰ কেন্দ্ৰ। প্ৰতিদিনে ষাঠি লাখৰপৰা নৱৈ লাখলৈকে লোকে যাতায়াত কৰে। কিয়াভস্কায়া ষ্টেচনৰ দেৱাল আৰু স্তম্ভসমূহ বগা মাৰ্বলৰ ওপৰত বিশেষ শিল্পকলাৰে ৰুছ আৰু ইউক্ৰেইনৰ একতাৰ চিত্ৰৰ উপৰিও অক্টোবৰ বিপ্লৱ আৰু গৃহযুদ্ধৰ বিভিন্ন চিত্ৰ চালে চকুৰোৱাকৈ অংকিত কৰা। এই ডিজাইন ইউক্ৰেইনত অনুষ্ঠিত এটি প্ৰতিযোগিতাত প্ৰথমহৈ নিৰ্বাচিত হৈছিল আৰু এই প্ৰতিযোগিতাত ৭৩ গৰাকী প্ৰতিদ্বন্দ্বীয়ে অংশ গ্ৰহণ কৰিছিল। ভূগৰ্ভৰ ইমান তলতো যে এনে অভাৱনীয় স্থাপত্য-কলাৰ নিদৰ্শন দেখিবলৈ পাম সেয়া কল্পনাও কৰিব পৰা নাছিলোঁ। মস্কোৰ মেট্ৰো বিখ্যাত হোৱাৰ মূল কাৰণেই হৈছে ভূগৰ্ভত ষ্টেচনসমূহৰ অনন্য নিৰ্মাণশৈলী আৰু স্থাপত্যশিল্প। আটাইতকৈ গভীৰ মেট্ৰো ষ্টেচনটো হৈছে 'পাৰ্ক-পোবেডি' (park pobedy), ভূগৰ্ভৰ ৮৪ মিটাৰ তলত। এটি ২৮ মহলা বিল্ডিঙৰ উচ্চতাৰ সমান। তদুপৰি এই ষ্টেচনৰ এচকেলেটৰৰ দীঘ ১২৬ মিটাৰ। তলত থিয় হ'লে ওপৰ দেখা পোৱা নাযায়। আমি কিয়াভস্কায়া মেট্ৰো ষ্টেচনত মেট্ৰোত উঠি ৰেড-স্কোৱাৰৰ ওচৰত নামি অলপ খোজকাঢ়িয়েই ৰেড-স্কোৱাৰ পালোঁ। খোজকাঢ়ি গৈ থাকোঁতে ৰাছিয়াৰ সংস্কৃতিৰ অন্যতম বলছয় থিয়েটাৰ (Bolshoi theatre) ভৱন প্ৰত্যক্ষ কৰিলোঁ। এই ভৱনৰ ফুলনিখন বিভিন্ন ৰঙৰ ফুলে আকৰ্ষণীয় কৰি তুলিছে। থিয়েটাৰ ভৱনৰ সন্মুখত ৰাস্তাৰ আনফালে কাৰ্ল মাক্সৰ মূৰ্তি এটি স্থাপন কৰা আছে। বাট-পথবোৰ যথেষ্ট আহল-বহল, সুন্দৰ পৰিৱেশ। আমি তাত কিছু সময় কটাই ফটো উঠি ৰেড-স্কোৱাৰৰ মূল দ্বাৰেৰে ভিতৰলৈ প্ৰৱেশ কৰিলোঁ।

ঐতিহাসিক নিদৰ্শন আৰু চালে চকুৰোৱা স্থাপত্য

কলাৰে সমৃদ্ধ পৰ্য্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ ৰেড-স্কোৱাৰ (red square)। ৰেড-স্কোৱাৰৰ ইতিহাস তথা ঐতিহ্যৰ বাবেই প্ৰতিদিনে হাজাৰ হাজাৰ পৰিব্ৰাজকৰ আগমন ঘটে মস্কো চহৰলৈ। যদিও ৰেড-স্কোৱাৰ বুলি কোৱা হয় প্ৰকৃততে ইয়াৰ আকাৰ স্কোৱাৰ বা বৰ্গাকাৰ নহয়। ৩৩০ মিটাৰ দৈৰ্ঘ্য আৰু ৭০ মিটাৰ প্ৰস্থৰ আয়তাকাৰ। পূৰ্বতে চেণ্ট বাছিল কেথেড্ৰেল (Basil cathedral) আৰু স্পাছকায়া টাৱাৰৰ (Spasskaya Tower) মাজৰ মুকলি ঠাইখিনিক ৰেড-স্কোৱাৰ বুলি কোৱা হৈছিল। এলেক্সি মিখাইলোভিচয়ে (Alexei Mikhailovich) সম্পূৰ্ণ এলেকাটো আগুৰি ইয়াৰ পৰিসৰ বৃদ্ধি কৰে। বিভিন্ন সময়ত বিভিন্ন নামেৰে নামকৰণ কৰা হৈছিল যদিও ১৭ শতিকাৰ পৰা ৰেড-স্কোৱাৰ নামটোৱেই ধাৰাবাহিকভাৱে চলি আহিছে। ৰাছিয়ানসকলে ৰেড-স্কোৱাৰক Krasnaya Ploshchad বা Beautiful square বুলিও কয়। ১৫ শতিকাৰ শেষৰ ভাগত ক্ৰেমলিনৰ দেৱাল সম্পূৰ্ণ হোৱাৰ পাছৰেপৰাই ৰাছিয়া আৰু ছোভিয়েট ইউনিয়নৰ সামাজিক আৰু ৰাজনীতিৰ ইতিহাসৰ কেন্দ্ৰবিন্দু হৈ আছে। বৰ্তমান ৰাছিয়াৰ প্ৰশাসনিক কাৰ্য্যৰ কেন্দ্ৰবিন্দু ক্ৰেমলিন আৰু সংলগ্ন ৰেড-স্কোৱাৰৰ নিৰ্মাণশৈলী আৰু স্থাপত্যশিল্প সঁচাকৈ অতুলনীয়। নানা শৈল্পিক কাৰুকাৰ্য্যৰে সজ্জিত আৰু নান্দনিক সৌন্দৰ্য্যৰ প্ৰতিটো নিদৰ্শনেই নিৰ্মাণ সময়ৰ ভাস্কৰ্য্যৰ স্পষ্ট পৰিচয় দাঙি ধৰে। ৰেড-স্কোৱাৰৰ অধিকাংশ নিদৰ্শনেই ৰঙা যদিও কোনো কোনো নিদৰ্শনত ৰঙা ৰঙৰ লগত আন ৰঙৰ সংমিশ্ৰণও আছে। ৰাছিয়াত ৰঙা ৰঙক সুন্দৰৰ প্ৰতীক হিচাপে গণ্য কৰা হয় বাবেই হয়তো ৰঙা ৰঙৰ প্ৰাধান্য বেছি আৰু নামকৰণ ৰেড-স্কোৱাৰ কৰা হৈছে। ৰেড-স্কোৱাৰৰ চৌদিশে জাৰসকলৰ (TSAR- ৰাছিয়াৰ শাসকসকলক জাৰ বুলি কোৱা হৈছিল) শাসনকালৰ স্থাপত্যশিল্প, ৰাজনৈতিক, ঐতিহাসিক, প্ৰেক্ষাপট ফুটি উঠাৰ উপৰিও আধুনিক কালত ছোভিয়েট সমাজতান্ত্ৰিক বিপ্লৱৰ পাছত কমিউনিষ্ট বিপ্লৱৰ স্মৃতিও বহন কৰে। বৰ্তমান ৰেড-স্কোৱাৰত ৰাজ্যিক ঐতিহাসিক সংগ্ৰহালয় (State Historical Museum), ৰিচাৰেকশ্বন গেট (Resurrection gate), প্ৰাক্তন চৰকাৰী প্ৰশাসনৰ বিল্ডিং (Former Government Administration Building), কাজান কেথেড্ৰেল (Kazan Cathedral), জিইউএম ডিপাৰ্টমেণ্ট ষ্টোৰ (GUM Department Store), প্ৰাক্তন পাইকাৰী বিক্ৰী কেন্দ্ৰ (Former Wholesale Building), লোবনোজে মেস্তো (Lobnoje Mesto), মিনিন আৰু পোজহাৰ্স্কি স্মৃতিস্তম্ভ (Monument to Minin and Pozharsky), চেণ্ট বাছিল কেথেড্ৰেল (Saint Basil cathedral), পূব ক্ৰেমলিন ওৱাল (Eastern Kremlin wall), লেনিনৰ সমাধি (Lenin Mausoleum), ক্ৰেমলিন ওৱাল নেক্ৰোপলিচ্ (Kremlin Wall Necropolis) অন্তৰ্ভুক্ত। এই বিল্ডিংসমূহ আৰু ইয়াৰ ঐতিহাসিক তাৎপৰ্য্যৰ বাবেই ৰেড-স্কোৱাৰক পৃথিৱীৰ অন্যতম স্কোৱাৰ বুলি কোৱা হয়।

ৰেড-স্কোৱাৰৰ উত্তৰ-পশ্চিম দিশত অৱস্থিত গাঢ় ৰঙা ৰঙৰ বিল্ডিংটোৱেই ঐতিহাসিক মিউজিয়াম। পৰম্পৰাগত ৰাছিয়ান ষ্টাইলত ১৮৭৫-১৮৮৩ চনতে নিৰ্মাণ কৰা বিল্ডিংটো দেখিবলৈ গোড়া ৰাছিয়ান গীৰ্জা ঘৰৰ দৰেই। ৰাছিয়াৰ বৃহৎ আৰু বিখ্যাত এই মিউজিয়ামত প্ৰাগঐতিহাসিক যুগৰ পৰা বৰ্তমানলৈ ৰাছিয়াৰ ইতিহাসৰ লগত জড়িত বহু লক্ষ সামগ্ৰী প্ৰদৰ্শিত কৰা আছে।

ৰিচাৰেকশ্বন গেট ৰাছিয়ান সাম্ৰাজ্যৰ দিনত মস্কো চহৰত প্ৰৱেশৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা হৈছিল। ৰাজ অভিষেকৰ সময়ত জাৰসকল সেই দুৱাৰখনেৰেই প্ৰজাৰ আগলৈ অভিষেক অনুষ্ঠানলৈ আহিছিল। ১৯৩১ চনত ৰাজ্যৰ কৰ্তৃপক্ষই মিলিটেৰি পেৰেডৰ সুবিধাৰ বাবে আগৰ দুৱাৰখন ভাঙি ডিজাইনৰ কোনো সালসলনি নকৰাকৈ নতুনকৈ নিৰ্মাণ কৰে।

ৰিচাৰেকশ্বন গেট আৰু কাজান কেথেড্ৰেলৰ মাজত ১৭৩৩-১৭৪০ চনৰ ভিতৰত নিৰ্মাণ কৰা ভৱনটো সেই সময়ৰপৰাই মস্কোৰ প্ৰশাসনৰ মুখ্য কাৰ্য্যালয় আছিল। নেপোলিয়নৰ লগত যুদ্ধৰ সময়ত এই ভৱনৰ কিছু অংশ ধ্বংস হোৱা বাবে পুনৰ আন এটা ভৱন নিৰ্মাণ কৰে যদিও দুয়োটা ভৱন বৰ্তমান ঐতিহাসিক মিউজিয়ামৰ অন্তৰ্ভুক্ত।

প্ৰাক্তন চৰকাৰী প্ৰশাসন ভৱনৰ সোঁফালে কাজান কেথেড্ৰেল। ১৬২০ চনত প্ৰথমে কাঠেৰে নিৰ্মাণ কৰা হৈছিল যদিও পাছত শিলেৰে নিৰ্মাণ কৰা কেথেড্ৰেলটো ১৯৩৬ চনত জোচেফ ষ্টালিনৰ নিৰ্দেশ ক্ৰমে ধ্বংস কৰি পেলোৱা হৈছিল। পুনৰ ১৯৯৩ চনত নিৰ্মাণ কৰা হয়। নিৰ্মাণৰ কিছু বছৰ পাছত লিথুয়ানিয়াম কমনওয়েলথৰ সেনাবাহিনীক

পৰাস্ত কৰা ৰাছিয়ান পিপুল বাহিনীৰ সেনা কুজমা মিনিন আৰু দিমিত্রি পোজহাৰস্কিৰ নামত এই কেথেড্ৰেলটো উচৰ্গা কৰা হয়।

ৰেড-স্কোৱাৰৰ পূবদিশত ৰাছিয়ান স্থাপত্যশিল্পৰ আকৰ্ষণীয় বিল্ডিংটো স্থানীয় আৰু বিশেষকৈ পৰিব্রাজকৰ বাবে আকৰ্ষণীয় জি.ইউ.এম. ডিপাৰ্টমেণ্ট ষ্টোৰ। ১৮১৫ চনৰপৰাই সেই স্থানত ব্যৱসায়ৰ বিভিন্ন প্ৰতিষ্ঠান আছিল। ষ্টোৰখনৰ সামগ্ৰীসমূহে আকৰ্ষণ কৰে যদিও দাম বৰ বেছি।

প্ৰাক্তন পাইকাৰী ভৱন নামেৰে থকা বিল্ডিংটো বৰ্তমান ৰাছিয়ান সেনাবাহিনীৰ অন্তৰ্ভুক্ত বাবে জনসাধাৰণৰ প্ৰৱেশৰ অনুমতি নাই। ১৭ শতিকাৰ পৰাই এই স্থানত ব্যৱসায় বাণিজ্যৰ স্থান আছিল। কমিউনিষ্ট পাৰ্টি ক্ষমতালৈ অহাৰ পাছৰপৰা ব্যৱসায়ৰ বাবে ব্যৱহাৰ হোৱা নাই। চেণ্ট বাছিল কেথেড্ৰেলৰ সন্মুখত বগা পাথৰেৰে নিৰ্মিত এখন প্লেটফৰ্ম যাক 'লোবনোজ মেস্তো' নামেৰে নামকৰণ কৰা হৈছে। কোৱা হয় ১৫৪৯ চনতে যেতিয়া ইভান দি টেৰিবলৰ মাত্ৰ ১৯ বছৰ বয়স তেতিয়াই তেওঁ প্ৰথম এই প্লেটফৰ্মৰ ওপৰত উঠি বক্তৃতা দিছিল। অনুমান কৰা হয় এই প্লেটফৰ্মৰ পৰাই জাৰসকলে অধিসূচনা জাৰি কৰিছিল। ৰাজধানী মস্কোৰপৰা চেণ্ট পিটাৰ্চবাৰ্গলৈ স্থানান্তৰিত কৰাৰ পাছৰেপৰা এই প্লেটফৰ্মখন স্মৃতিস্তম্ভ হিচাপে আছে।

ডিপাৰ্টমেণ্ট ষ্টোৰৰ সন্মুখত আন এটি স্মৃতিস্তম্ভ দেখিবলৈ পালোঁ। ১৮১২ চনৰপৰা ১৮১৮ চনৰ ভিতৰত নিৰ্মাণ কৰা ২০ টন ওজনৰ ব্ৰোঞ্জৰ নিৰ্মিত এই স্মৃতিস্তম্ভটো ৰাছিয়াৰ জাতীয় নেতা কুজমা মিনিন ৰাজকুমাৰ ডিমিত্ৰি পোজহাৰস্কিৰ স্মৃতিত নিৰ্মিত।

ৰেড-স্কোৱাৰৰ অন্যতম ডিজাইনৰ নিদৰ্শন হৈছে চেণ্ট বাছিল কেথেড্ৰেল। নিঃসন্দেহে এইটো মস্কোৰ বিখ্যাত আৰু প্ৰধান চিহ্ন। এই কেথেড্ৰেলৰ সম্পূৰ্ণ নামটো Cathedral of protection and intercession of the virgin Mary । এসময়ত জাৰসকলৰ প্ৰধান উপাসনাৰ থলী আছিল যদিও বৰ্তমান ৰেড-স্কোৱাৰৰ ভিতৰত থকা ঐতিহাসিক মিউজিয়ামৰ এটি অংশ। মস্কোৰ আন গীৰ্জা বা ৰেড-স্কোৱাৰৰ আন নিদৰ্শনৰ ডিজাইনৰ লগত মিল নথকা অনন্য সুন্দৰ স্থাপত্যৰে নিৰ্মিত। বিভিন্ন আকাৰৰ নটা গম্বুজ আৰু প্ৰতিটোৰেই বেলেগ ডিজাইনৰ লগতে বিভিন্ন উজ্জ্বল ৰঙেৰে ৰং কৰা, বহু আঁতৰৰ পৰাই চকুত পৰে। প্ৰবাদ আছে এই কেথেড্ৰেলটো নিৰ্মাণ কৰাৰ পাছত ইভান দি টেৰিবলে এই কেথেড্ৰেলৰ স্থাপত্যবিদ গৰাকীৰ চকু নষ্ট কৰিব বিচাৰিছিল যাতে তেওঁ দ্বিতীয় এটা সাজিব নোৱাৰে। সেই সময়ত সামৰিক জয়লাভৰ পাছত কেথেড্ৰেল নিৰ্মাণ কৰা প্ৰচলিত প্ৰথা আছিল। চলি অহা পৰম্পৰা অনুসৰি ১৫১৫ চনত ইভান দি টেৰিবলে কাজান খানাটে জয় কৰাৰ পাছত তেওঁৰ নিৰ্দেশত এই কেথেড্ৰেলটো নিৰ্মাণ কৰা হৈছিল। মুখ্য দুৱাৰ নথকা বাছিল কেথেড্ৰেল বিভিন্ন দিশৰপৰা দেখাত বেলেগ বেলেগ। পূৰ্বতে বগা পাথৰেৰে নিৰ্মিত আছিল যদিও ১৭ শতিকাত পুনৰ নিৰ্মাণৰ সময়ত ৰঙৰ ব্যৱহাৰ কৰা হয়।

কমিউনিষ্ট বিপ্লৱ যাক অক্টোবৰ বিপ্লৱ বুলিও জনা যায় অৰ্থাৎ ৰুচ বিপ্লৱৰ জন্মদাতা লেনিনৰ মৃতদেহ ৰেড-স্কোৱাৰতে সংৰক্ষণ কৰি ৰখা হৈছে। আমাৰ অৰশ্যে লেনিনৰ মামী দেখাৰ সৌভাগ্য নহ'ল, সকলো সময়তে প্ৰৱেশৰ অনুমতি নাথাকে।

লেনিনৰ সমাধিৰ ঠিক পিছতেই ক্ৰেমলিন দেৱালৰ লগত নেক্ৰোপলিচ নামেৰে এখন বিশাল কবৰস্থান। ১৯১৭ চনৰ নৱেম্বৰ মাহত নিৰ্মাণ কৰা এই নেক্ৰোপলিচত অক্টোবৰ বিপ্লৱৰ সময়ত মৃত্যু হোৱা প্ৰায় আঢ়ৈশ সৈনিকক কবৰ দিয়া হৈছিল। প্ৰকৃততে নেক্ৰোপলিচত কবৰ দিয়া বিষয়টো সন্মানৰ প্ৰতীক। ১৯২০-৮০ চনলৈ ৰাষ্ট্ৰৰ সৰ্বাধিক উপযুক্ত ব্যক্তি বুলি বিবেচনা কৰা সকলক ইয়াত সমাধিস্থ কৰা হয়। প্ৰথম মহাকাশচাৰী ইউৰি গেগ্‌ৰিণ, বিপ্লৱী লেখক ম্যাক্সিম গৰ্কী আদিৰ দৰে বহুতো বিখ্যাত লোকক তাত কবৰ দিয়া হৈছিল। বৰ্তমান নেক্ৰোপলিচ্ এটি স্মৃতিস্তম্ভ। ৰেড-স্কোৱাৰ আৰু মস্কো ক্ৰেমলিন লগালগি যদিও এদিনত চাই শেষ কৰা সম্ভৱ নহয়। সেয়ে ৰেড-স্কোৱাৰৰ এটাৰ পিছত আনটো বিল্ডিং, মিউজিয়াম, স্মৃতিস্তম্ভ চাই আমি সেইদিনা হোটেল মেক্সিমা আৰবিচলৈ (Maxima Irbis) আহোঁ। ভাল লাগিল ছভেটাৰ দৰে বহু গাইডে প্ৰতিদিনে এনেদৰে হাজাৰ হাজাৰ ভ্ৰমণকাৰীক নিজৰ দেশৰ ইতিহাসৰ কথা কৈ গৌৰৱ কৰাৰ লগতে নিজৰ উপাৰ্জনও কৰে।

পিছদিনা ১২ জুলাই। আমাৰ গাইড মিষ্টাৰ দ্ৰোণৰ লগত আমি প্ৰথমতে গ'লো ইঝমাইলোভো ক্ৰেমলিনলৈ। মস্কোৰ উত্তৰ-পূবৰ ইঝমাইলোভো জিলাত (Izmailovo

District) ক্ৰেমলিনো চাবলগীয়া। পুৰণি ৰাছিয়ান স্থাপত্য কলাৰে নিৰ্মিত এই ক্ৰেমলিন সাধুকথাৰ পৰীৰ দেশৰ দৰেই। প্ৰকৃততে এই ক্ৰেমলিনটো ৰোমানভ (Romanov) ৰাজপৰিয়ালৰ পৈত্ৰিক সম্পত্তি। দ্বিতীয় ৰোমানভ জাৰ এলেক্সি মিখাইলোভিচৰ (Alexey Mikhailovich) গ্ৰীষ্ম কালৰ বাসস্থান আছিল। সাংস্কৃতিক আৰু বিনোদনৰ কেন্দ্ৰ এই ক্ৰেমলিন বৰ্তমান নাগৰিকৰ বিয়াৰ বাবেও ব্যৱহাৰ কৰা হয়। বাইজেণ্টাইন আৰ্হিত কাঠেৰে নিৰ্মিত এই ক্ৰেমলিনত ১৪-১৭ শতিকাৰ মস্কোৰ ইতিহাসৰ চিত্ৰ অংকন কৰাৰ উপৰিও ৰাছিয়ানসকলৰ মাজত প্ৰচলিত সাধুকথাৰ বৰ্ণনা চিত্ৰৰে প্ৰতিফলিত কৰিছে। তাত ৰাছিয়ান নৌ-সেনাবাহিনীৰ ইতিহাসৰ মিউজিয়াম, ভডকাৰ ইতিহাসৰ মিউজিয়াম, ব্ৰেডৰ ইতিহাসৰ মিউজিয়ামকে আদি কৰি কেবাটাও সৰু সৰু মিউজিয়াম আছে। ক্ৰেমলিনটোৰ নিৰ্মাণ শৈলী আৰু বিভিন্ন মিউজিয়াম আদিৰ বাবেই পৰিব্ৰাজকক আকৰ্ষণ কৰে। তাৰ উপৰিও ভ্ৰমণকাৰীয়ে ৰাছিয়াৰ পৰম্পৰাগত পুতলা তৈয়াৰ কৰা শিল্পৰ বিষয়ে শিকিব পাৰে আৰু নিজে তৈয়াৰ কৰিবলৈ চেষ্টা কৰিবও পাৰে। ভাৰ্নিছেজ মাৰ্কেট (vernissage market) নামৰ মুকলি বজাৰ এখন এই ক্ৰেমলিনৰ সৈতে সংলগ্ন। এই বজাৰখনত ৰাছিয়ান শিল্পকলাৰ বিভিন্ন স্মৃতিচিহ্নৰ উপৰিও নোমাল টুপী, দাবা খেলৰ সুন্দৰ ছেট আদি বিভিন্ন সামগ্ৰী পোৱা যায় বুলি দ্ৰোণে ক'লে যদিও আমি বজাৰখনলৈ নগ'লো। ১৭ শতিকাৰপৰাই এই বজাৰখন তাত অৱস্থিত। বিভিন্ন ৰাছিয়ান ৰন্ধনৰ খোৱা বস্তুৰ ৰেষ্টুৰেণ্টও এই বজাৰখনৰ বৈশিষ্ট্য।

তাৰপৰা ওলাই ৰেড-স্কোৱাৰৰ পশ্চিমত অৱস্থিত বিখ্যাত মস্কো ক্ৰেমলিনলৈ আহোঁ। বোৰোভিটস্কি (Borovitsky) পাহাৰত অৱস্থিত অতুলনীয় স্থাপত্য শিল্প আৰু বহু স্মৃতি জড়িত টাৱাৰ, প্ৰাসাদ,কেথেড্ৰেল আদি মস্কো ক্ৰেমলিনৰ অন্তৰ্ভুক্ত। মস্কো ক্ৰেমলিনৰ ইতিহাস বহু পুৰণি। মস্কোৰ ইতিহাসৰ প্ৰথম ২০০ বছৰ এই ক্ৰেমলিনক চহৰ বুলিয়েই কৈছিল। লাহে লাহে জনসংখ্যা বৃদ্ধিৰ ফলত ক্ৰেমলিনৰ দেৱালৰ বাহিৰত মানুহে বসতি কৰিবলৈ ল'লে। ফলত ১৩৩১ চনৰপৰা 'ক্ৰেমলিন' বুলি অভিহিত কৰা হ'ল। সেই সময়ত ক্ৰেমলিনৰ দেৱাল দুৰ্গৰ চাৰিসীমা আৰু নগৰবাসীৰ সীমা হিচাপে ব্যৱহৃত হৈছিল। মস্কোৰ প্ৰতিষ্ঠাপক যুৱৰাজ ইউৰি ড'লগোৰুকিৰ (Yuri Dolgorukiy) নিৰ্দেশত ১২ শতিকাতে কাঠেৰে এটি দুৰ্গ নিৰ্মাণ কৰা হৈছিল। তাৰ ২০০ বছৰ পাছত অৰ্থাৎ ১৪ শতিকাত ক্ৰেমলিন শব্দৰ ব্যৱহাৰ হয়। বৰ্তমানৰ ক্ৰেমলিন ইভান দি গ্ৰেটৰ (Ivan the Great) সপোনৰ চহৰ, তৃতীয় ৰোম গঢ়ি তোলাৰ প্ৰয়াসেৰে ইটালীৰ পৰা স্থাপত্যবিদ আনি ক্ৰেমলিন সজাৰ দায়িত্ব দিছিল। ক্ৰেমলিনৰ দক্ষিণত মস্কোভা নদী, পূবত ৰেড-স্কোৱাৰ আৰু বাছিল কেথেড্ৰেল, পশ্চিমত আলেকজেণ্ডাৰ গাৰ্ডেন। পাঁচটি প্ৰাসাদ, চাৰিটা কেথেড্ৰেল, ক্ৰেমলিন ওৱাল আৰু ক্ৰেমলিন টাৱাৰৰ উপৰিও গ্ৰেণ্ড ক্ৰেমলিন পেলেচ্ ক্ৰেমলিনৰ অন্তৰ্ভুক্ত যদিও সকলোবোৰতে জনসাধাৰণক প্ৰৱেশ কৰিবলৈ দিয়া নহয়। মাত্ৰ আৰ্মোৰি চেম্বাৰ (Armoury), জাৰ কেনন (Tsar cannon), জাৰ বেল (Tsar Bell), আটিলাৰি টুকুৰা আৰু কাঠেৰে নিৰ্মিত ভাস্কৰ্য্যহে জনসাধাৰণৰ বাবে খোলা।

পূৰ্বতে ইয়াত ১৮ টা টাৱাৰ আছিল ১৭ শতিকাৰ, পাছলৈ আৰু নিৰ্মাণ কৰি ২০ টালৈ বৃদ্ধি কৰা হয়। এইসমূহৰ ভিতৰত ট্ৰয়টস্কায়া (Troitskaya) টাৱাৰটো আটাইতকৈ ওখ যাৰ উচ্চতা ৮০ মিটাৰ। এই টাৱাৰসমূহৰ দুটা টাৱাৰৰ বাহিৰে বাকী আটাইবোৰৰে নাম আছে। নাম নথকা টাৱাৰকেইটাক "The first unnamed" "The second unnamed" বুলি কোৱা হয়। এই টাৱাৰসমূহৰ ভিতৰত স্পাসকায়া (Spassakaya) বা Clock towerটো আটাইতকৈ গুৰুত্বপূৰ্ণ। এই টাৱাৰৰ ঘড়ীৰ সময়েই মস্কোৰ সময় নিৰ্ধাৰণ কৰে।

১৪৭৯ চনতে নিৰ্মিত মুঠ ছয়টা বিল্ডিঙেৰে কেথেড্ৰেল স্কোৱাৰ ক্ৰেমিলনৰ কেন্দ্ৰত অৱস্থিত। মুখ্য কেথেড্ৰেল ডৰমিশ্যন (Dormition) বা এযামশ্বন (Assumption) কেথেড্ৰেল বুলিও কোৱা হয়। ৰাছিয়াৰ স্মৃতিস্তম্ভ সমূহৰ ভিতৰত ইতিহাস, ৰাজনীতি, সংস্কৃতি, গোড়া বিশ্বাসৰ সৰ্বাধিক গুৰুত্বপূৰ্ণ এই কেথেড্ৰেলটো বাইজেণ্টাইন আৰু ইটালীৰ ৰেনেচাঁ (Italian Renaissance) স্থাপত্যশিল্পৰে নিৰ্মিত। কেথেড্ৰেলৰ গম্বুজ পাঁচটা সোণালী ৰঙৰ, সূৰুযৰ কিৰণত উজলি থকা দেখিবলৈ পালোঁ। ইয়াতেই জাৰসকলৰ ৰাজ্যাভিষেক, বিবাহ কাৰ্য্য সম্পন্ন কৰা হৈছিল। চেণ্ট পিটাৰ্চবাৰ্গলৈ ৰাজধানী স্থানান্তৰিত কৰাৰ পাছতো প্ৰতিজন শাসকৰ ৰাজ্যাভিষেক অনুষ্ঠানো এই

কেথেড্ৰেলটোতে অনুষ্ঠিত হৈছিল।

এই কেথেড্ৰেলটোৰ কাষতেই এনুচিয়েশ্বন (Annunciation) গীৰ্জাঘৰটো গ্ৰেণ্ড ক্ৰেমলিন পেলেচৰ লগত সংলগ্ন যিটো ৰাজপৰিয়ালৰ সম্পূৰ্ণ ব্যক্তিগত গীৰ্জা আছিল। কেথেড্ৰেল স্কোৱাৰত নিৰ্মিত আন এটি গোড়া ৰাছিয়ান কেথেড্ৰেল যিটো আৰ্ক-এঞ্জেল মাইকেলৰ (Archangle Michael) নামত নিবেদন কৰা হৈছে। ১২৫০ চনত কাঠেৰে নিৰ্মাণ কৰা এই কেথেড্ৰেলটো ১৩৩৩ চনত ইভান কলিতাই (Ivan Kalita) শিলেৰে নতুনকৈ নিৰ্মাণ কৰিছিল। বৰ্তমান এই কেথেড্ৰলটো ক্ৰেমলিন মিউজিয়ামৰ অন্তৰ্ভুক্ত। ইভান বেল টাৱাৰ আৰু গ্ৰেণ্ড ক্ৰেমলিন পেলেচৰ মাজত ইটালীয়ান স্থাপত্যৰে নিৰ্মাণ কৰা এই কেথেড্ৰেলটো প্ৰকৃততে চেণ্টপিটাৰ্চবাৰ্গলৈ ৰাজধানী স্থানান্তৰিত কৰাৰ আগলৈকে জাৰসকলৰ সমাধি স্থল। প্ৰথম ইভান কলিতাক তাত সমাধিস্থ কৰা হৈছিল। বৰ্তমান তাত ৫৪ টা সমাধি আছে।

সৰুৰেপৰা শুনি অহা পৃথিৱী বিখ্যাত মস্কোৰ ঘণ্টাও ক্ৰেমলিনৰ অন্তৰ্ভুক্ত। ইভান দি গ্ৰেট বেল টাৱাৰ আৰু ক্ৰেমলিন ওৱালৰ মাজত ৰখা ব্ৰোঞ্জেৰে নিৰ্মিত পৃথিৱীৰ বৃহত্তম ঘণ্টাটোৰ উচ্চতা ২০ ফুট, ব্যাস ২২ ফুট আৰু ওজন ২০০ টনৰো অধিক, পিটাৰ দি গ্ৰেটৰ ভতিজী আন্না ইভানোভনাৰ (Anna Ivanova) নিৰ্দেশত ১৭৩৩ চনত নিৰ্মাণ কৰা হৈছিল। এই ঘণ্টাটোক জাৰ কোলোকোল ৩ (Tsar kolokol III) বুলিও কোৱা হয় কাৰণ বৰ্তমানৰ ঘণ্টাটো তৃতীয়বাৰ নিৰ্মাণ কৰা। প্ৰথম দুবাৰ নিৰ্মাণৰ সময়তে বিভিন্ন কাৰণত ভাঙি গৈছিল। এই ঘণ্টাটোৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ ঠিক আগে আগে ১৭৩৭ চনত ক্ৰেমলিনত জুই লগা বাবে কাঠৰ অৱলম্বনটোত লগা জুই নুমাবলৈ পানী মৰাৰ ফলত প্ৰায় ১১ টন ওজনৰ এটা টুকুৰা ভাঙি পৰে। বৰ্তমান এই ভঙা টুকুৰাডোখৰ ঘণ্টাটোৰ কাষতে মাটিত থিয়কৈ ৰখা হৈছে। প্ৰথমতে ঘণ্টাটো ফ্ৰান্সৰ ৰাজকীয় স্থাপত্যবিদৰ দ্বাৰা নিৰ্মাণ কৰিব বিচাৰিছিল যদিও জাৰ্মানিৰ আদালতে বাৰণ কৰাত আন্নাই ৰুছ স্থাপত্যবিদ ইভান মতোৰিন (Ivan Motorin) আৰু তেওঁৰ পুত্ৰ মিখাইলক (Mikhail) এই কামৰ দায়িত্ব অৰ্পণ কৰিছিল। উল্লেখনীয় যে ঘণ্টাটো কোনো দিনেই বজা নাই। বিশ্বাস কৰা হয় যদি ঘণ্টাটো বজোৱা



হ'লহেঁতেন ৫০-৬০ কিলোমিটাৰ আঁতৰৰপৰা ইয়াৰ শব্দ শুনা গ'লহেঁতেন। ঘণ্টাটোৰ পৃষ্ঠত আন্না আৰু জাৰ এলেক্সিৰ উপৰিও এঞ্জেল আদিৰ চিত্ৰ খোদিত কৰা হৈছে। ৰাছিয়াত ঘণ্টাৰ ইতিহাস বহু পুৰণি। দশম শতিকাৰ পৰাই ঘণ্টাৰ প্ৰচলন আছিল যদিও গীৰ্জাৰ কাম-কাজৰ বাবে নহয়। গুৰুত্বপূৰ্ণ ঘোষণা, বিপদৰ সংকেত, শত্ৰুৰ আক্ৰমণ আদিৰ জাননী দিয়াৰ বাবেহে ঘণ্টা ব্যৱহাৰ কৰা হৈছিল। জনসাধাৰণে ঘণ্টাৰ শব্দ শুনিয়েই ধৰিব পাৰিছিল কিহৰ সংকেত।

ক্ৰেমলিনত পৰিব্ৰাজকৰ আন এটি আকৰ্ষণীয় নিদৰ্শন হৈছে জাৰ কেনন। মস্কো ঘণ্টাৰ আৰ্মোৰিৰ ঠিক সন্মুখতে ১৫৮৬ চনত নিৰ্মিত এই কামানটো এটি স্মৃতিস্তম্ভহে। কোনো যুদ্ধত কেতিয়াও ব্যৱহাৰ কৰা হোৱা নাই। অৱশ্যে

এবাৰ গুলি চলোৱাৰ চিন আছে বুলি কোৱা হয়। এটা তিনি চকাৰ সুন্দৰ ডিজাইন কৰা লোহাৰ ফ্ৰেমৰ ওপৰত কিছু হেলনীয়াকৈ ৰখা হৈছে। ব্ৰোঞ্জেৰে নিৰ্মিত প্ৰায় ৪০ হাজাৰ টন ওজনৰ কামানটোৰ পৃষ্ঠত জাৰ ফয়োডৰ ইভানোভিচে (Fyodor Ivannovich) মুকুট পিন্ধি হাতত ৰাজদণ্ড লৈ ঘোঁৰাৰ পিঠিত উঠি থকা খোদিত কৰা দেখিলোঁ। তাৰ উপৰিও বিভিন্ন চিত্ৰ খোদিত কৰা আছে। কামানৰ ঠিক সন্মুখত মাটিত চাৰিটা (প্ৰতিটোৰ ওজন প্ৰায় এক টন) কামানৰ বল ৰখা আছে। কোৱা হয় ফয়োডৰ ইভানোভিচৰ চিত্ৰৰ বাবেই জাৰ কেনন নামেৰে অভিহিত কৰা হৈছে।

ক্ৰেমলিনৰ আটাইতকৈ ওখ টাৱাৰটোৱেই হৈছে ইভান দি গ্ৰেট বেল টাৱাৰ। ক্ৰেমলিন স্কোৱাৰৰ আন বিল্ডিংসমূহৰ দৰেই বগা ৰঙৰ ১৫০৮ চনত নিৰ্মিত এই টাৱাৰটো তিনিটা অষ্টভূজ ড্ৰামৰ আকৃতিৰ ওপৰলৈ ক্ৰমে সৰু। ওপৰত গম্বুজৰ ৰং সোণালী আৰু তাৰ ওপৰত সাত মিটাৰ দীঘল ক্ৰুছ। প্ৰতিটো খলপতে ঘণ্টা ওলমাবলৈ খিৰিকীৰ দৰে কটা আছে। বিভিন্ন আকাৰৰ মুঠ ২২ টা ঘণ্টা ওলমোৱা আছে। উচ্চতাৰ বাবে এই টাৱাৰটো শত্ৰুৰ আক্ৰমণ, জুই আদিৰ পৰ্য্যবেক্ষণৰ বাবেও ব্যৱহাৰ কৰিছিল। ৮১ মিটাৰ উচ্চতাৰ এই টাৱাৰৰ ওপৰলৈ উঠিবলৈ অকোৱা-পকোৱাকৈ ৩২৯ টা চিৰি আছে যদিও ভ্ৰমণকাৰীৰ প্ৰৱেশ নিষেধ।

গ্ৰেণ্ড ক্ৰেমলিন পেলেচ্ বা গ্ৰেট ক্ৰেমলিন পেলেচ্ ১৪ শতিকাতে জাৰসকলে নিৰ্মাণ কৰা স্থানতে নতুনকৈ ১৮৩৭ চনত নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰি ১৮৪৯ চনত সম্পূৰ্ণ কৰা হয়। কনষ্টানটিন থনৰ নেতৃত্বত এদল স্থাপত্যবিদৰ দ্বাৰা ডিজাইন কৰা এই প্ৰাসাদটি ৰাছিয়াৰ একনায়কত্ববাদৰ প্ৰদৰ্শনৰ বাবেই আগৰ নিদৰ্শনসমূহ উচ্ছেদ কৰি নতুনকৈ নিৰ্মাণ কৰা হৈছিল। মুঠ ৭০০ টাৰো বেছি কোঠাৰ উপৰিও পুৰণি টেৰেম (Terem) পেলেচ ১৪, ১৬ আৰু ১৭ শতিকাত নিৰ্মাণ কৰা নটা গীৰ্জা এই প্ৰাসাদৰ অন্তৰ্ভুক্ত। টেৰেম পেলেচ আছিল ১৭ শতিকাত ৰাছিয়ান জাৰসকলৰ মুখ্য বাসগৃহ। গ্ৰেণ্ড ক্ৰেমলিনৰ মুঠ দৈৰ্ঘ্য ১২৪ মিটাৰ, উচ্চতা ৪৭ মিটাৰ আৰু ২৫০০০ বৰ্গমিটাৰ কালিৰ প্ৰাসাদটো দেখিবলৈ তিনি মহলীয়া যেন লগা– প্ৰকৃততে দুইমহলীয়াহে, ওপৰ মহলাৰ খিৰিকীসমূহ দুই খলপীয়া বাবে বাহিৰৰপৰা দেখিবলৈ তিনিমহলীয়া যেন দেখি। এই প্ৰাসাদটি বাইজেনণ্টাইন আৰু ৰাছিয়ান স্থাপত্যৰ সংমিশ্ৰণত এনেদৰে নিৰ্মাণ কৰা হৈছে যাতে ক্ৰেমলিনৰ ভিতৰত জাৰসকলে আগতে নিৰ্মাণ কৰা বিল্ডিঙৰ লগত মিলি যায়। ১৯৯১ চনৰপৰা ৰাছিয়ান ফেডাৰেশ্বনৰ ৰাষ্ট্ৰপতিৰ চৰকাৰী বাসভৱন বুলি কোৱা হয় যদিও তেওঁ তাত বাস নকৰে। নিৰাপত্তাজনিত কাৰণত তেওঁৰ বাসস্থান সম্পৰ্কে অজ্ঞাত। যানজঁট ৰোধ কৰিবলৈ ২০১৩ চনত ভ্লাদিমিৰ পুতিনৰ নিৰ্দেশত ক্ৰেমলিন চৌহদৰ ভিতৰত হেলিপেড নিৰ্মাণ কৰা হয়। চৰকাৰী কাম-কাজৰ বাবে ৰাষ্ট্ৰপতি হেলিকপ্টাৰেৰে ক্ৰেমলিনত অৱতৰণ কৰে। লেনিন, ষ্টালিনকে আদি কৰি ছোভিয়েট চৰকাৰৰ বহু সদস্যই এই পেলেচত বাস কৰিছিল। প্ৰাসাদত পাঁচটা আটক ধুনীয়া অভ্যৰ্থনা কক্ষ আছে। প্ৰতিটো অভ্যৰ্থনা কক্ষ বিভিন্ন উচ্চ পৰ্য্যায়ৰ চৰকাৰী অনুষ্ঠানৰ বাবে ব্যৱহাৰ কৰা হয়।

আৰ্মোৰি চেম্বাৰ (Armoury Chamber) ক্ৰেমলিনৰ আন এটি মিউজিয়াম, দৰ্শকৰ বাবে মুক্ত। এই মিউজিয়ামত ৰাছিয়া, ইউৰোপ আৰু পূবৰ দেশসমূহৰ জাৰসকলৰ ৰাজকীয় পোছাক, ৰাজ্য অভিষেকৰ পোছাক, বহুমূলীয়া অলংকাৰ, আনুষ্ঠানিক অস্ত্ৰ-শস্ত্ৰকে আদি কৰি চাৰি হাজাৰৰো অধিক সামগ্ৰী সংগ্ৰহ কৰি ৰখা হৈছে। ইউনেস্কোৱে ৰেড-স্কোৱাৰ আৰু ক্ৰেমলিনক বিশ্বৰ ঐতিহ্য বুলি অভিহিত কৰিছে।

মস্কো ক্ৰেমলিনৰ স্থাপত্য শিল্পৰ অতুলনীয় নিদৰ্শন চাই আৰু গাইড দ্ৰোণৰ পৰা ৰাছিয়া তথা ক্ৰেমলিনৰ বহু ইতিহাস জানিব পাৰিলোঁ যদিও সেয়া ৰাছিয়াৰ ইতিহাসৰ নামমাত্ৰহে। ইয়াৰ উপৰিও আন কেইটামান কথাই বৰ আমোদ দিছিল। মস্কোত হেনো ৰাতি এঘাৰ বজাৰপৰা ৰাতিপুৱা সাত বজালৈ কুকুৰে ভুকিব নোৱাৰে। এয়া কিমান কাৰ্য্যকৰী সেয়াহে ধৰিব নোৱাৰিলোঁ।

১১৪৭ চনত যেতিয়া মস্কো চহৰ প্ৰতিষ্ঠা হৈছিল সেইসময়ত এই চহৰখনৰ নাম আছিল মস্কোভা (Moskov)। সম্ভৱতঃ মস্কোভা নদীৰ পৰাই এই নামৰ উৎপত্তি। মস্কো চহৰৰ ৪০ শতাংশ ঠাই পাৰ্ক, গাৰ্ডেন আৰু হাবিৰে ভৰা– এখন সেউজীয়া চহৰ। ১৭৫৫ চনত মিখাইল লোমোনোভে (Mikhail Lomonosov) প্ৰতিষ্ঠা কৰা মস্কো ষ্টেট ইউনিভাৰ্চিটিৰ বিল্ডিংটো পৃথিৱীৰ ভিতৰত আটাইতকৈ ডাঙৰ ইউনিভাৰ্চিটি বিল্ডিং। মস্কো ৰাছিয়া তথা পূব ইউৰোপৰ ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক, শিক্ষা আদিৰ

প্ৰাণকেন্দ্ৰ। যথেষ্ট ব্যয়বহুল চহৰ আৰু বহু কোটিপতিৰ বাসস্থানো এই চহৰতে। আন এটি কথা শুনি আচৰিত হৈছিলোঁ– ১৮ শতিকাতে নেগলিনা (Neglinnaya) নদীৰ দাঁতি-কাষৰীয়া অঞ্চলসমূহ আৱাসিক অঞ্চললৈ ৰূপান্তৰ কৰাৰ বাবে এই নদীখনক এটি সুৰংগত পৰিণত কৰি ভূগৰ্ভৰে বোৱাই নি মস্কোভা নদীৰ লগত সংযোগ কৰা হৈছিল। কথাটো শুনি চকুৰ আগত ভাহি উঠিছিল আমাৰ ঘৰৰ কাষতে বৈ যোৱা ভৰলু নদীখনে এজাক বৰষুণতে আমাৰ এলেকাত কৰা পৰিস্থিতিৰ দৃশ্যৰ লগতে সমগ্ৰ গুৱাহাটীৰ কদৰ্য্য ৰূপ।

পিছদিনা আমি ৰাছিয়াৰ বৃহত্তম তথা দুই দশক ধৰি ৰাছিয়াৰ ৰাজধানী হিচাপে পৰিচিত পৰ্য্যটকৰ আৰ্কষণীয় ঠাই চেণ্ট পিটাৰ্চবাৰ্গলৈ যাবলৈ সাজু হ'লোঁ। নিৰ্দিষ্ট সময়ত দ্ৰোণৰ লগত মস্কোৰ লেনিনগ্ৰডস্কি (Leningradsky) ৰেলৰে ষ্টেচনলৈ আহিলোঁ। ষ্টেচনৰ আদৰ-কায়দাসমূহ বিমান বন্দৰৰ দৰেই। ঠিক সময়তে দিনৰ ডেৰ বজাত দ্ৰুতবেগী চাপচান (Sapsan) ট্ৰেইনখন চেণ্ট পিটাৰ্চবাৰ্গ অভিমুখে ৰাওনা হ'ল। ট্ৰেইনৰ ভিতৰখন উৰা-জাহাজতকৈও বেছি আৰামদায়ক যেন অনুভৱ হ'ল। সকলো অত্যাধুনিক সুবিধাৰে যথেষ্ট আহল-বহল। বহা আসনসমূহ নিজৰ সুবিধা অনুযায়ী অগা-পিছা কৰিব পাৰি। প্লেনৰ নিচিনাকৈ কুচি-মুচি বহিব লগা নহয়। উৰাজাহাজৰ দৰেই চিটৰ ওপৰত সৰু বেগ আদি ৰাখিবলৈ বক্স আছে। পৰিচালিকা কেইগৰাকীয়েও ইউনিফৰ্ম পিন্ধি উৰাজাহাজৰ দৰেই সকলো নিৰীক্ষণ কৰে। মস্কোৰ পৰা পিটাৰ্চবাৰ্গলৈ প্ৰায় ৬৫০ কিলোমিটাৰ। এই দূৰত্ব অতিক্ৰম কৰিবলৈ মাত্ৰ চাৰে তিনিঘণ্টা লাগিল। আমি প্ৰায় পাঁচবজাত চেণ্ট পিটাৰ্চবাৰ্গৰ মস্কোভাস্কি (Moskovsky) ৰেলৰে ষ্টেচন পালোঁ।

গাড়ী, ড্ৰাইভাৰসহ গাইড নাটাচা আমাৰ বাবে ৰৈয়েই আছিল ষ্টেচনত। আমি তেওঁৰ লগত আমাৰ চেণ্ট পিটাৰ্চবাৰ্গৰ ঠিকনা আৰ্ট হাউছলৈ (Art House) আহিলোঁ। আৰ্ট হাউছ হোটেল নহয়, বি এণ্ড বি হে অৰ্থাৎ তাত থকা আৰু ব্ৰেকফাষ্ট দিয়ে, বাকী খোৱাৰ বাবে নিজে ৰান্ধি খাব পৰাকৈ আধুনিক সা-সুবিধাৰে ৰন্ধাঘৰৰ লগতে বাচন-বৰ্তন আদি সকলো থাকে। নিজৰ ইচ্ছা অনুযায়ী ৰান্ধি খাব পাৰি, নিজেই সকলো পৰিষ্কাৰ কৰি থ'ব লাগে। আৰ্ট হাউছৰ আদৰ-কায়দাবোৰ সুকীয়া আৰু আমাৰ বাবে আচহুৱা আছিল। মূল ৰাস্তাৰ লগতে থকা প্ৰকাণ্ড গেটখন ভিতৰৰপৰা তলা লগোৱা। ভিতৰৰ পৰা বাহিৰলৈ আৰু বাহিৰৰপৰা ভিতৰলৈ একো নেদেখি। বাকছবোৰত নম্বৰ মিলাই তলা খোলা বা বন্ধ কৰাৰ দৰেই নম্বৰ মিলাইহে গেট খুলিব পাৰি। গেটখন খোলাৰ পাছতেই চাৰিওফালে ওখ বেৰাৰে এটা প্ৰকাণ্ড ৰূম। ৰূমৰ উচ্চতা প্ৰায় ৪০ ফুটমান হ'ব। ৰূমটো পাৰ হৈ ওপৰলৈ উঠি যোৱা চিৰি। চিৰিৰে উঠি গৈ তিনি মহলাত থকা ৰূম। তিনি মহলাৰ ওপৰত লিফ্‌ট নোহোৱাকৈ নিজেই উঠা সমস্যা তাতে আকৌ বয়-বস্তু লৈ। আমাৰ হাহাকাৰ লাগিল। পাছত যেনিবা আৰ্ট হাউছৰ কৰ্তৃপক্ষই এজন লোক থিক কৰি দিলে বাকছবোৰ কঢ়িয়াবলৈ যাৰ বাবে আমি তেওঁক মাননি দিব লগা হ'ল। আৰ্ট হাউছৰ কৰ্তৃপক্ষক সুধি জানিব পাৰিলোঁ সন্মুখতে এখন ডিপাৰ্টমেণ্ট ষ্টোৰ আছে। আমি নিজেই ৰান্ধি খাবলৈ তাৰপৰা বস্তু কিনিব পাৰোঁ। কিন্তু বইল জাতীয়হে ৰান্ধিব পাৰিম। কাৰণ ধোঁৱা ওলালে চাইৰেণৰ শব্দত গোটেইখন ৰজনজনাই যাব। চাউল আৰু আলু মই মস্কোৰ পৰা লৈয়েই আহিছিলোঁ গৈ পায়েই ক'ত বিচাৰি ফুৰিম বুলি ভাবি। সন্ধিয়া ডিপাৰ্টমেণ্ট ষ্টোৰখনলৈ গৈ ৰাতিৰ যোগাৰ আনি দিনৰ মূৰত ভাতসাঁজ পাই বৰ তৃপ্তিৰে খালোঁ আটাইয়ে।

পিছদিনা নাটাছাৰ লগত গ'লোঁ ঐতিহাসিক চহৰ চেণ্ট পিটাৰ্চবাৰ্গৰ দৰ্শনীয় ঠাইসমূহ চাবলৈ। ৰাছিয়ান সাম্ৰাজ্যৰ ২০০ বছৰৰ ইতিহাস আৰু সংস্কৃতিৰ ঐতিহ্যৰে ভৰা চেণ্ট পিটাৰ্চবাৰ্গৰ অনন্য স্থাপত্যশিল্প আৰু ইতিহাসে পৰিব্ৰাজকক আকৰ্ষণ কৰে। ইয়াৰ ঐতিহাসিক কেন্দ্ৰসমূহক ইউনেস্কোৱে বিশ্বৰ ঐতিহ্যৰ তালিকাত অন্তৰ্ভুক্ত কৰিছে। চেণ্ট পিটাৰ্চবাৰ্গ ফিনলেণ্ড উপসাগৰৰ পাৰত ১৭০৩ চনতে পিটাৰ দি গ্ৰেটয়ে প্ৰতিষ্ঠা কৰা। চহৰখন ২০০ বছৰৰো অধিক কাল ৰাছিয়াৰ ৰাজধানী হোৱাৰ উপৰিও ৰাছিয়াৰ ইতিহাসৰ বহু গুৰুত্বপূৰ্ণ ঘটনাৰ সাক্ষী। চেণ্ট পিটাৰ্চবাৰ্গক ইয়াৰ ভৌগোলিক অৱস্থিতি, সাংস্কৃতিক পৰিৱেশ আদিৰ বাবে বিভিন্ন নামেৰে নামকৰণ কৰা হৈছে। এই চহৰখনক 'বিশ্বৰ সাংস্কৃতিক ৰাজধানী' বুলি কোৱা হয়। চাৰিওফালে পানীৰে আৱৰা বাবে এই চহৰখনক 'Venice of the North' বুলিও কোৱা হয়। চেণ্ট পিটাৰ্চবাৰ্গৰ আন এটি বৈশিষ্ট্য– মেৰু অঞ্চলৰ কাষত হোৱা বাবে মে' মাহৰ শেষ ভাগৰপৰা জুলাইৰ

মাজ ভাগলৈ ৰাতি সম্পূৰ্ণ আন্ধাৰ নহয়। সেইবাবে ইয়াক 'City of White Night' বুলিও কোৱা হয়। জুলাই মাহত যোৱা বাবে আমি সেই অভিজ্ঞতা লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। ১৯১৪ চনত প্ৰথম বিশ্বযুদ্ধৰ পাছত চহৰখনৰ নাম সলনি কৰি 'পেট্ৰোগ্ৰাড' (Petrograd) আৰু পাছত লেনিনৰ মৃত্যুৰ পাছত 'লেনিনগ্ৰাড' (Leningrad) নামেৰে নামকৰণ কৰা হৈছিল। ১৯৯১ চনৰ পৰা আকৌ চেণ্ট পিটাৰ্চবাৰ্গ ৰখা হয়। ৰাছিয়ানসকলে পৰম্পৰাগতভাৱে 'Window of west' বুলিও কয়। পিটাৰ্চবাৰ্গৰ সকলো নিদৰ্শনৰ আকাৰ যথেষ্ট ডাঙৰ। ৰাজকীয় প্ৰাসাদ, বিশাল গীৰ্জা আনকি বাট-পথও যথেষ্ট বহল। ২০০টাৰো অধিক মিউজিয়ামকে আদি কৰি বিভিন্ন দৰ্শনীয় স্থানসমূহ দুদিনৰ ভ্ৰমণৰ বাবে আহি চোৱা সম্ভৱ নহয়।

চেণ্ট পিটাৰ্চবাৰ্গৰ চেনেট স্কোৱাৰত (Senate Square) দেখিবলৈ পাইছিলোঁ পিটাৰ দি গ্ৰেটৰ ঘোঁৰাৰ ওপৰত উঠি থকা এটি ব্ৰোঞ্জৰ মূৰ্তি। The Bronze Horseman নামেৰে জনাজাত এই মূৰ্তিটো ১৭৮২ চনতে কেথেৰিন দি গ্ৰেটৰ আদেশত নিৰ্মাণ কৰা হৈছিল। পূৰ্বতে মূৰ্তিটো গ্ৰেণাইট জাতীয় এটা শিলৰ ওপৰত স্থাপন কৰা হৈছিল। কোৱা হয় ১৫০০ টন ওজনৰ এই শিলটো মানুহৰ দ্বাৰা কঢ়িয়াই আনি তাৰ ওপৰত মূৰ্তিটো গ্ৰেণাইট জাতীয় এটা শিলৰ ওপৰত স্থাপন কৰা হৈছিল। কিন্তু বৰ্তমান আমি দেখা মূৰ্তিটো ডিজাইন কৰা এখন ঘূৰণীয়া প্লেটফৰ্মৰ ওপৰতহে দেখিলোঁ। আন এটি উল্লেখনীয় কথা হ'ল, আলেকজেণ্ডাৰ পুচকিনে (Alexander Pushkin) ১৮৩৩ চনত এই মূৰ্তিটোৰ ওপৰত এটি কবিতা লিখিছিল। কিন্তু তেওঁৰ জীৱিত কালত এই কবিতাটো প্ৰকাশ কৰিব কৰা নাছিল। কাৰণ তেওঁ এজন ৰাজনৈতিক সমালোচক বুলি পৰিচিত হোৱা বাবে তেওঁৰ লিখনি নিষিদ্ধ কৰা হৈছিল। পিছত এই কবিতাটো ৰাছিয়ান সাহিত্যৰ অন্যতম প্ৰভাৱশালী ৰচনা হিচাপে বিবেচিত হোৱাৰ উপৰিও তেওঁক ৰাছিয়াৰ আধুনিক সাহিত্যৰ প্ৰতিষ্ঠাপক বুলি অভিহিত কৰাৰ কাৰণসমূহৰ ভিতৰত এই কবিতাটিৰো অৰিহণা আছে।

আমি তাত চোৱা নিদৰ্শনসমূহৰ ভিতৰত অন্যতম উল্লেখনীয় নিদৰ্শন আছিল 'কাজান কেথেড্ৰেল' বা 'Our Lady of Kazan'। নেভস্কি প্ৰচপেক্টত (Nevsky Prospekt) নিৰ্মাণ কৰা অৰ্থোডস্ক ৰাছিয়ান কেথেড্ৰেলটোৰ ডিজাইন আমি ৰোমত দেখি অহা ব্ৰহ্ম, Peters Basilicaটোৰ দৰেই। 'Our Lady of Kazan' যিয়ে ভাৰ্জিন মেৰিক তেওঁৰ অভিভাৱক আৰু পৃষ্ঠপোষক হিচাপে গণ্য কৰিছিল, ৰাছিয়ান অৰ্থোডস্ক গীৰ্জাসমূহত তেওঁক সৰ্বোচ্চ মৰ্য্যাদা দিয়াৰ লগতে পৱিত্ৰ আৰু সন্মানীয় বুলি গণ্য কৰা হয়।

দুৰ্গৰ দেৱালৰ ওপৰৰপৰা নেভা নদীৰ দৃশ্যই অভিভূত কৰিলে। চেণ্ট পিটাৰ্চবাৰ্গলৈ ৰাজধানী স্থানান্তৰ হোৱাৰ সময়তে ১৭০৩ চনত পিটাৰ দি গ্ৰেটে প্ৰথমতে নেভা নদীৰ দ্বীপত 'পিটাৰ আৰু প'ল' (Peter and Paul fortrees) নামৰ দুৰ্গটো নিৰ্মাণ কৰিছিল। প্ৰকৃততে এই দুৰ্গটো চেণ্ট পিটাৰ্চবাৰ্গৰ জন্মস্থান। বৰ্তমান এই দুৰ্গটো পিটাৰ্চবাৰ্গৰ ৰাজ্যিক মিউজিয়াম। নেভা নদীৰ ব-দ্বীপত অৱস্থিত এই অঞ্চলত জলাশয় থকা বাবে বহুতো শহাপহু আছিল। সেইবাবে এই দ্বীপক The island of hares বুলিও কোৱা হয়। এসময়ত এই দুৰ্গটো ৰাজনৈতিক অপৰাধীৰ কাৰাবাস হিচাপেও ব্যৱহাৰ কৰা হৈছিল। এই স্থানত থকা বেল টাৱাৰৰ সৈতে কেথেড্ৰেলটো জাৰ পৰিয়ালৰ কবৰস্থান হিচাপে ব্যৱহৃত হৈছিল। বৰ্তমান এই দুৰ্গটো চহৰখনৰ আকৰ্ষণীয় স্মৃতিস্তম্ভ।

তাৰ পাছত আমি ১৯২০ চনত নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱা 'চেণ্ট পিটাৰ্চবাৰ্গ মছজিদ'টো চালোঁ। নিৰ্মাণ কৰাৰ সময়ত পাঁচহাজাৰ ভক্তই একেলগে উপাসনা কৰিব পৰা ইউৰোপৰ বৃহত্তম মছজিদ আছিল।

'ক্ৰুইজাৰ আৰোৰা' (Cruiser Aurora) ৰাছিয়ান ইতিহাসৰ বিভিন্ন যুদ্ধৰ লগত জড়িত বিখ্যাত জাহাজ। ক্ৰুইজাৰ আৰোৰা আজিও সংৰক্ষিত কৰা আছে নেভা নদীৰ বুকুত এক নান্দনিক দৃশ্যৰ মাজত। এই জাহাজখন আজিও এনেদৰে সংৰক্ষিত কৰাৰ মূল কাৰণ হ'ল ১৯১৭ চনত পিটাৰ্চবাৰ্গৰ জাৰসকলৰ শীতকালীন প্ৰাসাদলৈ এই জাহাজখনৰপৰাই শূন্যলৈ গুলিচালনা কৰি অক্টোবৰ বিপ্লৱৰ সূচনা কৰা হৈছিল। বৰ্তমান নৌ-সেনা বাহিনীৰ ইতিহাসৰ মিউজিয়াম। আমি অৱশ্যে বাহিৰৰপৰাই চালোঁ।

ৰাছিয়ান স্থাপত্যশিল্পৰ আধাৰত নিৰ্মিত আন এটি চালে চকু ৰোৱা নিদৰ্শন Church of the savior on spilled blood নামৰ গীৰ্জাটোৱে ভাবিবলৈ বাধ্য কৰিছিল ইমান বছৰ

আগতে, যি সময়ত আজিৰ দৰে আধুনিক নিৰ্মাণ সঁজুলি নথকা সত্বেও কেনেদৰে সম্ভৱ হৈছিল এনে কাৰুকাৰ্য্যৰ নিদৰ্শন নিৰ্মাণ কৰা। এই গীৰ্জাটো পিটাৰ্চবাৰ্গৰ আটাইতকৈ চাবলগীয়া স্থাপত্য শিল্পৰ নিদৰ্শন। ইয়াৰ নিৰ্মাণ শৈলী আন সমূহতকৈ সম্পূৰ্ণ পৃথক। এই গীৰ্জাটোৰ নিৰ্মাণ লৈও এটি ইতিহাস জড়িত হৈ আছে। ১৮১৮ চনত দ্বিতীয় আলেকজেণ্ডাৰক কৰা আক্ৰমণৰ ফলত যি ঠাইত তেওঁৰ মৃত্যু হৈছিল সেই ঠাইতে তেওঁৰ মৃত্যুৰ দুবছৰ পাছত পুত্ৰ তৃতীয় আলেকজেণ্ডাৰে পিতৃৰ স্মৰণত এই গীৰ্জাটো নিৰ্মাণ কৰিছিল। আমি তাত যথেষ্ট পৰিব্ৰাজকৰ সমাগম দেখিবলৈ পাইছিলোঁ। গীৰ্জাৰ বাহিৰৰ মুকলি ঠাইত বহু সংখ্যক স্থানীয় লোকে বিভিন্ন ধৰণে যেনে- নাচ, গান, ছবি অঁকা আদিৰে পৰিব্ৰাজকক আমোদ দি থকা পৰিলক্ষিত কৰিলোঁ। আমিও তেওঁলোকৰ আমোদজনক কাৰ্য্যকলাপৰ আমোদ লোৱাৰ লগতে ফটোও উঠিলোঁ তেওঁলোকৰ লগত। ইয়াৰ উপৰিও বিভিন্ন ঠাইত নেভা নদীৰ মনোৰম দৃশ্যই আমাক বৰকৈ আকৰ্ষণ কৰিলে।

পিছদিনা আমি বিশ্ব ইতিহাসৰ বিভিন্ন গঠনমূলক আৰু ঘাত-প্ৰতিঘাতৰ সাক্ষী পিটাৰ্চবাৰ্গৰ আকৰ্ষণীয় আৰু বিখ্যাত 'পেলেচ স্কোৱাৰ'লৈ যাওঁ। ৰাছিয়াৰ উত্থান পতনৰ লগত জড়িত এই স্কোৱাৰতেই ১৯০৫ চনত ৰুটিৰ বাবে কৰা বিক্ষোভৰ বাবে জাৰৰ সৈন্যই প্ৰতিবাদীসকলক গুলিয়াই হত্যা কৰিছিল। এই শোকাবহ ঘটনাৰ দিনটোক Bloody Sunday বুলি কোৱা হয়। আনকি অক্টোবৰ বিপ্লৱৰ কিছু ঘটনাও ইয়াতেই সংঘটিত হৈছিল। এই স্কোৱাৰৰ সোমাজত আলেকজেণ্ডাৰ স্তম্ভ (Alexander Column)। নেপোলিয়নৰ লগত হোৱা যুদ্ধত জয়ী হোৱাৰ পাছত সামৰিক জয়ৰ স্মৃতিস্তম্ভ হিচাপে নিৰ্মাণ কৰা এই স্তম্ভৰ উচ্চতা ১৫৫ ফুট। প্ৰথম আলেকজেণ্ডাৰৰ নামেৰে নামকৰণ কৰা স্তম্ভৰ ওপৰত এঞ্জেল এগৰাকী হাতত ক্ৰুছ সহ প্ৰত্যক্ষ কৰিলোঁ।

পিটাৰ্চবাৰ্গৰ আটাইতকৈ বিখ্যাত বিল্ডিং তথা এসময়ত জাৰসকলৰ ৰাজকীয় বাসস্থান শীতকালীন প্ৰাসাদ (Winter palace) বৰ্তমান ৰাছিয়াৰ বৃহত্তম আৰ্ট মিউজিয়াম আৰু বিশ্বৰ দ্বিতীয় বৃহত্তম আৰ্টৰ মিউজিয়াম হাৰ্মিটেজ পেলেচ স্কোৱাৰতে অৱস্থিত। আমি গৈ পোৱাৰ আগৰেপৰা হাৰ্মিটেজৰ প্ৰৱেশ দ্বাৰত বিভিন্ন দেশ-বিদেশৰ ভ্ৰমণকাৰী শাৰী পাতি ৰৈ আছে। এই শাৰীত যথেষ্ট বয়সীয়া লোক কিছুমানে আমাৰ দৃষ্টি আকৰ্ষণ কৰিছিল। বয়স দেখাত ৮০ৰ উৰ্ধত যেনেই অনুমান কৰিছিলোঁ, পিন্ধনত কিন্তু চফল ডেকা-গাভৰুৰ স্মাৰ্ট সাজ-পাৰ, কাণত হেডফোন। ওপৰলৈ উঠি যাওঁতে এজনে আনজনক সহায় কৰি লৈ গৈছে। লগত গাইডগৰাকীৰ বাহিৰে আন কোনো সহায়কাৰীও নেদেখিলোঁ। হাৰ্মিটেজৰ ভিতৰলৈ সোমাই তাত প্ৰদৰ্শিত আৰ্ট আদিতকৈ দেৱালসমূহৰ অনন্য শিল্পৰ কাৰুকাৰ্য্য দেখি বিস্ময় মানিলোঁ। বিল্ডিঙৰ প্ৰকাণ্ড খুঁটা, দেৱাল আৰু চালৰ ডিজাইনসমূহত সোণৰ কাৰুকাৰ্য্য। চকু থৰ লাগি যোৱা মুঠ ছয়টা আন্তঃসংযুক্ত বিল্ডিঙত প্ৰায় ৩০ লক্ষাধিক বিভিন্ন সামগ্ৰী প্ৰদৰ্শন কৰা আছে। কোৱা হয় এই প্ৰদৰ্শনসমূহৰ প্ৰতিবিধ এক মিনিটৰ বাবেও যদি চোৱা হয় তিনিবছৰ লাগিব। মুঠ ছয়টা বিল্ডিঙৰ শীতকালীন প্ৰাসাদ, ক্ষুদ্ৰ হাৰ্মিটেজ (Small Hermitage), পুৰণি হাৰ্মিটেজ (Old Hermitage), নতুন হাৰ্মিটেজ (New Hermitage) আৰু হাৰ্মিটেজ থিয়েটাৰ (Hermitage) — এইকেইটাহে জনসাধাৰণৰ বাবে মুকলি। আমি চোৱা বিভিন্ন প্ৰদৰ্শিত বস্তুৰ ভিতৰত দুটামান বস্তুৱে মোক বৰকৈ আকৰ্ষণ কৰিলে। তাৰ ভিতৰত সোণেৰে নিৰ্মিত এটা ঘড়ী। ঘড়ীটোত ময়ূৰ, ফেঁচা আৰু কুকুৰা আছে। প্ৰতিটো নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে লৰচৰ কৰে। ময়ূৰজনীয়ে সঁচা চৰাইৰ দৰেই পাখি মেলি পেখম ধৰে। প্ৰতিটো ৰুমৰ স্থাপত্যশৈলী চমক লগা। Picasso, Rambrandt, Cezanne আদি কৰি বহুতো পৃথিৱী বিখ্যাত চিত্ৰকৰৰ চিত্ৰ চোৱাৰ সৌভাগ্য হ'ল যদিও আমি হয়তো এক শতাংশহে চালোঁ।

হাৰ্মিটেজৰ মানেই হৈছে আনৰপৰা আঁতৰি নিজৰ মাজতে সময় কটোৱা। সম্ৰাজ্ঞী কেথেৰিন দি গ্ৰেটে ১৭৬৪ চনতে শীতকালীন প্ৰাসাদত ব্যক্তিগত পছন্দৰ বিভিন্ন শিল্পকৰ্ম বিশেষকৈ বিভিন্ন চিত্ৰকৰৰপৰা সংগ্ৰহ কৰা আৰ্টসমূহৰ এই মিউজিয়ামটো প্ৰতিষ্ঠা কৰিছিল আৰু এনেদৰেই হাৰ্মিটেজ মিউজিয়ামৰ আৰম্ভ হৈছিল। চেণ্ট কেথেৰিন দিৱস হিচাপে প্ৰতি বছৰৰ ডিচেম্বৰ মাহৰ সাত তাৰিখে এই মিউজিয়ামৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়।

আন এটি আমোদজনক কথা হ'ল হাৰ্মিটেজৰ

বেচমেণ্টত মেকুৰীৰ বাসস্থান। এই মেকুৰীসমূহক চোৰা-চিতাৰ বাবে চাৰিজন লোক নিয়োগ কৰা হৈছে। মেকুৰীসমূহৰ খোৱাৰ বাবে আচুতীয়া পাকঘৰ আৰু বেমাৰ-আজাৰৰ বাবে হস্পিতালও আছে। ১৮ শতিকাতে পিটাৰ দি গ্ৰেটৰ জীয়েক এলিজাবেথে নিগনিৰ উপদ্ৰৱৰপৰা ৰক্ষা পাবলৈ প্ৰথম মেকুৰী প্ৰাসাদলৈ আনিছিল। বৰ্তমান ৫০-৭০ টাৰো অধিক মেকুৰী প্ৰাসাদত বাস কৰে।

হাৰ্মিটেজৰ কাষতে Saint ISAACS Cathedral যিটো বৰ্তমান মিউজিয়াম। আমি বাহিৰৰপৰাই চালোঁ। এই কেথেড্ৰেলৰ ৩৩৩ ফুট উচ্চতাৰ মুখ্য গম্বুজটো সোণেৰে নিৰ্মিত। নিৰ্মাণ সমাপ্তিৰ সময়ত এই কেথেড্ৰেলটো ইউৰোপৰ আটাইতকৈ ব্যয়বহুল কেথেড্ৰেল হিচাপে খ্যাতি অৰ্জন কৰিছিল। কেথেড্ৰেলটো বাহিৰৰ পৰাই সোণৰ গম্বুজ, বিলাসবহুল স্থাপত্য শিল্প আৰু প্ৰকাণ্ড মূল্যৱান শিলৰ খুঁটাৰে দেখিবলৈ আটকধুনীয়া।

সন্ধিয়া আমি ৰাছিয়ান বলচয় চাবলৈ যাওঁ। সেইদিনা পৃথিৱী বিখ্যাত Swan Lake নামৰ অনুষ্ঠানটি প্ৰদৰ্শিত হৈছিল। শিল্পীসকলৰ নৃত্য প্ৰতিভা দেখি তবধ মানিলোঁ। মঞ্চৰ তলত সন্মুখত বহি বজাই থকা বিভিন্ন বাদ্য যন্ত্ৰৰ শব্দৰ তালে তালে শিল্পীসকলৰ নৃত্যৰ ভংগীত ভাবিবলৈ বাধ্য হৈছিলোঁ- এই শিল্পীসকলৰ দেহত হাড় আছে নে? আমাৰ ৰাছিয়া ভ্ৰমণৰ শেষ নিশা ৰাছিয়াৰ ইতিহাস, সংস্কৃতি আৰু অনন্য স্থাপত্যৰ কিছু আভাস লৈ পিছদিনা পিটাৰ্চবাৰ্গৰ পৰা আলমাটিলৈ আৰু আলমাটিৰপৰা দিল্লী আহি পাওঁ।

ৰাছিয়াৰ দৰে এখন বৃহৎ দেশৰ বাবে ১০ দিনৰ ভ্ৰমণ যথেষ্ট নহয়। ৰাছিয়া প্ৰায় এশৰো অধিক বিভিন্ন জনগোষ্ঠী আৰু সম্প্ৰদায়ৰ সংমিশ্ৰণৰ দেশ। সেয়ে ভাষা, ধৰ্ম আৰু সাংস্কৃতিক পৰম্পৰাও অনেক। পৰিব্ৰাজকৰ ক্ষেত্ৰত যথেষ্ট সতৰ্ক ৰাছিয়া। ৰাছিয়ালৈ যাবলৈ তাৰ হোটেল, ব্যক্তি বা কোনো অনুষ্ঠানৰপৰা আমন্ত্ৰণ পত্ৰ বাধ্যতামূলক। ইমিগ্ৰেচন বা হোটেলত প্ৰৱেশৰ সময়ত এই আমন্ত্ৰণ পত্ৰ নিতান্তই প্ৰয়োজনীয়। তাৰ উপৰিও এখন ঠাইৰপৰা আন এখন ঠাইলৈ গ'লে আগতে থাকি অহা ঠাইখনৰ হোটেলৰপৰা দিয়া প্ৰমাণ পত্ৰখনো বাধ্যতামূলক। অৱশ্যে হোটেল কৰ্তৃপক্ষই সেই প্ৰমাণপত্ৰ নিজেই হোটেলৰপৰা ওলাই অহা সময়ত দিয়ে। আমাক কোৱা অনুসৰি ৰাতি হোটেলৰ সকলো গেষ্টৰ তালিকা পৰ্য্যটন বিভাগলৈ পঠিয়াব লাগে।

শুনিলে আচৰিত যেন লাগিলেও এইটো সত্য, এনে এখন উন্নত আধুনিক দেশৰ লোকসকল যথেষ্ট অন্ধবিশ্বাসী। তেওঁলোকে বিশ্বাস কৰে নতুনকৈ ঘৰ সজাৰ পাছত যিয়ে প্ৰথম তাত প্ৰৱেশ কৰে তেওঁৰ মৃত্যু হয়। সেয়ে নতুন ঘৰত প্ৰথম মেকুৰীক সোমাবলৈ দিয়ে। যদি মেকুৰীটো নোসোমায় তেন্তে সেই ঘৰ ভাঙি আন ঠাইত ঘৰ সাজে। ৰাছিয়ানসকলৰ কাৰোবাক ফুল দিয়াৰো বহুত নিয়ম। তেওঁলোকৰ মতে ফুল কেৱল সুন্দৰতাৰ প্ৰতীকেই নহয়। ফুলৰ ৰং, সংখ্যা আদিৰো নিজস্ব অৰ্থ আছে। কাৰোবাক ফুল দিব বিচাৰিলে অযুগ্ম সংখ্যাতহে দিব লাগে কাৰণ যুগ্ম সংখ্যাৰ ফুল মৃতলোক বা সমাধিতহে দিয়া হয়। হালধীয়া ফুলে দুখ, প্ৰতাৰণা আদি সূচায়।

আমি ঘূৰি ফুৰোঁতে এটা কথা মন কৰিছিলোঁ— দৰ্শনীয় ঠাইত নতুন বিবাহিত দৰা-কইনাই বিয়াৰ সাজেৰেই ঘূৰি ফুৰা। মনৰ খুদুৱনি মাৰিবলৈ গাইড নাটাছাক সোধাত তেওঁ ক'লে যে বিয়াৰ পাছতেই এনেদৰে দৰা-কইনা চহৰখনত ফুৰা হেনো ৰাছিয়ানসকলৰ এটি পৰম্পৰা। বাটত বা আন ক'ৰবাত দেখিলে এজনে আনজনলৈ চাই হঁহাটো ৰাছিয়ানসকলে শিষ্টাচাৰৰ বাহিৰত বুলি ভাবে। সেয়ে স্কুলত ছাত্ৰ-ছাত্ৰীক নাহাঁহিবলৈ শিকায় বুলি কোৱা হয়। আনকি ঘৰলৈ অহা আগন্তুকক দুৱাৰ মুখত হেণ্ডচেক কৰাটো অশোভনীয় বুলি বিবেচনা কৰে।

আন এটি হাঁহিৰ খোৰাক যোগোৱা কথা নাটাছাৰপৰা জানিব পাৰি বৰ আমোদ পাইছিলোঁ। কোৱা হয় ৰাছিয়াৰ মুখ্যনেতা এবাৰ যদি তপা হয় তাৰ পিছৰজন চুলি থকা লোক হোৱাটো নিয়ম। ১৮২৫ চনৰপৰা অৰ্থাৎ প্ৰায় দুই শতিকা ধৰি ৰাছিয়াৰ ৰাজনীতি এই নিয়ম বজাই ৰাখিবলৈ সক্ষম হৈছে। চাবলৈ গ'লে কথাটো অসত্যও নহয়। ১৮২৫ চনত জাৰ প্ৰথম নিকোলছ্ তপা আছিল আৰু তেওঁৰ পিছত দ্বিতীয় আলেকজেণ্ডাৰৰ চুলি আছিল। ঠিক তেনেদৰে প্ৰতিবাৰেই এই পৰম্পৰা অব্যাহত আছে। আনকি লেনিন তপা আৰু তেওঁৰ পিছত ষ্টেলিনৰ চুলি আছিল। বৰ্তমানো এই পৰম্পৰা অব্যাহত, হয়তো এয়া দৈৱ-সংযোগ। এতিয়া পুতিনৰ (তপা) পিছত কোন হয় সেয়াহে লক্ষ্যণীয়।

●



... তুমি জানানে মোৰ বেমাৰটো কি ? এটা মাৰাত্মক ৰোগ। Alzheimar, জীৱন্তে মৃত। আমেৰিকাৰ দৰে দেশৰ এসময়ৰ মহাপ্ৰতাপী ৰাষ্ট্ৰপতি ৰণাল্ড ৰেগনেও পাহৰি গৈছিল যে তেওঁ ৰাষ্ট্ৰপতি আছিল

# বিলম্বিত ৰাগিণী

**ৰাতুল বৰুৱা**

কালি পুৱাবেলাতে প্ৰশান্ত কুমাৰ চোধুৰী ঢুকাল। কোনোৱে খবৰটো দিয়া নাছিল। আজি ৰাতিপুৱা বাতৰি কাকতখন পঢ়োঁতেহে মাজৰ পৃষ্ঠা এটাত খবৰটো পঢ়িলো। শিৰোনামটো দেখিও মোৰ চিনাকি আৰু অতি শ্ৰদ্ধাৰ জ্যেষ্ঠ সতীৰ্থ চৌধুৰীছাৰৰ কথা মনলৈ অহা নাছিল। ভাবিছিলোঁ অন্য কোনোবা ব্যক্তি বুলি। বাতৰিটো পঢ়ি ক্ষন্তেকৰ বাবে স্তব্ধ হৈ গ'লোঁ। তেনেহ'লে চৌধুৰী ছাৰ গ'লগৈ। এৰি থৈ গ'ল এখন আধালিখা দস্তাৱেজ।

আচলতে চৌধুৰীছাৰৰ মৃত্যুত মই হুকহুকাই কান্দিব লাগিছিল। তেখেতৰ প্ৰতি থকা মোৰ ভালপোৱাখিনি চকুপানী হৈ বৈ আহিব লাগিছিল। কিন্তু আশ্চৰ্য্যকৰভাৱে মোৰ মনটো এক সন্তুষ্টিৰেহে ভৰি পৰিল। কি দৰকাৰ এইদৰে জীয়াই থকাৰ! তাতকৈ মৃত্যুৱেই ভাল। বাতৰিটোত তেখেতৰ বিষয়ে বিশেষ একো নাছিল। চৰকাৰৰ এজন উচ্চপদস্থ অৱসৰী বিষয়া আৰু সমাজসেৱক বুলি চমুকৈ উল্লেখ কৰা হৈছিল। কিন্তু তেখেত জানো কেৱল এজন বিষয়াই আছিল ? অসমীয়া সাহিত্য জগতলৈ তেখেতে আগবঢ়োৱা ক্ষুদ্ৰ অৱদানৰ কথা একোৱেই উল্লেখ নাছিল। অথচ এইজন প্ৰশান্ত কুমাৰ চৌধুৰীয়েই কলেজৰ গল্প প্ৰতিযোগিতাত নতুন আংগিকৰ গল্প লিখি প্ৰথম পুৰস্কাৰ পোৱাৰ উপৰিও সেই সময়ত এজন ব্যতিক্ৰমী গল্পকাৰ হিচাপে পৰিচিতি লাভ কৰিছিল। তেখেত গ'লগৈ এটা নতুন পৰিচয়ৰে– সমাজসেৱক।

তেখেতৰ মৃত্যুত মোৰ সন্তুষ্টিৰ কাৰণটো অন্যধৰণৰ। জীৱনৰ শেষৰছোৱাত

তেখেতে কাৰো লগত সম্পৰ্ক ৰাখিব খোজা নাছিল। নিৰলে অকলশৰীয়া জীৱন যাপন কৰিছিল। সভা-সমিতিলৈ যোৱাটো দূৰৰ কথা, এসময়ৰ কিতাপৰ পোক মানুহজনে বাতৰিকাকত কেইখনো নপঢ়িছিল। মৰমৰ তেখেতৰ লাইব্ৰেৰীটোৰ এখনো কিতাপ বহুদিন ছুই পোৱা নাছিল।

প্ৰকৃততে তেখেত জীৱনৰ শেষছোৱাত মাৰাত্মক এটা ৰোগত ভুগিছিল। এদিন মই খবৰ ল'বলৈ যাওঁতে মোৰ হাত দুখন ধৰি লৈ শব্দ কৰি কান্দিছিল। অথচ গোটেই সময়ছোৱাত এটা বাক্যও নক'লে। মোৰ বহুতো প্ৰশ্নৰ উত্তৰ দিয়াৰ আগ্ৰহো নেদেখুৱালে। মুখলৈ চাওঁতে এনে লাগিছিল– তেখেতে বহু কথাই ক'ব খোজে কিন্তু শব্দবোৰহে ওলাই নাহে। সেইদিনাই ভাবিছিলোঁ– চৌধুৰীছাৰ এনেকৈ জীয়াই থকাটো আমাৰ বাবে বৰ কষ্টকৰ হৈছে। তথাপি মনে নামানে– ভাবোঁ চৌধুৰীছাৰ বহুত দিন জীয়াই থাকক। বহুতৰ বাবে এটা অকথিত কাহিনীৰ নায়ক হৈ থাকক।

এখন সৰু চহৰৰ পৰা ডাঙৰ চহৰ এখনলৈ স্থানান্তৰিত হোৱাৰ চৰকাৰী নিৰ্দেশটো পোৱাৰ সময়ত মোতকৈ সুখী মানুহ কোনো নাছিল। ক্ষণ বিলম্ব নকৰি ৰিলিজ অৰ্ডাৰ লৈ মোৰ সপোনৰ চহৰখনলৈ আহি পোনতে আৱৰ্ত ভৱনত উঠিলোঁহি। তাতেই গম পালোঁ জিলা উপায়ুক্তজন মধ্যকালীন প্ৰশিক্ষণৰ বাবে মুছৌৰীলৈ গৈছে এমাহৰ বাবে। বৰ্তমান জিলাৰ দায়িত্বত আছে জ্যেষ্ঠ অতিৰিক্ত উপায়ুক্ত প্ৰশান্ত কুমাৰ চৌধুৰী।

যি কি নহওক পিছদিনা ১০ বজাতে অনতিদূৰত থকা উপায়ুক্তৰ কাৰ্য্যালয় পালোঁগৈ। ইফালে সিফালে চাই দেখিলোঁ বাঁওফালে থকা কৰিড'ৰৰ সন্মুখৰ ৰুমটোৰ দুৱাৰৰ ওপৰতে নেমপ্লেটখন জিলিকি আছে প্ৰশান্ত কুমাৰ চৌধুৰীৰ। ৰুমৰ সন্মুখত থিয় দি থকা চন্তৰীজনক পৰিচয় দিয়াত তেওঁ দুৱাৰখন খুলি দিলে। সোমাই দেখিলোঁ এজন সুদৰ্শন লোক আসনত বহি কিবা কাগজ-পত্ৰ চাই আছে। অভিজ্ঞতাৰ পৰা গম পালোঁ তেখেতে সেইদিনাৰ ডাক চাই আছে। কিছু আগবাঢ়ি সম্ভাষণ জনোৱাত তেখেতে মূৰ দাঙি চালে আৰু অনুচ্চ স্বৰত প্ৰতি সম্ভাষণ জনালে। পৰিচয় দিয়াত পুনৰ একেই স্বৰত সন্মুখত থকা চকীবোৰলৈ আঙুলিয়াই দিলে– বুজিলোঁ মোক বহিবলৈ কৈছে। কিন্তু কোনো বাক্য বিনিময় নকৰি তেখেতে পুনৰ ডাকৰ মাজত মগ্ন হৈ পৰিল।

এটা সময়ত ডাক চোৱা শেষ হ'লত তেখেতে কিবা সুধিব বুলি উত্তৰৰ বাবে প্ৰস্তুত হৈ কিছু লৰচৰ কৰি বহিলোঁ। কিন্তু মোক একো নুসুধি ইণ্টাৰকমৰ ৰিচিভাৰটো তুলি ল'লে আৰু কোনোবা এজনৰ লগত মৃদু স্বৰত কথা-বাৰ্তা হ'ল– "শইকীয়া, নতুন অফিচাৰ এজন আহিছে। আজিয়েই জইন কৰিব। আপুনি বহা মেলাৰ সা-সুবিধা কৰি দিব। কোৱাৰ্টাৰ আদিৰ কথা উপায়ুক্ত আহিলে পাতি ল'ব।" এইবাৰ তেখেতে কলিংবেলটো টিপাত পিয়ন এজন সোমাই আহিলত শইকীয়াৰ ওচৰলৈ মোক লৈ যাবলৈ ক'লে। ধন্যবাদ জনাই ওলাই আহোঁতে কিছু অসন্তুষ্ট হৈছিলোঁ একো কথা-বাৰ্তা নপতাৰ বাবে। পিছ মুহূৰ্ততে অন্য এটা ভাবে মনত দোলা দিলেহি। তেখেতেতো একো বেয়া ব্যৱহাৰ কৰা নাই ক্ষুণ্ণ হ'ব পৰাকৈ। মুখমণ্ডলতো কোনো অহং ভাবৰ প্ৰকাশ নাছিল। এখন ভাবলেশবিহীন মুখ মাথোন।

এইবাৰ শইকীয়াৰ কোঠা পালোঁহি। তেখেত সদৰ মহকুমাধিপতি আৰু নজৰত বিষয়া। ক্ষন্তেক সময়ৰ ভিতৰতে এনে লাগিল যেন তেখেত মোৰ বহু দিনৰ চিনাকি। ৰঙিয়াল ডেকা মানুহজনক মোৰ বৰ ভাল লাগিল। তেখেতে নাজিৰক মাতি আনি এটা খালী হৈ থকা কোঠা পৰিষ্কাৰ কৰি মই বহাৰ বাবে সাজু কৰিবলৈ নিৰ্দেশ দিলে আৰু উপায়ুক্ত ঘূৰি নহালৈকে আৱৰ্ত ভৱনতে থাকিবলৈ ক'লে। লগতে এইটোও ক'লে– "বৰ্তমান কোৱাৰ্টাৰ খালী নাই। হয়তো ডাক বঙলাৰ ৰুম এটাতে থাকিব লাগিব কিছুদিন।" ময়ো বেয়া নাপালোঁ। অকলশৰীয়া মানুহ, কোৱাৰ্টাৰ এটা লৈ কিনো কৰিম। ডাক বাংলোত নিশ্চয় চকীদাৰ আছে। তেঁৱেই ৰান্ধি-বাঢ়ি দিব। মুঠতে সাময়িকভাৱে ব্যৱস্থা এটা কৰি ল'ব লাগিব। শইকীয়া ছাৰৰ লগত কথা-বাৰ্তা পাতি থাকোঁতে তেখেতৰ প্ৰশ্ন এটাত থতমত খালোঁ। তেখেতে সুধিছিল-- "পি কে চিক কেনেকুৱা পালে? মানে প্ৰশান্ত কুমাৰ চৌধুৰী ছাৰক।" মোৰ উত্তৰলৈ অপেক্ষা নকৰি তেখেতেই ক'লে– "ছাৰ বৰ ভাল।" ময়ো ও বুলি প্ৰত্যুত্তৰ দিলোঁ একো নভবাকৈ।

যথাসময়ত উপায়ুক্ত আহিল। তেখেতে মোক ডাক বঙলাৰ কোঠা এটা আৱণ্টনৰ হুকুম দিলে। নতুন চহৰখনত মোৰ এটা ঠিকনা হ'ল। লাহে লাহে কাৰ্য্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলৰ লগত চিনাকি হ'ল, সহৃদয়তাও বাঢ়িল। ঘৰুৱা অহাযোৱাও আৰম্ভ হ'ল। কিন্তু চৌধুৰীছাৰৰ লগত

কোনো আন্তৰিক সম্পৰ্ক গঢ় লৈ নুঠিল। ডাকবাংলো চৌহদৰ এটা সুকীয়া ঘৰত তেখেত অকলে থাকে। পৰিবাৰ অন্য এখন চহৰত অধ্যাপিকা। দুয়োটা ল'ৰা-ছোৱালী পঢ়াত বৰ চোকা। পৰীক্ষাত স্থানপ্ৰাপ্ত। অসমৰ বাহিৰত প্ৰখ্যাত প্ৰতিষ্ঠানত অধ্যয়নৰত দুয়ো। কেতিয়াবা তেওঁলোক অহা দেখা পাওঁ। একেটা চৌহদতে থাকোঁ যদিও তেওঁলোক অহা সময়ত কেতিয়াও মতা নাই আৰু ময়ো উপযাচি যোৱাৰ প্ৰয়োজন অনুভৱ কৰা নাই। মাত্ৰ এদিন সন্ধিয়া সময়ত ক'ৰবালৈ যাবলৈ ওলাই গাড়ীৰ ওচৰলৈ আহোঁতে মোক পৰিবাৰ আৰু ল'ৰা-ছোৱালী দুয়োটাৰে সৈতে চিনাকি কৰি দিলে। সিমানেই।

ইতিমধ্যে পি কে চিৰ বহুত কথা কাণত পৰিছিলহি। আমি কৰ্মৰত চহৰখনৰ আটাইতকৈ পুৰণি কলেজখনত এবছৰ যোৱাৰ পাছত উপায়ুক্তৰ কাৰ্য্যালয়ৰ দৈনন্দিন কাম-কাজত কিছু যতি পৰিল। কাৰণ আগত লোকসভা নিৰ্বাচন। উপায়ুক্তই নিৰ্বাচন পৰিচালনাৰ বাবে কোষসমূহ গঠন কৰি দিলে আৰু মোৰ ভাগত পৰিল নিৰ্বাচন পৰিচালনাত ভাগ লোৱা বিষয়া-কৰ্মচাৰীসকলৰ বাবে খাদ্য যোগান কোষ। দেখাত সহজ যদিও সকলোৰে গালি খোৱাৰ দায়িত্ব। কোষৰ মুৰব্বী হিচাপে দায়িত্ব পালে পি কে চি ছাৰে। উপায়ুক্তই মোক ক'লে, "তোমাক অন্য কোষত দিব খুজিছিলোঁ কিন্তু পি কে চিয়ে তোমাক তেওঁৰ লগত বিচাৰিলে। পিছে তেওঁক অন্য গুৰুত্বপূৰ্ণ কোষৰ দায়িত্বও দিছোঁ। গতিকে খাদ্য বিভাগটো মূলতঃ তুমিয়েই চলাব লাগিব।" মই হেহো-নেহো কৰাত তেওঁ কৃত্ৰিম খং দেখুৱাই "কিয় নোৱাৰিবা, যোৱা কামত লাগাগৈ" বুলি ভ্ৰূকুটি কৰি বিদায় দিলে।

**...তেখেত এজন লেখক হ'ব বিচাৰিছিল। ভাবিছিল কলেজৰ চাকৰিত এটা পৰিৱেশ পাব, লাইব্ৰেৰীত একান্তমনে পঢ়িব আৰু চাকৰিৰ সমান্তৰালভাৱে সাহিত্য সৃষ্টিও চলি থাকিব। সেইদৰে কাম কৰি তেখেত সুখীও হৈছিল। কিন্তু পৰিয়াল আৰু বন্ধু-বান্ধৱ, শুভাকাংক্ষীৰ আবদাৰত পৰীক্ষা দি প্ৰশাসনীয় বিষয়া হ'ল ঠিকেই কিন্তু লিখাৰ বাবে এটা পৰিৱেশ সৃষ্টি কৰাত চূড়ান্তভাৱে ব্যৰ্থ হ'ল। বিষয়বস্তু ঠিক কৰি যেতিয়া লিখাৰ বাবে সাজু হয়, কামৰ হেঁচাত গল্পৰ চৰিত্ৰবোৰেও সন্তৰ্পণে বিদায় লয়।**

এসময়ত ইংৰাজী বিভাগত অধ্যাপনা কৰিছিল। অতি কম সময়তে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তেখেতে এখন সুকীয়া আসন উলিয়াই লৈছিল। অসামৰিক সেৱালৈ নিৰ্বাচিত হৈ কলেজখন এৰাৰ দিনা বিভাগীয় মুৰব্বীগৰাকীয়ে বোলে আক্ষেপ কৰি কৈছিল, "এটা সম্ভাৱনাপূৰ্ণ প্ৰতিভাৰ অপচয় ঘটিল।" দুই-একে বিৰোধিতা কৰাত তেওঁৰ পৰৱৰ্তী মন্তব্য আছিল অধিক তীৰ্য্যক, "থোৱাহে, চৰকাৰী ফাইল ঘাঁটোঁতে সাহিত্য সৃষ্টিৰ পুলিতে মুজুৰা পৰিব।"

কলেজত চাকৰি কৰি থাকোঁতেও তেখেতৰ লিখা-মেলা চলি আছিল। কিন্তু চৰকাৰী চাকৰিত সোমাই সঁচাকৈয়ে তেখেতৰ লিখা-মেলা কমি আহিল। এটা সময়ত সেয়া নিগাজিকৈ বন্ধ হ'ল। হয়, অসামৰিক বা আৰক্ষী সেৱাত নিয়োজিত হৈও বহুকেইজনে তেওঁলোকৰ সাহিত্য সৃষ্টিত ব্ৰতী হৈ থাকিব পাৰিছিল। কিন্তু পি কে চি হৈ পৰিল ব্যতিক্ৰম।

এইদৰে গতানুগতিকভাৱে জীৱন আগবাঢ়িছিল। সময় আগবাঢ়িল। এই আপাহতে চৌধুৰীছাৰৰ লগত ঘনিষ্ঠতা কিছু বাঢ়িল। হঠাৎ এদিন কোষত কাম কৰি থাকোঁতে তেখেতে সুধিলে, "আজৰি সময়খিনি কি কৰি কটোৱা? কিতাপ-পত্ৰ পঢ়ানে?" মই পঢ়োঁ বুলি কোৱাত সেইদিনা সন্ধিয়াই তেখেতে Madeline L'Engle-ৰ A Wrikle in time খন দিলে। তাৰ পাছত লাহে লাহে Aruing Stone-ৰ The Agony and Ecstasy; Jorge Luis Borges-ৰ Labyrinth খন দিলে। এইখিনি সময়তে গম পালোঁ তেখেত এজন ছিৰিয়াছ পঢ়ুৱৈ। কোৱাৰ্টাৰত তেখেত সোমাই থকাৰ কথাটোও এইটোৱেই বুলি জানি ল'লোঁ।

নিৰ্বাচনলৈ এসপ্তাহমান আছে। এদিন কোষত যোগান বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ লগত চূড়ান্ত খাদ্য তালিকা তৈয়াৰ কৰাৰ কাম কৰি আছোঁ। তেনেতে খৰধৰকৈ চৌধুৰীছাৰো আহি সোমালহি। এঘণ্টামানৰ পাছত কামৰ চূড়ান্ত ৰূপ এটা দি বিষয়াসকলক কিছুমান নিৰ্দিষ্ট কামৰ বাবে পঠোৱা হ'ল। কিছু জিৰণি লৈ একাপ একাপ চাহ আৰু কৰণি

ভেজিটেবল পকোৰাৰ হুকুম পেচ কৰাৰ সময়তে দেখিলোঁ জিলাখনৰ আৰক্ষী অধীক্ষকজন দলবল লৈ আমাৰ কোষৰ ফালেই আহি আছে। ওচৰ পাই আমাক আৰামত বহি থকা দেখা পাই তেওঁ সোমাই আহিল আৰু চিধাই চৌধুৰীছাৰলৈ চাই প্ৰশ্ন কৰিলে– "আপোনালোকক দেখি কোনোবাই হিংসা নকৰিবনে?" চৌধুৰীয়ে নিঃশব্দে হাঁহি এটা মাৰি উত্তৰ দিলে– "I envy nobody, no not I, And nobody envies me."

এছ পি চাহাবেও হাঁহি এটা মাৰি ৰবীন্দ্ৰনাথৰ এটা কবিতাৰে উত্তৰ দিলে। ইয়াৰ পাছত দুয়োজনৰ মাজত ৰবীন্দ্ৰনাথ, জীবনানন্দ, Walt Whitman-ৰ কবিতাৰ চৰ্চা কিছুপৰ চলিল। দূৰৰ পৰা চিপাহী চন্তৰী আৰু অন্যলোকে ভাবিলে আমি কিবা নিৰ্বাচনকেন্দ্ৰিক আলোচনাত মগ্ন হৈ আছোঁ। আচলতে মই নিৰ্বাক শ্ৰোতাহে আছিলোঁ আৰু বুজিলোঁ ডেকা IPS বিষয়াজন সাহিত্যৰসিক আৰু চৌধুৰীছাৰক লগ পাবলৈকে প্ৰকৃততে আমাৰ কোষলৈ আহিছিল। এটা সময়ত এছ. পি. চাহাবে বিদায় ল'লে। তেওঁ যোৱাৰ পাছত চৌধুৰীছাৰে মন্তব্য দিলে– "বৰ প্ৰাণৱন্ত ডেকা ল'ৰা। পুলিচৰ খাকী পোছাকযোৰে তেওঁক ৰসবিহীন কৰিব পৰা নাই। শতিকাৰ মামৰবোৰে আমাকহে ধ্বংস কৰি পেলালে।" এটা হুমুনিয়াহ পেলাই তেখেত অন্য এটা কোষলৈ গুচি গ'ল। তেখেতৰ বুকুৰ মাজত জ্বলি থকা জুইকুৰা মই যেন মুহূৰ্তৰ বাবে দেখা পালোঁ।

নিৰ্বাচনৰ কেইমাহমানৰ পাছতে তেখেত এটা বিভাগৰ সঞ্চালক হিচাপে পদোন্নতি পাই গুৱাহাটীলৈ গুচি গ'ল। যোৱাৰ দিনাহে ট্ৰাকত উঠোৱা কাৰ্টনবিলাক দেখি গম পালোঁ কিমানবোৰ কিতাপ তেখেতে পঢ়িলে। তেনেকুৱা এখন কিতাপো লিখি উলিয়াব নোৱৰাই বোধকৰো অহৰ্নিশে তেখেতক কুটি কুটি খাইছিল আৰু বেদনাহত মানুহটোৱে সেয়ে এটা নিজে সৃষ্টি কৰা খোলাত সোমাই থাকিছিল।

তেখেত গুচি যোৱাৰ পাছত যোগাযোগ প্ৰায় নোহোৱাৰ দৰেই হ'ল। কেতিয়াবা গুৱাহাটীলৈ আহিলে তেখেতক লগ ধৰিছিলোঁ। এদিন তেখেতৰ ফ্লেটটোলৈও লৈ গৈছিল। ঘৰৰ ভিতৰখন বিশৃংখল হৈ আছিল। কিতাপবোৰো য'তে-ত'তে পৰি আছিল। ল'ৰা-ছোৱালী দুয়োটা ইতিমধ্যে বিদেশত প্ৰতিষ্ঠিত হৈছে। পৰিবাৰ চাকৰিৰ অন্ত পৰিলেহে গুৱাহাটীলৈ এদনিয়াকৈ আহিব। আহিলে কম সময়ৰ ভিতৰতে বস্তু-বেহানিবোৰ চিজিল লগায়। কিন্তু কি হ'ব? তেওঁ গ'লেই আকৌ আগৰদৰে হয়।

এটা সময়ত পদোন্নতি পাই মোৰো গুৱাহাটীত পদস্থাপনা হ'ল। চৌধুৰীছাৰে ইতিমধ্যে এজন শীৰ্ষ বিষয়াৰূপে অৱসৰ গ্ৰহণ কৰিছে। এদিন অপ্ৰত্যাশিতভাৱে তেখেতক লগ পালোঁ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ সন্মুখত। মই আৰু সহকৰ্মী বৰ্মনে অফিচ ছুটীৰ পাছত ঠিক বিবেকানন্দ কেন্দ্ৰৰপৰা ৰাজভৱনৰ সন্মুখলৈকে খোজকঢ়াৰ অভ্যাস এটা কৰিছিলোঁ। এদিন খোজকঢ়া আৰম্ভ কৰিছোঁহে মাত্ৰ, এজন মানুহ ব্ৰহ্মপুত্ৰৰ ফালৰপৰা ওপৰলৈ উঠি অহা দেখি বৰ্মনে কৈ উঠিল– "আৰে চৌধুৰীছাৰ দেখোন।" আগবাঢ়ি গৈ ছাৰক মাত দিয়াত বহু দিনৰ মূৰত লগ পোৱাতো তেখেতক উচ্ছ্বসিত হোৱা যেন নালাগিল। বাইদেউৰ চাকৰি বোলে শেষ হ'বলৈ কেইবাবছৰো আছে। ল'ৰা-ছোৱালীয়ে মাতি থাকে, তেখেতৰহে যোৱা হোৱা নাই। বাইদেউ দুবাৰমান গৈ আহিল। বনকৰা ল'ৰা এটা আছে। তেনেকৈয়ে চলি আছে। আমি ওচৰতে থকা সৰু চাহৰ দোকানখনত চাহ একাপ খাবলৈ লগ ধৰিলত তেখেতে আগ্ৰহ নেদেখুৱালে আৰু আমাৰ পৰা বিদায় লৈ ধীৰ খোজেৰে ৰাস্তাটো পাৰ হৈ ফুটপাথেৰে লতাশিলৰ ফালে গৈ থাকিল।

সেইদিনা খোজকাঢ়োঁতে আমি দুয়োজনে তেখেতৰ কথাই পাতিলোঁ। এসময়ৰ পৰিপাটি মানুহজনৰ অবিন্যস্ত চুলি, কাপোৰ-কানিও মলিয়ন, মানুহৰপৰা আঁতৰি থকা এটা পলায়নবাদী মনোভাব। এইবোৰ কি হ'ল! তাৰ উত্তৰ আমাৰ হাতত নাছিল। তেখেতক পুনৰ লগ পাবলৈ মনটো আহি গৈ থাকিল।

দুমাহমানৰ পাছত এদিন তেখেতৰ ঘৰ ওলালোগৈ। সেইদিনা বাইদেউকো লগ পালোঁ। তেখেতৰ অৱস্থাটো দেখি বৰ বেয়া লাগিল। সজল চকুযোৰে যেন জনালে মোৰ লগত নিভৃতে কথা পাতিব খোজে। মোৰ হাতখন ধৰি বহু সময় বহি থাকিল। এটা বাক্যও বিনিময় নকৰিলে। বাইদেউৱে ক'লে– "আপোনাৰ কথা প্ৰায়ে কৈছিল। এতিয়া কথা ক'বলৈ বাদ দিলে। বহি থাকে ভাবলেশহীন হৈ। ল'ৰা-ছোৱালী, নাতিনীহঁতৰ ফোনো নধৰে। ফটোবিলাক দেখুৱালেও অলপ চাই আঁতৰাই থয়। ডাক্তৰে কৈছে এলঝেইমাৰে ধৰিছে। এইটো বেমাৰৰপৰা ওলাই অহাতো দুৰূহ। ল'ৰা-ছোৱালীয়ে সিহঁতৰ তালৈ লৈ যোৱাৰ কথা

কৈছে। কিন্তু মইনো অকলে এনেকুৱা এটা মানুহক কেনেকৈ লৈ যাওঁ। সিহঁতৰো আহিবলৈ সময় নাই, মোৰো চাকৰিটো আছেই।”

গধুৰ মন এটা লৈ ওলাই আহিলোঁ। দুৱাৰ মুখৰপৰা ঘূৰি চাই দেখিলোঁ সজল চকুযোৰে মোকেই চাই আছে। যেন ক'ব খুজিছে– অলপ সময় বহাচোন। কথা পাতোঁ। মোৰ বহুতো গল্পৰ প্লট সাঁচি থোৱা আছে। সেইবোৰ তোমাক কওঁ।

নিৰ্বাচনৰ সময়ত ফাইলত অনুমোদন ল'বৰ বাবে এবাৰ তেখেতৰ কোৱাৰ্টাৰলৈ যাব লগা হ'ল। যাওঁনে নাযাওঁ ভাব এটা হৈছিল। যিহেতু বিষয়টো জৰুৰী গতিকে নিশা ৯ মান বজাত তেখেতৰ কোৱাৰ্টাৰ পালোঁগৈ। ফাইলটো চাই যাৱতীয় অনুমোদন দিয়াৰ পাছত আহিব খোজোঁতে তেখেতে চাহ খাবলৈ ক'লে। ইচ্ছা নাছিল যদিও তেখেতৰ লগত কিছু মুকলিকৈ কথা-বাৰ্তা হোৱাৰ সুযোগটো হেৰুৱাব নুখুজিলোঁ।

চাহ খোৱাৰ পাছতো সেইদিনা তেখেতৰ লগত বহুত কথা পাতিলোঁ। মোক আচৰিত কৰি সিংহভাগ কথা তেখেতেই ক'লে। বিশ্ব সাহিত্যৰ বছা বছা ৰচনাৰাজিৰ ওপৰত তেখেতৰ দখল দেখি আচৰিত হ'লোঁ। তাৰ মাজতে তেখেতে চিধা চিধি মোক সুধিলে– “সাহিত্যত তোমাৰ ৰাপ আছে বুলি মই জানিছোঁ। নহ'লে মোৰ নিচিনা নিৰ্জীৱ বেৰসিক মানুহ এটাৰ বিষয়ে জানিবলৈ তোমাৰ হেঁপাহ মই তাহানিতে লিখা গল্পকেইটাৰ বাবেই নহয় জানো? তুমি বাৰু মোপাচাঁৰ ‘দি নেকলেচ’ গল্পটো পঢ়িছানে?” মই মূৰ দুপিউৱাত তেখেতে পুনৰ ক'লে— “চোৱা, তেনেকুৱা কাহিনী আমাৰ চকুৰ আগতে কত আছে। কত ঘটনা দৈনন্দিন চকুৰ আগতে ঘটি আছে। তেনেকুৱা এটা ঘটনাকে আতোলতোলকৈ সজাই উপস্থাপন কৰিব পৰাটোৱেহে লেখকৰ চমৎকাৰিত্ব প্ৰকাশ কৰে। সেইবাবেই মোপাচাঁ, চেখভ, অ' হেনৰীৰ তুলনা নাই।” তাৰ মাজতে সুধি পেলালোঁ– “ছাৰ, আপুনি লেখা-মেলা সামৰি থ'লে কিয়?” বেজেৰুৱা হাঁহি এটা মাৰি উত্তৰ দিলে– “কোনে ক'লে তোমাক মই লিখা-মেলা সামৰি থ'লোঁ। বুজিছা বহুকেইটা গল্প আৰু দুখনমান উপন্যাসৰ চৰিত্ৰবোৰ মোৰ মগজুত কিলবিলাই আছে। কিন্তু এতিয়া কৰি আছা কি? নিৰ্বাচন পৰিচালনাৰ বাবে মডেল ক'ড অব কণ্ডাক্ট, খাদ্যৰ যোগান ধৰা আদি কাম। এইবোৰৰ মাজত চৰিত্ৰবোৰ পলাই পত্ৰং দিয়ে বুজিছা। মোক লৈ তোমাৰ ইমান উৎসুকতা! তোমাৰ লগত ভেটাভেটি হ'লৈই গম পাওঁ মোৰ বিষয়ে জানিবলৈ তুমি কিমান আগ্ৰহী।”

এইবাৰ মই স্পষ্টভাৱে উত্তৰ দিলোঁ– “ছাৰ, আপোনাৰ প্ৰায়কেইটা গল্প মই পঢ়িছোঁ। আপোনাৰ গল্পৰ বিষয়ে কেইবাটাও সমালোচনাও পঢ়িছোঁ। সমকালীন পাঠকসকলৰ আপোনাৰ গল্পৰ ওপৰত উচ্চমানৰ মন্তব্যও শুনিছোঁ। অথচ এইজন মানুহ কিয় নীৰৱ হৈ পৰিল। তাৰ উত্তৰটো বিচাৰিহে পোৱা নাই। সেয়া আপোনাক সুধিবলৈ মন যায়। আজি আপোনাক সুযোগ পাই সুধি পেলালো কাৰণ মই আপোনাৰ গল্পৰ এজন অনুৰাগী।” ঈষৎ হাঁহি মাৰি তেখেতে ক'লে– “ৰাতি হ'ল, আজিলৈ তোমাক বিদায় দিলোঁ।”

তাৰপাছতো অন্তৰংগভাৱে তেখেতৰ লগত কেইবাদিনো কথা বাৰ্তা হ'ল। তেখেতে স্পষ্টভাৱেই ক'লে চাকৰিত থাকি তেখেতৰ লিখা আৰু নহ'ব। কিন্তু অৱসৰৰ পাছত এদিনো নৰয়, কেৱল লিখিব আৰু লিখিব।

কিন্তু লিখিছে জানো অৱসৰৰ পাছত! নিৰ্বাক, নিস্পন্দ মানুহজনক লগ পাবলৈ কেইবাবাৰো তেখেতৰ ঘৰলৈ গৈছোঁ। মোক দেখিলে একেথৰে চাই থাকে। এনে লাগে যেন কিবা ক'ব, কিন্তু একোকে নকয়। প্ৰত্যেকবাৰেই বেদনাহত হৈ ওলাই আহোঁ।

এদিন খুব পুৱাই ফোনটো বাজি উঠাত চাই দেখিলোঁ চৌধুৰীছাৰৰ নম্বৰ। এক অজান আশংকাত মনটো কঁপি উঠিল। ফোনৰ সিটো মূৰৰপৰা ছাৰৰ বনকৰা ল'ৰা সুনন্দৰ মাতটো ভাহি আহিল– “ছাৰ ভালনে? আমাৰ ছাৰে কথা পাতিব।” লগে লগেই ছাৰৰ মাতটো ভাহি আহিল– “হেৰা উদ্দীপ্ত! কেনে আছা? আহাচোন সোনকালে এবাৰ।” এইবাৰ মোৰ অবাক হোৱাৰ পাল। সেইদিনা বন্ধৰ দিন আছিল। লৰালৰিকৈ তেখেতৰ ঘৰ পালোঁগৈ।

সুনন্দই দুৱাৰখন খুলি দিবলৈহে পালে। ছাৰে অনৰ্গল কথা ক'বলৈ আৰম্ভ কৰি দিলে। মোৰ পোষ্টিং ক'ত? ইমান দিনে কিয় অহা নাই। ইত্যাদি ইত্যাদি । মোৰ পৰা পৰিবাৰৰ ফোন নম্বৰটো লৈ তেওঁৰ লগত কুশল বাৰ্তা বিনিময় কৰিলে আৰু ক'লে মোক ভাত খোৱাৰ পাছতহে বিদায় দিব। ফোনৰ সিটো মূৰত পৰিবাৰৰো উৎকণ্ঠাৰ অন্ত নাই। তেখেত এনেকুৱা এটা ৰোগৰ পৰা মুক্ত হ'ল। কিন্তু কেনেকৈ? চিকিৎসা বিজ্ঞানে কি কয়? পৰম উৎকণ্ঠাৰে তেওঁ মোলৈ অপেক্ষা কৰি ৰ'ল।

ছাৰৰ কথা শুনি ভাত নাখাওঁ বুলি ক'বলৈ পালোঁহে

মাত্ৰ তেখেত জক্‌জকাই উঠিল— "ৰ'বা, বজাৰলৈ যাবলৈ ইয়াক কোৱাই আছে। আৰি মাছ আনিবলৈ কৈছোঁ। এসাঁজ একেলগে খাম। আজি কিন্তু বহু কথা পাতিম।"

আমাৰ কথা-বাৰ্তা আৰম্ভ হ'ল। কিন্তু মাজে মাজে কিছু কথা অসংলগ্ন হোৱাটোও লক্ষ্য কৰিছিলোঁ। তেখেত এজন লেখক হ'ব বিচাৰিছিল। ভাবিছিল কলেজৰ চাকৰিত এটা পৰিৱেশ পাব, লাইব্ৰেৰীত একান্তমনে পঢ়িব আৰু চাকৰিৰ সমান্তৰালভাৱে সাহিত্য সৃষ্টিও চলি থাকিব। সেইদৰে কাম কৰি তেখেত সুখীও হৈছিল। কিন্তু পৰিয়াল আৰু বন্ধু-বান্ধৱ, শুভাকাংক্ষীৰ আবদাৰত পৰীক্ষা দি প্ৰশাসনীয় বিষয়া হ'ল ঠিকেই কিন্তু লিখাৰ বাবে এটা পৰিৱেশ সৃষ্টি কৰাত চূড়ান্তভাৱে ব্যৰ্থ হ'ল। বিষয়বস্তু ঠিক কৰি যেতিয়া লিখাৰ বাবে সাজু হয়, কামৰ হেঁচাত গল্পৰ চৰিত্ৰবোৰেও সন্তৰ্পণে বিদায় লয়।

তেখেতৰ ইয়াৰ পাছৰ কথাবোৰ আছিল ৰহস্যঘন। "তুমি জানানে মোৰ বেমাৰটো কি? এটা মাৰাত্মক ৰোগ। Alzheimar, জীৱন্তে মৃত। আমেৰিকাৰ দৰে দেশৰ এসময়ৰ মহাপ্ৰতাপী ৰাষ্ট্ৰপতি ৰণাল্ড ৰেগনেও পাহৰি গৈছিল যে তেওঁ ৰাষ্ট্ৰপতি আছিল।

আচলতে লিখাৰ কাম আৰম্ভ কৰোঁ বুলি প্ৰস্তুতি চলাওঁতেই দেখিলোঁ মই কথাবোৰ পাহৰিবলৈ ধৰিছোঁ। চশমাযোৰ বিচাৰি হাবাথুৰি খাওঁ অথচ সেইযোৰ সুনন্দই পঢ়া টেবুলতেই পায়। প্ৰায়বোৰ কথাতে কনফিউজদ্‌ হওঁ। তেতিয়াই এক অজান আশংকাত ইণ্টাৰনেটত খুচৰি চাইছিলোঁ। এইটো Alzheimarৰ আগজাননী আৰু ইয়াৰপৰা উদ্ধাৰ পোৱা টান। কেতিয়াবা দুই তিনিদিনৰ বাবে স্বাভাৱিক অৱস্থা এটা আহে কিন্তু তাৰ মাজতো কথা বতৰাত কিছু বিসংগতি থাকে। সম্পূৰ্ণ সুস্থ হোৱা বুলি কেতিয়াও ক'ব নোৱাৰি। তোমাৰ লগত আজিয়েই শেষ কথা। পৰিবাৰো আহি আছে। ল'ৰা-ছোৱালী, নাতি-নাতিনীৰ লগতো ফোনত কথা পতাই দিলে সুনন্দই। কাকোৱেই মই এই সাময়িক অৱস্থাটোৰ কথাটো কোৱা নাই। মনতে দুখ পাব। হয়তো তুমিও পাইছা।"


মাজতে ছাৰ এবাৰ টয়লেটলৈ যাওঁতে বনকৰা ল'ৰা সুনন্দই ক'লে– "ইমান ভাল লাগিছে। ৰাতিপুৱাই ছাৰে মোক জগাইছে। ভগৱানে মূৰ দাঙি চালে দেই। ছাৰে মাজে মাজে মোক আপুনি বুলিও মাতিছে।"

ভাত-পানী খাই ছাৰৰপৰা বিদায় ল'লোঁ। পাছদিনাও সুদীৰ্ঘ সময় ফোনত কথা পাতিলোঁ। বাইদেউৰ লগতো পাতিলোঁ। তেওঁৰো মনত আনন্দ। এবাৰ মাতটো সৰুকৈ মোক ক'লে– "বুজিছা উদ্দীপ্ত তেওঁ মোক মাজে মাজে আপুনি বুলিও কয়, এবাৰ বাইদেউ বুলি মাতিছে। যি কি নহওক, ভাললৈ যে আহিছে সেয়াই বহুত।"

তৃতীয় দিনা ফোনত নাপাই তেওঁলোকৰ ঘৰেই ওলালোগৈ। সুনন্দই চলচলীয়া চকুৰে দুৱাৰখন খুলি দিলে। ভিতৰ সোমাই দেখোঁ ছাৰ চোফাত বহি আছে। ওচৰতে বহি বাইদেউৱে চকুপানী টুকি আছে। ছাৰ ছাৰ বুলি কেইবাবাৰো মাতিলোঁ। কোনো উত্তৰ নিদিলে। এক ভয়াবহ নীৰৱতা।

হয়, এইবাৰ সঁচাকৈয়ে এক প্ৰতিভাৰ জীৱন্তে মৃত্যু হ'ল।

●



# উত্তৰণ

## হৰিচন্দ্ৰ ডেকা

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় ভৱনৰ বাকৰি আজি লোকে লোকাৰণ্য, চাৰিওফালে দলদোপ-হেন্দোলদোপ। লাউড স্পিকাৰত বাজি থকা সুমধুৰ অসমীয়া গানে চৌদিশ ৰজনজনাই আছে। গোটেই মহানগৰীখনেই আলোকসজ্জাৰে সজাই তোলা হৈছে, যেন চহৰখনত আবতৰীয়া দেৱালীহে উৎযাপন কৰা হৈছে। সৰু সৰু ছোৱালীহঁতে মাক-বায়েকৰ পাট মুগাৰ মেখেলা চাদৰ পিন্ধি হাতত ফুলৰ তোৰা লৈ ইফালে সিফালে দৌৰি ফুৰিছে।

অসমীয়া তথা হিন্দী কথাছবি জগতৰ অপ্ৰতিদ্বন্দ্বী গায়িকা মলয়া দেৱীক গুৱাহাটী বিশ্ববিদ্যালয়ে আজি কলা-সংস্কৃতিত তেখেতৰ অনবদ্য অৱদানৰ স্বীকৃতি স্বৰূপে ডক্টৰেট ডিগ্ৰী প্ৰদান কৰিব, লগতে সম্বৰ্ধনা সভা। প্ৰথিতযশা শিল্পীগৰাকীৰ ইচ্ছা অনুসৰি এই অনুষ্ঠান বিশ্ববিদ্যালয়ৰ নিজা প্ৰেক্ষাগৃহত অনুষ্ঠিত নকৰি সকলো শ্ৰেণীৰ নাগৰিকে ঢুকি পাব পৰাকৈ বিশ্ববিদ্যালয়ৰ বাকৰিতে অনুষ্ঠিত কৰা হৈছে। ৰাজ্যিক সাংস্কৃতিক সঞ্চালকালয়ৰ তত্ত্বাৱধানত বিশেষ সাংস্কৃতিক সন্ধিয়াৰো আয়োজন কৰা হৈছে। ৰাজ্যৰ বিশিষ্ট নাগৰিক আৰু কলাকুশলী সকলে বিমান বন্দৰৰপৰাই শিল্পীগৰাকীক আদৰি আনিব। গুৱাহাটী পৌৰ নিগমো হাত সাবটি বহি নাথাকিল। এই বিৰল উৎসৱত নিজৰ অৱদানৰ স্বাক্ষৰ চিহ্নিত কৰি ৰাখিবৰ বাবে গোটেই মহানগৰীখন চিকুণাই আটকধুনীয়া কৰি তুলিছে।

মোৰ কাৰণেও আজিৰ দিনটো বিশেষ দিন হিচাপে পৰিগণিত হ'ব। উপজিয়ে এক কলা-সংস্কৃতিৰ বাতাৱৰণত ডাঙৰ-দীঘল হোৱা নতুবা কোনো বিখ্যাত সংগীত শিল্পীৰ তত্ত্বাৱধানত সংগীতৰ আখৰা কৰি বিখ্যাত শিল্পী হৈ পৰা কোনো মলয়া দেৱীৰ কথা মই ইয়াত বৰ্ণনা কৰিব খোজা নাই, কলাৰ পূজাৰী মলয়া দেৱী এই সকলোবোৰৰে ঊৰ্ধত। সমুখৰ বাৰাণ্ডাৰ আৰামী চকীখনত বহি মই সেইবোৰ স্মৃতিকে ৰোমন্থন কৰিছোঁ।

সেয়া আজিৰপৰা দুকুৰি বছৰ আগৰ কথা, নাক থকা চিটিবাছবোৰ নুনমাটি পাণ্ডুৰ মাজত চলাচল কৰাৰ সময়ৰ কথা। ৫-১০ মিনিটৰ ব্যৱধানত চলা চিটিবাছবোৰত নিম্নতম ১০ পইচা ভাৰা দি শ শ যাত্ৰী অহা যোৱা কৰা সময়ৰ কথা। প্ৰধান চিটিবাছ ষ্টপেজবোৰত সাধাৰণতে বাছবোৰ বেছি সময় ৰৈ থাকে। তেনেকুৱা বাছ আস্থানবোৰত আকৌ একাধিক ভিক্ষাৰীৰ সমাবেশ ঘটে। আটাইৰে উদ্দেশ্য এটাই। যাত্ৰীৰ মনোযোগ আকৰ্ষণ কৰি সমুখৰ দুৱাৰেৰে সোমাই আমুলৰ টিনৰ টেমাটো জোকাৰি খুচুৰা পইচাৰ ঝুনঝুননি তুলি আকৌ পিছফালৰ দুৱাৰেৰে নামি যায়। মাজতে কিছুমানৰ ৫-১০ পইচাৰ মুদ্ৰা এটা টিনৰ টেমাটোত খটংকৈ পৰে। কিছুমান যাত্ৰী আকৌ সেই সময়ত দুৰ্ঘোৰ টোপনিত নিমগ্ন, যেন এইখিনি সময়লৈহে বাট চাই আছিল গভীৰ নিদ্ৰাৰ সুখকণ উপভোগ কৰিবলৈ। খটাসুৰ ভিক্ষাৰী কিছুমানে আকৌ কুম্ভকৰ্ণৰ নিদ্ৰাত থকা সকলৰ ওচৰত খুচুৰা পইচাৰ টেমাটো সশব্দে জোকাৰি দিয়ে, কাৰণ সিহঁতেও জনা হৈছে তেওঁ যে এনেয়ে চকু মুদি আছে। কিছুমানৰ কণ্ঠত আকৌ সুৱদি সুৰ। আটাইবোৰৰ মাজত যাত্ৰীৰ মনোযোগ আকৰ্ষণ কৰাৰ তীব্ৰ প্ৰতিযোগিতা।

উপায়ুক্তৰ কাৰ্য্যালয়ৰ চিটিবাছ আস্থানটোও বিভিন্ন প্ৰকাৰৰ ভিক্ষাৰীৰ মিলন ভূমি। কিন্তু এইসকল হতভগীয়াৰ প্ৰতি সহানুভূতিশীল লোকৰ সংখ্যা অতি নগণ্য। খুচুৰা নোহোৱাৰ অজুহাতত বিমুখ কৰা যাত্ৰীৰ সংখ্যাই বেছি। দানপাত্ৰটো যাত্ৰীৰ গাত লগাই মনোযোগ আকৰ্ষণৰ চেষ্টা কৰিলে বিৰক্তিৰে "মোৰ লগত খুচুৰা পইচা নাই" বুলি কৈ খিৰিকীৰে দিগন্তৰ ফালে চকু পোনাব যেন এটকীয়াৰ তলত কোনোৱে খুচুৰা পইচা লগত নাৰাখেই। এইসকল ধৰ্মপ্ৰাণ লোকেই কামাখ্যালৈ এই চিটিবাছতে যায়, দেৱীৰ আশীৰ্বাদ বিচাৰি হাতত পূজাৰ সম্ভাৰ লৈ, অথচ এই পুণ্য ক্ৰেতাসকল ৫-১০ পইচা দান দিবলৈ অপাৰগ। চাকৰিৰ এজন নিয়মীয়া প্ৰাৰ্থী হিচাপে চিটিবাছত মই সঘনাই ভ্ৰমণ কৰিব লগা হওঁ। অতি কষ্টেৰে দিনটোৰ খৰচখিনি মিলাওঁ যদিও তাৰ মাজৰে কিছুমানক মই ৫-১০ পইচাৰ মুদ্ৰা একোটা দান দি আত্মসন্তুষ্টি লাভ কৰোঁ।

এজনী কিশোৰী, বয়স ৮ বছৰমান হ'ব কিজানি, কাছাৰী চিটি বাছ আস্থানৰ নিয়মীয়া অতিথি। কণ্ঠত এক সুৱদি সুৰ লৈ মনৰ আৱেগ ঢালি তাই বাছৰ ইমূৰৰপৰা সিমূৰলৈ গান গাই দানপাত্ৰটি সকলোৰে আগলৈ আগবঢ়াই দিয়ে। তাইৰ কণ্ঠত বিমুগ্ধ বহুজনে টেমাটোত দহ পইচা সিকি একোটা পেলাই দিয়ে। ৰ'দৰ তাপে বিকৃত কৰা গাৰ ছাল আৰু মুখমণ্ডলে কৈ দিয়ে এসময়ত যে তাই বৰ ধুনীয়া আছিল। কেতিয়াবা অনুভৱ হয় যেন বহু দূৰৰপৰা ভাহি আহিছে তাইৰ কণ্ঠৰ অমিয়া সুৰ ...

"একবাৰ হৰি বলো মন ৰসনা
মানব দেহেৰ গৌৰব কৈৰো না
মানব দেহা মাটিৰে ভাণ্ড
ভাঙিলে হবে খণ্ড ৰে খণ্ড
ভাঙিলে দেহা যোৰা নিবে না ..."

কোনোবা দিনা গোৱা বনগীতৰ সুৰৰ ঢৌৱে মন কৰি তোলে বিষাদ বিহ্বল।

এদিন দেখিলোঁ মোৰ প্ৰিয় গায়িকা অনুপস্থিত, পিছদিনাও নাই। সেই সময়ত মোৰ মগজুৱে অন্য চিন্তা নকৰি

**...মানুহৰ চেহেৰা লৈ থকা কিছুমান প্ৰাণীয়ে মোক কয় ডাঙৰ হ'লে আহিবি, এতিয়া তোক কোনে পইচা দিব; তেতিয়া যিমান লাগে সিমান দিম। কিন্তু আপোনাৰ পৰা মই যি সহানুভূতি পাইছিলোঁ সেয়াই অন্ততঃ মোক পৃথিৱীত জীয়াই থাকিবলৈ প্ৰেৰণা দিলে। ...**

তাইৰ দুৰ্বল স্বাস্থ্যৰ কথাহে মনত পেলাই দিলে। তেতিয়াই তাইক সহায় কৰাৰ প্ৰৱণতা এটাই থিতাপি ল'লে। কিন্তু পইচা...? একো নাভাবি বাছৰপৰা নামি উৰ্বশী হ'ললৈ গ'লোঁ। উৰ্বশী হলৰ পিছফালৰ ঠেক গলিটোত নিতৌ এক টকাৰে এসাঁজ ভাত খোৱা হোটেলখনৰপৰা ৩০ টকা ধাৰ কৰি কেইটামান তিনি টকা দহ পইচা দৰৰ বেলকনিৰ টিকট কিনিলোঁ। মই জানো ভিক্ষাৰীক ১০ পইচা দিবলৈ অপাৰগ মহানগৰবাসীয়ে এই ৩.১০ টকা দৰৰ টিকটত ২০ টকা দিবলৈ কুণ্ঠাবোধ নকৰে। জীৱনত কোনোদিনে নকৰা কাম এটা কৰিলোঁ। টিকট কেইটা ক'লা বজাৰত বেছি ৩০ টকা ধাৰ মাৰিলোঁ আৰু বাকীখিনি দিবলৈ যাওঁতেহে খেয়াল আহিল তাইক মই বিচাৰি পাম ক'ত? ওচৰৰ মগনীয়াবোৰক তাইৰ কথা সোধাত জানিব পৰা গ'ল যে দুদিন আগতে এজন আঢ্যৱন্ত লোকে ঘৰুৱা কাম বনত সহায় কৰিবলৈ তাইক লৈ গ'ল। হতাশাই মনটো ভাৰাক্ৰান্ত কৰি তুলিলে।

উজান বজাৰৰ যোৰপুখুৰী পাৰ বহুতো পুৰণি নামী দামী ব্যক্তিৰ আবাসিক অঞ্চল। ইয়াৰে বৃটিছৰ দিনৰ বৰপেটাৰ ৰায়বাহাদুৰ উপাধি খ্যাত ৰাজ লাল উজিৰৰ পৰিয়ালৰ ঘৰলৈ মই সপ্তাহত তিনিদিন গধূলি যাওঁ, তেওঁলোকৰ ল'ৰা-ছোৱালী হালক পঢ়ুৱাবলৈ। এদিন মই সিহঁতক পঢ়ুৱাই থাকোঁতে আচম্বিতে এক সুকোমল নাৰী কণ্ঠই সচকিত কৰি তুলিলে। আনদিনা ৰান্ধনি ল'ৰাজনে চাহৰ কাপটো কাষৰ টেবুলত থৈ কৈ যায় "মাষ্টৰ বাবু! চাহ দিছোঁ" যাওঁতে ইহঁত দুটাকো খাবৰ কাৰণে মাতি লৈ যায়। তাৰ সলনি আজি কোৱা শুনিলোঁ "চাহ খাওঁক দাদা।" মূৰ তুলি চাই দেখোঁ, দেখিলে সতকাই চিনিবই নোৱৰা সেই সুকণ্ঠৰ কিশোৰীগৰাকী। শুকান মলিয়ন গাৰ ছালৰ কোনো চিনমোকাম নাই, চেহেৰাও বহুতো উন্নত হ'ল। মোৰ মুখৰপৰা আপোনা আপুনি ওলাই আহিল -

"তুমি? ইয়াত? মোকতো বেছ মনত ৰাখিছা। আকৌ যে তোমাক এনেদৰে লগ পাম ভবাই নাছিলোঁ। আচৰিত নহয়নে?"

চিটি বাছত তাইক মই কোনোদিনে মাতি পোৱা নাই, তাইৰ কণ্ঠস্বৰ হে মোৰ চিনাকি। টিউচনৰ জগতত আমাৰ নিচিনা গৃহশিক্ষকৰ চিনাকি "মাষ্টৰ বাবু" নামেৰেহে। তাইৰ দাদা সম্বোধনে মোক অন্য এখন জগতলৈ লৈ গ'ল।

প্ৰশ্ন শুনি তাই মোৰ ফালে মূৰ তুলি চালে। চকুৰ চিনাকি অথচ কোনোদিনে চিনি নোপোৱা এই লোকজনক আজি মাষ্টৰ হিচাপে হঠাতে লগ পাই তায়ো আচৰিত হ'ল।

"এৰা! আচৰিত হ'বলগীয়া কথাই। যেতিয়া মালতী নামৰ এজনী হতভগীয়া ছোৱালীয়ে মাত্ৰ জীয়াই থকাৰ কাৰণে মানুহৰপৰা সহায় বিচাৰি কেৱল অৱহেলাহে পাওঁ, তেতিয়া পৃথিৱীত যে মানুহো আছে সেয়া আপোনাৰ ব্যৱহাৰৰপৰাই মোৰ অনুভৱ হ'ল।"

চকুপানীখিনি মোহাৰিবলৈ যত্ন নকৰাকৈয়ে মোৰ বিপৰীত ফালে দৃষ্টি ৰাখি নিজৰ কথাখিনি ক'লে। তাৰ পাছত হঠাতে মোৰফালে ঘূৰি ক'লে।

".., আৰু কি জানে দাদা? মানুহৰ চেহেৰা লৈ থকা কিছুমান প্ৰাণীয়ে মোক কয় ডাঙৰ হ'লে আহিবি, এতিয়া তোক কোনে পইচা দিব; তেতিয়া যিমান লাগে সিমান দিম। কিন্তু আপোনাৰ পৰা মই যি সহানুভূতি পাইছিলোঁ সেয়াই অন্ততঃ মোক পৃথিৱীত জীয়াই থাকিবলৈ প্ৰেৰণা দিলে। এখেতসকল বৰ ভাল মানুহ, মোক ঘৰতে পঢ়াশুনাৰ সুবিধা কৰি দিছে। ল'ৰা-ছোৱালী হালক শিকাবলৈ অহা গানৰ মাষ্টৰৰ পৰাও মই বহুত শিকিব পাৰিছোঁ।"

"উজিৰৰ পৰিয়াল বৰ ভাল মালতী। তুমি ইয়াত গোটেইখিনি পাবা বুলি মোৰ বিশ্বাস। কেৱল মনত ৰাখিবা কেতিয়াবা ডাঙৰ মানুহবিলাকে একেটা টোপেৰেই বৰশী বাই থাকে। মোকো বহুতে চাকৰি দিয়াৰ প্ৰলোভনেৰে কম দৰ্মহাতে খটুৱাই থাকে। কিন্তু এখেত সেই শ্ৰেণীৰ মানুহৰ ভিতৰত নপৰে। বৰ ভাল কথা হ'ব, তোমাৰ মনৰ ইচ্ছা পূৰণ কৰিব পাৰিবা।"

কথাখিনি কৈ মই যেন আবেগিক হৈ পৰিলোঁ। উজিৰৰ ঘৰত নিতৌ সংগীতৰ আখৰা হয়। তাত চাহ তামোলৰ যোগান ধৰাই মালতীৰ মুখ্য কাম।

এদিন উজিৰৰ ঘৰলৈ নিৰ্দিষ্ট সময়ত গ'লোঁ যদিও টিউচন কৰিব লগা নহ'ল। ল'ৰা-ছোৱালী হালক লৈ তেওঁলোক ক'ৰবালৈ গৈছে। ৰান্ধনি ল'ৰাজনক কোৱা আছিল। "মাষ্টৰক বেয়া পাবলৈ মানা কৰিবি; চাহ নুখুওৱাকৈ ঘূৰাই নপঠিয়াবি।" গতিকে চাহৰ কাৰণে বাট চাব লগা হ'ল।

সেইদিনাই মালতীৰ জীৱন সম্পৰ্কত কথা পাতিবলৈ সুযোগ পালোঁ। তাই কৈ গৈছিল অতীতৰ কিছুমান পাহৰিবলগীয়া অথচ পাহৰিব নোৱৰা কথা।

গৌৰীপুৰৰ প্ৰাচীন আঢ্যৱন্ত জমিদাৰ পৰিয়াল এটাৰ ঘৰত মালতীৰ পিতৃ শ্ৰমজীৱী হিচাপে নিযুক্ত আছিল। মাকেও একে ঘৰতে ঘৰুৱা কামবন কৰিছিল। মাকৰ লগতে মালতীৰো সেই ঘৰত অবাধ বিচৰণ। মাক সুগঢ়ী আছিল। পৰিয়ালৰ সকলো লোকে তেওঁক মৰম কৰিছিল। কিন্তু এই মৰমে সীমা গচকিব ধৰোঁতেই এটা ঘটনা ঘটিল; পাছলৈ গৈ ঘটনাটো দুৰ্ঘটনাত পৰিণত হ'ল। জমিদাৰৰ এটা উতনুৱা পুত্ৰ আছিল। সেইদিনা মালতীয়ে আন ল'ৰা-ছোৱালীৰ সৈতে খেলত মগ্ন থাকোঁতে অকস্মাতে হাই উৰুমি শুনি সেইফালে চোৱাত দেখিবলৈ পালে যে পাষণ্ডই মাকক হাতত ধৰি টনা আঁজোৰা কৰিব ধৰিছে। নিজৰ সন্মান বচাবলৈ মাকে তাৰ হাততে কামুৰি দিলে। কঁকালত কোব পৰা সাপৰ দৰে ফোঁচফোচনি তুলি ৰাজকুমাৰ তাৰপৰা পলাই পত্ৰং দিলে। দুৰ্য্যোগ যে অনতিপলমে নামি আহিব ধৰিছে বুজিবলৈ আৰু বাকী নাথাকিল। এদিন শুনা গ'ল মাছ মাৰি থাকোঁতেই পিতাকৰ পানীত ডুবি মৃত্যু ঘটিল। সকলোৱে এয়া সাধাৰণ ঘটনা বুলি ধৰি ল'লে যদিও মাকে সকলো কথা গম পাই গ'ল এয়া যে সৌ সিদিনাৰ ঘটনাৰ পাৰ্শ্বক্ৰিয়া। আকাশখন যেন কলীয়া ডাৱৰে ঢাকি ধৰিলে। বেছিদিন যাবলৈয়ে নাপালে, এদিন মাকে আনদিনাতকৈ সোনকালে ঘৰলৈ আহিয়ে যি বিছনাত পৰিল আৰু নিশাটো নুঠিল। বুজা নুবুজাৰ দোমোজাত নিশাটো পাৰ হ'ল। পিছদিনা যেতিয়া মাকৰ মৃতদেহ কুৰাৰ পৰা উঠাই আনিলে তেতিয়াও তাই একো বুজিব পৰা নাছিল। পুলিচে মাকৰ মৃতদেহ ক'ৰবালৈ লৈ গ'ল। মাতৃৰ মৰমৰ মুখখন এবাৰ চোৱাৰ আশাত তায়ো ৰেলত উঠি গুৱাহাটী পালেহি। ৰেলৰপৰা নামি একো উৱাদিহ নাপাই প্লেটফৰ্মতে দিনটো কটালে। এটা সময়ত মাকৰ মুখখন এবাৰ নয়নভৰি চোৱাতকৈও মালতীৰ কাৰণে কিছু খোৱাবস্তুৰ হে প্ৰয়োজন হৈ পৰিল। যেতিয়া ভোকটোৱে পেটটো খামোচ মাৰি ধৰিলে তেতিয়া প্লেটফৰ্মত যাত্ৰীয়ে পেলাই দিয়া অৱশিষ্টখিনি খোৱাৰ বাহিৰে আৰু কোনো উপায় বিচাৰি নাপালে। শেষত জীয়াই থকাৰ কাৰণে যাত্ৰীৰপৰা ভিক্ষা মাগিবলৈ ধৰিলে।

"বুজিছে দাদা! খুজিমাগি পোৱা পইচাৰে খাওঁ আৰু নিশাটো প্লেটফৰ্মত শুই থাকোঁ। তাতো ৰেলৰ পুলিচে শান্তি নিদিয়ে। প্ৰায়ে ভিক্ষাৰীবোৰৰ সঞ্চিত পইচাখিনিও কাঢ়ি লৈ যায়।" কথাখিনি কৈ মালতীয়ে হুকহুকাই কান্দি দিলে।

ইতিমধ্যে মই চাকৰি পাই অৰুণাচললৈ গুচি গ'লোঁ। পাছত শুনিবলৈ পাইছিলোঁ উজিৰৰ ল'ৰা-ছোৱালীক গান শিকাবলৈ অহা মাষ্টৰে মালতীৰ সংগীত লিপ্সাৰ কথা জানিব পাৰি তাইকো সিহঁতৰ লগত বহুৱাই লৈছিল; কিন্তু উজিৰৰ পৰিয়ালে এইটো মুঠেই পছন্দ কৰা নাছিল। ফলত মাষ্টৰৰ চাকৰিৰ সিমানতে অন্ত পৰিল। মাষ্টৰ আঁতৰি গ'ল সঁচা কিন্তু অকলে নহয়, মালতীকো লগত লৈ গ'ল। প্ৰথমতে দুয়ো জীৱিকাৰ কাৰণে বিভিন্ন ঠাইত নৃত্য গীত পৰিৱেশন কৰিবলৈ ল'লে। কিছু আত্মবিশ্বাস গঢ়ি উঠাত পেছাদাৰী ৰূপত মঞ্চত অনুষ্ঠান পৰিৱেশন কৰাৰ সঙ্কল্প ল'লে। এইদৰে কিছু ধন হাতলৈ অহাত বোম্বাইত (এতিয়াৰ মুম্বাই) নিগাজীকৈ থিতাপি ল'লে। তাৰ পাছত আৰু পিছলৈ ঘূৰি চাব লগা হোৱা নাই। মঞ্চৰপৰা বোলছবি জগতত পদাৰ্পণ কৰি মালতীৰ নাম হয়গৈ মলয়া দেৱী। সেই মলয়া দেৱী ওৰফে মালতীক আজি গুৱাহাটী বিশ্ববিদ্যালয়ে ডক্টৰেট ডিগ্ৰী প্ৰদান কৰিব– ইয়াতকৈ সুখবৰ মোৰ কাৰণে আৰু কি হ'ব পাৰে!

●



কলেজত টপ কৰোঁতে, মোক অভিনন্দন জনাবলৈ প্ৰায় সকলো সহপাঠী আহিছিল। নয়নিকাও আহিছিল। তাইৰ সৈতে সেই প্ৰথম মুখামুখিতে নয়নিকাই যেন চকুৰে কিবা বাৰ্তা লৈ আহিছিল যিটো মোৰ দৰে পঢ়াত পাগল, অনভিজ্ঞ এজনৰ বাবেও বুজি পোৱাত অসুবিধা হোৱা নাছিল।

# ক'লা সাপ

**শৰৎ বৰকাকতি**

'আজি উকীলৰ ওচৰলৈ এবাৰ যাব লাগিব'– মই বিছনাত শুই শুইয়েই, আজিৰ দিনটোৰ দৰকাৰী কামবোৰ জুকিয়াই ল'লোঁ। ম'বাইলত সময়টো চালোঁ - দহ বাজিবৰ হ'ল। কাইলৈ সোমবাৰে পুৱাই কমিছনাৰক দিব লগা প্ৰেজেণ্টেশ্যনৰ অলপ কাম বাকী আছে .... যোৱাকালি সেইটোত লাগি, নিশা ডেৰ বাজিল। দুপেগ হুইস্কি বেছিকৈ খালোঁ কিজানি, মূৰটো এতিয়া টিংটিঙাবলৈ আৰম্ভ কৰিছেই। উঠিম বুলি ভাবিও উঠিব নোৱাৰিলোঁ।

'ক্লি...লি... লি...লিঙ'– পৰ্চেলিনৰ প্লেট এখন ভঙাৰ শব্দ তলৰ মহলাৰ পাকঘৰৰ পৰা ভাহি আহিল। লগে লগে, ডাইনিং টেবুলৰ চকী এখন খঙেৰে জোৰত চোচৰোৱাৰ শব্দ আৰু মুহূৰ্ততে ৰাইফৰ কৰ্কশ মাতষাৰ ঠহৰ ঠহৰকৈ কাণত পৰিল– 'মালতী, ডিনাৰ ছেটৰ প্লেটবোৰ ধোওঁতে, তোক মই কিমানবাৰ সাৰধান হ'বলৈ কৈ আছিলোঁ...এতিয়া বাৰজনীয়া ছেটটোৰ কি হ'ব......... এইটোৰ দাম কিমান জাননে.... আঠ হাজাৰ টকা, যোৱা বছৰ কনফাৰেন্সত যাওঁতে দিল্লীৰপৰা আনিছিলোঁ। আজি তই এইখন ভাঙিলিয়েই নহয়... তোৰ দৰমহাৰ পৰা কাটিম মই...... চাবি এইবাৰ...।' মোৰ ভাব হ'ল– ৰাইফৰ কথাবোৰ যোৱা কিছুদিনৰপৰা যেন বেছি ৰুক্ষ হৈ পৰিছে, মাতত যেন কঁপি থাকে চেপা কাৰুণ্য, হতাশা আৰু ক্লান্তি।

কিছু সময়লৈ মালতীৰ অনুনয়-বিনয়, ৰাইফৰ তৰ্জন-গৰ্জন চলি থাকিল। তাৰ মাজে মাজে কিটচেন ছিংকত বাচন-বৰ্তন ধোৱাৰ শব্দও। কাম বন কৰি আঁতাই, দুৱাৰ বন্ধ কৰি, পাৰ্টটাইম হেল্পাৰ মালতী ইতিমধ্যে গ'লগৈ বুলি অনুমান কৰিলোঁ। তাই নিশ্চয় হটকেছত মোৰ ব্ৰেকফাষ্ট সজাই থৈ গৈছে। ৰাইফে ডাইনিং টেবুলত বহি ব্ৰেকফাষ্ট কৰি থাকোঁতেই নিশ্চয় এই অথন্তৰ ঘটিল আৰু তেওঁ হয়তো এতিয়াও ড্ৰয়িং ৰুমতে পায়চাৰি কৰি আছে। সেয়ে ব্ৰেকফাষ্ট কৰিবলৈ, এতিয়াই নামি নোযোৱাটোৱেই ভাল হ'ব বুলি

মই মনতে ভাবিলোঁ।

কিমান দিন.... এবছৰ... নে বেছি হ'ল! বিয়াৰ এবছৰমান পাছৰেপৰাই, আমাৰ মাজত ঘনাই হৈ থকা তৰ্কাতৰ্কি সেইদিনা তুংগত উঠিছিল। নিশা বাৰ বজাত, আমাৰ থ্রি বেডৰুমৰ ডুপ্লেক্সটোৰ ফাৰ্ষ্ট ফ্লোৰৰ এই মাষ্টাৰ বেডৰুমটোৰপৰা নিজৰ গাৰুটো লৈ ৱাইফ তলৰ গেষ্টৰুমটোলৈ যি ওলাই গৈছিল, কোনোদিনেই আৰু ঘূৰি নাহিল...। কাৰণটো আকৌ এবাৰ মনত পেলাবলৈ চেষ্টা কৰিলোঁ। ছয়াময়া টুকুৰা-টুকুৰ ছবি কিছুমান মনৰ পৰ্দাত আকৌ ভাহি উঠিল।

সেইদিনা আছিল শুক্ৰবাৰ। দুদিনৰ উইকএণ্ডত আৰাম কৰিম বুলি, সন্ধিয়া দেৰিলৈকে কাম কৰি, অফিচৰপৰা ভাগৰি-জুগৰি ঘৰলৈ উভতিছিলোঁ। এম.বি.এ পাছ কৰি বৰ্তমানৰ কোম্পানিটোত জইন কৰাৰ ছমাহ পাছতে লোৱা, মোৰ অতি মৰমৰ এচ. ইউ. ভিখন সেইদিনাও মই নিজেই চলাই আহিছিলোঁ। কিন্তু... আমাৰ এপাৰ্টমেণ্টৰ মই গাড়ী ৰখা পাৰ্কিঙত সেইদিনা থোৱা আছিল— চেৰী ৰঙৰ, এখন নতুন ফোৰ্ড গাড়ী। গেটত থকা চিকিউৰিটিৰ নতুন ল'ৰাটোক সোধাত, সি একো ক'ব নোৱাৰিলে। তাক উধাই-মুধাই গালি পাৰি, মোৰ গাড়ীখন ভিজিটৰ্চ পাৰ্কিঙত ৰাখি, লবীলৈ আহি দেখা পালোঁ— লিফটখন বিকল। পঞ্চম তলালৈ খটখটি বগাই উঠোঁতে লেপটপটোকে দলিয়াই পেলাওঁ যেন লাগিছিল। নয়নিকাই দুৱাৰ খোলাৰ লগে লগে ড্ৰয়িং ৰুমত চোফাখনত নিজকে এৰি দিছিলোঁ। মোৰ পাৰ্কিঙৰ ঠাইত গাড়ী ৰখা সেই জঘন্য চৰিত্ৰৰ প্ৰতি, সময়ত লিফ্‌ট ভাল নকৰা ছোচাইটিৰ মেনেজমেণ্টৰ প্ৰতি তীব্ৰ আক্ৰোশত মোৰ চকু তেতিয়াও জ্বলি আছিল। চৰবত এগিলাচৰে সৈতে মিঠাইৰ প্লেট এখন মোৰ সন্মুখত ৰাখি নয়নিকাই মিচিককৈ হাঁহিলে। মোক খবৰ দিলে যে দুমাহ আগতে বেংকৰ ছীনিয়ৰ মেনেজাৰলৈ তাই যে প্ৰমোচন পাইছিল, তেতিয়াই হেনো ফোৰ্ডৰ নতুন মডেলৰ গাড়ী এখন বুক কৰিছিল। আজি, মোক ছাৰপ্ৰাইজ দিবলৈ, চেৰী কালাৰৰ গাড়ীখন, ডেলিভাৰি লৈ একেবাৰে ঘৰলৈকে লৈ আনিলে।

ইমান সময় কঢ়িয়াই ফুৰা খং আৰু আক্ৰোশত যেন কোনোবাই এমগ ঘিউহে ঢালি দিলে।

'ছাৰপ্ৰাইজ...... কেনেকুৱা ছাৰপ্ৰাইজ....... নতুন গাড়ী এখন বুক কৰাৰ আগতে তুমি মোৰ সৈতে এবাৰো আলোচনা কৰাৰ প্ৰয়োজন বোধ নকৰিলা...... মোৰ মা-দেউতা গাঁৱৰ হ'ব পাৰে, কিন্তু এইবোৰ জানিছিল, প্ৰাথমিক স্কুলৰ হেড মাষ্টৰ হওঁতে দেউতাই যেতিয়া 'ৰেলী' চাইকেল এখন ল'ব খুজিছিল, মাৰ সৈতে আলোচনা কৰিছিল...মই নিজ কাণে শুনিছিলোঁ...আজি তুমি'— মই গৰজি উঠিছিলোঁ। নয়নিকায়ো সমান উত্মাৰে মোক উভতি ধৰিছিল— 'দেউতা-মাৰ আদৰ্শৰ সৈতে তুলনা কৰোঁতে, তুমি আমাৰ সম্পৰ্কটোৰ বাস্তৱিকতা আৰু আমাৰ আধুনিক জীৱনধাৰাক সদায় কিয় উলাই কৰা? মোৰ আৱেগ-অনুভূতি বা পছন্দৰ কথা কেতিয়াবা এবাৰো চিন্তা কৰানে.........?'

প্ৰতিৱেশীৰ অস্তিত্ব মনৰপৰা অন্তৰ্হিত হৈ, দুয়োৰে মাত লাহে লাহে চিঞৰলৈ ৰূপান্তৰিত হৈছিল। পাকঘৰৰ গেছ ষ্টোভ সেইদিনা জ্বলা নাছিল। প্লেটৰ মিঠাইখিনি পাকঘৰৰ ছিংকত পৰি, গলিবলৈ আৰম্ভ কৰিছিল। মই গা ধুই, খালি পেটেৰে, এনেয়ে কিতাপ এখন হাতত লৈ বিছনাত বাগৰ দিছিলোঁ। নয়নিকাই বেডৰুমলৈ আহি, পুৰণি প্ৰসংগ আকৌ উত্থাপন কৰি কিবা ভোৰভোৰাইছিল। মোৰ কি হ'ল নাজানো, মই সৰ্বশক্তিৰে কিতাপখন নয়নিকাৰ গালৈ দলিয়াই দিছিলোঁ। নয়নিয়াই আটাহ পাৰি মজিয়াত বহি পৰিছিল। মোৰ সম্বিত ঘূৰি অহাত, 'দুখ পালা নেকি, ছৰি' বুলি কৈ তাইৰ কাষলৈ উঠি গৈছিলোঁ। কিন্তু তেতিয়ালৈ বহুত দেৰি হৈ গৈছিল, নয়নিকাই গাৰুটো লৈ চিৰদিনৰ বাবে তললৈ নামি গৈছিল।

আজি এবছৰতকৈ বেছি হ'ল.... আমি একেটা ঘৰতে বাস কৰোঁ, কিন্তু মুখামুখি নহওঁ পৰাপক্ষত। পাৰ্ট টাইমাৰ মালতীয়ে নিত্য-নৈমিত্তিক খোৱাৰ যোগাৰ কৰে। বজাৰ-পাতি নয়নিকাই অৰ্ডাৰ কৰে। ঘৰৰ কিছুমান খৰচ— লাইট, পানী, ছোচাইটিৰ মাহিলী মেইনটেনেন্স বিল, ঘৰৰ ই এম আই আদি মই অনলাইনত পৰিশোধ কৰোঁ। ঘৰ সোমাবলৈ মেইন দুৱাৰখনৰ দুপাত চাবি, দুয়োৰে হাতত থাকে। পুৱা মই দেৰিকৈ উঠি, সাজু হৈ, হটকেছত মালতীয়ে সজাই থোৱা ব্ৰেকফাষ্ট ফ্লাস্কত থোৱা চাহ বাকি খোৱালৈ, নয়নিকা নিজৰ গাড়ীৰে অফিচ পায়গৈ।

কিবা বিশেষ খবৰ দিব লগা থাকিলে ডাইনিং টেবুলৰ সোঁমাজত, ফুলদানিৰ তলত এখন কাগজৰ শ্লিপত লিখি থৈ দিয়া হয়। এইবোৰ নিয়ম তেতিয়াই ঠিক কৰা হৈছিল, যেতিয়া মোৰ শহুৰ-শাহু আহি আমাক বুজাবলৈ তিনিবাৰমান চেষ্টা কৰি বিফল হৈছিল। এদিন নয়নিকাই মাক-দেউতাকক

এইবোৰত সোমাবলৈ চূড়ান্তভাৱে মানা কৰি দিছিল। যোৱা ছমাহ তেওঁলোক এই ফ্লেটলৈ অহা নাই। নয়নিকাই ফোনেৰে যোগাযোগ কৰে বুলি অনুমান কৰোঁ। মোৰ মা-দেউতায়ো, এইবোৰ কথা কাৰোবাৰপৰা শুনি, এবাৰ আহিছিল। 'পাঁচ বছৰ গৈ গ'ল, নাতিৰ মুখ দেখা নাপালোঁ, সন্তান এটা তোমালোকৰ জীৱনলৈ আহিলেই সকলোবোৰ অশান্তি দূৰ হ'ব, বুজিছা বোৱাৰী'– মাৰ এই উপদেশৰ প্ৰত্যুক্তিত নয়নিকাই ভদ্ৰ ভাষাৰে, শেষ কথা শুনাই দিছিল– 'নাতিৰ মুখ চাবলৈ হ'লে নতুন বোৱাৰী এজনী অনাৰ কথা চিন্তা কৰিব পাৰে, মা।' তাৰ পাছত মা-দেউতাও কোনোদিনে অহা নাই। মই মাজে মাজে ফোনেৰে কথা-বতৰা হওঁ, পিছে কথা-বতৰাত এই প্ৰসংগই কেতিয়াও ঠাই নাপায়। এবাৰ মাৰ গা বেয়া বুলি খবৰ পাই গাঁৱলৈ গৈছিলোঁ...... কিন্তু খুৰা খুৰীহঁতক লগ নকৰি, দেউতাক নিতান্ত দৰকাৰী স্বাস্থ্য সম্পৰ্কীয় উপদেশ দি, পলাই অহাৰ দৰেই গুচি আহিছিলোঁ।

দুসপ্তাহমান আগতে, মোৰ অন্তৰংগ বন্ধু দুজনৰ সৈতে, সন্ধিয়া পাবত বহোঁতে দুয়োটাই মোক বহুসময় বুজালে। এটা সিদ্ধান্ত লৈ পেলাবলৈ জোৰ কৰিলে– 'শুন, সকলো পাহৰি, নয়নিকাৰ সৈতে বুজাবুজিলৈ আহ আৰু জীৱনটো নতুনকৈ আৰম্ভ কৰ।' মই 'নয়নিকা সাংঘাতিক জেদী আৰু অহংকাৰী, গতিকে সেইটো সম্ভৱ নহ'ব'– সিহঁতৰ আগত মোৰ মনোভাব প্ৰকট কৰিলোঁ। দুয়োটাই আৰু দুটা পেগ শেষ হোৱালৈকে– 'তেনেহ'লে সোনকালে শেষ কৰ, আজিকালি ডাইভোৰ্চ তেনেই ভাতৰ লগত পানী খোৱাৰ নিচিনা সাধাৰণ কথা' বুলি বিভিন্ন উদাহৰণ ডাঙি ধৰি, জ্ঞানীৰ লেখীয়াকৈ যুক্তি প্ৰতিপন্ন কৰিলে। দুজন উকীলৰ কথা কৈ, ম'বাইল নম্বৰো মোক দিলে।

ময়ো বহু ভাবি গুণি চালোঁ। শেষত, যোৱা দেওবাৰে ডাইনিং টেবুলৰ সোঁমাজৰ শ্লিপ টুকুৰাটোত, মালতীয়ে বুজিব নোৱৰাকৈ ইংৰাজীত লিখিলোঁ– 'No point in continuing like this...let's go for separation'।

যোৱা সপ্তাহৰ প্ৰতিটো সন্ধিয়া, অফিচৰপৰা আহি উত্তৰ আশা কৰি, শ্লিপ টুটুৰাটোলৈ চাওঁ... নাই আজিলৈ নয়নিকা নিৰুত্তৰ। কিন্তু কিয়? নয়নিকাতো এনে ছোৱালী নহয় যে, নিজৰ মনোভাব প্ৰকাশ কৰিবলৈ পিছ হুহকিব, বৰং দুখোজ আগুৱাই পদক্ষেপ ল'বলৈ তাই সদায় উন্মুখ– কলেজৰ দিনৰ পৰাই।

আহমেদাবাদত এম বি এ কৰি থাকোঁতে, নয়নিকাৰ এই গুণটোৱেই তাইৰ প্ৰতি মোক আকৃষ্ট কৰিছিল। ডিবেটিং, মিউজিক, খেলাধূলা সকলোতে আগৰণুৱা আছিল তাই। সকলোৰে সৈতে তাইৰ মুকলি বন্ধুত্ব অথচ এক সুকীয়া ব্যক্তিত্বৰ অধিকাৰী হোৱা বাবে, নয়নিকাৰ কাষ চাপিবলৈ সকলোৱে সাহ নকৰিছিল। সহপাঠী হেমন্তৰ সৈতে কেৱল তাই ঘূৰা-মেলা কৰিছিল। হেমন্ত আছিল বিৰাট স্মাৰ্ট, সুদৰ্শন ল'ৰা, গতিকে মোৰ দৰে লাজকুৰীয়া, ইনট্ৰভাৰ্ট এজনৰ বাবে আগবাঢ়ি গৈ নয়নিকাৰ সৈতে কথা পতাতো অসম্ভৱ আছিল। কলেজত টপ কৰোঁতে, মোক অভিনন্দন জনাবলৈ প্ৰায় সকলো সহপাঠী আহিছিল। নয়নিকাও আহিছিল। তাইৰ সৈতে সেই প্ৰথম মুখামুখিতে নয়নিকাই যেন চকুৰে কিবা বাৰ্তা লৈ আহিছিল যিটো মোৰ দৰে পঢ়াত পাগল, অনভিজ্ঞ এজনৰ বাবেও বুজি পোৱাত অসুবিধা হোৱা নাছিল। দুই এবাৰ কিবা অজুহাতত নিৰলে লগ পোৱাৰ পাছত নয়নিকাই মোক নিজেই ভালপোৱাৰ প্ৰস্তাৱ দিছিল। অলপ দিনতে হোৱা প্ৰথমটো কেম্পাচ ইণ্টাৰভিউতে আমাৰ বহুতে ভাল কোম্পানিত পাই গ'লোঁ। মা-দেউতাক এৰি মোৰ বাহিৰলৈ যাবলৈ মন নাছিল বাবে টপ কনচালটেন্সি কোম্পানিৰ গুৱাহাটী প্ৰজেক্ট বাচি ল'লোঁ। নয়নিকাৰ বিদেশলৈ যাবলৈ মন আছিল পাছে ভাল অফাৰ নোপোৱাত আগশাৰীৰ প্ৰাইভেট বেংকতে, মোৰ দৰে গুৱাহাটীত জইন কৰাৰ সিদ্ধান্ত ল'লে। তাইৰ বন্ধু হেমন্তই আমেৰিকাৰ মাল্টিনেশ্যনেল কোম্পানি এটাত পাই গ'ল। আহমেদাবাদৰ সেই দিনবোৰৰ স্মৃতিয়ে, বিদায় বেলাৰ আগৰ, কলেজৰ শেষৰ দিনকেইটাৰ ৰোমাঞ্চে হঠাতে মোৰ সৰ্বশৰীৰ চেলেকিবলৈ ধৰিলে আৰু এক কোমল সুখানুভূতিত মোৰ চকু মুদ খাই আহিল। নজনাকৈয়ে বিছনাৰ খালি ঠাইখিনিত মোৰ প্ৰসাৰিত হাতখনে যেন কিবা বিচাৰি ফুৰিলে......।

হঠাতে কিবা এটা পৰাৰ শব্দত মোৰ চকু মেল খাই গ'ল– মোৰ হাতখন লাগি ম'বাইলটো মজিয়াত পৰি গৈছিল। শুই শুইয়েই বুটলি চালোঁ– নাই, স্ক্ৰীণখন ফটা নাই।

আমাৰ জীৱনত কিয় ফাঁট মেলিলে.... ক'ত গোলমাল হ'ল? দুয়োখন ঘৰৰে আমি দুয়ো একমাত্ৰ সন্তান আছিলোঁ, গতিকে দুয়ো ঘৰৰ মতামতত, চাকৰিৰ দ্বিতীয় বছৰতে আমাৰ বিয়াও হৈ গ'ল....আধুনিক সা-সুবিধাৰে, এই সুসজ্জিত ডুপ্লেক্সটো শকত ই.এম.আইৰ বিনিময়ত কিনি, দুয়ো নতুন জীৱন আৰম্ভ কৰিলোঁ। তেতিয়াই কেনেকৈ জানো আৰম্ভ হ'ল আমাৰ ব্যৱধানবোৰ বুজি পোৱাৰ

অধ্যায়— প্ৰথমে এজনে আনজনক আঙুলিয়াই দিছিলোঁ, লাহে লাহে আপত্তি, তৰ্কাতৰ্কি আৰু পাছত কেইবাদিনো ধৰি মাত-বোল বন্ধ কৰি, নিজৰ কামত ব্যস্ত হোৱাৰ মিছা অভিনয় কৰিছিলোঁ। কলেজৰ স্মাৰ্ট, ৰোমাণ্টিক নয়নিকা যেন চাৰি বছৰতে, কথাই-কথাই ভুল ধৰি থকা, ডমিনেটিং, বোৰিং মহিলা হৈ পৰিছিল মোৰ বাবে।

'আঃ.....হেই...হেই .....হেই'— তলত এক বিকট চিঞৰ শুনি মই বিছনাৰপৰা জঁপিয়াই নামি, চিৰিৰে তললৈ দৌৰি গ'লোঁ। নয়নিকাৰ ৰুমটোৰ দুৱাৰখন খোলা। বাহিৰৰপৰাই দেখিলোঁ, ভিতৰত খিৰিকীখনৰ ফালে চাই, চৰম উত্তেজনাত কঁপি, দুয়োহাত তীব্ৰভাৱে জোকাৰি, নয়নিকাই ভয়াৰ্ত কণ্ঠেৰে চিঞৰিছে।

মই ভিতৰলৈ দৌৰি সোমাই গৈ চমকি উঠিলোঁ। এটা ক'লা ৰঙৰ দীঘল সাপ, খিৰিকীৰ এয়াৰ কণ্ডিশ্যনাৰটোৰ ওপৰৰ প্লাইবোৰ্ডখনৰ ফুটা এটাৰে ৰুমৰ ভিতৰত সোমাব খুজিছে। নয়নিকাক মই জোৰেৰে পিছলৈ ঠেলি দি, চকুৰ আগতে পোৱা প্লাষ্টিকৰ মপাৰডাল লৈ জোৰেৰে, সাপডালৰ ঠিক তলতে এ.চিটোৰ সমুখৰ কভাৰত আঘাত কৰিলোঁ। মপাৰডালৰ নালটো ভাঙি দুটুকুৰা হ'ল। কিন্তু সাপডাল যেনিবা ভয়ত খৰকৈ নামি অন্তৰ্ধান হ'ল।

মই স্বস্তিৰ উশাহ এটা লৈ নয়নিকালৈ ঘূৰি চালোঁ, তাই থক থক কৈ কঁপি, পৰোঁ পৰোঁ হৈ মোৰ বুকুত সোমাই, উচুপি উঠিল। মই তাইক সাবটি ধৰি চুলিত হাত বুলাই দিলোঁ। মোৰ কাণত যেন গুৰু গম্ভীৰ সুৰত কোনোবাই, হোমৰ গুৰিৰ সপ্তপদীৰ সেই তৃতীয় মন্ত্ৰটোৰ কিয়দাংশ উচ্চাৰণ কৰিলে— 'তুমি যদি মোক আৰু মোৰ পৰিয়ালক ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতি দিয়া, তেন্তে মই তোমাৰ পত্নী হ'বলৈ সন্মতি প্ৰদান কৰিছোঁ...।'

তেনেকৈয়ে আমি কাষৰ বিছনাখনত বহি পৰিলোঁ। নয়নিকা বহু সময় ধৰি মোৰ বুকুতে উচুপি থকাৰ পাছত শান্ত হ'ল...তাই যেন স্মাৰ্ট ছীনিয়ৰ বেংক মেনেজাৰ নহয়, মোৰ গাঁৱৰ চুবুৰীৰ শেৱালীহঁতৰ দৰেই এজনী সাধাৰণ, মৰমৰ আশ্ৰয় আকলুৱা এজনী গাভৰু...।

'মই ছাৰপ্ৰাইজ দিব খোজা ফোৰ্ড গাড়ীখন কিনা কথাত তুমি ইমানকৈ কিয় ৰিয়েক্ট কৰিলা যে মই শাৰীৰিক ভাৱে আঘাত পাব লগা হ'ল?'— হঠাতে মোৰ চকুলৈ চিধাকৈ চাই নয়নিকাই প্ৰশ্ন কৰিলে।

মই অলপ অপ্ৰস্তুত হৈ কৈ পেলালোঁ— 'কাৰণ ফোৰ্ডৰ গাড়ী কিনাৰ উপদেশো তুমি কোনো বিশেষ বন্ধুৰ পৰাহে ল'ব লগা হৈছিল!'

'কাৰ পৰা?'- নয়নিকাই আটাহ পাৰি উঠিল।

মই এইবাৰ অলপো ইতস্ততঃ নকৰাকৈ সদৰি কৰিলোঁ— 'তুমি সেইদিনা বেডৰুমত বহি, ম'বাইলত গাড়ী বুক কৰাৰ কথা পাতি থাকোঁতে মই তলৰপৰাই শুনি আছিলোঁ, তুমি মই অফিচৰপৰা ঘূৰি অহা বুলি গম পোৱা নাছিলা।'

'কিন্তু মইতো আমাৰ কলেজৰ বন্ধু নীতাৰ লগতহে কথা পাতিছিলোঁ, তাইকতো তুমি আমাৰ ক্লাছমেট বুলি জানা, তাত তোমাৰ আপত্তি কি আছিল?'— নয়নিকাৰ চকুত বিস্ময়।

'নাই, নহয়....মোৰ সন্দেহ হোৱাত, তুমি বাথৰুমলৈ যাওঁতে, মই তোমাৰ ম'বাইল চেক কৰিছিলোঁ, আৰু সেইটো আছিল আমেৰিকাৰ নম্বৰ!'— মই ক'লোঁ।


'কাৰণ, নীতা আমেৰিকাত থাকে, তাই যোৱা বছৰ ফোৰ্ড কোম্পানিত চাকৰি পাইছে বাবে মোক ফোৰ্ড কোম্পানিয়ে ভাৰতত নতুনকৈ লাঞ্চ কৰা মডেলটো ল'বলৈ পৰামৰ্শ দিছিল।'— নয়নিকাৰ মাতটো আছিল অদ্ভুত স্পষ্ট য'ত আনকি জোনৰ দাগটোও নাছিল।

'তেন্তে চেৰী ৰংটো হেমন্তৰ পছন্দ নহয়?'— মই নজনাকৈয়ে মোৰ মুখেৰে এবছৰ সাঁচি ৰখা প্ৰশ্নটো সৰকি গ'ল।

নয়নিকাই মোৰ মুখলৈ চালে। অলপ নীৰৱে ৰ'ল, লাহে লাহে থিয় হৈ মোৰ কান্ধত হাতখন থৈ, মোক আশ্বস্ত কৰাৰ জোখাৰে কৈ গ'ল— 'মোৰ আৰু হেমন্তৰ সম্পৰ্কক লৈ তোমাৰ সন্দেহ আছে বুলি মই জানিছিলোঁ, সেয়ে মোৰ স্কুলীয়া ভাল বন্ধু হোৱা সত্বেও তোমাৰ আগত হেমন্তৰ কথা কেতিয়াও উলিওৱা নাছিলোঁ। আনকি স্কুলীয়া দিনৰে প্ৰেমিকা নীতাৰ সৈতে বিয়াৰ খবৰ হেমন্তই মোক দিয়া সত্বেও মই তোমাক কোৱা নাছিলোঁ।'

মোৰ এনে লাগিল মই যেন মোৰ প্ৰজেক্টৰ টিম লীডাৰ নহয়, গাঁৱৰ এটা সৰু ল'ৰা আৰু মোৰ অলক্ষিতে, মোৰ মনৰ মাজত ইমান দিনে সোমাই থকা ক'লা সাপ এডাল খেদাই দি নয়নিকাই মোৰ কাষত থিয় দি মোক অভয় দি আছে।

●



# এনিশাৰ কাহিনী

**বিপুল কুমাৰ খাটনিয়াৰ**

"ওলা, ওলা! পেছেঞ্জাৰখন আহি পাবহিয়েই এতিয়া!"

ৰতনে লৰালৰি লগালে। সদায় আবেলি পাঁচ বজাৰ লগে লগে শিলচৰ-লামডিং পেছেঞ্জাৰখন আহি হেৰেংগাজাওত ৰয়। ইয়াত উঠা নমা কৰা মানুহ সাধাৰণতে নাথাকেই। তথাপিও টাইম টেবুলত থকাৰ কাৰণে ৰে'লখন ৰয়। দুই মিনিট ৰৈ আকৌ 'জগবন্ধু ফটা ছাতি জগবন্ধু ফটা ছাতি' কৰি গুচি যায়— জাতিংগা, হাফলং হৈ লামডিঙৰ ফাললৈ।

মৌমিতাই আকৌ এবাৰ আইনাখন চাই চুলিকোচাত আকৌ এবাৰ ফণীখন চলাই ওলাই আহিল। ঠাণ্ডা দিন হ'লেও আজি আন্ধাৰ আন্ধাৰ লগা নাই। কাৰণ আকাশত আজি পূৰ্ণিমাৰ জোন। লগতে ষ্টেচনৰ কম ভল্টেজৰ আৰু মান্ধাতাৰ আমোলৰে আইনাৰ বাকচৰ ভিতৰৰ সাক্ষীগোপাল লাইট কেইটাও আছে।

হেৰেংগাজাও ষ্টেচনত সি গে'টমেনৰ কাম কৰে। আজি এমাহমান হ'ল— গে'টখন ভাগি থাকিল। ষ্টেচন মাষ্টৰে লামডিঙলৈ খবৰ পঠাইছে। সেইখন মেৰামতি নোহোৱালৈকে তাৰ কাম নাই। বহি বহি দৰমহা খাইছে।

সিহঁতৰ বিয়া হোৱা আজি পূৰা এবছৰ হ'ল। তাৰ ঘৰ বদৰপুৰত, তাইৰ শিলচৰৰ ৰাংগীৰখাড়ীত। বিয়াৰ পাছত সি তাইক বদৰপুৰৰ ঘৰতে ৰাখিছিল। ষ্টেচন মাষ্টৰক খাতিৰ-বাতিৰ কৰি কোনোমতে তাৰ ভগাছিগা কোৱাৰ্টাৰটো ৰিপেয়াৰ কৰাই লৈহে তাইক আনিলেগৈ। এমাহো হোৱা নাই। মাত্ৰ দুটা ৰূমৰ সৰু কোৱাৰ্টাৰটো তাইৰ হাত লাগি ধুনীয়া হৈ পৰিছে। পাকঘৰ বুলি বেলেগে নাই কাৰণে মুখৰ ৰূমটোকে বে'ডৰূম কৰি ভিতৰৰটো তাই পাকঘৰ কৰি লৈছে। কোনোবা কেতিয়াবা আহি ওলালে বহিবলৈ দুখন

প্লাষ্টিকৰ চকীও আনি ৰাখিছে। মুঠতে পাগুৰ বিবৰ্জিত ঠাইখনত এটা আটোমটোকাৰি ঘৰ সিহঁতৰ।

ইফালে ব্ৰডগজৰ লাইন বনাই আছে। হৈ গ'লে সিহঁতো নতুন ষ্টেচনলৈ যাবগৈ লাগিব। তাৰ কোৱাৰ্টাৰ বিলাক ইয়াতকৈ ডাঙৰ বুলি শুনি তাইৰ ভাল লাগি আছে। দুদিনমানৰ মূৰে মূৰে তাই তাৰপৰা খবৰ লৈ থাকে– আৰু কিমান দিন লাগিব! শিলচৰ চহৰৰ ৰাংগীৰখাড়ী অতি প্ৰাণৱন্ত জেগা। তাৰ ছোৱালীজনী আহি এনেকুৱা জনপ্ৰাণীহীন জেগাত থাকিবলগীয়া হৈ  তাইৰ পগলা পগলা লাগি গৈছিল।

গতিকে তাই ঠিক কৰিলে যে ৰে'লৰ মানুহবিলাককে চাব– সদায়। বেলেগ বেলেগ মানুহ দেখি মনটো অলপতো ভাল লাগিব! বৰাক ভেলী, কাছাৰ এক্সপ্ৰেছ আদি কেইবাখনো ৰে'ল এই পথেৰেই চলে যদিও হেৰেংগাজাওত অকল লামডিং-শিলচৰ পেছেঞ্জাৰ গাড়ীখনহে ৰয়। শিলচৰলৈ যোৱাখন ৰাতিপুৱা ন বজাত আৰু উভতি অহাখন আবেলি পাঁচ বজাত। এতিয়া গাড়ীখন আহি পায়হে লাগে। দুইটাই দৌৰাদৌৰিকৈ আহি অকমানি প্লেটফৰ্মখন পালেহি। পকা টুকুৰাৰ বাহিৰত ৰ'বলৈ ভয়, সাপেই ওলায় নে বেঙেই ওলায় ঠিক নাই।

আজি এনেয়েও তাইৰ মনটো উগুলথুগুল লাগি আছে। নালাগিবনো কিয়– আজি যে সিহঁতৰ

## সিহঁতৰ ৰোমাণ্টিক সময়খিনি হঠাতে শেষ কৰি দূৰত ৰে'লখনৰ হে'ডলাইট দেখা গ'ল। উঁকিয়াই উঁকিয়াই ৰে'লখন কিছু সময় পাছতে  আহি ষ্টেচনত সোমাই ৰৈ গ'ল।

প্ৰথম বিবাহবাৰ্ষিকী! ঘৰৰপৰা ঠিক কৰি দিয়া কোনো কালে নেদেখা ল'ৰা এটাও যে ইমান ভাল ওলাব তাই সপোনতো ভবা নাছিল। সি যেন তাইৰ মনটো পঢ়িবই পাৰে! তাইৰ মন বুজি বুজিয়েই কামবোৰ কৰি থাকে। খং উঠিবলগীয়া একোৱেই নকৰে। কালিয়েই ৰাতিপুৱাৰ গাড়ীত তাইক লামডিঙলৈ লৈ গৈ ধুনীয়া এখন ৰঙা পাৰীৰ শাৰী কিনি দিছে। আজি খাবৰ কাৰণে মিঠাইও কিনি আনিছে।

দুপৰীয়া ওচৰৰ গাঁওখনলৈ গৈ সৰু চাই কুকুৰা এটাও আনিছে, লগতে অক'মান মাছ। বিবাহবাৰ্ষিকী বুলি আজি সিহঁতে দঁকছি এসাঁজ খাব।

ৰে'লখন আহি পোৱাই নাই। লংলংগেজাও এৰিছেহে হেনো। তাত কিবা ছিগনেলৰ কাৰণে দেৰি হৈ গ'ল। বুকিং অফিচটোৰ সমুখতে ষ্টেচন মাষ্টৰ ছাৰে হাতত পতাকা দুখন লৈ ৰৈ আছে। বেছিভাগ দিনৰ দৰে আজিও ইয়াত উঠিবলগীয়া যাত্ৰী কোনো নাই।

তাই তাক প্লেটফৰ্মৰ এটা মূৰলৈ মাতি লৈ গ'ল। মাষ্টৰৰ লগত এতিয়াও তাই ফ্ৰী হোৱা নাই। সেইকাৰণে যিমান পাৰি দূৰলৈ লৈ গৈ তাৰ হাতখনত ধৰি পূৰ্ণিমাৰ জোনাকৰ আনন্দ ল'বলৈ চেষ্টা কৰিলে। আৰু তাৰ কাণত এনেয়ে কিবাকিবি কৈ লেনচেলাই থাকিলে। তাই এনেকৈ কেঁচুৱামি কৰিলে তাৰো বৰ ভাল লাগে।

চাৰিও ফালৰপৰা ছি ছিকৈ জিলিজাতীয় পোক পতংগৰ মাত ভাহি আহিছে। মাজে মাজে দুই এটা নিশাচৰ চৰাইৰো মাত। পৰিৱেশটো সিহঁতৰ বেছ ৰোমাণ্টিক যেন লাগিছিল। এনেকৈ বাহিৰত থকা নহয় কাৰণে তাই মনে মনে ৰে'লখনে দেৰি কৰাৰ কাৰণে ভালেই পালে। ঠাকুৰে আৰু অলপ দেৰি কৰালেই হয়।

খোৱা-বোৱাৰ একো চিন্তাই নাই– আবেলিতে চব ৰান্ধি থৈছে। এনেয়েও তাই আবেলিতে

ৰাতিৰ সাঁজ ৰান্ধি থয়। গধূলি হয় কাৰেণ্ট নাথাকে, নহয় কম ভল্টেজৰ কাৰণে পোহৰ থাকিলেও ৰান্ধিবলৈ দিগদাৰ হয়।

সিহঁতৰ ৰোমাণ্টিক সময়খিনি হঠাতে শেষ কৰি দূৰত ৰে'লখনৰ হে'ডলাইট দেখা গ'ল। উঁকিয়াই উঁকিয়াই ৰে'লখন কিছু সময় পাছতে আহি ষ্টেচনত সোমাই ৰৈ গ'ল।

তাই তাৰ বাহুত ধৰি টানি নিলে— ব'ল, ব'ল, মানুহবোৰ চাওগৈ। দ্বিতীয় ডবাটোৰ ওচৰ পাওঁতেই শুনিবলৈ পালে— ডবাৰ ভিতৰৰপৰা কোনোবাই চিঞঁৰিছে— ঐ মৌমিতা! ঐ দিদি!

তাই নিজকে কোনোবাই যে ৰে'লখনৰ ভিতৰৰপৰা মাতিব পাৰে তাকে বিশ্বাস কৰিবলৈ চেষ্টা কৰি থাকোঁতেই দেখিলে চাৰিটা ল'ৰা-ছোৱালী দৌৰাদৌৰিকৈ ৰে'লখনৰপৰা নামিছে। দৌৰাদৌৰিতো কৰিবই লাগিব— ৰে'লখন ইয়াত দুই মিনিটহে ৰয়।

ভেবা লাগি চাই থাকোঁতেই সিহঁতকেইটা আহি ওচৰেই পালেহি। 'ঐ দিদি' বুলি আকৌ মাত দিলতহে তাইৰ সম্বিত ঘূৰি আহিল।

হয়, তাইকেই সিহঁতে মাতি আছিল। তাইৰ ওচৰলৈকে আহিছে। নিজৰ ভায়েক খোকন আৰু ভনীয়েক মহুৱা, লগতে খুৰাকৰ ল'ৰা-ছোৱালীহাল— ৰুদ্ৰ আৰু ৰমলা।

হঠাতে এনেহেন ঠাইত একো খা-খবৰ নোহোৱাকৈ চাৰিটাকৈ ভাই-ভনী আহি ওলালত তাইৰ মনটো থৌকিবাথৌ লাগিল। কি কৰিব কি নকৰিব ঠিক কৰিব পৰাই নাই। মুখৰপৰা মাতো ওলোৱা নাই।

মহুৱাই ক'লে— 'কি হ'ল, থৰ লাগিলি যে! ঘৰলৈ নিনিয় নেকি আমাক? আমি তহঁতৰ এন্নিভাৰছেৰি বুলিহে আহিছোঁ। এতিয়া জামাইবাবুৱে বা আমাক কি খুৱায়! কি জামাইবাবু! মাতেই দিয়া নাই দেখোন! আমি আহি আপোনালোকৰ অশান্তিহে কৰিলোঁ নেকি?'

সি তেতিয়াহে মাত দিলে— 'আৰে, তোমালোক আহি ওলাব পাৰা বুলি আমি ভাবিছিলোঁৱেই। সেইকাৰণে চিকেন মাছ চব আনি থৈছোঁ— বায়েৰে ৰান্ধি ও থৈছে। গৈ খোৱাহে কথা। ব'লা, ইয়াতে বহি বকলা মেলিলে মহে দাঙি লৈ যাব।'

আটাইকেইটা সিহঁতৰ কোৱাৰ্টাৰৰ ফালে আগবাঢ়িল। মৌমিতাৰ মন আনন্দত উটি ভাহি গ'ল। সিহঁত পাঁচটাৰ অনৰ্গল কেলকেলনিত গোটেই পৰিৱেশটোৱেই সলনি হৈ গ'ল। খুলশালিয়েকহঁতৰ বেগটো কঢ়িয়াই কঢ়িয়াই ৰতন পিছে পিছে আগবাঢ়িল। মনে মনে তাৰ বৰ খং উঠিল। কেতিয়াবা ইমানগাল মানুহ একেলগে আহি ওলাবহি বুলি সি সপোনতো ভবা নাছিলে। এতিয়া সিহঁতৰ পাৰৰ বাহ যেন ঘৰটোত চাৰিটাকৈ মানুহক ক'ত ৰাখিব! আৰু সিহঁত দুটাৰ জোখাৰে অনা সৰু মুৰ্গীটো কাৰ মুখত দিব! মাছো আনিছিল অক'মানহে!

তাতোকৈ ডাঙৰ কথা শোৱাৰ ব্যৱস্থা কি কৰিব? এতিয়া অলপ অলপ ঠাণ্ডাও পৰিছে। গৰম কাপোৰ বুলিবলৈ এখন লেপ আৰু দুখন কম্বলহে আছে।

সিহঁতক ঘৰত থৈ সি ষ্টেচন মাষ্টৰৰ ঘৰৰপৰা দুখন কম্বল খুজি আনিলেগৈ। মনত যিয়েই নাথাকক, সিও কেলকেলনিত অলপ অলপকৈ ভাগ ল'লে।

হুলস্থূলৰ মাজতেই মৌমিতাই কেতিয়ানো ভাত আৰু অলপ বহাই দিলে সি গমকে নাপালে।

দুটা মানুহৰ কাৰণে ৰন্ধা চিকেন আৰু সামান্য মাছ মুহূৰ্ত্ততে শেষ হৈ গ'ল। গৃহস্থৰ মুখতে নপৰিল। অৱশ্যে সিহঁতে লৈ অনা মিঠাই খাবলৈ পালে।

একমাত্ৰ বিছনাখনত আলহী চাৰিটা পথালিকৈ শুলে। পাকঘৰৰ মজিয়াত পকাতে কাপোৰ এখন পাৰি সিহঁত দুটা শুবলৈ ল'লে। গাৰুও নাই। হাতখনকে গাৰু কৰি লৈ সি শুবলৈ চেষ্টা কৰি থাকোঁতে তাই তাৰ চুলিৰ মাজত আঙুলি বুলাই বুলাই টোপনি আনি দিবলৈ চেষ্টা কৰিলে। ফুচফুচাই ক'লে— 'খাবলৈও নাপালি ভালকৈ— এতিয়া শুবলৈও অশান্তি! তোৰ চাগৈ মোলৈ বৰ খং উঠিছে নহয়?'

সি ক'লে— 'তোলৈ আকৌ কিয় খং উঠিব?'

—কিয় নুঠিব? মোৰহে ভাই-ভনীহঁত আহি তোক এই কষ্ট দিছে!

সি তাইৰ মূৰত হাত ফুৰাই ফুৰাই ক'লে— 'ধেৎ পাগলী। সিহঁত অকল তোৰেই ভাই ভনী নেকি? মোৰো ভাই ভনী সিহঁত। নিজৰ বুলিহে আহিছে। সিহঁতৰো জানো খোৱা শোৱাত কষ্ট হোৱা নাই? এতিয়া শুই থাক। ৰাতিটোৰ হে কথা!

●



হঠাৎ জুইৰ পোহৰত টোপনিৰপৰা সাৰ পাই উঠা এক বন কুকুৰাৰ আৰ্তনাদ কাণত পৰিলহি। প্ৰত্যুষৰ সেই হিমশীতল মুহূৰ্তত পক্ষীৰ কণ্ঠৰ পৰা ভাহি অহা সেই আৰ্ত ধ্বনিটো ধৰণীৰ বুকু ফাটি যোৱা এক দীৰ্ঘশ্বাস যেন অনুভৱ হ'ল।

# প্ৰেম (Amur)

**(এগৰাকী খেলুৱৈৰ ডায়েৰীৰ পৰা)**

মূলঃ অঁৰি ৰনে আলব্যাৰ গি দ্য মোপাচাঁ
(Henri Rene Albert Guy de Maupassant)
বাংলা অনুবাদ ঃ **সুধাংশু ৰঞ্জন ঘোষ**
অসমীয়া অনুবাদ ঃ **কৃষ্ণা শৰ্মা**

বাতৰিকাকতখনৰ বিভিন্ন ধৰণৰ বাতৰি পঢ়াৰ পাছত এক সকৰুণ প্ৰেম কাহিনী পঢ়িলোঁ। কাহিনীটোত আছে এজন প্ৰেমিকে কেনেকৈ তেওঁৰ প্ৰেমিকাক হত্যা কৰি নিজেও আত্মহত্যা কৰিলে। তেওঁলোকে মানুহ হিচাপে কি কৰিছে বা কি কৰা নাই সেই বিষয়ে মোৰ কোনো আগ্ৰহ নাই। কিন্তু এই ঘটনাৰ মাজৰ যিটো কথাই মোক সবাতোকৈ বিস্মিত আৰু ৰোমাঞ্চিত কৰি তুলিছে সেয়া হৈছে তেওঁলোকৰ প্ৰেমাবেগৰ নিবিড়তা। এই ঘটনাৰ বাবে মোৰ যৌৱন কালৰ এক চিকাৰৰ কথা মনত পৰি গ'ল।

স্বভাৱতঃ মোৰ প্ৰবৃত্তিটো আদিম মানুহৰ দৰে। তথাপি সভ্য সমাজৰ যুক্তি আৰু বুদ্ধিবৃত্তিৰ দ্বাৰা মোৰ আদিম প্ৰবৃত্তিটো যথেষ্ট মাৰ্জিত হৈ উঠিছিল। চিকাৰৰ প্ৰতি মোৰ এক বিশেষ আসক্তি আছিল। যেতিয়াই মই গুলি কৰি চৰাই এটা পেলাই দিওঁ আৰু তাৰ ডেউকাৰ তেজ মোৰ হাতত লাগে, তেতিয়াই আনন্দৰ উত্তেজনাত মোৰ হৃদস্পন্দনৰ গতি খৰ হৈ যায়।

কোনো এটা বছৰত শৰৎকাল শেষ হৈ যেতিয়া হঠাতে শীত আহি পৰিছিল,

তেনেকুৱা এটা দিনতে মোৰ খুৰাৰ ল'ৰা দাদা এজনে পাতিহাঁহ চিকাৰৰ বাবে এখন জলাশয়লৈ কোনোবা এদিন ৰাতিপুৱা যাবলৈ লগ ধৰিলে। মোৰ চল্লিশ বছৰীয়া খুৰাৰ ল'ৰা দাদা বৰ ফূৰ্তিবাজ মানুহ। বলিষ্ঠ চেহেৰা, একমুখ দাড়িৰে অমাৰ্জিত সৰল প্ৰকৃতিৰ গাঁৱলীয়া লোক। তদুপৰি তেওঁ যথেষ্ট ৰসিক প্ৰকৃতিৰো আছিল। তেওঁৰ ঘৰটো আছিল নদীৰ পাৰৰ এক বিস্তীৰ্ণ উপত্যকাৰ মাজতে আৰু তাৰ আধাখিনিয়েই আছিল খেতি-বাতি, পোহনীয়া জন্তুৰে এখন পাম ঘৰ। নদীৰ দুয়োপাৰৰ এঢলীয়া ঠাইখিনি আছিল হাবি-জংঘলেৰে পৰিপূৰ্ণ। সেই হাবিৰ ডাঙৰ ডাঙৰ গছবিলাকত বহুতো চৰাইৰ বাহ আছিল। আনকি কেতিয়াবা তালৈ ঈগল চৰায়ো আহিছিল।

যিবিলাক চৰাই ফ্ৰান্সৰ জনবহুল এলেকাত দেখা পোৱা নগৈছিল, সেই চৰাইবিলাক মাজে মাজে আহি সেই নিৰ্জন অৰণ্যত ৰাতিটো আশ্ৰয় লৈছিলহি। উপত্যকাৰ তলত আছিল কিছুমান মুকলি ঠাই আৰু তাৰ মাজে মাজে কিছুমান খাল আৰু শেষত আছিল এটা প্ৰকাণ্ড জলাশয়। সেই জলাশয়টো আছিল চিকাৰৰ উপযোগী স্থান। মোৰ দাদাই সেইখন এখন পাৰ্ক বুলিয়েই ভাবি লৈছিল। সেই জলাশয়ৰ শান্ত জলৰাশিৰ মাজে মাজে আছিল নল খাগৰিৰ গছ। কেতিয়াবা তাৰ মাজে মাজে সৰু সৰু নাওবিলাক লৈ গৈছিল আৰু মাছবিলাক ভয়ত পলাই গৈছিল। বনৰীয়া মুৰ্গীবিলাকেও একোবাৰ মূৰ তুলি চাই ক'ৰবাত অদৃশ্য হৈ পৰিছিল।

জলৰাশিৰ প্ৰতি মোৰ সদায়েই এক আকৰ্ষণ আছে। মানুহৰ বোধাতীত ৰহস্যঘন বিশাল বিক্ষুব্ধ সমুদ্ৰ, সুন্দৰী চঞ্চলা নদী, বিশেষকৈ বিভিন্ন ৰকমৰ চৰাইৰে পৰিপূৰ্ণ জলাশয় মোৰ খুবেই ভাল লাগে। এটা জলাশয়ক মোৰ এখন এখন স্বতন্ত্ৰ জগত যেন অনুভৱ হয়। এক বিশেষ শব্দ, গোন্ধেৰে পৰিপূৰ্ণ আৰু এক বিশেষ প্ৰাণীৰ দ্বাৰা অধ্যুষিত সেইখন এখন এক বিশেষ জগত; তাৰ এক ৰহস্যময় স্বাতন্ত্ৰ্য আছে। জলাশয়ৰ স্তব্ধ শান্ত বুকুৰ ওপৰত ৰাতিৰ কুৱঁলী অলস ভাৱে বৈ থাকে, বতাহত মৃদু আন্দোলিত নল খাগৰি গছবিলাকে ফুচফুচাই যেন কাণে কাণে কথা কয়। সকলোবিলাক লগ লাগি জলাশয়টোক এক স্বপ্নপুৰী যেন লাগে। আকৌ লগে লগে ভাব হয় যেন এক ভয়াবহ গভীৰ গোপনীয়তাক পানীৰ তলত লুকুৱাই থৈছে। তদুপৰি আৰু এটা কাৰণ আছিল, জলাশয়ৰ উপৰিভাগত ওপঙি থকা পাতল কুঁৱলীৰ মাজত যেন সৃষ্টিৰ আদি ৰহস্য নিহিত হৈ আছে। সূৰ্য্যৰ উত্তাপৰ মাজত নিদ্ৰাৰত জলাশয়ৰ কুঁৱলীয়ে আৱৰা আদ্ৰতাৰ মাজত যেন জীৱনৰ প্ৰথম বীজ অংকুৰিত হৈ উঠে।

তেতিয়া ৰাতি হৈছিল। প্ৰচণ্ড শীতত সকলো গোট মাৰিছিল। মই গৈ দাদাৰ ঘৰ পালোঁগৈ। তেওঁলোকৰ ডাঙৰ কোঠালিটোত আমি ৰাতিৰ আহাৰ কৰিলোঁ। কোঠালিটোৰ চাৰিওফালৰ দেৱালত বিভিন্ন ৰকমৰ চৰাইৰ ছবি আঁকা আছে। চীলৰ চামৰাৰে বনোৱা কোটটো পিন্ধি থকা বাবে মোৰ দাদাজনক একেবাৰে মেৰু অঞ্চলৰ লোক যেন লাগিছিল। আমাৰ চিকাৰৰ বাবে তেওঁ কি কি ব্যৱস্থা কৰি ৰাখিছে সকলো কথা মোৰ লগত খোলাকৈ আলোচনা কৰিলে। ৰাতি চাৰে তিনি বজাৰ ভিতৰত আমি ওলাই যাব লাগিব যাতে চাৰে চাৰি বজাৰ ভিতৰত গন্তব্যস্থান পাব পাৰোঁ। ইতিমধ্যে তাতে এটা বৰফৰ সৰু ঘৰ তৈয়াৰ কৰি থোৱা হৈছে যাতে হাড় কঁপোৱা বতাহে আমাৰ শৰীৰক আঘাত কৰিব নোৱাৰে।

দাদাই হাতৰ তলুৱা দুখন ঘঁহি ঘঁহি ক'লে "ইমান কুঁৱলী পৰা মই জীৱনত কেতিয়াও দেখা নাই। সন্ধ্যা ৭ বাজিল কি নাবাজিল তাপমান ২১লৈ নামি যায়।"

নিশাৰ আহাৰ গ্ৰহণৰ পাছতেই মই শুবৰ বাবে বিছনালৈ আগবাঢ়িলোঁ। ঘৰৰ ভিতৰত যি জুই জ্বলাই ৰাখিছিল তাৰ উমতে মই অতি সোনকালে নিদ্ৰামগ্ন হ'লোঁ। তিনি বজাতে টোপনিৰপৰা উঠিলোঁ। দাদাই এটা ভালুকৰ ছালেৰে তৈয়াৰ কৰা কোট আৰু মই এটা ভেড়াৰ ছালেৰে তৈয়াৰ কৰা কোট পিন্ধিলোঁ। আমি দুজনে প্ৰথমে দুকাপ কফি আৰু তাৰ পাছত দুই গিলাচ ব্ৰেণ্ডি খালোঁ।

বাহিৰলৈ ওলাই কেইখোজমান আগবাঢ়ি যাওঁতেই বতাহত আমাৰ হাতবিলাক কঁপি উঠিল। প্ৰচণ্ড শীতত যেন গোটেই পৃথিৱীখন গোট মাৰি বৰফ হৈ গৈছে। ক'তো কেনিও কোনো জীৱনৰ স্পন্দন নাই। গছ-গছনি, পশু-পক্ষী সকলো যেন গোট মাৰি বৰফ হৈ গৈছে। জোনটো স্তিমিত হৈ ঢলি পৰিছে। এনেকুৱা লাগিছিল যেন জোনটো আকাশত মূৰ্চিত হৈ পৰিছে; দুৰ্বলতাৰ বাবে এক ভৰিও আগুৱাব পৰা নাই। সি যেন ঠাণ্ডাত গোট মাৰি ৰৈছে আৰু সেই বিষাদত মলিন হৈ উঠিছে তাৰ পোহৰ।

হাতত বন্দুক লৈ আৰু গুলিবিলাক পকেটত ভৰাই

লৈ মই আৰু দাদা কাৰ্ল দুয়োজনে ওচৰা-উচৰিকৈ আগবাঢ়িলোঁ। ঊলৰ ঢাকনিৰে আমাৰ বুটজোতা ঢাকি লৈ আমি বৰফত গোটমৰা নদীখন পাৰ হৈ নিঃশব্দে আগবাঢ়িব ধৰিলোঁ। আমাৰ কুকুৰবিলাকো আমাৰ লগতে আছিল। সিহঁতৰ নাকৰপৰা ছ'দাৰ গোন্ধ ওলাইছিল। আমি অৱশেষত সেই জলাশয়টোৰ শেষ প্ৰান্ত পালোঁহি। সিফালে নল খাগৰিৰ বন। এনেকুৱা লাগিছিল যেন গোটেই জলাশয়টো মৰি অসাৰ হৈ পৰি আছে আৰু আমি শুকান নল খাগৰিৰে ভৰা মৃতদেহৰ ওপৰেৰে খোজ কাঢ়ি গৈ আছোঁ।

হঠাৎ আমাৰ আশ্ৰয়ৰ বাবে তৈয়াৰ কৰা ঘৰটোত দৃষ্টি নিবদ্ধ হ'ল। সময়খিনি কটোৱাৰ বাবে আমি সেই ঘৰটোতে সোমালোঁ। এতিয়াও এঘণ্টা সময় কটাব লাগিব।

মই দীঘল দি পৰি ওপৰৰ ফালে চাই থাকিলোঁ। বৰফৰ দেৱালৰ অস্পষ্ট স্বচ্ছতাৰ মাজেদি ওপৰৰ চালখন দেখি এনেকুৱা লাগিল যেন তাৰ চাৰিটা শিং আছে। কিন্তু ঘৰৰ ভিতৰখন ইমান ঠাণ্ডা যে মোৰ কাহ উঠিবলৈ আৰম্ভ কৰিলে। মই খুব জোৰে জোৰে কাহিব ধৰিলোঁ।

দাদা কাৰ্লে ক'লে- "মই আমাৰ এই চিকাৰটো মাটি কৰিবলৈ নিবিচাৰোঁ, তথাপি এইটোও নিবিচাৰোঁ যে তোমাৰ চৰ্দি লাগক। তাতকৈ ভাল জুই একুৰা ধৰা যাওক"।

আমি শুকান নল খাগৰি আনি ঘৰৰ মাজতে জুই জ্বলাবলগীয়া হ'ল। ধোঁৱা ওলাই যাবলৈ মূৰৰ ওপৰত এটা ফুটা কৰি দিয়া হ'ল। জুইৰ উত্তাপত বেৰাৰ বৰফবিলাক গলিবলৈ ধৰিলে আৰু আমি ঘৰৰপৰা বাহিৰলৈ ওলাই গ'লোঁ। ওলাই গৈ দেখিলোঁ আমাৰ বৰফৰ ঘৰটো গলি গৈ অগ্নিগৰ্ভা এক বিৰাট হীৰাৰ স্তূপৰ নিচিনা হৈছে।

হঠাৎ জুইৰ পোহৰত টোপনিৰপৰা সাৰ পাই উঠা এক বন কুকুৰাৰ আৰ্তনাদ কাণত পৰিলহি। প্ৰত্যুষৰ সেই হিমশীতল মুহূৰ্তত পক্ষীৰ কণ্ঠৰ পৰা ভাহি অহা সেই আৰ্ত ধ্বনিটো ধৰণীৰ বুকু ফাটি যোৱা এক দীৰ্ঘশ্বাস যেন অনুভৱ হ'ল।

কাৰ্লে ক'লে "পোহৰ নুমাই দিয়া, ৰাতিপুৱা হৈ গৈছে।"

আকাশৰ আন্ধাৰ তেতিয়া পাতল হৈ আহিছিল। হঠাৎ সেই তৰল অন্ধকাৰৰ পটভূমিত দেখা পালোঁ এজাক বনৰীয়া হাঁহ উৰি গৈ আছে। হঠাৎ এচমকা অগ্নিগৰ্ভা পোহৰে অন্ধকাৰ আকাশখন বিদ্ধ কৰিলে। কাৰ্লে বন্দুকেৰে গুলি কৰিছিল। আমাৰ কুকুৰ দুটা চক খাই গ'ল। লগে লগে বাহিৰলৈ গৈ কুকুৰ দুটাই কেইটামান হাঁহ বুটলি আনিলে। ৰক্তাক্ত ক্ষত বিক্ষত দেহৰ সেই হাঁহবিলাকৰ কোনোবাটো জীৱন্ত– কোনোবাটো মৃত।

ক্ৰমান্বয়ে পোহৰ হৈ হৈ ৰাতিপুৱাই গ'ল। চাৰিওদিশ উজ্বল পোহৰেৰে আলোকিত হৈ পৰিল। উপত্যকাৰ শেষ প্ৰান্তৰ পূবফালে সূৰ্য্য উদয় হৈছে। আমি ঘৰলৈ উভতি যোৱাৰ কথা ভাবিছিলোঁ, ঠিক তেনেতে আমাৰ মূৰৰ ওপৰৰ খুব ওচৰেদি দুটা চৰাই উৰি গ'ল। লগে লগে মই বন্দুক তুলি গুলি কৰিলোঁ। দুটাৰ মাজৰ এটা মাটিত পৰি গ'ল। আনটো চৰায়ে তেতিয়া হৃদয়বিদাৰক কণ্ঠেৰে আৰ্তনাদ কৰি কৰি মোৰ মূৰৰ ওপৰত উৰি ফুৰিব ধৰিলে। মৃত চৰাইটো মোৰ হাতত আছিল আৰু তাৰ ফালে চাই চাই জীয়াই থকা চৰাইটো শোকাতুৰ হৈ পৰিছিল।

কান্ধৰ বন্দুকটো থৈ কাৰ্লে আঠুকাঢ়ি বহি মোক ক'লে– "তুমি মাইকী চৰাইজনী মাৰি পেলালা, মতা চৰাইটোৱে তাৰ সংগিনীক এৰি থৈ নাযাব।"

সঁচাকৈয়ে মতা চৰাইটোৱে তাৰ মৃত সংগিনীক এৰি নগ'ল। কৰুণ কণ্ঠেৰে আৰ্তনাদ কৰি কৰি সি চক্ৰাকাৰে মোৰ মূৰৰ ওপৰত ঘূৰি থাকিল। তাৰ সকৰুণ আবেদনত মোৰ অন্তৰখন মোচৰ খাই গ'ল। জনপ্ৰাণীহীন সেই মহাশূন্যত সেই হতভগীয়া চৰাইটিৰ তিক্ত ভৎৰ্সনা উপচি পৰিছিল।

মাজে মাজে চৰাইটোৱে কাৰ্লৰ বন্দুকৰ ভয়ত আকাশৰ অলপ দূৰলৈ গুচি গৈয়ো আঁতৰি যাব পৰা নাছিল। পিছ মুহূৰ্ততে উভতি আহিছিল। তাৰ সংগিনীৰ বিৰহত পাগলৰ নিচিনাকৈ নামি আহিছিল। কাৰ্লে ক'লে, "মৰা চৰাইটো মাটিত থৈ দিয়া। ইটো চৰাই তেতিয়া তাৰ ওচৰলৈ আহিব"।

কোনো ৰকমৰ বিপদলৈ ভয় নকৰি সংগীৰ মৃত্যুত উন্মাদ হৈ পৰা মতা চৰাইটো সঁচাকৈয়ে তাৰ মৃত সংগিনীৰ ওচৰলৈ আহিল। লগে লগে কাৰ্লে গুলি কৰিলে। এডাল যেন সৰু সূতাত ওলমি আছিল চৰাইটো। সূতাডাল কাটি দিওঁতেই চৰাইটো পৰি গ'ল। মই মন কৰিলোঁ যেন এটা ক'লা বস্তু মাটিত পৰি গ'ল। লগে লগে মোৰ কুকুৰটোৱে চৰাইটো কামুৰি লৈ আনিলে। মই দুয়োটা মৃত চৰাইকে বেগৰ ভিতৰত ভৰাই থলোঁ।

মই সেইদিনাই পেৰিচলৈ গুচি আহিলোঁ।

●



*সন্ধ্যা বৰুৱা (সন্ধ্যা শৰ্মা) ৰাষ্ট্ৰীয় ভলীবল দললৈ নিৰ্বাচিত প্ৰথম অসমীয়া মহিলা ভলীবল খেলুৱৈ। স্কুলীয়া দিনৰে পৰা ভলীবল খেলা সন্ধ্যা বৰুৱা(শৰ্মা)ই ১৯৭১ চনৰ পৰা অসমৰ হৈ খেলি আহিছে। ১৯৭৩, ১৯৭৪ আৰু ১৯৭৬ চনত যথাক্ৰমে ত্ৰিৱান্দ্ৰম, বাঙ্গালোৰ আৰু কলিকতাত অনুষ্ঠিত আন্তঃৰাজ্যিক ভলীবল প্ৰতিযোগিতাত অসম দলক নেতৃত্ব দিয়াৰ লগতে মুঠ ৮ বাৰ তেওঁ ৰাজ্যিক দলক নেতৃত্ব প্ৰদান কৰিছিল। ১৯৭৪ চনত তেহৰাণত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতক প্ৰতিনিধিত্ব কৰাৰ বাবে সন্ধ্যা বৰুৱা(শৰ্মা) নিৰ্বাচিত হৈছিল যদিও কাৰিকৰী অসুবিধাৰ বাবে এই ভ্ৰমণ বাতিল হয়। সন্ধ্যা বৰুৱা এতিয়াও সক্ৰিয়ভাৱে খেলৰ সৈতে জড়িত হৈ আছে।*

# বৰ্তমান অতিমাৰীৰ সময়ত শাৰীৰিক শিক্ষাৰ প্ৰয়োজনীয়তা

**সন্ধ্যা বৰুৱা**

সৰুৰেপৰা শুনি অহা এষাৰ কথালৈ মনত পৰিছে– ‘দেহা থাকিলেহে বেহা’। সৰুতে এই কথাষাৰৰ অৰ্থ বুজি পোৱা নাছিলোঁ। কিন্তু বৰ্তমান সময়ৰ অতিমাৰীয়ে এই কথাষাৰৰ অৰ্থ বাৰুকৈয়ে বুজাইছে। বৰ্তমানৰ অতিমাৰীৰ এই ভয়ংকৰ পৰিস্থিতিত দেখা গৈছে যে আমাৰ লগতে উঠি অহা শিশুসকলৰ মনৰ স্থিৰতা আৰু শাৰীৰিক ক্ষমতা বহুখিনি কমি যোৱাত মনৰ উৎসাহ আনন্দ নোহোৱা হৈ হতাশাত ভূগিবলগীয়া হৈছে। এইবোৰৰপৰা পৰিত্ৰাণ পাবলৈ হ’লে আমি পূৰ্বৰ জীৱনশৈলীৰ কিছু সংশোধন কৰিব লাগিব। যিহেতু প্ৰাকৃতিক দুৰ্যোগৰ লগত যুঁজাৰ ক্ষমতা আমাৰ নাই, সেই বাবে যিকোনো এনে দুৰ্য্যোগ(শাৰীৰিক, মানসিক বা প্ৰাকৃতিক)ৰপৰা পৰিত্ৰাণ পাবলৈ হ’লে আমাৰ আটাইতকৈ প্ৰয়োজনীয় কামটো হ’ল– সৰুৰেপৰা নিতৌ শৃঙ্খলাবদ্ধ আৰু নিয়মানুৱৰ্তিতা ৰক্ষা কৰি ব্যায়াম, যোগাসন আৰু ধ্যান কৰাৰ অভ্যাস কৰা। কাৰণ মানসিক উৎকৰ্ষই এজন ব্যক্তিৰ বৌদ্ধিক বিকাশ সাধন কৰে যদিও শাৰীৰিক উৎকৰ্ষ অবিহনে ব্যক্তি তথা সমাজৰ পূৰ্ণতাপ্ৰাপ্তি সম্ভৱ নহয়।

অতীজৰেপৰা ৰজা-মহাৰজাই আমোদ-প্ৰমোদৰ লগতে বিনোদনৰ বাবেও খেল-ধেমালিৰ আশ্ৰয় লৈছিল। কাৰণ ইয়ে এখন সমাজ, জাতি আৰু দেশৰ সংস্কৃতিৰে আন আন দেশৰ লগতো বান্ধ খাই থকাত সহায় কৰে।

‘ক্ৰীড়া’ (Sports) হ’ল একমাত্ৰ মাধ্যম, যাৰ দ্বাৰা সকলোকে একেডাল এনাজৰীৰে বান্ধি ৰাখিব পাৰি– ই পৃথিৱীৰ শান্তি, একতা, প্ৰেম আৰু ভাতৃত্ববোধৰ জ্বলন্ত প্ৰমাণ, য’ত কোনো ভেদাভেদ নাথাকে আৰু মন প্ৰফুল্ল কৰি ৰাখে।

মই মোৰ জীৱনৰ অভিজ্ঞতাৰ পৰা ইয়াকেই শিকিলোঁ– “শিক্ষা, কৰ্ম আদিত মন দিবলৈ হ’লে শৰীৰ সুস্থ কৰি ৰখাৰ খুউব প্ৰয়োজন।” এগৰাকী খেলুৱৈ হিচাপে মোৰ খেলৰ কৃতকাৰ্য্যতাত দেউতাৰ বহুখিনি অৰিহণা আছে। ঘৰত খেলৰ পৰিৱেশ আনিবলৈ দেউতাই সকলো হাতেৰে ঢুকি পোৱাতে সুবিধা কৰি দিছিল। তেতিয়াৰ দিনত আজিকালিৰ দৰে 'Play House' নাছিল, কিন্তু এখন খেলপথাৰ আছিল। তদুপৰি দেউতাই ঘৰ সাজিবলৈ আনি থোৱা বালিত আমাক লংজাম্প মৰা দুয়োফালে ৰছী বান্ধি হাইজাম্প মৰা, ফিল্ডত চূণেৰে দি থোৱা চিনত এশমিটাৰ দূৰলৈ দৌৰা, এঠেঙীয়া দৌৰ, কলহ ভঙা, এঠেঙীয়া কুকুৰা যুঁজ আদি আমাক খেলিবলৈ উৎসাহ যোগাইছিল।

উপৰিউক্ত এই সকলো খেলৰপৰা আমাৰ শৰীৰ সুস্থ কৰি ৰখাৰ উপৰিও কোনো কথাত মনোযোগ দিয়াৰ ক্ষমতা, মৰম, একতা ইত্যাদিয়ে আমাৰ মন প্ৰফুল্ল কৰি ৰাখিছিল। লগৰীয়াৰ লগত মধুৰ সম্পৰ্ক ৰাখি আমাৰ মানসিক আৰু শাৰীৰিক উত্তৰণত বহু সহায় কৰিছিল। কোনো ধৰণৰ কলুষিত কৰিবপৰা ঘটনাই প্ৰভাৱ পেলাব নোৱাৰিছিল। এইদৰে মই ক’ব নোৱৰাকৈ খেলজগতত (ভলীবল) ৰাষ্ট্ৰীয় পৰ্য্যায়ত আৰু ভাৰতীয় দলতো স্থান পাবলৈ সক্ষম হৈছিলোঁ। এই কথাখিনি এইবাবেই লিখিছোঁ যাতে পথ প্ৰদৰ্শক হৈ অভিভাৱকসকলে শিশুসকলক খেল-ধেমালি আৰু ব্যায়ামৰ জৰিয়তে এটা সুস্থ, সবল জীৱন অতিবাহিত কৰিবলৈ অনুপ্ৰেৰণা যোগায়।

খেলে শিশুৰ মন মগজু সজাগ আৰু উৎফুল্লিত কৰি ৰাখে আৰু সেইবাবে পঢ়া-শুনাত ভালকৈ মনোযোগ দিব পাৰে। যি কোনো পৰাজয়ে, হতাশা বা ব্যৰ্থতা আনিব নিদি অদম্য মানসিকতাৰ অধিকাৰী হোৱাত সহায় কৰে, ব্যৰ্থতাক পৰাজিত কৰি সাহসেৰে আগুৱাই যোৱাত সহায় কৰে। ইয়াকে কয়– "Positive thinking"।

এজন ভাল স্বাস্থ্যৰ গৰাকী হ’বলৈ হ’লে আমাৰ শাৰীৰিক ফিট্‌নেছৰ লগতে ব্যায়াম আৰু যোগাসনৰো প্ৰয়োজন আছে।

ব্যায়াম(Exercise)ৰ মূল উদ্দেশ্য হৈছে– শৰীৰৰ পেশীবোৰৰ সু-গঠন আৰু ইয়াৰ শক্তি বৃদ্ধি কৰি তেজ চলাচলত সহায়ক হোৱা। ই আমাক হজম শক্তি বৃদ্ধি কৰি শৰীৰৰ পেশীবোৰ শক্তিশালী কৰি বিভিন্ন ৰোগ নিৰাময় কৰাত সহায় কৰে।

এইখিনিতে এটা কথা মনত ৰাখিব লাগে কোনো ব্যায়াম বা প্ৰাণায়াম মানসিক চাপত কৰিব নালাগে। মনটো চাপমুক্ত কৰি শান্ত হৈহে কৰিব লাগে। তেতিয়াহে সুফল পোৱা যায়। পৰাপক্ষত মোবাইল ফোন, টি.ভি বন্ধ কৰি ল’ব লাগে।

আনহাতে যোগাসনে আমাৰ মন শৰীৰ সংযমিত কৰি সুপ্ত শক্তিসমূহ জাগ্ৰত কৰে।

সংস্কৃতৰ ‘যুজ’ৰ পৰাই উৎপত্তি হৈছে ‘যোগ’ শব্দটি। ইয়াৰ অৰ্থ হৈছে সংলগ্ন কৰা। যোগাসনেই হৈছে এটা সম্পূৰ্ণ পদ্ধতি যিয়ে মানুহক শাৰীৰিক, মানসিক আৰু আধ্যাত্মিকভাৱে শক্তিশালী কৰি তুলি নিজক নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা অৰ্জনত সহায় কৰে আৰু আত্মসন্তুষ্টি প্ৰদান কৰে।

যোগাসনৰ ডাঙৰ উপকাৰিতা হ’ল– ইয়াৰ ফলত কোনো লোকচান নহয়। ই এক প্ৰাকৃতিক পদ্ধতি, যিয়ে প্ৰকৃতিৰ সৈতে সংযোগ হৈ আমাৰ মনত পৰম শক্তি প্ৰদান কৰে। যোগাসনে আমাৰ নিষ্ক্ৰিয় গ্ৰন্থিসমূহ সক্ৰিয় কৰি বয়সৰ চাপ নপৰাকৈ ৰাখে, পাচনতন্ত্ৰ মজবুত কৰে, হাড়ৰ সঠিক গঠন আৰু শক্তিশালী কৰি হেৰোৱা শক্তি ঘূৰাই পোৱাত সহায় কৰে। স্মৃতিশক্তি বৃদ্ধি কৰে।

আটাইতকৈ প্ৰয়োজনীয় কথাটো হ’ল– প্ৰাণায়াম, যোগাসন বা ব্যায়ামে টোপনি অহাত বহুত সহায় কৰে। উপৰিউক্ত কথাখিনিৰ বাহিৰেও শোৱাৰ আগতে অলপ সময় ‘অনুলোম বিলোম’ কৰি ৰাতিৰ পাতল আহাৰ খাই মোবাইল, টি.ভি চোৱাৰ পৰা বিৰত থাকিলে হয়তো সকলোৱে সুন্দৰ টোপনিৰে দেহৰ সুস্থতা অনাত বহু ফল লাভ কৰিব।

সেয়েহে জ্ঞানীসকলে কৈছে– “দেহা থাকিলেহে বেহা” আৰু সেইবাবেই ওপৰৰ কথাবোৰ মানি চলাটো নিতান্তই প্ৰয়োজনীয় বুলি ভাবোঁ।

●



... আমেৰিকাৰ এগৰাকী চলচ্চিত্ৰ বিশেষজ্ঞ ডনাল্ড ৰিছিয়ে সত্যজিৎ ৰায়ক লগত লৈ চলচ্চিত্ৰখন চাবলৈ গৈছিল। ৰিছিয়ে লিখিছে যে শেষৰ ফালে ৰায়ে নিজৰ আৱেগ নিয়ন্ত্ৰণত ৰাখিব পৰা নাছিল। ...

# বিশ্বশ্ৰেষ্ঠ চলচ্চিত্ৰখন আৰু ইয়াৰ নিৰ্মাতা ইয়াছুজিৰো অ'জু

**বিনয় মোহন শইকীয়া**

বিশ্বৰ আগশাৰীৰ চলচ্চিত্ৰ নিৰ্মাতাৰ মাজৰে অন্যতম হিচাপে জাপানী চলচ্চিত্ৰ নিৰ্মাতা ইয়াছুজিৰো অ'জুক (Yasujiro Ozu) বিশেষ মান্যতা প্ৰদান কৰা হয়। ব্ৰিটিছ ফিল্ম ইনষ্টিটিউটৰ ২০০২ চনৰ এটা সমীক্ষাত বিশ্বৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ নিৰ্মাতাৰ তালিকাত অ'জুক দশম স্থানত ৰখা হৈছে। ছাত্ৰাৱস্থাতে চলচ্চিত্ৰৰ প্ৰতি আকৰ্ষিত হোৱা অ'জুৱে হাইস্কুল পৰ্য্যায়ৰ পাছতে বিভিন্ন পৰীক্ষাত বিফল হৈ আনুষ্ঠানিক শিক্ষা সামৰিবলগীয়াত পৰে। ১৯২৩ চনত পৰিয়ালৰ আপত্তি সত্বেও অ'জুই এটা ফিল্ম কোম্পানিত চিনেমেট'গ্ৰাফিৰ সহকাৰী হিচাপে যোগ দিয়ে। ১৯২৬ চনত তেওঁ সহকাৰী চলচ্চিত্ৰ নিৰ্মাতাৰ পৰ্য্যায়লৈ উঠে আৰু তাৰ পাছৰ বছৰতে তেওঁ মুখ্য নিৰ্দেশক হিচাপে এখন চলচ্চিত্ৰ নিৰ্মাণৰ সুযোগ লাভ কৰে। কিন্তু তেওঁ বাধ্যতামূলক সামৰিক সেৱাত যোগ দিবলগীয়া হোৱাত চলচ্চিত্ৰখন সম্পূৰ্ণ কৰিব নোৱাৰিলে। সামৰিক সেৱাৰপৰা উভতি আহি অ'জুই পুনৰ চলচ্চিত্ৰ নিৰ্মাণৰ কামত লাগে আৰু ফিল্ম কোম্পানিয়ে বিচৰা মতে কেইখনমান নিৰ্বাক কমেডি চুটি ছবিৰ নিৰ্মাণ সম্পন্ন কৰে। ১৯৩৭ চনত তেওঁ পুনৰ

সামৰিক সেৱাত যোগ দিবলগীয়া হয় আৰু সামৰিক বাহিনীৰ নিৰ্দেশতে কেইখনমান প্ৰচাৰমূলক চলচ্চিত্ৰ নিৰ্মাণৰ কামতো লাগিবলগীয়া হয়। ১৯৪৩ চনত ছিংগাপুৰত সামৰিক বাহিনীৰ নিৰ্দেশত তেওঁ আজাদ হিন্দ ফৌজৰ সহযোগত 'টু ডেলহি টু ডেলহি' নামৰ চলচ্চিত্ৰ এখন নিৰ্মাণৰ কামত জড়িত হয়।

দ্বিতীয় বিশ্বযুদ্ধৰ পাছত ১৯৪৬ চনত অ'জু জাপানলৈ উভতি আহে আৰু চলচ্চিত্ৰ নিৰ্মাণৰ কামত পুনৰ নিয়োজিত হয়। পঞ্চাশৰ দশকৰ শেষৰ ফালৰপৰাই অ'জুৰ চলচ্চিত্ৰই বেছ সুনাম অৰ্জন কৰে। বিশেষকৈ তেওঁৰ নৰিকো ত্ৰিলজি বুলি জনাজাত তিনিখন চলচ্চিত্ৰই তেওঁৰ এই জয়যাত্ৰাৰ সূচনা কৰে বুলি কোৱা হয়। এই চলচ্চিত্ৰ কেইখন হৈছে 'লেট স্প্ৰিং' (১৯৪৯), 'আৰ্লি ছামাৰ' (১৯৫১) আৰু 'টকিঅ' ষ্টৰি' (১৯৫৩)। ইয়াৰ পাছত তেওঁ নিৰ্মাণ কৰে 'ইকুইনক্স ফ্লাৱাৰ' (১৯৫৮), 'ফ্লটিং উইডছ' (১৯৫৯) আৰু 'লেট অটম' (১৯৬০)। তেওঁৰ সৰ্বশেষ চলচ্চিত্ৰখন হৈছে 'এন অটম আফটাৰনুন' (১৯৬২)। উল্লেখযোগ্য যে 'টকিঅ' ষ্ট'ৰি' চলচ্চিত্ৰখনকে 'ছাইট এণ্ড ছাউণ্ড'ৰ বিশ্বৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ চলচ্চিত্ৰৰ শেহতীয়া তালিকাত (২০১২ চনৰ) প্ৰথম স্থান দিয়া হৈছে। ইয়াৰ আগতে প্ৰায় পঞ্চাছ বছৰ সেই স্থানত থকা অৰ্ছন ৱেলছৰ 'চিটিজেন কেইন'ৰ ঠাইত ই নিজকে অন্ততঃ দহ বছৰৰ বাবে প্ৰতিষ্ঠা কৰিছে। কাৰণ দহ বছৰৰ মূৰে মূৰে প্ৰকাশ পোৱা তালিকাখন ২০২২ চনতহে নিৰ্দিষ্ট নিয়মাৱলীৰ মাজেৰে পুনৰ প্ৰকাশ পাব।

অ'জুৰ চলচ্চিত্ৰৰ সংখ্যা চৌৱন। তাৰে এতিয়া তেত্ৰিছখনহে বিচাৰি পোৱা গৈছে। তিনিকুৰি বছৰ বয়সত ১৯৬৩ চনত যেতিয়া অ'জুৰ মৃত্যু হয়, সেই সময়লৈকে তেওঁৰ চলচ্চিত্ৰ পশ্চিমৰ দেশসমূহত প্ৰায় অপৰিচিত হৈয়ে আছিল। ইয়াৰ কাৰণ হিচাপে কোৱা হয় যে তেওঁৰ চলচ্চিত্ৰসমূহ 'ইমান বেছি জাপানী' যে সেইবোৰ পশ্চিমৰ দেশলৈ পঠোৱাৰ কথা বিবেচনা কৰাই হোৱা নাছিল। কিন্তু দেৰিকৈ হ'লেও যেতিয়া পশ্চিমীয়া দেশত তেওঁৰ চলচ্চিত্ৰৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ল, সেইসমূহৰ চলচ্চিত্ৰীয় গুণে পশ্চিমক বাৰুকৈয়ে সন্মোহিত কৰিলে। খুব বেছি কাৰিকৰী কৌশলৰপৰা আঁতৰি থকা অ'জুৱে অতি সাধাৰণভাৱে নিৰ্মাণ কৰা চলচ্চিত্ৰসমূহত ১৯৩৬ চনলৈকে শব্দ ব্যৱহাৰ কৰা নাছিল, ৰঙো প্ৰয়োগ কৰা নাছিল ১৯৫৮ চন পৰ্যন্ত। তেওঁৰ চলচ্চিত্ৰত কাহিনীবোৰ অতি সহজ সৰলভাৱে উপস্থাপন কৰা হৈছিল। সেইবোৰো মূলতঃ পাৰিবাৰিক ঘটনা সম্পৰ্কীয়— বিবাহৰ ফলত ভাঙি পৰা এখন ঘৰ; সন্তানৰ বাবে পিতৃ-মাতৃৰ ত্যাগ; অথবা সন্তানৰ পিতৃ-মাতৃৰ প্ৰতি থকা (বা নথকা) দায়িত্ববোধ, আদি। উদাহৰণ স্বৰূপে আলোচিত চলচ্চিত্ৰ 'টকিঅ' ষ্ট'ৰি'ত আমি এই কথাৰ উমান পাম।

**টকিঅ' ষ্ট'ৰি**

বৃদ্ধ দম্পতি ছুকিছি আৰু টমিৰ পাঁচজন সন্তানৰ চাৰিজন বৰ্তমান জীৱিত। দম্পতিযোৰা পশ্চিম জাপানৰ এখন সৰু চহৰত বাস কৰে। তেওঁলোকৰ এগৰাকী জীয়ৰী কিঅ' তেওঁলোকৰ সৈতে একেলগে থাকে। তেওঁলোকৰ এজন পুত্ৰ, এগৰাকী জীয়ৰী আৰু বিধৱা মাজু বোৱাৰীগৰাকী টকিঅ'ত থাকে। সৰু পুত্ৰ থাকে অ'ছাকাত। বৃদ্ধ দম্পতিয়ে তেওঁলোকৰ সন্তান আৰু নাতি-নাতিনীক দেখা কৰিবৰ কাৰণে টকিঅ' চহৰলৈ আহিছে। কিন্তু পুত্ৰ-



কন্যা-বোৱাৰী আটাইবোৰ নিজৰ নিজৰ কামত খুব ব্যস্ত; মাক-দেউতাকক সংগ দিবলৈ তেওঁলোকৰ সময় নাই। মাথোঁ তেওঁলোকৰ বিধৱা বোৱাৰী নৰিকোইহে নিজৰ ব্যস্ত জীৱন সত্ত্বেও তেওঁলোকক কিছু সংগ দিবলৈ চেষ্টা কৰিছে। বৃদ্ধ মাক-দেউতাকে গম পাইছে তেওঁলোকৰ জীয়েক-পুতেক অত্যন্ত ব্যস্ত, সিহঁতৰ দৈনন্দিন কামত তেওঁলোকে অসুবিধাৰহে সৃষ্টি কৰিছে। কোনেও মুখ ফুটাই একো

নক'লেও আটায়ে গম পাইছে তেওঁলোকৰ সেই যাত্ৰা একেবাৰে সুখকৰ হোৱা নাই। তেওঁলোকে ভবাতকৈ আগতেই ঘৰলৈ বুলি ওভতাৰ পথত ট্ৰেইনত হঠাতে বৃদ্ধাগৰাকী অসুস্থ হৈ পৰে। যেনে তেনে ঘৰ গৈ পোৱাৰ পাছত তেওঁৰ অসুখ বাঢ়ি যায় আৰু সেই অসুখতে তেওঁৰ মৃত্যু হয়। মৃতকৰ কৰণীয়খিনি কৰাৰ পাছত পুতেক-জীয়েক-বোৱাৰীয়েক আটায়ে ততাতৈয়াকৈ টকিঅ'লৈ উভতি যায়। মাথোঁ বিধৱা বোৱাৰীগৰাকীহে কিছুদিন তাত থাকি যায়।



তেৰেঁই ঘৰত থকা জীয়েকগৰাকীক বুজায় যে প্ৰত্যেকৰে নিজা নিজা সংসাৰ আছে, কামৰ দায়িত্ব আছে, যাৰ ফলত মাক-দেউতাকৰ সৈতে পুতেক-জীয়েকৰ যি সম্পৰ্ক তালৈ কিছু শিথিলতা আহি পৰিছে, ইয়াৰ বাবে কাকো ব্যক্তিগতভাৱে দোষ দিব পৰা নাযায়। বিধৱা বোৱাৰীয়েকগৰাকীও এদিন বিদায় লৈ টকিঅ'লৈ যাবলৈ ওলায়। বিদায়ৰ আগমুহূৰ্তত শহুৰেকে স্বীকাৰ কৰে যে নিজ পুত্ৰ-কন্যাৰ পৰা তেওঁ যিখিনি নাপালে সেইখিনি তেওঁ তেজৰ সম্পৰ্ক নথকা বোৱাৰীগৰাকীৰ পৰাহে পালে। তেওঁ বোৱাৰীয়েকক পুনৰ বিবাহৰ বাবে অনুৰোধ কৰে আৰু তেওঁৰ পুৰণি ঘড়ীটো তেওঁক উপহাৰ দিয়ে। অকলশৰীয়া হৈ পৰা বৃদ্ধজনে শেষত স্বীকাৰোক্তিৰ সুৰত কৈছে "তেওঁ বৰ খঙাল আছিল। এনে হ'ব বুলি জনা হ'লে মই তেওঁৰ প্ৰতি অলপ মোলায়েম হ'ব পাৰিলোহেঁতেন।" অলপ ৰৈ তেওঁ পুনৰ কৈছে "এতিয়া এই অকলশৰীয়া দিনবোৰ বৰ দীঘল হ'ব।"

সাধাৰণতে এইখিনি সমল থকা চলচ্চিত্ৰ এখনত করুণ পৰিৱেশ কিছুমান সৃষ্টি কৰি দৰ্শকক কন্দুৱাবলৈ চেষ্টা কৰা নিৰ্দেশকৰ অভাৱ নহ'ব। কিন্তু সেই কাম অ'জুই কৰা নাই। তেওঁ যেন কাহিনীটোৰপৰা আঁতৰে আঁতৰে থাকিব বিচাৰিছে, যেন এই ঘটনাৰাজিৰ তেৰোঁ এজন সাধাৰণ দৰ্শক! কিন্তু এই গোটেই প্ৰক্ৰিয়াটোৱে লাহে লাহে দৰ্শকক কাহিনীটোৰ অংশীদাৰ কৰি তোলে আৰু এটা সময়ত দৰ্শকে নিজকে সেই চৰিত্ৰবোৰৰ মাজত দেখা আৰম্ভ কৰে বুলি এগৰাকী চলচ্চিত্ৰ আলোচকে মন্তব্য কৰিছে। আৰু, নিৰ্দেশকৰ নিৰ্দেশত নহয় দৰ্শকে নিজেই এসময়ত মন কৰিব যে তেওঁ কোনোপধ্যে নিজৰ আৱেগক চম্ভালিব পৰা নাই। কাৰণ এয়া যে কেৱল টকিঅ'ৰ কাহিনী নহয়, বিশ্বৰ ভিন্ন প্ৰান্তৰ প্ৰায় সকলো ঠাইৰে, সকলো লোকৰে জীয়া কাহিনী এয়া।

চিত্ৰনাট্যকাৰ কগ নডাৰ সৈতে লগ হৈ অ'জুই চলচ্চিত্ৰখনৰ চিত্ৰনাট্য প্ৰস্তুত কৰিছে। ইয়াৰ কাহিনীটো এখন আমেৰিকান চলচ্চিত্ৰ 'মেক ৱে' ফৰ টুমৰো'(১৯৩৭)ৰ আধাৰত জাপানী সমাজৰ লগত মিলাকৈ প্ৰস্তুত কৰা হৈছে। মূল চলচ্চিত্ৰখন অৱশ্যে অ'জুই চোৱা নাছিল, নডাৰ আগ্ৰহতহে ইয়াক তেওঁ গ্ৰহণ কৰিবলৈ মান্তি হৈছিল। চলচ্চিত্ৰখনে ১৯৫৩ চনত জাপানত মুক্তি পায় যদিও চলচ্চিত্ৰখন সেই একেই 'খুব বেছি জাপানী' হোৱাৰ কাৰণতে লগে লগে বিদেশলৈ প্ৰদৰ্শনৰ বাবে পঠোৱা নহ'ল। ১৯৫৭ চনত ইয়াক লণ্ডনত প্ৰথম প্ৰদৰ্শন কৰা হয় আৰু ই তাত



ছাড়াৰলেও বঁটা লাভ কৰিবলৈ সমৰ্থ হয়। আমেৰিকাত ইয়াৰ প্ৰথম প্ৰদৰ্শন হয় ১৯৭২ চনত।

ভাৰতীয় চলচ্চিত্ৰৰ প্ৰৱাদ পুৰুষ সত্যজিৎ ৰায়ে অ'জুৰ চলচ্চিত্ৰ তথা তেওঁৰ চলচ্চিত্ৰৰ নিৰ্মাণ পদ্ধতিৰ বিষয়ে সহজ-সৰল ভাষাত সুন্দৰকৈ বৰ্ণনা কৰিছে। তেওঁৰ সেই লেখাৰপৰা অ'জুৰ চলচ্চিত্ৰ সম্পৰ্কে এটা সম্যক আভাস লাভ কৰা যায়। এইখিনিতে উল্লেখ কৰি থোৱা উচিত হ'ব যে আমেৰিকাৰ এগৰাকী চলচ্চিত্ৰ বিশেষজ্ঞ ডনাল্ড ৰিছিয়ে সত্যজিৎ ৰায়ক লগত লৈ চলচ্চিত্ৰখন চাবলৈ গৈছিল। ৰিছিয়ে লিখিছে যে শেষৰ ফালে ৰায়ে নিজৰ আৱেগ নিয়ন্ত্ৰণত ৰাখিব পৰা নাছিল। সত্যজিৎ ৰায়ে লিখিছে যে অ'জুৰ ছবি চালে ভাব হয়, তেওঁ কিজানি পাশ্চাত্যৰ কোনো ছবি কেতিয়াও চোৱা নাই অথবা চলচ্চিত্ৰ-ব্যাকৰণ সম্বন্ধে কোনো ধাৰণা তেওঁৰ নাই। দৃশ্যক বিভিন্ন শ্বটত ভাগ কৰাৰ ৰীতি অ'জুৱে ব্যৱহাৰ কৰে ঠিকেই, কিন্তু ইয়াৰ বাহিৰে কোনো প্ৰচলিত পন্থাতেই যেন তেওঁৰ আস্থা নাই। যেনে, তেওঁৰ ছবিত কেমেৰা থাকে স্থিৰ হৈ। ট্ৰেকিং শ্বট যদিওবা কেতিয়াবা চকুত পৰে সেয়াও প্ৰচলিত কাৰণত ব্যৱহাৰ কৰা হোৱা নাই। ছন্দ বা গতিৰ বৈচিত্ৰ্যৰ যি ধাৰণা ইমান দিনে দেশ-বিদেশৰ ছবি চাই আমাৰ মনত প্ৰোথিত হৈছে, অ'জুৰ ছবিত তাৰ কোনো চিনচাব নাই। দৃশ্যবস্তুৰপৰা কেমেৰাৰ দূৰত্বৰ তাৰতম্য লক্ষ্য কৰিলেও কেমেৰাৰ অৱস্থান সকলো সময়তে থাকে মজিয়াৰ পৰা দুহাত ওপৰত। অৰ্থাৎ জাপানী কায়দাত মাটিত আঁঠুকাঢ়ি বহিলে মানুহৰ চকু য'ত থাকে অ'জুৰ কেমেৰাৰ লেন্স থাকে প্ৰতি শ্বটতে সেই উচ্চতাত। ফলত সকলো মিলি অ'জুৰ ছবিৰ দৃশ্যগত দিশটোত এনে এটা সাত্বিক ভাব প্ৰকাশ পায়, সেয়া সাধাৰণ দৰ্শকৰ বাবে স্বাভাৱিক কাৰণতে আমনিদায়ক যেন লগাটো একো অসম্ভৱ নহয়।... তেওঁৰ ছবিত অভিনয় আচৰিত ধৰণে স্বাভাৱিক আৰু ব্যঞ্জনাপূৰ্ণ; দ্বিতীয়তে অ'জুৰ চলচ্চিত্ৰৰ চৰিত্ৰবোৰ সকলো সময়তে ৰক্তমাংসৰ মানুহ বুলি চিনি পোৱা যায় আৰু এই চৰিত্ৰখিনি প্ৰকাশ পায় বাস্তৱধৰ্মী ডিটেইলৰ সহায়ত। এককভাৱে ভাবৰ বিকাশ আৰু একাধিক চৰিত্ৰৰ পৰস্পৰৰ মাজত থকা মৃদু সংঘাতে অ'জুৰ ছবিত এক ধৰণৰ আভ্যন্তৰীণ গতিৰ সঞ্চাৰ কৰে। এই গতিক একমাত্ৰ হৃদয়ৰদ্বাৰাহে অনুভৱ কৰা সম্ভৱ আৰু এনে গতিয়েও যে চলচ্চিত্ৰত প্ৰাণসঞ্চাৰ কৰিবলৈ সক্ষম হয় সেয়া একমাত্ৰ অ'জুৰ ছবি চালেই বুজি পোৱা যায়। নকলেও হ'ব যে টকিঅ' ষ্টʼৰিৰ নিৰ্মাণ পদ্ধতিও ওপৰত উল্লেখ কৰা পদ্ধতিৰপৰা অলপো বেলেগ নহয়। (টকিঅ' ষ্টʼৰিত অৱশ্যে কেমেৰাটো এবাৰ লৰচৰ কৰা হৈছে।) অ'জুৰ চলচ্চিত্ৰত নীৰৱতাৰ গুৰুত্ব বিশেষভাৱে লক্ষ্য কৰা যায়। কেতিয়াবা একেটা শব্দকে ভিন্ন অৰ্থত প্ৰকাশ কৰাও দেখা যায়। চলচ্চিত্ৰখনত বৃদ্ধজনে প্ৰায়ে অকণমান হাঁহি 'হয়' (ইয়েছ) বুলি কয়; ইয়াৰ অৰ্থ কেতিয়াবা 'হয়', কেতিয়াবা 'নহয়', কেতিয়াবা দুখ প্ৰকাশ আৰু কেতিয়াবা নিজৰ প্ৰতি কৰা এক সম্বোধন হ'ব পাৰে বুলি এগৰাকী আলোচকে উল্লেখ কৰিছে।

এগৰাকী চলচ্চিত্ৰ আলোচকে কৈছে, "অ'জুৰ চলচ্চিত্ৰই এনে এক সৰলতা আৰু প্ৰশান্ত অৱস্থা প্ৰাপ্ত কৰিছে যি অতল গভীৰতাৰ বাবে ব্যাপ্তিক বিসৰ্জন দিছে।" ("his films reached a simplicity and serenity that abandoned breadth for bottomless depths.") কোৱা হয় যে চলচ্চিত্ৰ জগতত কৰা যিকোনো ছিৰিয়াছ যাত্ৰাই অ'জুৰ চলচ্চিত্ৰত উপস্থিত নোহোৱাকৈ সম্পূৰ্ণ হ'ব নোৱাৰে।

●